# লক্ষীমপুৰ বালিকা মহাবিদ্যালয় আলোচনী

ছয়ত্রিশতম সংখ্যা, ২০২৩-২৪ সংখ্যা

printed at : PALKI / college chariali / khelmati, n.l / 9435855587/ 8472087412



লক্ষীমপুৰ বালিকা মহাবিদ্যালয়

# এলজিচিয়ান

## লক্ষীমপুৰ বালিকা মহাবিদ্যালয় আলোচনী

ছয়ত্রিশতম সংখ্যা, ২০২৩-২৪ সংখ্যা

সম্পাদক প্রিয়ংকা লাগাচু

# LGCIAN

## Lakhimpur Girls' College Magazine

36TH ISSUE, 2023-24



# L G C I A N

Lakhimpur Girls' College Magazine, Annual College Magazine
of Students' Union, Lakhimpur Girls' College
Session : 2023-24

## সম্পাদনা সমিতি

সভাপতি

**ড° সুৰজিত ভূঞা**

তত্ত্বাৱধায়ক

**বিকাশ দাস**

শিক্ষক সদস্য

**মণিষা মৰাং, ড° কৰিশ্মা হাজৰিকা, ড° পৰাগ কুমাৰ ডেকা**

সম্পাদিকা

**প্ৰিয়ংকা লাগাচু**

ছাত্ৰী সদস্য

**কৰিস্মা গগৈ, অনিশা দাস, বিষ্ণুপ্ৰিয়া গোহাঁই**

প্ৰচ্ছদ/অংগসজ্জা

**অৰূপ কোঁৱৰ**

মুদ্ৰণ ঃ **পাল্কী**, কলেজ চাৰিআলি, খেলমাটি, লখিমপুৰ

বিঃ দ্ৰঃ - আলোচনীখনত ৰৈ যোৱা ভুল-ক্ৰুটিৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী। লগতে প্ৰকাশিত লেখাসমূহৰ মৌলিকত্বৰ বাবে লেখকহে দায়বদ্ধ। এইক্ষেত্ৰত সম্পাদনা সমিতি কোনো কাৰণতে জগৰীয়া নহয়।

— সম্পাদনা সমিতি —

# শ্ৰদ্ধাঞ্জলি



এম. এছ. স্বামীনাথন
ভাৰত ৰত্ন, সেউজ বিপ্লৱৰ পিতৃ



বীৰেন্দ্ৰনাথ দত্ত
বিশিষ্ট লেখক, সংগীতশিল্পী



বিষণ সিং বেদী
ক্ৰিকেটাৰ



জয়ন্ত দাস
অভিনেতা



অৰুণ গোস্বামী
স্তম্ভ লেখক, ঔপন্যাসিক



মিহিৰজ্যোতি বৰুৱা
অভিনেতা



ভূপেন উজীৰ
বিশিষ্ট সংগীত পৰিচালক



দেৱেন দত্ত
বিশিষ্ট শিক্ষাবিদ, লেখক



সুদক্ষিণা শৰ্মা
বিশিষ্ট সংগীত শিল্পী



বিজয় শংকৰ শইকীয়া
অভিনেতা



অৰুণ দাস
বিশিষ্ট সংগীত শিল্পী



নীলমণি ফুকন
বিশিষ্ট সাহিত্যিক

**Ranoj Pegu**
**Minister**
Education, Tribal Affairs (P),
Indigenous and Tribal Faith & Culture (L&M) Deptt.

सत्यमेव जयते

Dispur, Guwahati - 787006, Assam
Ph. No. : +91 9954703825 (M)
+91-361-2337023 (O)
E-mail : ranojpegu@gmail.com



# MESSAGE

It is a matter of immense pleasure to learn that Lakhimpur Girls' College is going to publish its Annual Magazine for the academic session 2023-24.

In an era where knowledge, innovation and leadership are increasingly defined by the contributions of women, it is heartening to see young minds embracing education and empowerment. Education, especially for young women, is a powerful catalyst for change. It equips one not only with knowledge but also with the confidence to challenge stereotypes, break barriers and take on leadership roles in every field from science and technology to politics and arts. As a society, we have witnessed how women, when given the right opportunities, can achieve greatness and transform communities.

I am proud to see that this institution is fostering an environment where young women are encouraged to dream big, to lead with integrity and to contribute to the betterment of society. I look forward to seeing all of you thrive, not just within these academic walls but in every endeavor you pursue in the years to come. May you continue to rise, lead and inspire.

Thank you.

(Dr. Ranoj Pegu)

**অধ্যাপক জিতেন হাজৰিকা**
উপাচাৰ্য

**ডিব্ৰুগড় বিশ্ববিদ্যালয়**
ডিব্ৰুগড় । পিন - ৭৮৬০০৪ । অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ই-মেইল ঃ vc@dibru.ac.in

দিনাংক ঃ ২৮ নৱেম্বৰ, ২০২৪



# শুভেচ্ছাবাণী

অসমৰ উত্তৰ লখিমপুৰ নগৰত বিগত ১৯৭২ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠিত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খনেই আছিল মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে মহিলাসকলৰ বাবে গঢ়ি তোলা প্ৰথমখন উচ্চ শিক্ষানুষ্ঠান। অনস্বীকাৰ্য যে, সমাজৰ চালিকা-শক্তি আমাৰ মহিলাসকলৰ বিকাশ সাধন অবিহনে বহনক্ষম কিম্বা সামূহিক বিকাশ এক অলীক কল্পনা মাথোঁহে হৈ ৰ'ব। ৰাজ্যখনৰ শিক্ষাৰ সামগ্ৰিক জগতখনক চহকী কৰি অহা উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত অন্যতম এই মহাবিদ্যালয়খনে আমাৰ নাৰীসকলৰ মাজত উচ্চ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে আমাৰ সমাজ-জীৱনলৈ পাৰ্যমানে অৰিহণা যোগাই আহিছে। ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত বিশেষ বৰঙণি যোগাই অহা ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক আলোচনীখনৰ ছয়ত্ৰিশতম্ সংখ্যাটি প্ৰকাশ কৰি উলিয়াবলৈ প্ৰস্তুতি চলাই থকাৰ বাৰ্তা লাভ কৰি আমিও স্বাভাৱিকতে আনন্দিত হৈছোঁ। আমাৰ নৱপ্ৰজন্মৰ ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাৰাজি প্ৰস্ফুটিত কৰি তোলাত আলোচনীখনৰ এইবাৰৰ সংখ্যাটি বিশেষভাৱে সহায়ক হৈ উঠক — এয়ে আমাৰ কামনা।

সময়োপযোগী, জ্ঞানবৰ্ধক, সুখপাঠ্য তথা পাঠক সমাজৰ চিন্তা-চেতনা জাগ্ৰত কৰি ৰাখি সমাজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিব পৰা বিবিধতাপূৰ্ণ লেখা, প্ৰাসংগিক তথ্য-পাতি, আলোকচিত্ৰ আদিৰে সু-সমৃদ্ধ হৈ আলোচনীখনৰ এইবাৰৰ সংখ্যাটি অতি সুন্দৰকৈ প্ৰকাশ হৈ ওলাব আৰু ৰাইজেও প্ৰকাশটিক তদনুসৰি সাদৰেৰে গ্ৰহণ কৰিব বুলি আমি একান্তই আশাবাদী।

সম্পাদনা সমিতিৰ প্ৰতিগৰাকী সদস্যাৰ উপৰিও প্ৰয়াসটিৰ সৈতে প্ৰত্যক্ষ কিম্বা পৰোক্ষভাৱে জড়িত হৈ থকা সদৌটিলৈকে আমাৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা থাকিল।

(জিতেন হাজৰিকা)

# অধ্যক্ষৰ একলম

শিক্ষানুষ্ঠান এখনৰ পৰা প্ৰকাশ পোৱা আলোচনী এখনে সেই শিক্ষানুষ্ঠানত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ শৈক্ষিক তথা বৌদ্ধিক দিশৰ বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তদুপৰি শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা বিকাশত আলোচনী এখনৰ যথেষ্ট অৰিহণা থাকে। বিগত বৰ্ষসমূহৰ দৰেই এই বৰ্ষতো লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰী আৰু মৰমৰ ছাত্ৰীসকলৰ সমূহীয়া প্ৰচেষ্টাত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ ছয়ত্ৰিশতম্ সংখ্যাটি প্ৰকাশ হ'ব বুলি জানি আনন্দিত হৈছোঁ। গুৰুসকলৰ বৌদ্ধিক চিন্তা আৰু ছাত্ৰীসকলৰ সৃজনীশীল প্ৰতিভা বিকাশৰ বাবে লোৱা এনে মণিকাঞ্চন সংযোগৰ প্ৰচেষ্টাক মই আদৰণি জনাইছোঁ। আলোচনীখনে ছাত্ৰীসকলৰ স্বকীয় চিন্তাৰ বিকাশত সহায় কৰাৰ লগতে তেওঁলোকৰ শৈক্ষিক উত্তৰণৰ দিশতো নতুন বাৰ্তা কঢ়িয়াই আনিব বুলি আশা ৰাখিছোঁ।

শেষত, আলোচনীখনৰ তত্ত্বাৱধায়কৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা অধ্যাপক বিকাশ দাস প্ৰমুখ্যে সমূহ কৰ্মকৰ্তালৈ মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আলোচনীখনে সকলোৰে সমাদৰ লাভ কৰক — তাকেই কামনা কৰিছোঁ।

**(ড° সুৰজিত ভূঞা)**




সন্মানীয় অধ্যক্ষ ড° সুৰজিত ভূঞা



সন্মানীয় উপাধ্যক্ষ শ্ৰীযুত দিলীপ বৰা

# সম্পাদনা সমিতি



ড° সুৰজিত ভূঞা
সভাপতি



বিকাশ দাস
তত্ত্বাৱধায়ক



মণিষা মৰাং
শিক্ষক সদস্য



ড° কৰিশ্মা হাজৰিকা
শিক্ষক সদস্য



ড° পৰাগ কুমাৰ ডেকা
শিক্ষক সদস্য



প্ৰিয়ংকা লাগাচু
সম্পাদক



কৰিস্মা গগৈ
ছাত্ৰী সদস্য



বিষ্ণুপ্ৰিয়া গোহাঁই
ছাত্ৰী সদস্য



অধ্যক্ষ আৰু উপাধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল



অধ্যক্ষ আৰু উপাধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল



অধ্যক্ষ, উপাধ্যক্ষ আৰু গ্ৰন্থাগাৰিকৰ সৈতে গ্ৰন্থাগাৰৰ কৰ্মচাৰীসকল



মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ বিভাগীয় তত্ত্বাৱধায়কসকল

# ছাত্ৰী একতা সভা (২০২৩-২৪ বৰ্ষ)ৰ

## বিষয়ববীয়াসকল


কৰিস্মা গগৈ
সভাপতি


অনিশা দাস
উপ-সভাপতি


পৰিস্মিতা গগৈ
উপ-সভাপতি


বিষ্ণুপ্ৰিয়া গোহাঁই
সাধাৰণ সম্পাদক


অনিতা মাল্লাহ
সহকাৰী সাঃ সম্পাদক


প্ৰিয়ংকা লাগাচু
আলোচনী সম্পাদক


নাজিয়া দেউৰী
শৰীৰ চৰ্চা সম্পাদক


প্ৰেৰণা বৰা
সাংস্কৃতিক সম্পাদক


গায়ত্ৰী মেধি
বহিঃ ক্ৰীড়া সম্পাদক


স্মিতিৰাণী হাজৰিকা
বহিঃ ক্ৰীড়া সম্পাদক


ৰাণী বৰা
আন্তঃ ক্ৰীড়া সম্পাদক


ৰশ্মিকা বেগম
ছাত্ৰী জিৰণী কোঠা সম্পাদক


ৰিংকুমণি দাস
তৰ্ক আৰু আলোচনা সম্পাদক

# মহাবিদ্যালয়ৰ গৌৰৱ



















১। ভাৰতীয় মহিলা হেণ্ডবল দললৈ নিৰ্বাচিত হোৱা ছাত্ৰী মৃদুস্মিতা লাগাচু।

২। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় (২০২৩) কিক্-বক্সিং প্ৰতিযোগিতাত সোণ আৰু ৰূপৰ পদক বিজয়ী ক্ৰমে বৰষা বৰাইক আৰু জেনি দেবান।

৩। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় (২০২৪) এথলেটিক্চ প্ৰতিযোগিতাত শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰা মহাবিদ্যালয়ৰ দলটো।

৪। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় (২০২৩-২৪) ফুটবল প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰা মহাবিদ্যালয়ৰ দলটো।

৫। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় (২০২৩) হেণ্ডবল প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰা মহাবিদ্যালয়ৰ দলটো।

৬। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় (২০২৪) কাবাদী প্ৰতিযোগিতাত ৰানাৰ্চ আপ হোৱা মহাবিদ্যালয়ৰ দলটো।

# মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ কিছু মুহূৰ্ত




















# মহাবিদ্যালয়ৰ এন. এছ. এছ. আৰু এন. চি. চি. গোটৰ কাৰ্যসূচীৰ কিছু মুহূৰ্ত


















# মহাবিদ্যালয়ৰ
# বিভিন্ন মুহূৰ্তৰ
# স্নেপশ্বট













LAKHIMPUR GIRLS' COLLEGE
প্রতিষ্ঠা


লক্ষীমপুৰ বালিকা মহাবিদ্যালয়









TRADITIONAL FASHION PARADE
AND CULTURAL PANORAMA
"Ecopolis Summit: Navigating Climate Shifts in Political Realms"










A Seminar on
CERVICAL CANCER AND ITS INDIAN SCENARIO, PREVENTION AND HPV VACCINATION
&
WOMEN HEALTH AND NUTRITION


লক্ষীমপুৰ বালিকা মহাবিদ্যালয়






WOMEN FRIENDLY VOLLYBALL MATCH



স▮ম্পা▮দ▮কী▮য়

# নৱজোৱান আৰু সাহিত্য



'যিদিনা মৰিম, সেইদিনা বাৰু
জগতৰ কেনি হানি হ'ব?
মৰিলো নে আছো মই, এই কথাকেনো
পৃথিৱীৰ কিমানে জানিব?'

মানুহ অস্থায়ী। কিন্তু সেই মানুহৰেই সৃষ্টি সাহিত্য চিৰস্থায়ী। মানুহৰ মৃত্যু হৈ হাজাৰ হাজাৰ বছৰ পাৰ হৈ যাব কিন্তু তেওঁৰ অৱদান চিৰদিনৰ বাবে সজীৱ হৈ থাকিব। এই কথাষাৰৰ প্ৰমাণ অসমীয়া সাহিত্যিক স্বৰ্গীয় চন্দ্ৰধৰ বৰুৱাই 'ধূলিকণা মই' কবিতাটিৰ জৰিয়তে প্ৰমাণ দি গৈছে।

সাহিত্য হৈছে শব্দৰ এক এনে শৃংখলা যিয়ে সৌন্দৰ্যৰ ফুল ফুলাই সুগন্ধি বিয়পাই দিয়ে, সৌৰভ বিলাই দিয়ে। সাহিত্য মাথোঁ কোনো বিশেষ জাতিৰেই নহয়, বৰং সমগ্ৰ মানৱ জাতিৰ ভাষা সাংস্কৃতিক ঐতিহ্যৰ এক গুৰুত্বপূৰ্ণ অংশ। মানুহে মানুহৰ লগত যি আলোচনা কৰিব নোৱাৰে তাৰ বিপৰীতে সাহিত্যৰ জৰিয়তে সূক্ষ্মতম ভাৱ-চিন্তাৰ পৰা আৰম্ভ কৰি বৃহত্তম চিন্তাকো আলোচনা কৰিব পাৰে।

সাহিত্যই মাথোঁ সৌন্দৰ্যৰ কবিতা কামিনীকেই নহয়, সমাজৰ সৎ-অসৎ তথা ধৰ্ম-সংস্কৃতিকো সমালোচনা কৰে। তাৰ প্ৰমাণস্বৰূপে ব্ৰিটিছকালীন ভাৰত তথা অসমৰ লগতে অনেক ভাষী সাহিত্য ৰচনাকাৰৰ ৰচনাসমূহৰ কথা ক'ব পাৰি। যিয়ে নিজৰ সংস্কৃতিৰ অস্তিত্ব ৰক্ষা হেতুকে নিজৰ সম্পূৰ্ণ জীৱন দান দি গৈছে। মাথো সংস্কৃতিৰ অস্তিত্ব ৰক্ষা হেতুকে নহয়, নিজৰ সমাজত প্ৰচলিত কু-সংস্কৃতি, কু-প্ৰথাৰো সমালোচনা কৰি কবিতা, উপন্যাস, গল্প, আলোচনীৰ জৰিয়তে কটু তিৰস্কাৰ কৰি থৈ গৈছে।

গতিকে ক'ব পাৰি যে সাহিত্য মানৱ জীৱনৰ সাংস্কৃতিক সমাজৰ অবিচ্ছেদ্য অংগ। যি ভাষা ৰচনাৰ পূৰ্বৰ পৰাই লোককথা, সাধুৰ ৰূপত প্ৰচলিত হৈ আহিছে। সাহিত্যত আমি স্বাধীনভাৱে মনৰ ক্ষুদ্ৰতম ভাৱ প্ৰকাশ কৰিব পাৰোঁ। সাহিত্যৰ দ্বাৰা সত্যতাক প্ৰকাশ কৰিব পাৰোঁ। সাহিত্যৰ মূলেই হৈছে জীৱনৰ আলোচনা; জীৱনৰ আলোচনা মাত্ৰেই কোনো স্ত্ৰী-পুৰুষৰ জীৱন নহয়, সম্পূৰ্ণ সংসাৰৰ জীৱন য'ত ক্ষুদ্ৰতম জীৱ-জড়ৰ পৰা আৰম্ভ কৰি বৃহত্তম পদাৰ্থলৈ ব্যাপ্ত।

সাহিত্য ৰচনাৰ কোনো সময়সীমা নাথাকে ঠিক তেনেকৈয়ে ৰচনাকাৰৰো কোনো নিৰ্ধাৰিত বয়স নাথাকে। সাহিত্য ৰচনাত বাল্য অথবা বৃদ্ধ সকলোৰে সম্পূৰ্ণ স্বাধীনতা আছে। কিন্তু এই সাহিত্য ৰচনাৰ উচিত আৰু আৰম্ভণি সময়ছোৱা ছাত্ৰাৱস্থা ক'ব পাৰি; কাৰণ ছাত্ৰই হৈছে এনে একমাত্ৰ শক্তি যিয়ে সমাজ আৰু দেশক প্ৰগতিৰ দিশে গঢ়ি তুলিব পাৰে। দেশৰ ভৱিষ্যৎ গঢ়াত ছাত্ৰৰ শক্তি সামৰ্থ অপাৰ। ছাত্ৰই তেওঁৰ প্ৰাপ্ত শিক্ষা, জ্ঞানৰ শক্তিৰে দেশৰ উন্নতিৰ হকে ব্ৰতী হৈ সোণত সুৰগা চৰাব পাৰে। ছাত্ৰৰ কল্পনাৰ প্ৰৱণতা অসীম আৰু উদ্যমেৰে ভৰা। ছাত্ৰ হৈছে সমাজৰ ৰক্ষক যিয়ে অবিচাৰ-অত্যাচাৰৰ হকে মাত মাতিব পাৰে; সমাজৰ বিষৰূপী বিচাৰ নীতিক পৰিৱৰ্তন কৰি অমৃত সাগৰত ৰূপান্তৰ কৰিব পাৰে।

বৰ্তমানৰ নৱ প্ৰজন্ম তথা ছাত্ৰ হৈছে দেশৰ ভৱিষ্যৎ। কিন্তু দেখা যায় যে বৰ্তমান অধিকতম ছাত্ৰ সমাজে স্বজাতি, কলা-সংস্কৃতি ৰক্ষাৰ নামত আন্দোলন, হিংসাৰ প্ৰতি হিংসা চলায়। ক্ষুদ্ৰ ক্ষুদ্ৰ অভিযোগক লৈ বৃহৎ পৰিস্থিতিৰ সৃষ্টি কৰে। ফলতঃ সমাজ ছাত্ৰশক্তিৰ ওচৰত হতাশ হয়। অনীতিক লৈ অভিযোগ কৰাটো বিচাৰযোগ্য, কিন্তু হিংসা বা অনীতিৰ প্ৰতি হিংসাই শোভা নিদিয়ে। ছাত্ৰ শক্তি অপাৰ; তেওঁলোকৰ হিংসাৰ প্ৰতি মৌন হৈ বুদ্ধিৰেই অভিযোগ কৰিব পৰা ক্ষমতা আছে। তাৰ সাধন হৈছে সাহিত্য। ছাত্ৰই যিটো আন্দোলন অভিযোগেৰে সমাধা কৰিব নোৱাৰে, সেয়া সাহিত্যৰ সমালোচনাৰে সমাধান কৰিব পাৰে। সাহিত্যৰ আলোচনা, গল্প, কবিতাৰে বিদ্ৰোহ কৰিব পাৰে। এনে বিদ্ৰোহ কোনো নতুন নহয়, আজিৰ পৰা প্ৰায় পাঁচশ বছৰৰ পূৰ্বৰপৰাই শংকৰদেৱ মাধৱদেৱে এনে বিদ্ৰোহ আৰম্ভ কৰিছিল। এয়াই নহয়, শক্তিশালী ব্ৰিটিছ শাসনৰ বিৰুদ্ধেও ভাৰতীয় মানুহে সাহিত্যৰ যোগেদিয়েই বিদ্ৰোহ কৰি আহিছে। যাৰ মাজত আছে হিন্দীৰ ভাৰতেন্দু হৰিচন্দ্ৰ, প্ৰেমচন্দ, হাজাৰীপ্ৰসাদ আৰু অসমীয়াৰ মাজত লক্ষ্মীনাথ, পদ্মনাথ আদি।

বৰ্তমান নৱপ্ৰজন্মৰ ছাত্ৰৰ মাজত সাহিত্য চৰ্চাৰ ধাউতি অধিক হোৱাটো অত্যন্ত জৰুৰী, কাৰণ যিমান মানসিক শক্তিৰে ব্যৱহাৰ কৰিব পাৰি সিমান শাৰীৰিক শক্তিৰে নোৱাৰে। তেনেস্থলত এয়া প্ৰশ্নও উঠে যে সাহিত্য ৰচনাৰ কাৰণে প্ৰতিভাৰ প্ৰয়োজন; সাহিত্য ৰচনা কৰিব পৰা প্ৰতিভা সকলোৰে সামৰ্থ ক'ত? এই কথাষাৰৰ আলোচনা কৰিয়ো ক'ব পাৰি যে মাত্ৰ প্ৰতিভাৰে সাহিত্য ৰচনা কৰিব পৰা নাযায় তাৰ কাৰণে অভ্যাস আৰু ইচ্ছুকতাৰ প্ৰয়োজন। সংস্কৃতত এষাৰ বাক্য আছে—

*'কৰত কৰত অভ্যাস জড়মতী হোত সুজান।'*

অভ্যাস কৰিলে মুৰ্খও জ্ঞানী হ'ব পাৰে আৰু প্ৰতিভাহীনেও সাহিত্য ৰচিব পাৰে।

ছাত্ৰশক্তি আৰু সাহিত্য দুয়োতেই নাৰীৰ ভূমিকা অপৰিসীম। নাৰীয়ে ইচ্ছা কৰিলে অসম্ভৱকো সম্ভৱ কৰি তোলে। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ো এনে এখন অনুষ্ঠান য'ত নাৰী শক্তিৰ বিকাশৰ বাবে বিশেষ ব্যৱস্থা লোৱা হয়। নাৰীক শিক্ষাৰে শিক্ষিত কৰি তেওঁলোকৰ অস্তিত্বক সজীৱ কৰি তোলা হয়। এই মহাবিদ্যালয়তে এনে এখন আলোচনীৰ প্ৰকাশ কৰা হয় য'ত ছাত্ৰীসকলে নিজৰ অকথ্য ভাৱ চিন্তাক লিপিবদ্ধ ৰূপ দিব পাৰে। তেওঁলোকৰ প্ৰতিভা, ইচ্ছা, আকাংক্ষাৰ দাপোণস্বৰূপে দাঙি ধৰা হয়। য'ত ছাত্ৰীসকলৰ লগতে শিক্ষাগুৰুসকলেও নিজৰ লিখনি প্ৰকাশৰ জৰিয়তে ভাৱ প্ৰকাশ কৰে। আলোচনীখন প্ৰকাশৰ মূল উদ্দেশ্য এয়াই যে ছাত্ৰীৰ অনুভৱ লেখাৰ দ্বাৰা তেওঁৰ প্ৰতিভাৰো বিকাশ হওক আৰু পঢ়ুৱৈয়ো অনুপ্ৰাণিত হওক।

জীৱনটো পাখি লগা কাঁড়ৰ দৰে। কোন সময়ত অকস্মাতে উৰি যাব কোনেও ক'ব নোৱাৰে। এদিন সকলোৰে অন্ত আহিব। যাৰ কোনো অৱদান নাই তেওঁৰ অস্তিত্বও শেষ হৈ যাব কিন্তু তেওঁৰ অস্তিত্ব চিৰস্মৰণীয় হৈ ৰ'ব যিয়ে নিজ প্ৰতিভাক প্ৰতিষ্ঠা কৰি যাব। সেয়েহে আহক আমি সকলোৱে নিজৰ অস্তিত্ব বচাই ৰাখোঁ।

সদৌশেষত সম্পাদক হিচাপে আলোচনীৰ লগতে লেখক-লেখিকাৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

**— প্ৰিয়ংকা লাগাছু**

# LGCIAN

LAKHIMPUR GIRLS' COLLEGE MAGAZINE

## সূ চী প ত্র

প্ৰ ব ন্ধ


**বিহু আৰু সমাজ**
প্ৰিঞ্চিপ্ৰিয়া নাথ ।। ১

**অম্বুবাচী মেলা আৰু ইয়াৰ প্ৰাসংগিকতা**
পৰিণীতা বড়া ।। ৩

**ভাৰতৰ অৰ্থনীতিৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ**
ববিতা বৰ্মন ।। ৫

**একশৰণ নামধৰ্ম**
বৰষা দত্ত ।। ৬

**Artificial Intelligence (AI)**
Suronjana Tamuli
Jahnabi Devi ।। ৯

**Overconsumption and Sustainability in Fashion**
Sufala Payeng ।। ১১

**অৰুণোদই**
ৰিতুমণি পাৰে ।। ১৩

**Indian Democracy...**
Marami Deuri ।। ১৫

**বাসুদেৱ দ'লৰ ইতিবৃত্ত**
কাবেৰী শইকীয়া ।। ১৭

**শিক্ষক দিৱসৰ তাৎপৰ্য**
নিভাৰাণী গগৈ ।। ১৮

**সাম্প্ৰতিক সময়ত সংকটৰ গৰাহত অসমীয়া সংস্কৃতি**
জোনমণি পৰাশ গোহাঁই ।। ১৯

**The role of women in Indian Economy**
Kabyashree Devi ।। ২১

**Role of Swadeshi in development Economics**
Smriti Boruah ।। ২২

**Student and superstitious belief**
Mayuri Saikia ।। ২৪

**Ten greatest scientifice discoveries and inventions of 21st century**
Chandrani Goswami ।। ২৭

**Importance of Education**
Tejashree Doley ।। ২৯

**Health is Wealth**
Janmoni Pegu ।। ৩০

**প্ৰকৃত জীৱশ্ৰেষ্ঠ হিচাপে গ্ৰেটা থানবাৰ্গৰ দৰে আমিও...**
জাহ্নৱী চমুৱা ।। ৩১

**Climate change and the economy...**
Gayetri Gohain ।। ৩২

**Climate change and its impact on human health**
Spriha Saikia ।। ৩৪

**The importance of protecting environment**
Kaberi Chamua ।। ৩৫

**Global Warming in Environment**
Hemashree Phukan ।। ৩৭

**The responsibility we hold**
Rajashree Gogoi ।। ৩৯

**Effect of climate change**
Gyanashree Dutta ।। ৪০

**The Changing Climate**
Pahi Konwar ।। ৪১

**Climate wisdom of the Mising Tribe**
Priyanka Poli Mili ।। ৪২

**Climate change and its impact on plants**
Nome Gogoi ।। ৪৩

**Climate action**
Nipa Saikia ।। ৪৪

**Impact of climate change on culture**
Madhusmita Dutta ।। ৪৫

**Climate change on Global Health**
Selima Begum ।। ৪৭

**The Melting Glaciers**
Akangkshya Daimari ।। ৪৮

**পৰিৱেশ বিষয়ক শিক্ষা**
চেলিমা বেগম ।। ৪৯

# সূ চী প ত্ৰ

**जलवायु परिवर्तन और एकता**
प्रेरणा बरा ।। ৫১
**সাম্প্ৰতিক সময়ত পৰিৱেশ আৰু সমাজৰ পৃথিকৎসকল**
নিভা বৰা ।। ৫২
**Blood Donation**
Jyotishmita Pegu ।। ৫৩
**हिंदी दिवस**
मन्दिरा गोगोई।। ১০৬
**कॉलेज के दोस्त**
प्रेरणा बरा ।। ১০৭
**कर्ण की आत्मकथा**
प्रियंका लागाछू।। ১০৯
**Importance of women in our society**
Sumi Bori ।। ১১০

ব্য ক্তি ত্ব
**অসমীয়া সাহিত্যলৈ তৰুণৰাম ফুকনৰ অৱদান**
সন্ধ্যা প্ৰসাদ, প্ৰিঞ্চিপ্ৰিয়া নাথ, মন্দিতা নাথ ।। ৫৫-৬১

গ্ৰ ন্থ আ লো চ না
**বকুল ফুল দৰে**
মন্দিতা নাথ ।। ৬২

ভ্ৰ ম ণ
**তেজপুৰ অভিমুখে**
ৰিতুমণি পাৰে ।। ৬৪

গ ল্প
**সংগ্ৰাম** ।। নিভাৰাণী গগৈ ।। ৬৭
**উপলব্ধি** ।। প্ৰিয়াংকু ৰায় ।। ৬৯
**অব্যক্ত বেদনা** ।। অন্বেষা দত্ত ।। ৭১
**লক্ষ্যভ্ৰষ্ট** ।। চয়নিকা চেতিয়া ।। ৭৩
**কষ্টৰ ফল** ।। সংগীতা ৰয় ।। ৭৬
**माँ की ममता** ॥ बनश्री बरूआ ।। ৭৮

না ট ক
**ডিজিটেল ইণ্ডিয়াৰ মানুহ**
প্ৰিয়ংকা লাগাচু ।। ৮০

অ নু ভ ৱ
প্ৰস্তুতি বৰা, এনিশা দাস, নিভাৰাণী গগৈ ।। ৮৫ - ৮৮

ক বি তা
ভাগৰী দাস, জাহ্নৱী চমুৱা, অলি চাবুকধৰা, মিতালী গগৈ,
জোনমণি দাস, মধুস্মিতা দত্ত, গীতাশ্ৰী বৰা, নিভাৰাণী গগৈ,
ৰাখী চুতীয়া, ডলী পেগু, চিন্ময়ী লাহন, দীতিমণি পেগু,
জাহ্নৱী চমুৱা, দৰ্শনা নেওগ, কবিতা গগৈ, বেবী গগৈ,
তৃষ্ণা বৰা, প্ৰেৰণা বৰা, গৰিমা গগৈ,
ৰিতুমণি পাৰে, বেবী দত্ত ।। ৮৯ - ৯৬

ক থা ক বি তা
**ধুমুহা** ।। প্ৰিয়ংকা লাগাচু ।। ৯৭

বি শে ষ লে খা
বিকাশ দাস, ড° কৰিশ্মা হাজৰিকা,
ড° মাহমুদা বেগম ।। ৯৯ - ১০৪

স ম্পা দ কী য় প্ৰ তি বে দ ন ।। ১১১ - ১২৫

প্র ব ন্ধ

# বিহু আৰু আমাৰ সমাজ

প্ৰিঞ্চিপ্ৰিয়া নাথ

অসমীয়া জাতিৰ জাতীয় জীৱনৰ সকলো উছাহ, আশা-আকাংক্ষা, ৰং-আনন্দ, আৱেগ-অনুভূতিৰ লগত ওতপ্ৰোতভাৱে জড়িত উৎসৱটোৱেই হ'ল বিহু। বিহু গীতৰ সুৰে সুৰে, ছন্দে-ছন্দে, তালে তালে অসমীয়া জাতিটোৰ সৰলতা, উদাৰতা, ভালপোৱা আৰু আতিথ্যৰ ভাৱ প্ৰকাশ পায়।

বিহু যদিওবা কৃষিভিত্তিক উৎসৱ আছিল বৰ্তমান ই কৃষিভিত্তিক হৈ থকা নাই। আজিকালিৰ সমাজখনে যেন ইয়াক এক সামাজিক ৰীতি বুলিহে মানিবলৈ ধৰিছে। আধুনিকতাৰ নামত গছৰ তলৰ বিহু গৈ মঞ্চ পালেগৈ। পুৰণি সুৰীয়া বিহু গীতেও আধুনিকতা লাভ কৰিলে। পশ্চিমীয়া বাদ্যযন্ত্ৰৰ অবাধ সংগতকৰণে বিহুৰ উছাহ উন্মাদনাক ম্লান কৰি তুলিছে।





যুগ পৰিৱৰ্তনৰ লগতে অসমীয়া সমাজৰ স্বৰূপ, গাঁথনিৰ মূল্যবোৰ সলনি হৈছে। পূৰ্বৰ কৃষিভিত্তিক চহা অসমীয়াও হ্রাস পাইছে। কৃষিভূমিত যন্ত্ৰৰ ব্যৱহাৰে মানুহৰ শ্ৰম আৰু সময় ৰাহি কৰিছে। ফলত পথাৰলৈ গৈ চেনাইক লগ কৰা বা চেনাইলৈ বাট চাই বিহু নাম ৰচাৰ দিনো উকলিল। সেয়ে গছৰ তলৰ বিহুখনৰো যেন আজিৰ আধুনিক সমাজত প্ৰয়োজনহীন হৈ পৰিছে। যিহেতু চহাৰ বোকোচাত উঠিয়েই বিহুৱে আধুনিক কালত অসমীয়া জাতীয় মৰ্যাদা লাভ কৰিছিল, সেয়েহে চহা জীৱনৰ পৰিৱৰ্তনে বিহুৰ লোকাচাৰতো প্ৰভাৱ পেলাইছে।

অৱশ্যে, কেৱল চহা লোকসকলৰ ওপৰতে দোষ জাপিলে নহ'ব। অতীজত কিছুমান অভিজাত শ্ৰেণীৰ বাবে বিহু আছিল নিষিদ্ধ, নিম্ন শ্ৰেণীৰ অশ্লীল নাচ-গান। ইংৰাজ শাসনৰ সময়ত সেই সময়ৰ একাংশ শিক্ষকে বিহুক নিষিদ্ধ ঘোষণা কৰিবলৈ খাটনি ধৰিছিল। আৰু দুই এজন বুদ্ধিজীৱী যেনে হলিৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু কমলাকান্ত ভট্টাচাৰ্য আদিয়ে বাতৰি কাকতত বিহুৰ বিৰুদ্ধে লিখিছিল। ইংৰাজ চৰকাৰেও বিভিন্ন ব্যক্তিৰ প্ৰতিবাদী মত শুনি বিহুক সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ সিদ্ধান্ত লয়। এই কথা নগাঁৱৰ আনন্দ দাসে গম পাই গাঁৱৰ লোকসকলৰ লগত আলোচনা কৰি এটা বিহুৱা দল সাজু কৰে আৰু নাচনী হিচাপে তেওঁলোকৰ এজনৰে ভনীয়েক এগৰাকীক নাচনি হিচাপে লৈ চাহাবৰ আগত বিহু দেখুৱায়। সেই বিহু চাই চাহাবে একো অশ্লীলতা দেখা নাপাই বিহুক সমৰ্থন কৰি কাকতত প্ৰবন্ধও লিখে। ১৯৪১ চনত পোন প্ৰথমবাৰৰ বাবে মহেশ্বৰ নেওগৰ প্ৰচেষ্টাত শিৱসাগৰত প্ৰথমবাৰৰ বাবে মঞ্চত বিহু প্ৰদৰ্শন কৰা হয়। তাৰ পাছতে মঞ্চ বিহুৱে সমগ্ৰ অসমজুৰি অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰে।

তাৰ পাছৰে পৰা বিহু পতাৰ নামত কাম কাজলৈ পিঠি দি তিনিমাহ অপচয় কৰি ছান্দা তোলাৰ নামত ঘৰে-বাহিৰে, ৰাস্তাই-ঘাটে সকলোতে অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি হ'ল। ছান্দা পাৰ্টীৰ নামত সাধাৰণ লোকসকলৰপৰা টকা ডিমাণ্ড কৰি হাৰাশাস্তি কৰে। বাপতি-সাহোন বিহুটিৰ গইনা লৈ চলি থকা অস্বাভাৱিক আৰু জাতিৰ সভ্যতা সংস্কৃতি বিকৃতিকাৰক ক্ৰিয়া-কলাপে অসমীয়া সমাজক বাৰুকৈয়ে জুৰুলা কৰিছে। সময় থাকোঁতেই যদি আমি নিজক সংশোধন নকৰোঁ, আমাৰ জাতিৰ অস্তিত্ব নাইকিয়া হোৱাৰ উপক্ৰম হ'ব।

বিহু হৈছে অসমীয়াৰ প্ৰাণ। বিহুৱে আমাৰ জাতিটোৰ মৰ্যাদা দাঙি ধৰে। ইয়াক লৈ আমি গৌৰৱান্বিত হোৱা উচিত আৰু অপভ্ৰংশ সংস্কৃতি গা কৰি উঠাৰ আগতেই আমি আমাৰ ঘাইশিপা অৰ্থাৎ জাতিৰ অস্তিত্বৰ উপাদানবোৰ নিখুঁত তথা শুদ্ধ ৰূপত হৃদয়ংগম কৰি উপস্থাপন কৰা উচিত।●

# অম্বুবাচী মেলা
## আৰু ইয়াৰ প্ৰাসংগিকতা

**পৰিণীতা বড়া**



অম্বুবাচী মেলা হৈছে অসমৰ এক সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান। প্ৰতিবছৰে আহাৰ মাহত অসমৰ নীলাচল পাহাৰস্থিত কামাখ্যা মন্দিৰত অতি উলহ-মালহেৰে এই উৎসৱটি পালন কৰা হয়। আহাৰ মাহৰ সাত তাৰিখৰপৰা তেৰ তাৰিখলৈ এই উৎসৱটি পালন কৰা হয়। এই সময়ছোৱাত মা কামাখ্যা ৰজস্বলা হয় বুলি গণ্য কৰি মন্দিৰৰ দুৱাৰ বন্ধ কৰি ৰখা হয়।

পৌৰাণিক আখ্যান অনুসৰি মহাদেৱৰ পত্নী দেৱী সতীয়ে পিতৃগৃহত নিজকে অগ্নিত আহুতি দিছিল। তেতিয়া ভগৱান সদাশিৱই তেখেতৰ মৃত শৰীৰটো কান্ধত লৈ ঘূৰি ফুৰিছিল। কিন্তু এই সময়ছোৱাত সৃষ্টিৰ অসন্তুলিত অৱস্থা দেখি ভগৱান বিষ্ণুৱে তেখেতৰ সুদৰ্শন চক্ৰৰে সতীৰ দেহটো খণ্ড-বিখণ্ড কৰিছিল। ইয়াৰে সতীৰ যোনি অংশটো নীলাচল পাহাৰত স্থিতি লাভ কৰিছিল আৰু ইয়াতেই পৰৱৰ্তী সময়ত মা কামাখ্যাৰ পূজা-অৰ্চনা কৰা হৈছিল।

কামাখ্যা মন্দিৰত আচলতে মা-কামাখ্যাৰ যোনিৰ পূজাহে কৰা হয়। ইয়াত মাৰ কোনো প্ৰতিমূৰ্তি নাথাকে। প্ৰতিবছৰে অম্বুবাচী মেলাৰ সময়ত লাখ লাখ সাধু সন্ন্যাসী, দেশী-বিদেশী পৰ্যটকে কামাখ্যা মন্দিৰত ভিৰ কৰে আৰু দেৱীৰ আশীৰ্বাদ স্বৰূপ সেই তেজ ৰঙা বস্ত্ৰখনৰ এটা সৰু অংশ পাবলৈ চেষ্টা কৰে।

কিন্তু প্ৰশ্ন হ'ল য'ত নেকি কামাখ্যা দেৱীৰ ৰজস্বলা হোৱাৰ খবৰে সকলোৰে মাজত দেৱীৰ প্ৰতি শ্ৰদ্ধা, ভক্তিক অধিক কৰি তোলে ত'ত এগৰাকী মহিলাৰ ঋতুস্ৰাৱ হোৱাৰ সময়ত তেওঁক কিয় অৱহেলাৰ দৃষ্টিৰে চোৱা হয়।

কথাতে কোৱা হয় ধানটোৰে প্ৰতি কণটো আৰু মানুহে প্ৰতি মনটো। বৰ্তমানৰ আমাৰ সমাজখনক নেতিবাচকতাই ইমানে গ্ৰাস কৰিছে যে ইতিবাচকতা ভৰিৰ তলৰ সামান্য ধূলি হিচাপে পৰিগণিত হৈছে। ফলস্বৰূপে আমাৰ সমাজক আজিৰ একবিংশ শতিকাতো ঋতুস্ৰাৱৰ বিষয়টো এক লাজলগা বিষয়তেই সীমাবদ্ধ হৈ আছে। আজিও যেতিয়া এগৰাকী নাৰীৰ ঋতুস্ৰাৱ হয় 'নাপায়', 'নুচুবি' আদি এই শব্দকেইটাৰ পয়োভৰহে অধিক হোৱা দেখা যায়। তদুপৰি বহু সময়ত ঋতুস্ৰাৱ হোৱা মহিলাক সোঁচৰা ৰোগীৰ দৰে ব্যৱহাৰ কৰা দেখা যায়। য'ত নেকি মহিলাৰ উৎপাদিকা শক্তিৰ বৃদ্ধি এই সময়ছোৱাতে হয়, যাৰ ফলশ্ৰুতিত পৃথিৱীত মানৱ জাতিৰ অস্তিত্ব ৰক্ষা পৰিছে। তেনেস্থলত ঋতুমতী মহিলা এগৰাকীৰ প্ৰতি এনে ব্যৱহাৰ মুঠেই উচিত নহয়।

য'ত নেকি পুৰুষ এজনে অব্যৱহৃত ছেনিটেৰী পেডৰ পেকেটটো হাতেৰে স্পৰ্শ কৰাটো ভাল দৃষ্টিৰে চোৱা নহয় তেনেস্থলত বছৰৰ কোনোবা এটা সময়ত মা কামাখ্যা ঋতুমতী হোৱা বুলি জ্ঞান কৰি মন্দিৰৰ দুৱাৰদলিত পুৰুষসকলৰ ভিৰ কোনোপধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে।

সময় বাগৰি গৈ আছে। সময়ৰ এই পাকচক্ৰত মহাকাশৰপৰা ভূ-গৰ্ভলৈকে মহিলাৰ দপদপনি দৃষ্টিগোচৰ হৈয়ে আছে। গতিকে পৰিৱৰ্তিত সময়ৰ লগত সমাজৰ এচাম অজ্ঞ লোকৰ চিন্তা-চৰ্চাৰ পৰিৱৰ্তনৰো সময় আহি পৰিছে।

গতিকে, সৰ্বশেষত নৱপ্ৰজন্মৰ মাজৰ এগৰাকী হিচাপে এয়াই প্ৰত্যাশা, অম্বুবাচী মেলাৰ পৰম্পৰা প্ৰজন্মৰপৰা প্ৰজন্মলৈ প্ৰৱাহিত হৈ থাকক। লগতে নাৰীৰ ঋতুস্ৰাৱৰ বিষয়টোৱে সমাজৰ সকলো ব্যক্তিৰ মাজত এক বিজ্ঞানসন্মত বিষয় হিচাপে স্থাপন লাভ কৰক।●



# ভাৰতৰ অৰ্থনীতিৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ প্ৰভাৱ

**ববিতা বৰ্মন**

যেতিয়া জনসংখ্যাৰ পৰিমাণ কোনো ভৌগোলিক সীমাৰ ধাৰণ ক্ষমতাতকৈ বেছি হয় তেতিয়া সেই অৱস্থাটোক জনসংখ্যা বৃদ্ধি বা জনবিস্ফোৰণ বুলি কোৱা হয়। জনসংখ্যাৰ দিশত ভাৰতবৰ্ষ পৃথিৱীৰ দ্বিতীয় জনবহুল দেশ। বিশ্বৰ ভিতৰত ভাৰতবৰ্ষৰ মুঠ মাটিকালি ২.৪ শতাংশ হোৱাৰ বিপৰীতে বিশ্বৰ মুঠ জনসংখ্যাৰ ১৭.৫ শতাংশ ভাৰতত বাস কৰে। ভাৰতত বিশালসংখ্যক জনসংখ্যাৰ বিপৰীতে খাদ্য-শস্য আৰু অন্যান্য দৈনন্দিন ব্যৱহাৰ্য বস্তুৰ উৎপাদন যথেষ্ট কম। ফলত ভাৰতবৰ্ষৰ অৰ্থনীতিত এক বিৰূপ প্ৰভাৱ পৰিছে। জনসংখ্যা বৃদ্ধিয়ে ভাৰতৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি সকলো দিশতে সমস্যাৰ সৃষ্টি কৰিছে যদিও অৰ্থনীতিৰ ওপৰত যি সমস্যাৰ সৃষ্টি কৰিছে সেয়া অতি ভয়াৱহ। ভাৰতবৰ্ষত জনসংখ্যা দ্ৰুত হাৰত বৃদ্ধি পোৱাৰ বাবে শস্য উৎপাদনৰ ক্ষেত্ৰত ভূমিৰ পৰিমাণ কমি আহিছে যাৰ ফলত ভাৰতত খাদ্যৰ নাটনিয়ে দেখা দিছে। দেশৰ জনগণৰ খাদ্যৰ চাহিদা পূৰণ কৰিবলৈ ভাৰতে প্ৰতিবছৰ বিদেশৰপৰা বহু পৰিমাণৰ খাদ্য-শস্য আমদানি কৰিবলগা হৈছে। যাৰ ফলস্বৰূপে বৈদেশিক মুদ্ৰা ব্যয় হৈ ভাৰতত মুদ্ৰাস্ফীতি ঘটিছে। ভাৰতবৰ্ষ হৈছে এখন উন্নয়নশীল দেশ আৰু এনে উন্নয়নশীল দেশসমূহৰ এক জ্বলন্ত সমস্যা হ'ল নিবনুৱা সমস্যা। এনে দেশসমূহত দ্ৰুত গতিত জনসংখ্যা বৃদ্ধি পোৱাৰ ফলত বহুতো কাৰ্যক্ষম, দক্ষতাসম্পন্ন তথা প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিয়ে কৰ্মসংস্থাপনৰ অভাৱত নিবনুৱা সমস্যাত ভুগিবলগীয়া হৈছে। নিবনুৱা সমস্যাই অৰ্থনৈতিক উন্নয়ন তথা বিকাশত বাধাৰ সৃষ্টি কৰে।

গতিকে দেখা যায় যে, ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহত জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণ নকৰাকৈ অৰ্থনৈতিক উন্নয়ন সাধন কৰিব নোৱাৰি। বৰ্তমান ভাৰত চৰকাৰে জনসংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ বিভিন্ন পদক্ষেপ হাতত লৈছে যদিও ই সফলভাৱে কাৰ্যকৰী হোৱা নাই। সেইবাবে চৰকাৰে এই পদক্ষেপসমূহ সফলভাৱে ৰূপায়ন কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ জনসাধাৰণক জনসংখ্যাৰ শিক্ষা প্ৰদান কৰিব লাগে আৰু জনসাধাৰণক জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সজাগ-সচেতন কৰি তুলিব লাগে। গতিকে জনসংখ্যা বৃদ্ধি হ্ৰাস কৰিহে ভাৰতৰ অৰ্থনীতিৰ উন্নয়ন সাধন কৰিব পাৰি।●

# একশৰণ নামধৰ্ম

**বৰষা দত্ত**

‘শৰণ’ বুলি ক’লে সাধাৰণতে আশ্ৰয় লোৱাকে বুজা যায়। ‘শ্ৰী’ ধাতুৰ পৰা আশ্ৰয় হৈছে। আশ্ৰয় মানে নিজক ৰক্ষা কৰা, যত্ন লোৱা, সমৰ্থন কৰা অৰ্থতো ব্যৱহাৰ কৰা হয়। এই সংসাৰত জীয়াই থকাটো এটা সংঘাতপূৰ্ণ সংগ্ৰাম। বুদ্ধদেৱৰ চাৰি আৰ্য সত্যৰ প্ৰথম সত্যই হ’ল—এই সংসাৰত দুখ আছে। এই দুখৰ পৰা হাত সাৰিবৰ কাৰণে বা দুখৰ সান্ত্বনা লাভ কৰিবৰ কাৰণে মানুহে আশ্ৰয় বিচাৰে। এই পঞ্চভৌতিক শৰীৰৰ সুখ-দুখ কথা চিন্তা কৰি তাৰপৰা পৰিত্ৰাণ পাবৰ কাৰণে ঘৰ সাজি গছ ৰুই আশ্ৰয় ল’লোৱেই যেনিবা, এইবোৰৰদ্বাৰা আমি জানো আধ্যাত্মিক বিপৰ্য্যয়ৰপৰা ৰক্ষা পাম? পৃথিৱীত জন্ম হোৱা দিনৰেপৰা মৃত্যু পৰ্যন্ত মানুহৰ জীৱন বৰ সংঘাতপূৰ্ণ। ই এক চিৰন্তন সত্য। ঠিক সেইদৰে জন্ম হ’লে মৃত্যু আছেই। ইয়ো এক পৰম সত্য।



অৱশ্যে এই সংসাৰত দুখ যাতনাকে আদি কৰি সকলো ধৰণৰ পাৰ্থিৱ কষ্টৰপৰা হাত সাৰি থাকিবলৈ একমাত্ৰ উপায় ভগৱন্ত প্ৰভুৰ চৰণত কায় বাক্য মনে সুদৃঢ় বিশ্বাসে শৰণাপন্ন হ’ব লাগিব, তেতিয়াহে এই সংসাৰৰ সকলো শোক তাপৰ পৰা ৰক্ষা পাব পাৰি। একান্তভাৱে এক ঈশ্বৰৰ চৰণত শৰণ লোৱাসকলক ভকত জ্ঞান কৰা হয়। তেনে ভকতসকলক

ভগৱানে ৰক্ষা কৰাৰ কথা পৰমব্ৰহ্ম শ্ৰীকৃষ্ণই গীতাত নিজমুখে উল্লেখ কৰিছে।

'সৰ্ব ধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।'
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।

মহাপুৰুষ শংকৰদেৱৰ পৰম গুৰুজনায়ো এই শ্লোকফাঁকি সহজ-সৰল কৰি এনেধৰণে অনুবাদ কৰি থৈ গৈছে—

'সৰ্ব ধৰ্ম এৰি এক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখী লৈয়োক আমাত।।
নকৰিবা ভয় হেৰা কৰো অংগীকাৰ।
সমস্ত পাপত মই কৰিবো নিস্তাৰ।।'

*—ভাগৱত, একাদশ স্কন্ধ ১৯০/১৯১*

উল্লিখিত পদফাঁকিৰ পৰা আমি একশৰণৰ ধৰ্মৰ ধৰ্মমতৰ বিষয়ে এক ধাৰণা কৰিব পাৰোঁ। কলিযুগৰ পৰম ধৰ্ম নিৰূপণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কৈছে যে হৰিনাম বিনে আন উপায়েৰে ধৰ্ম অৰ্জন কৰিবলৈ যোৱাটো মিছা। কলি কালত যাগ-যজ্ঞ, পূজা-পাতল আদিৰ ঈশ্বৰপ্ৰাপ্তিৰ বাট সুচল নহয়। কেৱল মাত্ৰ হৰি নাম কীৰ্তনেৰে ঈশ্বৰৰ মহত্ব বুজিব পাৰি। কলি যুগত হৰিনাম বাদ দি যদি আন উপায়েৰে ধৰ্ম অৰ্জন কৰিবলৈ যায়, তেন্তে পৰম আকাংক্ষিত ফলৰ পৰিৱৰ্তে তেওঁৰ ধৰ্ম ব্যভিচাৰহে হ'ব। মনক নিয়ন্ত্ৰিত কৰি ব্যভিচাৰী ভক্তিৰপৰা বিৰত থাকি একান্ত ভাৱে নিৰ্গুণ কৃষ্ণত ভক্তি ৰাখিলে কলিযুগৰ লোকসকলে অভয়প্ৰাপ্তি পাব। মহাপুৰুষ মাধৱদেৱৰ ভাষাৰে—



'শৰদ-ব্ৰহ্মৰ পাৰ ভৈল যিটো
কৃষ্ণত ভকতি নাই।
তাৰ শাস্ত্ৰ শ্ৰম শ্ৰমে মাত্ৰ ফল
যেন ৰাখে বাজী গাই।।'

*—নামঘোষা, ২৯০*

কলিযুগত হৰিনাম বাদ দি আন আন উপায়েৰে ধৰ্ম অৰ্জন কৰিবলৈ যোৱা মানে গৃহস্থই অনাহকত বাজীগাই পুহি ৰখাৰ দৰে নিস্ফল। অৰ্থাৎ কাঠ-পতান বানি চাউল আশা কৰাৰ দৰে। হৰিনাম কীৰ্তনৰ মহত্ব আছে। হৰিনামৰ হৃদিস্থিত ভগৱান সমস্ত প্ৰাণীতে আত্মাৰূপে সমভাৱে বিৰাজমান হৈ আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তাৰাৰ শিষ্য শ্ৰীশ্ৰীমাধৱদেৱে হৰিনামৰ মাহাত্ম্য অনেক লেখনিৰ যোগেদি মহাপুৰুষীয়া ধৰ্মৰ নীতি-আদৰ্শ অনেক চিন্তা-চৰ্চাৰ মাজেৰে ধৰ্মৰ তত্ত্ব আৰু দৰ্শনৰ মাৰ্গ ব্যক্ত কৰে আঁতি গুৰি মাৰি ব্যাখ্যা দি গৈছে। মহাপুৰুষ দুজনাই এই হৰিনামৰ দৰ্শনেৰে অসমীয়া জাতি গঠনৰ বৈষম্যমূলক প্ৰতিবন্ধকতা আঁতৰাই এক শুদ্ধ মতেৰে সমাজ গঢ়ি তাৎপৰ্য প্ৰকাশ কৰি গৈছে। গুৰুজনাই বিশেষকৈ জাতি গঠনৰ মহামন্ত্ৰ হিচাপে সাম্য-মৈত্ৰীৰ বাণী প্ৰচাৰ কৰি সমস্ত জাতি জনগোষ্ঠীৰ মাজত ঐক্য, সমজ্ঞান, সমদৃষ্টিৰ শিক্ষা দি গৈছে। মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত যে যাগ-যজ্ঞ-পূজা-পাতল, তীৰ্থ-ব্ৰত আদিৰ প্ৰয়োজন নাই সেই কথা সুন্দৰভাৱে সকলোলোকে সহজে বুজিব পৰাকৈ বৰ্ণনা দিছে। শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম মতত সমাজৰ প্ৰতিটো শ্ৰেণীৰ মাজত থকা জাতি-ভেদ, ধূতি-বিধুতি বা স্পৃশ্যতা-অস্পৃশ্যতা, সামাজিক বান্ধোন সুলকি পৰিল। গুৰুজনাৰ ধৰ্মীয় চেতনাৰ অন্তৰালত থকা সমাজ সংস্কাৰৰ বাট এনেদৰে মুকলি হ'ল। একশৰণ হৰিনাম ধৰ্মত সকলোৰে সমান অধিকাৰ সাব্যস্ত হোৱাত পৰিস্ফুত মানৱতাৰ গভীৰ অন্তৰ্নিৰ্যাসে জীৱক ভক্তি ৰসেৰে তিয়াই শুদ্ধ কৰি সপ্তসিদ্ধি লাভ কৰাৰ বাট দেখুৱায়। সেয়ে গুৰুজনাই কৈ গৈছে—

চণ্ডালো হৰিনাম লৱে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ।।
পাপৰ আলু উভাৰায় নামে।
আক তুচ্ছ কৰি মৰে কি কামে।।

*—পাষণ্ড-মৰ্দন, ৪৭ কীৰ্তন ঘোষা*

গুৰুজনাই একশৰণ হৰিনাম ধৰ্মত কৃষ্ণভক্তিৰ মাধ্যমেৰে সকলো জনগোষ্ঠীকে এক কৃষ্ণধ্বজাৰ তললৈ আনি ধৰ্ম আৰু




শংকৰদেৱে সকলো সময়তে আত্মবিশ্বাস, আত্ম সন্মানবোধ, ভাতৃত্ববোধৰ উন্মেষৰ ওপৰত সামাজিক গুৰুত্ব দি নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰি সুস্থিৰতা স্থাপন কৰিছিল।

সমাজৰ সংস্কাৰ সাধনৰ পন্থা অৱলম্বন কৰিছিল। বিশেষকৈ সমগ্ৰ ভাৰতত বৈষ্ণৱ ভক্তিবাদত মধ্যযুগত যেতিয়া লক্ষ্মীনাৰায়ণ, সীতা-ৰাম, ৰাধা-কৃষ্ণ আদি আৰাধ্যৰ উপাসনা বৰ্জন কৰি মাত্ৰ বিষ্ণু তথা পৰমব্ৰহ্ম স্বৰূপ 'কৃষ্ণ'ক নিৰ্ধাৰণ কৰিছিল। ভাগৱতৰ হৰিনাম-গুণ-গান-শ্ৰৱণ-কীৰ্তনক গুৰুত্ব দিছিল। কৃষ্ণ নাম-গুণ কীৰ্তন কৰাৰ কাৰণে 'এক শৰণ হৰিনাম ধৰ্ম'ত কৃষ্ণৰ প্ৰতি দৃঢ় বিশ্বাস লৈ হৰি গুণ কীৰ্তনক মুখ্য ধৰ্ম হিচাপে বিবেচনা কৰিছিল। কৃষ্ণৰ প্ৰতি দৃঢ় বিশ্বাস প্ৰকাশ কৰি শংকৰদেৱে কৈছে—

'কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্তে ভূতত।।
হেন জানি প্ৰাণীক কৰিবা সতকাৰ।
তেৱেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ।।'

—*প্ৰহ্লাদ চৰিত্ৰ, ১৬২ কীৰ্তন ঘোষা*

যাগ-যজ্ঞ, ক্ৰিয়া-কৰ্ম আজি সকলো কৰ্ম বা ধৰ্ম বৰ্জন কৰি হৰিৰ (কৃষ্ণৰ) শৰণ ল'লে আমাৰ সকলো পাপ বাসনা সম্পূৰ্ণৰূপে নিৰ্মল হয়। নাম গুণ কীৰ্তন আৰু শ্ৰৱণৰদ্বাৰা শ্ৰদ্ধাৰ ভাৱ ওপজে, শ্ৰদ্ধা দৃঢ় হ'লে উপাসনাৰ প্ৰতি ৰতি আৰু তাৰপৰাই ভক্তিৰ প্ৰকাশ হয়। এই কৃষ্ণ নাম প্ৰচাৰৰ অৰ্থে গুৰুজনাই নাট-নৃত্য গীত আদিৰ ব্যৱস্থা কৰিছিল। ফলত গুৰুজনাই গঢ়ি তুলিছিল এক নব্য সাহিত্য-সংস্কৃতিৰ। ফলত সমাজৰ আধ্যাত্মিক, নৈতিক তথা ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশ সম্ভৱ হৈছিল। শংকৰদেৱে সকলো সময়তে আত্মবিশ্বাস, আত্ম সন্মানবোধ, ভাতৃত্ববোধৰ উন্মেষৰ ওপৰত সামাজিক গুৰুত্ব দি নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰি সুস্থিৰতা স্থাপন কৰিছিল।●

# Artificial Intelligence (AI)

**Suronjana Tamuli**
**Jahnabi Devi**



Now-

a-days most of people have heard the word 'Artificial Intelligence' (AI). Artificial Intelligence refers to the creation of intelligence that can perform tasks requiring human-like cognitive abilities. It involves designing algorithm and technologies that enable machines to process information, learn from experience, adopt to new situations and make decisions. AI encompasses areas like machine learning where algorithms learn from data and natural language processing which enables computers to understand and communicate in human language. AI's applications range from self-driving cars to virtual assistants, revolutioning industries and reshaping the way we interact with technology.



### History :

The history of AI dates back to the 1950s when researchers began exploring the concept of artificial intelligence. Early efforts focused on symbolic reasoning and simple problem-solving. The term "Artificial Intelligence" was coined in 1956 during the Dartmouth Conference. Over the decades, AI went through cycles of hype and reduced interest. Breakthroughs in machine learning and neural networks in the 2000s reignited interest, leading to advancements in areas like computer vision, natural language processing, and game playing. Today, AI technologies like deep learning and reinforcement learning continue to advance.

### Outcomes :

1. **Automation :** AI has enabled automation of repetitive tasks, leading to increased efficiency and reduced human error in fields such as manufacturing, logistics and customize service.
2. **Health Care:** AI is being used to analyze medical data, assist in diagnosis and predict disease outbreaks. It has the potential to revolutionize personalized medicine and drug discovery.
3. **Finance :** AI algorithms can process vast amounts of financial data for better investment decisions, risk assessment and fraud detection.
4. **Transportation :** Self driving cars and autonomous drones are examples of AI's impact on transportation, aiming to improve safety and efficiency.
5. **Entertainment :** AI driven recommendations on streaming platform and the use of AI in creating music, art and video games shows its influence on entertainment.
6. **Education :** AI powered tools facilitate personalized learning experiences, adopt content to individual needs, and offer new ways of assessment.
7. **Ethics and Bias :** The outcomes of AI are not with out challenges. Bias in AI algorithms can perpetuate social inequalities, raising ethical concerns that need careful consideration.
8. **Job Disruption :** While AI creates new job opportunities, it also raises concerns about job displacement in certain sectors, necessitating reskilling and unskilling efforts.
9. **Security and Privacy :** AI can enhance cybersecurity by detecting threads, but it can also be exploited for malicious purposes, understanding the need for robust security measures.
10. **Global Impact :** The geopolitical implications of AI, Including competition for AI leadership and the potential for AI arms races, are areas of concern.

It's important to manage and address these challenges to ensure that AI technologies are develop and deployed responsibly.●

The word "fashion," according to Google, means "a popular or the latest style of clothing, hair decoration, or behavior." Let's dive into the fashion of clothing. Clothing has been a significant part of the human life for time immemorial, as dressing well and looking presentable is believed to be a good way to showcase one's character, which is true to some extent. In the quest of dressing well, many of us end up buying anything that appears to be pretty, cute, stylish, chic, or aesthetic, including clothes that are the current sensation on the internet. This eventually

# Overconsumption and Sustainability in Fashion

**Sufala Payang**



results in a bulked-up wardrobe overflowing with clothes that were "trendy" once upon a time but are now unvisited "flops."

However, this does not mean that following trends or getting yourself a beautiful piece of clothing is bad. The problem lies in the material of clothing being bought. By now, every formally educated person must be familiar with the terms "biodegradable" and "non-biodegradable." Yet, many people still buy clothes and materials that are harming the environment. On the other hand, there are people who are less educated or without formal education who celebrate the beauty of nature and thrive in it by utilizing what nature provides and giving back what Mother Nature can accept and tolerate. In rural India, for instance, people use more biodegradable fabrics like cotton and jute, and fewer polyesters.

In contrast, urbanized areas inhabited by well-educated people seem to be ignorant of the climate crisis, which may have severe consequences. Fabrics like cotton are comfortable to wear, whereas many synthetic fabrics like polyesters are not. However, the high rate of polyester consumption surpasses that of any other fabric. The youth population plays a significant role in the consumption of clothes, especially polyester. These fabrics are affordable, available in various designs, and found in every corner of the market, making it challenging for even the most eco-friendly individuals to resist.

The conclusion is that polyesters and other non-biodegradable materials are ubiquitous, making them hard to resist. The consumption of these materials cannot be stopped drastically, but if every human being gradually takes care of their impulse buying habits and buys only what is necessary, it would be a life-saving step for everyone. Buying synthetic clothing only when needed and using them for a long time instead of overconsuming can be counted as small steps towards creating a greater impact on the health of our environment and our own selves.

Climate change is one of the most talked-about topics right now. Instead of blindly following trends, let's be trendsetters and promote sustainability by adopting "eco-friendly fashion." Let's keep in mind that we should be the ones to wear clothes, instead of letting clothes wear us out. ●




অৰুণোদই

৬ বচৰ। মোং সিবসাগব, জানুআবি, ১৮৫১। নম্বৰ ১।

VOL. VI. SIBSAGOR, ASAM, JANUARY, 1851. NO. 1.

অষ্ট্রেলিয়াব বিববন।

Geography of Australia.

দখিন পাচিফিক সাগবত অষ্ট্রেলিয়া নামে এখন বব উপদ্বিপ আছে, পুবা পচিমা দিঘে ২৪০০ মাইল, বহলে ২০০০ মাইল; মাটিব জোখ প্রায়ে ত্রিচ লাখ বর্গমাইল।

১৬০৫ চঁকত হলণ্ড দেশব জাহাজব দোআবাই সেই বব দিপ দেখা পোৱা হল; সিইতে তাক নুহলণ্ড অর্থাত নতুন হলণ্ড নাম দিলে। পাচে ১৭৭০ চঁকত কাপ্তান কুক চাহাবে তাব পুব কালে উঠি ইঙ্গলণ্ড মহা বজাব নামেবে দেশ লৈ তাব নিউ চৌত ওএলচ নাম থলে। ১৭৭৮ চঁকত ইঙ্গলণ্ডব লোকে তাত চিদ্নি নামে এখান নগব থাপন কবিলে; আক তাত ইঙ্গবাজিব প্রজা হবব নিমিত্তে দেশান্তব কবা কইদিবিলাকক তালৈ

অষ্ট্রেলিয়া দিপব আদি বাসি মুনিহ তিবোতাব নকচা।

Young Man and Woman of Australia.—From the Illustrated London News.

# অৰুণোদই

ৰিতুমণি পাৰে

১৮২৬ চনত সংঘটিত হোৱা ইয়াণ্ডাবু সন্ধিৰ পাছতে ব্ৰিটিছসকলে অসমত শাসন প্ৰৱৰ্তন কৰিছিল। তেওঁলোকে অসমৰ অফিচ-কাছাৰী, স্কুল-কলেজত বাংলা ভাষাৰ প্ৰচলন কৰিছিল। সেই সময়ত অসমীয়া ভাষা-সাহিত্যই এক সংকটময় অৱস্থাত পৰিণত হৈছিল। ইয়াণ্ডাবু সন্ধিৰ পাছত ১৮৩৬ চনত মিছনেৰীসকল আমেৰিকাৰপৰা খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবৰ বাবে অসমলৈ আহিছিল। আহিয়েই তেওঁলোকে প্ৰথমে ভাষাগত সমস্যাত পৰিছিল। সেয়েহে তেওঁলোকে নিজৰ সুবিধাৰ বাবে ১৮৪১ চনত শিৱসাগৰত ছপাশাল প্ৰতিষ্ঠা কৰি ১৮৪৬ চনত এখন আলোচনী প্ৰকাশ কৰে। ড° নাথান ব্ৰাউনে সম্পাদনা কৰা এই মাহেকীয়া আলোচনীখনেই হৈছে 'অৰুণোদই' আলোচনী। এইখনেই হৈছে প্ৰথম অসমীয়া আলোচনী। আন কেইজন সম্পাদকৰ নাম হ'ল—এ


অৰুনোদই
৭ বচৰ। মোং শিৱসাগৰ, ফেব্ৰুআৰি, ১৮৫২। নম্বৰ ২।
VOL. VII. SIBSAGOR, ASAM, FEBRUARY, 1852. NO. 2.
ব্ৰিটিন্য আমেৰিকা দেস।
Geography of British North America.
Picture of Esquimaux Man and Woman.

অসমীয়া সাহিত্যৰ প্ৰথম আলোচনী তথা বাতৰি কাকতৰূপে সাহিত্যৰ ইতিহাসত অৰুণোদয় আলোচনীখনে বিশেষ সমাদৰ লাভ কৰিছে। সাহিত্য সমাজত অৰুণোদয় আলোচনীখনৰ অৱদান উল্লেখনীয়।


অৰুনোদই
৮ বচৰ। মোং শিৱসাগৰ, জানুআৰি, ১৮৫৩। নম্বৰ ১।
VOL. VIII. SIBSAGOR: JANUARY, 1853. NO. 1.
নকৈ লোৱা পেগু দেস।
The new Possessions in Burmah.
Picture of a Burmese Kyoung, or Monastery.


অৰুনোদই
৯ বচৰ। মোং শিৱসাগৰ, জানুআৰি ১৮৫৪। নম্বৰ ১।
VOL. IX. SIBSAGOR: JANUARY, 1854. NO. 1.
Abdul Medjid, Sultan of Turkey.—From the Illustrated London News.
অনেক দেসৰ সম্বাদ।
General Intelligence.—The Sultan of Turkey.

এইচ ডেনফোৰ্থ, এচ এম হুইটিং, মাইলচ ব্ৰন্সন, ডাব্লিউ ৱাৰ্ড, ৰে. ক্লাৰ্ক, এ কে গাৰ্নি আদি। এই আলোচনীখন ১৮৪৬ চনৰপৰা ১৮৮০ চনলৈ প্ৰকাশ হৈছিল কিন্তু ১৮৬৯ চনৰ পৰা ১৮৮০ চনলৈ আলোচনীখন নিয়মিতভাৱে প্ৰকাশ পোৱা নাছিল। এই আলোচনীত আলোচনী আৰু সংবাদপত্ৰ নামে দুটা খণ্ড প্ৰকাশ হৈছিল কিন্তু ১৮৫৬ চনৰ পাছৰপৰা সংবাদপত্ৰ খণ্ডটো উঠাই দিয়া হয়। এই কাকত প্ৰধানকৈ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ কাৰণে প্ৰকাশ কৰা হৈছিল যদিও ইয়াত অনেক দেশ-বিদেশৰ সংবাদ, বাইবেলৰ কাহিনীৰ অনুবাদ, ধৰ্মৰ কথা, প্ৰকৃত অধ্যয়ন, পুৰণি অসম বুৰঞ্জী, সামাজিক কথা, জীৱনী, সাধুকথা, সাময়িক সংবাদ, বৈজ্ঞানিক আৱিষ্কাৰ, ভূগোল বিষয়ক ৰচনা, স্তুতিগীত, জনজাতি কিছুমানৰ বিৱৰণ, বৰ্ণনাত্মক কবিতা আদি বিবিধ বিষয়ে ঠাই পাইছিল। এই কাকতত খণ্ড-খণ্ডকৈ বিভিন্ন বুৰঞ্জীসমূহ প্ৰকাশ পাইছিল। যেনে—'দেওধাই অসম বুৰঞ্জী', 'পুৰণি অসম বুৰঞ্জী', 'কামৰূপৰ বুৰঞ্জী' আদি।

মিছনেৰীসকলে প্ৰায়ে উচ্চাৰণ অনুযায়ী বানান লিখিছিল। সেয়েহে মিছনেৰীসকলৰ মাজত অসমীয়া ভাষাৰ জতুৱা ঠাঁচ, প্ৰবাদ প্ৰৱচন, ফকৰা-যোজনা আদিৰ প্ৰয়োগৰ অভাৱ পৰিলক্ষিত হয়। সেইমৰ্মে মিছনেৰীসকলে প্ৰকাশ কৰা এই আলোচনী সম্বাদপত্ৰ খনৰ নাম 'অৰুণোদই' ৰাখিছিল যদিও আখৰ জোঁটনিৰ ক্ষেত্ৰত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ অশেষ চেষ্টাৰ ফলত ১৮৬১ চনৰ জানুৱাৰী মাহৰ সংখ্যাটোৰ পৰা আলোচনীখনৰ নাম 'অৰুণোদই'ৰ সলনি 'অৰুণোদয়' কৰা হয়।

অসমীয়া সাহিত্যৰ প্ৰথম আলোচনী তথা বাতৰি কাকতৰূপে সাহিত্যৰ ইতিহাসত 'অৰুণোদয়' আলোচনীখনে বিশেষ সমাদৰ লাভ কৰিছে। সাহিত্য সমাজত অৰুণোদয় আলোচনীখনৰ অৱদান উল্লেখনীয়। এই আলোচনীখনক অনুসৰণ কৰি পৰৱৰ্তী সময়ত 'আসাম বিলাসিনী' (১৮৭১), 'আসাম মিহিৰ' (১৯৭২), 'আসাম বন্ধু' (১৮৮৫) আদি কাকত প্ৰকাশ হৈছিল। সাম্প্ৰতিক কালত প্ৰকাশ হোৱা কেইখনমান আলোচনীৰ নাম হ'ল—'প্ৰকাশ', 'প্ৰান্তিক', 'গৰিয়সী', 'সাতসৰী', 'নন্দিনী', 'প্ৰিয়সখী' আদিয়ে প্ৰধান।●

# Indian Democracy :
## Strengths and Weakness

**Marami Deuri**

We see many types of governance in the world, but the most popular system among them is democracy. The English word democracy has originated from the Greek word 'demos' and 'kratia,' where 'demos' means people and 'kratia' means rule. So democracy means rule of the people.

The most popular definition of democracy was given by Abraham Lincoln in his Gettysbrug speech.

**Development of democracy:**

Samuel Huntington, while studying democratic countries, divided them into three stages.

1. **First phase:** (1828-1926), In this phase countries like France, America, Britain were democratized.

2. **Second phase:** (1943-1962) In this phase, countries like Italy, West Germany, India, Japan and Isreal were democratized.

3. **Third phase:** (1974-till now) Spain, Portugal, Chiili, Argentina and other countries of Eastern Europe became democratic in the third phase.



**Types of democracy:**

1. **Direct democracy:** The first instance of direct democracy was found in ancient Athens. In direct democracy, citizens make decisions directly through referendums and local units, rather than through elected representatives.

**2. Procedural democracy :** Procedural democracy refers to a system of government where representatives are elected through voting and adult suffrage.

**3. Participatory Democracy:** Participatory democracy is a system where citizens are actively involved in the decision-making process. This type of democracy is often found in socialist welfare states where citizens have socio-economic rights.

**Democracy in India:**

India is the largest democratic country in the world, with a unique blend of unity and diversity. The country's parliamentary system promotes timely elections and representative democracy.

**Strengths of Indian Democracy**

**Secular System:** India is a secular country where all religions are equal, and citizens have the right to worship and choose their religion.

**Socialist Principles:** India guarantees social and economic equality to all its citizens.

**Voting without Discrimination:** Every Indian citizen above 18 years has the right to vote without any discrimination.

**Fundamental Rights:** The Indian Constitution guarantees fundamental rights to its citizens through Articles 12 to 35.

**Weaknesses of Indian Democracy:**

**Executive Intervention:** The biggest drawback of Indian democracy is the interference of the legislature in the work of the executive.

**Poverty and Unemployment:** India faces challenges like poverty, unemployment, and starvation, which need to be addressed. ●

# বাসুদেৱ দ'লৰ ইতিবৃত্ত

কাবেৰী শইকীয়া

উজনি অসমৰ বিশ্বনাথ জিলাৰ গহপুৰৰ দ'লগুৰি গাঁৱত অৱস্থিত বাসুদেৱ দ'লটি। এই গাঁৱৰ আছে এক সুকীয়া পৰিচয়। জিলাখনৰ বিভিন্ন ক্ষেত্ৰবোৰৰ ভিতৰত বাসুদেৱ দ'লটি এক মুখ্য আকৰ্ষণ। এই দ'লটিক দ'লগুৰি দৌল নামে জনা যায়। প্ৰাচীন কালৰপৰাই বহিঃঅঞ্চলৰ জন সমাগম হয় এই দ'লটি চাবৰ বাবে। দ'লটি প্ৰায় ত্ৰিশ-পয়ত্ৰিশ হাত মান ওখ। দ'লটিৰ কাষতে প্ৰায় বিয়াল্লিশ বিঘা মান মাটিৰে পৰিপূৰ্ণ এটা বৰপুখুৰী আছে. দ'লৰ পকা ডাঠ বেৰবোৰত বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি খোদিত কৰা হৈছে। দ'লৰ ভিতৰ ভাগ সম্পূৰ্ণ এন্ধাৰ, আৰু তাৰ ভিতৰত এটা গুহা আছে। জনশ্ৰুতি মতে, গুহাটোৰ ভিতৰেদি গৈ বৰপুখুৰীৰ মাজত ওলাব পাৰি আৰু এই পুখুৰীটোত নাগৰজাই বাস কৰিছিল বুলি জনা যায়।

এই দ'লভাগ ল'ৰা ৰজাৰ দিনত নিৰ্মাণ কৰিছিল বুলি জনা যায়। ১৯৫০ চনৰ বৰভুঁইকপৰ ফলত দ'লটিৰ বহু ক্ষতি সাধন হৈছিল যদিও বৰ্তমান তাক পুনৰ নিৰ্মাণ কৰা হৈছে।

দ'লটিৰ পূজা কৰিবলৈ মাজুলীৰ সত্ৰৰ সত্ৰাধিকাৰৰ আগমন ঘটিছিল, দ'লটোক কেন্দ্ৰ কৰিয়ে শ্ৰীশ্ৰীদক্ষিণপাট আদি সত্ৰৰ এক অংশ তাত স্থাপন কৰা হৈছে। বহুলোকে তাত পূজা-পাতল কৰিবলৈ আহে, বিভিন্ন প্ৰান্তৰ শিক্ষানুষ্ঠানৰপৰা ছাত্ৰ-ছাত্ৰীসকলে শিক্ষামূলক ভ্ৰমণৰ বাবে এই ঐতিহ্যমণ্ডিত দ'লটিৰ তথ্য সংগ্ৰহ কৰিবলৈ আহে। দ'লগুৰি দ'লৰ বাকৰিত প্ৰচলিত বিহু বৰ্তমানে এশৰো অধিক বছৰ পাৰ কৰি আহিলে।●



# শিক্ষক দিৱসৰ
# তাৎপৰ্য

**নিভাৰাণী গগৈ**



৫ ছেপ্টেম্বৰ, আমাৰ সকলোৰে এটি পৰিচিত দিন। আমি সকলোৰে জ্ঞাত যে, মহান মনিষী শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষে এই ৫ ছেপ্টেম্বৰ দিনটো সমগ্ৰ শিক্ষক সমাজক, তেওঁলোকৰ কৰ্মৰাজি আৰু ত্যাগৰ প্ৰতি সন্মান জনোৱাৰ অৰ্থে, এই দিৱসটি প্ৰতিবছৰে উদ্‌যাপন কৰা হয়।

প্ৰতিখন স্কুল, মহাবিদ্যালয় আদিৰ দৰে আমাৰ মহাবিদ্যালয়তো এই দিৱসটি প্ৰতিবছৰে উদ্‌যাপন কৰি অহা হৈছে। আচলতে এই অনুষ্ঠানটি সফলভাৱে উদ্‌যাপন কৰি আমি যি গৌৰৱ বা সফলতা লাভ কৰোঁ, তাতকৈ এই দিৱসটি উদ্‌যাপনৰ অন্তৰ্নিৰ্হিত উদ্দেশ্য আমাৰ সমাজত নিঁখুটকৈ দাঙি ধৰিব পৰাটোতহে আমাৰ সফলতা লুকাই থাকে।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ বিষয়ে সকলোৰে জ্ঞাত। কিয়নো তেওঁৰ কৰ্মৰাজিয়ে তেওঁক সদায় আমাৰ মাজত জিলিকাই ৰাখিব। মই মাত্ৰ ক'ব বিচাৰিছোঁ যে আমাৰ মা দেউতাৰ পাছতে আমাৰ জীৱনত স্থানপ্ৰাপ্ত শিক্ষাগুৰুসকলৰ আমাৰ প্ৰতি অৱদান অবিস্মৰণীয়। কিয়নো মা-দেউতাই আমাক জন্ম দি যিদৰে পৃথিৱীখন চাবলৈ শিকাইছে, তেনেদৰেই এই অচিনাকি জগতৰ প্ৰতিটো বস্তুৰ লগত চিনাকি কৰাই আমাক নিতৌ ন ন জ্ঞানৰ সন্ধান দিছে আমাৰ পূজনীয় শিক্ষাগুৰুসকলেই।

আমাৰ মনৰ উকা কাগজক ৰঙীণ কৰিবলৈ আমাৰ শিক্ষাগুৰুসকলে চলোৱা এই অহৰহ প্ৰচেষ্টা তথা উদ্দেশ্য তেতিয়াহে সফল হ'ব, যেতিয়া আমি নিজকে সমাজ জীৱনত এজন সফল নাগৰিক হিচাপে চিনাকি দিব পাৰিম। তেখেতলোকে দিয়া জীৱন মহীয়ানৰ সংজ্ঞা সাৰোগত কৰি আমি জীৱনটো সজাব পৰাতেই আমাৰ শিক্ষাগুৰুসকলে, তেওঁলোকৰ সফলতা বিচাৰি পায়।

গতিকে আমি তেওঁ দিয়া জ্ঞানৰ পোহৰেৰে নিজক উজ্বলোৱাৰ লগতে সমাজখনকো তাৰ পোহৰেৰে পোহৰাই তোলাৰ প্ৰয়াস কৰিব লাগে। তেহে নিজৰ লগতে সকলোৰে হিত সাধন হ'ব আৰু শিক্ষাগুৰুসকলেও তেওঁলোকৰ কৰ্ম, কষ্ট আৰু মমৰ দৰে গলি কৰা ত্যাগৰ সাৰ্থকতা বিচাৰি পাব।●



# সাম্প্ৰতিক সময়ত সংকটৰ গৰাহত
# অ স মী য়া  সং স্কৃ তি

**জোনমণি পৰাশৰ গোস্বামী**

"আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্ত্বনা লভিলে নহ'ব,
আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব।"

ড° ভূপেন হাজৰিকাৰ গীতৰ এই কথা যেন এতিয়া আখৰে আখৰে ফলিয়াইছে। বৰ্তমান সময়ত আধুনিকতাৰ পৰশত অসমীয়াই পাহৰি পেলাইছে নিজৰ সভ্যতা-সংস্কতি। যেতিয়া কোনো এটা জাতিৰ ভাষা-সংস্কৃতি লুপ্ত হয়, তেতিয়া সেই জাতিৰ অস্তিত্বও বিলুপ্ত হ'বলৈ ধৰে। সংস্কৃতি যদিও এখন বোৱতি নৈ দৰে পৰিৱৰ্তনশীল তথাপি সময়ৰ লগত খাপ খুৱাই ইয়াৰ স্বকীয়তা বজাই ৰখা উচিত। জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল — "ৰূপান্তৰেহে জগত ধুনীয়া কৰে।" মানুহৰ জীৱন-জগত বৰ্তি আছে বিশাল সাংস্কৃতিক চেতনাৰে, লোককলা, পৰম্পৰা আৰু জাতীয় উৎসৱসমূহৰ বৰ্ণময় ৰূপ বৰ্ণনাৰে। অসমৰ বৰ্ণাঢ্য বৃহৎ অসমীয়া জাতিৰ মৰ্মচেতনা জীয়াই আছে ইয়াৰ ভাষা, কলা, সমন্বয় সাধনেৰে অৰ্থাৎ সংস্কৃতিৰ আদান-প্ৰদানেৰে। অসমৰ ধমনীক সাবটি বৈ থকা বৰলুইতে অসমীয়া জাতিক দিছে এক সুকীয়া পৰিচয়।

শংকৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনৰ পৰিপ্ৰেক্ষিতত গঢ় লৈ উঠা অসমীয়া সমাজখন এতিয়া পশ্চিমীয়া সংস্কৃতিৰ কবলত। এচাম অসমীয়াই মহাপুৰুষজনাৰ ভাওনাৰ পৰম্পৰা ভংগ কৰি চুম্বন কৰা দৃশ্যৰ পৰিবেশনেৰে সংস্কৃতিক বীজতৰীয়া কৰিছে। আনহাতে বহু বীজতৰীয়া উপাদান অসমীয়া কৃষ্টি-সংস্কৃতিত সুমুৱাই ক্ৰমে অপসংস্কৃতিৰ ৰূপ দিছে। খাৰখোৱা থলুৱা অসমীয়াই এতিয়া 'খাৰখোৱা' বুলি ক'লে লাজ পায়। নিজৰ সংস্কৃতিক জলাঞ্জলি দি উদাৰ অসমীয়াই বহিৰাগত সভ্যতা-সংস্কৃতিক



বৰপীৰা পাৰি আদৰণি জনাইছে। আনৰ সংস্কৃতিক আকোঁৱালি লৈ বাৰেৰহণীয়া কৰাটো খুবেই ভাল যদিও এনে কৰিবলৈ যাওঁতে নিজৰ সংস্কৃতিক এলাগী কৰি বিকৃত ৰূপত পৰিবেশন কৰিব নালাগে। আধুনিকতাৰ শিখৰ চুবলৈ বিচৰা অসমীয়াৰ থলুৱা সংস্কৃতিয়ে মাতৃভূমিতে কক্‌বকাবলগীয়া হৈছে। পশ্চিমীয়া সভ্যতা আমাৰ সমাজৰ গভীৰৰপৰা গভীৰতালৈ শিপাইছে। চৰকাৰী পৃষ্ঠপোষকতাতে অসমৰ সংস্কৃতিয়ে কিছু অস্পষ্ট ৰূপ লাভ কৰিছে। অসমীয়াই দূৰ-দূৰণিৰ হিন্দী-ইংৰাজী ভাষাক শিকিব পাৰে কিন্তু একেখন চোতালতে থাকি থলুৱা জনগোষ্ঠীক নিজৰ ভাষাটো বুজাব নোৱাৰিলে, তাৰ মূল কাৰণ অৱহেলা আৰু অনাদৰ।

The Element Action Pathways are a vital part of the Marrakech Partnership, which aims to enhance climate action and ambition towards the full implementation of the Paris Agreement. First launched in 2019, they set out sectoral visions for achieving a 1.5-degree Celsius resilient world by 2050, with overarching transformation milestones and impacts that need to be achieved to realize them.

The pathways incorporate insights about the exponential nature of the necessary systematic and technological changes within sectors, while also focusing on the synergies and interlinkages across thematic and cross-cutting areas. This approach encourages all actors to take an integrated approach. The key aspect of the 2021 pathways is to further strengthen the aspects of just transition, gender responsiveness, resilience, and circular economy, depending on the alignment of action across the pathways.

Overall, the pathways provide a roadmap to help parties and non-party stakeholders identify actions needed by 2025, 2030, and 2040 as steps towards achieving the 2050 vision. The Element Action Pathways complement the Yearbook of Global Climate Action and the Global Climate Action Portal, which track, report, and recognize climate action by presenting forward-looking actions towards a fully climate-resilient world.

It is 2050, and the energy systems worldwide have been decarbonized thanks to a range of innovative solutions, investments, and policy choices that set us on this course earlier. The COVID-19 pandemic response proved to be a milestone in kick-starting the shift towards today's decarbonized and resilient energy system. This sparked a range of electric, behavioral, and investment-related changes, and recovery-related green investments performed well within institutional, legal, and regulatory frameworks, giving a real boost to the decarbonization of electricity, heating, and cooling.

It's 2050, and industries look markedly different, not only having achieved net-zero emissions but also delivering tangible socio-economic and environmental benefits for the world, including dignified employment, social inclusion, regeneration, and nature conservation, to name a few. Industrial production now follows a circular logic, where resources are reused again and again, and unnecessary waste is a thing of the past.

It's 2050, and the global water sector is entirely sustainable, thanks to suites of ambitious policies and large-scale investments. Novel circular approaches to water use and reuse are specially influential due to their ability to capture embedded energy in today's water management systems that was previously lost. This energy is emission-free and is helping make the water sector not just net-zero but net-positive.●

# Impact of Climate Change on Culture

**Madhusmita Dutta**

Climate change profoundly affects culture by altering both tangible and intangible cultural elements. The impact of climate change on culture is multifaceted:

**1. Impact on tangible heritage:** Extreme weather events, rising sea levels, and changing temperatures can damage cultural landmarks, historical buildings, and archaeological sites.

**2. Disruption of traditions:** Many cultural practices, such as festivals, agricultural rituals, and traditional crafts, are tied to specific environmental conditions.

**3. Migration and displacement:** Climate change can force communities to relocate, leading to the loss of cultural landmarks and the fragmentation of social networks, which weakens cultural ties and identity.















**4. Adaptation and resilience:** Cultural knowledge and traditional practices, such as sustainable resource management techniques, can help communities adapt to climate change.

**5. Loss of biodiversity:** The disappearance of certain plants and animals due to climate change can lead to the loss of traditional crafts and skills that rely on these natural resources.

To address the impact of climate change on culture, a multifaceted approach is necessary, combining preservation, adaptation, and proactive measures. Some strategies to resolve this issue include:

**1. Protecting cultural heritage sites:** Implementing protective measures, such as flood barriers and climate-controlled environments, can safeguard historical buildings and monuments from extreme weather events and rising sea levels.

**2. Documenting and digitizing:** Creating detailed records and digital archives of cultural artifacts, traditions, and practices ensures their preservation for future generations.

**3. Promoting sustainable practices:** Encouraging the use of traditional knowledge and sustainable practices in modern climate strategies can help communities adapt.

**4. Community engagement and education:** Raising awareness about the impact of climate change on culture and involving local communities in preservation efforts fosters a sense of ownership and responsibility.

**5. Policy and legislation:** Governments and international organizations need to create and enforce policies that protect cultural heritage from climate impacts.

**6. Climate-resilient infrastructure:** Developing infrastructure that can withstand extreme weather conditions helps protect cultural sites and communities.

**7. Supporting displaced communities:** Providing support for communities forced to relocate due to climate change helps preserve their cultural identity.

**8. Research and innovation:** Investing in research to understand the specific impact of climate change on cultural heritage and developing innovative solutions to mitigate this impact is crucial.

**9. International collaboration:** Sharing knowledge and resources across boundaries enhances global efforts to protect cultural heritage. International organizations like UNESCO play a key role in coordinating these efforts.

**10. Financial support:** Securing funding from governments, the private sector, and international bodies is essential for implementing preservation and adaptation projects.

Climate change is not only an environmental issue but also a cultural one. Rising temperatures, extreme weather events, and changing ecosystems affect not only the natural world but also human societies and cultures. Cultural heritage, traditional ways of life, and community identities are all vulnerable to the impacts of climate change.

As humans, we are also responsible for climate change. Issues like global warming, floods, and other environmental problems are directly connected to human behavior. Therefore, it is essential for us to become conscious of our actions and try to avoid harming the environment.●

# Climate change and Global Health

**Selima Begum**

*"The earth cries out in pain and strife/As humans ravage her natural life./The ice melts, seas rise high,/A warning sign, passing us by./Let's wake up, take a stand,/Reduce, Reuse, Recycle, hand in hand./For a brighter future, we must try,/To save the earth, before we say goodbye."*

Climate change has far-reaching impacts on global health, affecting various aspects of human well-being. Some of the significant impacts of climate change on global health include:

**1. Temperature-related illnesses:**

**Heat stress:** Warmer temperatures increase the risk of heat exhaustion, heat stroke, and cardiovascular diseases.

**Cold stress:** Changes in temperature patterns can lead to increased mortality from cold-related illnesses.

**2. Air quality and respiratory health:**

**Air pollution:** Climate change can increase air pollution by altering atmospheric circulation patterns, leading to worsened respiratory conditions like asthma, COPD, and lung cancer.

**Wildfire smoke:** Increased frequency and severity of wildfires can lead to poor air quality, exacerbating respiratory issues.

**3. Vector-borne diseases:**

**Mosquito-borne diseases:** Climate change can alter the habitats and distribution of mosquitoes, increasing the risk of diseases like malaria, dengue fever, and Zika virus.

**Tick-borne diseases**: Changes in temperature and precipitation patterns can increase the spread of tick-borne diseases like Lyme disease and Rocky Mountain spotted fever.

**4. Mental health:**

**Climate-related stress and anxiety:** Climate change can cause stress, anxiety, and trauma, particularly in communities experiencing extreme weather events or displacement.

**Displacement and migration:** Climate-related displacement can lead to mental health issues, including depression, anxiety disorders, and post-traumatic stress disorder (PTSD).

In conclusion, climate change has significant impacts on global health, affecting various aspects of human well-being. It is essential to address these impacts through mitigation and adaptation strategies to protect public health.●



# The Melting Glaciers

**Akangkshya Daimari**

Climate change refers to long-term shifts in average weather conditions, including measures such as temperature, precipitation, and other atmospheric patterns. Over the past 50 years, rapid climate changes have been observed. According to NASA, the Earth's average temperature has increased by about 1 degree Fahrenheit during the 20th century (Global Climate Change: Effects). While this may seem like a minor change, its effects have proven otherwise, significantly impacting our environment.

Since the Industrial Revolution, the emissions of greenhouse gases, especially carbon dioxide and methane, have increased, resulting in a rise in global temperatures. Consequently, glaciers are rapidly melting, and ocean levels are increasing. Specifically, the Greenland and Antarctic ice sheets are the largest contributors to global sea level rise. Glacial melting has contributed to a 2.7 mm rise in sea levels since 1961, with the loss of ice reaching 335 billion tonnes per year. The glaciers that exist today are mostly remnants of the last ice age.

As sea levels rise, island nations are at higher risk of losing coastal arable land to degradation. Therefore, it is essential to save the Earth and prevent climate change from progressing. To achieve this, we need to adapt to prevent future changes from happening.

To mitigate the effects of climate change, we must transform our energy use to renewable energy sources. This, combined with supporting infrastructural development, decreasing our individual carbon footprints, planting more trees, and recycling, can help preserve the Earth for future generations. By taking these steps, we can work towards mitigating the effects of climate change and creating a more sustainable future.●







# পৰিবেশ বিষয়ক শিক্ষা

চেলিমা বেগম

আমি আমাৰ দৈনন্দিন জীৱনত সততে ব্যৱহাৰ কৰা শব্দটো হৈছে 'পৰিৱেশ'। আচলতে পৰিৱেশনো কি ? চমুতে ক'বলৈ গ'লে, গছ-গছনি, মাটি-পানী, বায়ু, বিবিধ জীৱ-জন্তু আদিৰ সমষ্টিয়ে সৃষ্টি কৰা চাৰিওদিশৰ অৱস্থাই হ'ল পৰিৱেশ। অৰ্থাৎ আমাৰ চৌপাশে আৱৰি থকা অৱস্থাটোক পৰিৱেশ বুলি কোৱা হয়, যি জীৱ সমষ্টিৰ আচাৰ-ব্যৱহাৰ, গঠন আৰু জীৱন প্ৰক্ৰিয়াৰ মাজেৰে পৰিচালিত হৈ আছে।

'পৰিৱেশ' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Environment' যাৰ উৎপত্তি হৈছে ফৰাচী 'Environner' শব্দৰপৰা, যাৰ অৰ্থ হৈছে আশে-পাশে চাৰিওদিশক সামৰি বা পৰিমণ্ডলীকৃত এক নিৰ্দিষ্ট এলেকা—to encircle or to surround. বৰ্তমান সময়ত পৰিৱেশৰ ধাৰণাটো কেৱল কোনো এটা অঞ্চলৰ স্থানীয় প্ৰাকৃতিক, আৰ্থ-সামাজিক পৰিসৰতে আৱদ্ধ হৈ থকা নাই; ই বায়ুমণ্ডল, জলমণ্ডল, স্থলমণ্ডল, জীৱমণ্ডল সকলোকে সামৰি লৈছে।

এনেকুৱা এটা সময় আছিল যেতিয়া আমাৰ চাৰিওকাষৰ সকলো বস্তু আছিল বিশুদ্ধ আৰু নিৰাপদ। য'ত বায়ু, পানী আৰু মাটি আছিল ভাৰসাম্যমূলক অৱস্থাত। প্ৰকৃতি নিজেই আছিল অত্যন্ত উপভোগ্য। আদিম যুগত মানুহৰ আকাংক্ষিত বস্তুৰ চাহিদা আছিল সীমিত আৰু সেই চাহিদাই প্ৰকৃতিৰ সৈতে থকা সামঞ্জস্যক ব্যাঘাত ঘটোৱা নাছিল। কাৰণ জনসংখ্যা আছিল অত্যন্ত



কম। পৰৱৰ্তী সময়ত জনসংখ্যা বহুগুণে বাঢ়িবলৈ ধৰিলে। বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতিয়ে তীব্ৰতা লাভ কৰিলে আৰু ইয়াৰ ফলত পৰিৱেশৰ অৱক্ষয় আৰম্ভ হ'বলৈ ধৰিলে। ব্যক্তিগত লাভালাভৰ বাবে মানুহৰ মাজত অহৰহ প্ৰতিযোগিতা চলিবলৈ আৰম্ভ হ'ল, মানুহে একো নভবা-নিচিন্তাকৈ বন-ধ্বংস কৰিবলৈ ল'লে, বতাহ আৰু পানী জধে-মধে প্ৰদূষিত কৰিলে, নিৰ্দয়ভাৱে প্ৰকৃতিক ধ্বংস কৰিবলৈ ধৰিলে। মানুহৰ অপৰিকল্পিত আৰু বিচাৰহীন কাৰ্যকলাপৰ ফলত প্ৰকৃতিৰ মূল্যৱান সম্পদসমূহ নিঃশেষ হ'বলৈ ধৰিছে।

পৰিৱেশগত সমস্যাই যোৱা কেইবা দশক ধৰি সমগ্ৰ বিশ্বৰ বৃহৎ সংখ্যক মানুহৰ মনোযোগ আকৰ্ষণ কৰিছে। মানুহ আজি ক্ৰমবৰ্ধমানভাৱে পৰিৱেশ সমস্যাৰ বৈচিত্ৰ্যক লৈ সচেতন হ'বলৈ ধৰিছে। গতিকে দেখা যায় যে, পৰিৱেশ শিক্ষাই মানুহৰ মাজৰ আন্তঃসম্পৰ্ক, তেওঁলোকৰ সংস্কৃতি, তেওঁলোকৰ জৈৱ ভৌতিক পাৰিপাৰ্শ্বিকতাক উপলব্ধি কৰা আৰু মৰ্মবস্তুক বুজাৰ বাবে দক্ষতা অৰ্জন, ধনাত্মক মনোভাৱ গঠনৰ লক্ষ্যেৰে মূল্যবোধক স্বীকৃতি প্ৰদান আৰু অন্য ধাৰণাসমূহক ব্যাখ্যা কৰাত সহায় কৰে।

মানৱ জাতিৰ ভৱিষ্যতৰ কথা মনত ৰাখি পৃথিৱীৰ পাৰিপাৰ্শ্বিকতা সংৰক্ষণ কৰাটো বৰ্তমান যুগৰ লোকে গভীৰভাৱে চিন্তা কৰাৰ সময় আহি পৰিছে। জীৱ-জন্তু, গছ-গছনি, ভূ-গৰ্ভৰ খনিজ সম্পদ, সাগৰীয় সম্পদ এইবোৰ যাতে নিশ্চিহ্ন হৈ নাযায় তাৰ দায়িত্বও মানুহেই ল'ব লাগিব।

পৰিৱেশৰ সমস্যাক সমাধান কৰিব পাৰি যদিহে জনসাধাৰণ পৰিৱেশগতভাৱে সজাগ হয়। কোনো চৰকাৰেই কেৱল কিছুমান পৰিৱেশ সুৰক্ষা বিষয়ক বিধি ৰূপায়ণ কৰি এই সমস্যাৰ সমাধান কৰিব নোৱাৰে, যদিহে জনসাধাৰণে এইক্ষেত্ৰত সহযোগিতা নকৰে। জনসাধাৰণক পৰিৱেশগতভাৱে শিক্ষিত কৰিব লাগিব। তেওঁলোকে জানিব পাৰিব লাগিব যে যদি আমি আজি আমাৰ পৰিৱেশক ধ্বংস কৰোঁ, তেনেহ'লে কাইলৈ ইয়াৰ ফল ভুগিব লাগিব আৰু আমাৰ ভৱিষ্যৎ প্ৰজন্ম বৃহৎ বিপদৰ সন্মুখীন হ'ব। আমি পৰিৱেশৰ এক অংশ আৰু পৰিৱেশ ৰক্ষা কৰাটো আমাৰ কৰ্তব্য। পৰিৱেশ প্ৰদূষণ আৰু সংৰক্ষণৰ বিষয়ে বিশ্বৰ জনসাধাৰণক সজাগ কৰি তোলাটোৱেই পৰিৱেশ বিষয়ক মুখ্য উদ্দেশ্য●



# जलवायु परिवर्तन और एकता

**प्रेरणा बरा**

जलवायु परिवर्तन एक वैश्विक चुनौती है, जो सभी देशों, समाजो और समुदायो को प्रभावित कर रही है। यह समस्या न केवल पर्यावरणीय दृष्टि से महत्वपूर्ण है, बल्कि सामाजिक और राजनैतिक दृष्टि से भी यह एकता और सहयोग की आवश्यकता को उजागर करती है। हम सभी को यह समझना होगा कि जलवायु परिवर्तन की समस्या को केवल एक देश या क्षेत्र द्वारा हल नही किया जा सकता। इसके प्रभाव वैश्विक स्तर पर हैं। जैसे कि समूद्र स्तर का बढ़ना, चरम मौसम की घटनाएँ, बाढ़ और परिस्थिति असंतुलन सभी देशो को प्रभावित कर रही है। इसलिए जलवायु परिवर्तन समाधान के लिए वैश्विक स्तर पर एकता और सहयोग की आवश्यकता है।

जलवायु परिवर्तन पर वैश्विक समझौते, जैसे कि पेरिस समझौता, एकता का महत्वपूर्ण उदाहरण है। इसके तहत विभिन्न देशो ने कार्बन उत्सर्जन में कमी करने और वैश्विक तापमान बृद्धि को २ डिग्री सेल्सियस तक सीमित रखने के लिए संयुक्त प्रयास करने का संकल्प लिया हैं। यह समझौता दर्शाता है कि जलवायु परिवर्तन के प्रभावों को कम करने के लिए अंतराष्ट्रीय एकता आवश्यक है।

एकता ही हमें जलवायु परिवर्तन के खिलाफ जीतने में मदद करेगी। हम सथी को अपने मतभेद भुल कर साथ आना होगा। हम सभी को एक साथ मिलकर अक्षय ऊर्जा का उपयोग करना होगा, कार्बन फुटप्रिंट को कम करना होगा और अपने उपभोग को कम करना होगा। साथ ही जागरुकता फैलाना होगा। कल को बेहतर बनाने के लिए हमें आज ही कुछ करना होगा। हम सब साथ मिलकर यदि इस समस्या का समाधान करने की कौशिश करे तो अवश्य ही हम सक्षम होगें।●

# সাম্প্ৰতিক সময়ত পৰিৱেশ আৰু সমাজৰ পথিকৃৎসকল

**নিভা বৰা**




সৌৰজগতৰ তৃতীয় স্থানত সেউজ গ্ৰহটোৰ পৰিবেশ আৰু মানুহৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। মানৱ সভ্যতাৰ উত্তৰণৰ ইতিহাস চকুতলগা সময়ৰ পৰা বৰ্তমান পৰ্যন্ত পৰিবেশ এক সংবেদনশীল বিষয়। তথাপি পৰিবেশ সজাগতা তথা পৰিবেশ সচেতনতা আপেক্ষিকভাৱে এটা নতুন ধাৰণা। পূৰ্বৰ পৰিবেশৰ স্বাভাৱিক অৱস্থা চুটি হোৱা আৰু পৰিবেশৰ উপাদানসমূহৰ মাজত ভাৰসাম্যহীন হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চিন্তনীয় অৱধাৰণাৰ সৃষ্টি হৈছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ উত্তৰণৰ ফলত পৰিবেশৰ সমস্যা বৃদ্ধি পাইছে। ইয়াৰ জ্বলন্ত উদাহৰণ গোলকীয় উত্তাপ বৃদ্ধি, জৈৱ বৈচিত্ৰ্যৰ ভাৰসাম্যহীন অৱস্থা, অ'জন স্তৰ অৱক্ষয়ৰ দৰে সমস্যাসমূহ বৃদ্ধি পাইছে। এনেধৰণৰ সমস্যাসমূহৰ সমাধানকল্পে আহি পৰিশে সাম্প্ৰতিক প্ৰেক্ষাপটত পৰিবেশ সজাগতাৰ গুৰুত্বতা। এইক্ষেত্ৰত পৰিবেশ সজাগতা দেখুওৱা ব্যক্তিসকলে গছ-গছনি ধ্বংস কৰি, পুনৰ গছ ৰোপন কৰা নাটকীয় পৰিস্থিতিৰ ঠাইত, প্ৰকৃত সাধুবাদ প্ৰদান কৰিবলগীয়া ব্যক্তিসকলে চমক নহয়, কৰ্মসংস্কৃতি গঢ়ি সমাজত এক অনন্য অৱদান আগবঢ়াইছে।

অসমৰ খিলঞ্জীয়া লোকৰ পৰা আৰম্ভ কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো পৰিবেশ সজাগতা আৰু সংৰক্ষণ সম্পৰ্কত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। সাম্প্ৰতিক সময়ত পৰিবেশ সচেতনতাৰ মানসিকতাৰ অন্যন্য নিদৰ্শন গ্ৰেটা থুনবাৰ্গ, যাদৱ পায়েং, লিচিপ্ৰিয়া কাংগোজাম, পূৰ্ণিমা বৰ্মন ইত্যাদিয়ে কৰ্মৰ দ্বাৰা নিজস্ব পৰিচয় গঢ়ি তুলিছে।

অতি কম বয়সতে গ্ৰেটা থুনবাৰ্গ লিচিপ্ৰিয়া, কাংগোজামে অসম্ভৱকো সম্ভৱ কৰি আদৰ্শ দাঙি ধৰিছে। সাম্প্ৰতিক সময়ৰ যুৱ প্ৰজন্মক পৰিবেশৰ গুৰুত্বতা বুজাই সচেতনতাক অন্য এক স্তৰলৈ উপনীত হোৱাত পথিকৃৎসকলে সহায় কৰিছে। তেওঁলোকৰ ত্যাগ আৰু সাহসিকতাৰ বিনিময়ত হাজাৰ হাজাৰ লোক একত্ৰিত হৈ ওলাই আহিছে, যাৰ ফলত ভৱিষ্যতে সমাজত হাজাৰজন গ্ৰেটা পায়েং অথবা লিচিপ্ৰিয়াৰ জন্ম হ'ব।

বিশ্বায়নৰ যুগৰ সামাজিক প্ৰেক্ষাপট পৰ্যবেক্ষণ কৰিলে স্পষ্ট হয় যে, বৰ্তমান পৃথিৱীৰ প্ৰতিটো প্ৰান্তৰ প্ৰত্যেকগৰাকী ব্যক্তিয়ে পৰিবেশ সম্পৰ্কীয় সজাগতাত সংযুক্ত হোৱাৰ অৱকাশ আছে। বাঢ়ি অহা পৰিবেশ সম্পৰ্কীয় সমস্যাৰ অৱসান ঘটাবলৈ পৰিবেশৰ গুৰুত্বতা বুজি সচেতনভাৱে আমাৰ পথিকৃৎসকলক অনুকৰণ কৰা উচিত। যাৰদ্বাৰা সঁচা অৰ্থত জোৰ পুৰি হাত পোৱাৰ সময়তো পৰিবেশ পুনৰ জী উঠিবলৈ সক্ষম হ'ব।●

# Blood Donation



**Jyotishmita Pegu**

Blood donation is the voluntary process by which a person has blood drawn, which is then used for transfusions and/or converted into biopharmaceutical medications through a process called fractionation. This process involves the separation of whole blood components. Donations can be of whole blood or of specific components, which are collected directly through a process known as apheresis. Blood banks play a crucial role in the collection process, as well as the subsequent procedures.

Today, in the developed world, most blood donors are unpaid volunteers who donate blood for a community supply. In some countries, established supplies are limited and donors usually give blood when family or friends need a transfusion (directed donation). Many donors donate for several reasons, such as a form of charity, general awareness regarding the demand for blood, increased confidence in oneself, helping a personal friend or relative, and social pressure. Despite the many reasons that people donate, not enough potential donors actively donate. However, this is reversed during disasters when blood donations increase, often creating an excess supply that will have to be later discarded. In countries that allow paid donation some people are paid, and in some cases there are incentives other than money such as paid time off from work. People can also have blood drawn for their own future use (autologous donation). Donating is relatively safe, but some donors have bruising where the needle is inserted or may feel faint.

Before donation, potential donors are evaluated for anything that might make their blood unsafe to use. The screening includes testing for diseases that can be transmitted by a blood transfusion, including HIV and viral hepatitis. The donor must also answer questions about medical history and take a short physical examination to make sure the donation is not hazardous to their health. How often a donor can donate varies from days to months based

on what component they donate and the laws of the country where the donation takes place. For example, in the United States, donors must wait 56 days (eight weeks) between whole-blood donations but only seven days between platelet apheresis donations and twice per seven-day period in plasmapheresis.

The amount of blood drawn and the methods vary. The collection can be done manually or with automated equipment that takes only specific components of the blood. Most of the components of blood used for transfusions have a short shelf life, and maintaining a constant supply is a persistent problem. This has led to some increased interest in autotransfusion, whereby a patient's blood is salvaged during surgery for continuous reinfusion or alternatively, is self-donated prior to when it will be needed. Generally, the notion of donation does not refer to giving to one's self, though in this context it has become somewhat acceptably idiomatic.

Charles Richard Drew (1904–1950) was an American surgeon and medical researcher. He researched in the field of blood transfusions, developing improved techniques for blood storage, and applied his expert knowledge to developing large-scale blood banks early in World War II. This allowed medics to save thousands of lives of the Allied forces. As the most prominent African American in the field, Drew protested against the practice of racial segregation in the donation of blood, as it lacked scientific foundation, and resigned his position with the American Red Cross, which maintained the policy until 1950.

**Why do we need to donate blood ?**

We can save up to three lives by making a single blood donation of 1 pint.

About 12,000 people in India die because of the unavailability of blood! This happens because there are no substitutes for human blood. Patients often suffer because they do not have access to safe blood transfusions.

Thus, the gift of blood is the biggest gift you can give to someone in need. This noble gesture can help save numerous individuals who are in need. Nevertheless, knowing a list of things that contributes to safe donation is essential.

Thus, to motivate people and to thank the voluntary blood donors, the World Health Organization organizes an event every year on June 14th World Blood Donor Day.

Blood donations are divided into groups based on who will receive the collected blood. An 'allogeneic' (also called 'homologous') donation is when a donor gives blood for storage at a blood bank for transfusion to an unknown recipient. A 'directed' donation is when a person, often a family member, donates blood for transfusion to a specific individual. Directed donations are relatively rare when an established supply exists. A 'replacement donor' donation is a hybrid of the two and is common in developing countries. In this case, a friend or family member of the recipient donates blood to replace the stored blood used in a transfusion, ensuring a consistent supply. When a person has blood stored that will be transfused back to the donor at a later date, usually after surgery, that is called an 'autologous donation'. Blood that is used to make medications can be made from allogeneic donations or from donations exclusively used for manufacturing.

Blood is sometimes collected using similar methods for therapeutic phlebotomy, similar to the ancient practice of bloodletting, which is used to treat conditions such as hereditary hemochromatosis or polycythemia vera. This blood is sometimes treated as a blood donation, but may be immediately discarded if it cannot be used for transfusion or further manufacturing.

The actual process varies according to the laws of the country, and recommendations to donors vary according to the collecting organization. The World Health Organization gives recommendations for blood donation policies, but in developing countries many of these are not followed. For example, the recommended testing requires laboratory facilities, trained staff, and specialized reagents, all of which may not be available or too expensive in developing countries.

An event where donors come to donate allogeneic blood is sometimes called a 'blood drive' or a 'blood donor session'. These can occur at a blood bank, but they are often set up at a location in the community such as a shopping center, workplace, school, or house of worship.●

ব্য ক্তি ত্ব



অসমীয়া সাহিত্যলৈ

# তৰুণৰাম ফুকনৰ

অৱদান



# ১

## সন্ধ্যা প্ৰসাদ

তৰুণৰাম ফুকন অসমীয়া সাহিত্যৰ এক অন্যতম ব্যক্তিত্ব। তেওঁ অসমীয়া সাহিত্যৰ এজন উচ্চ ব্যক্তি হিচাপে থিয় দিছে, যাৰ অৱদানে অসমৰ সাংস্কৃতিক আৰু সাহিত্যিক তন্ত্ৰক সমৃদ্ধ কৰি তুলিছে। ঊনৈশ শতিকাৰ শে,ৰফালে আৰু বিশ শতিকাৰ আৰম্ভণিতে তেওঁৰ সাহিত্যিক কৰ্মই অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত এটি উজ্জ্বল নক্ষত্ৰ হিচাপে স্থান লাভ কৰিছে। তেওঁৰ ৰচনাসমূহে সামাজিক ন্যায়, সাংস্কৃতিক ঐতিহ্য, দেশপ্ৰেমৰ বিষয়বস্তুৰ সৈতে অনুৰণ ঘটাই তেওঁক এজন শ্ৰদ্ধাৰ সাহিত্যিক ব্যক্তিত্ব হিচাপে গঢ়ি তুলিছে।

**প্ৰাথমিক জীৱন আৰু সাহিত্য যাত্ৰা ঃ**

তৰুণৰাম ফুকনৰ জন্ম ২২ জানুৱাৰী, ১৮৭৭ চনত, গুৱাহাটীৰ ভৰলুমুখত হৈছিল। তেওঁৰ পিতৃ গোপাল চন্দ্ৰ ফুকনো সাহিত্য আৰু সমাজ সেৱাত পৰিচিত ব্যক্তি আছিল। গুৱাহাটীৰ কটন কলেজত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি তেওঁ সাহিত্যৰ প্ৰতি গভীৰ আগ্ৰহ গঢ়ি তুলিছিল আৰু পৰিয়ালৰ সাহিত্যিক পৰিসৰেও তৰুণৰাম ফুকনৰ মনত সাহিত্যপ্ৰেমৰ বীজ সঞ্চিত কৰিছিল। অসমৰ সামাজিক সাংস্কৃতিক পৰিবেশৰ দ্বাৰা প্ৰভাৱিত হৈ আৰু ইয়াৰ জনসাধাৰণৰ সংগ্ৰাম আৰু আকাংক্ষাৰ পৰা অনুপ্ৰাণিত হৈ তৰুণৰাম ফুকনে তেওঁৰ উত্তৰাধিকাৰ গঢ় দিব পৰা সাহিত্য যাত্ৰাত নামিল।

তৰুণৰাম ফুকনে মূলতঃ এখন সমাজ সেৱামূলক জীৱন জীয়াইছিল যদিও সাহিত্যৰ প্ৰতি তেওঁৰ ভালপোৱা আছিল গভীৰ। তেওঁ অসমৰ স্বাধীনতা আন্দোলন আৰু সমাজ সংস্কাৰমূলক কাৰ্যৰ সৈতে জড়িত আছিল। তথাপিও তেওঁ সাহিত্যৰ বাবে সময় উলিয়াবলৈ সক্ষম হৈছিল। তেওঁ কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ ৰচনা কৰিছিল।

**সাহিত্যিক ৰচনা আৰু বিষয়বস্তু ঃ**

কবিতা আৰু গদ্যৰ প্ৰতি থকা তীব্ৰ আগ্ৰহৰ পৰাই তৰুণৰাম ফুকনৰ সাহিত্যযাত্ৰা আৰম্ভ হৈছিল। তেওঁৰ বহু লেখাত বিয়পি পৰা বিষয়বস্তু, ভক্তি আৰু মানৱতাবাদৰ ওপৰত গুৰুত্ব আৰোপ কৰা নৱবৈষ্ণৱী আন্দোলনৰ পৰা তেওঁ বহু পৰিমাণে প্ৰভাৱিত হৈছিল। ইয়াৰ উপৰি তৰুণৰাম ফুকনৰ অন্যতম উল্লেখযোগ্য অৱদান নিহিত হৈ আছে নাট্যকাৰৰ ভূমিকাত। প্ৰায়ে ঐতিহাসিক পৰিঘটনা আৰু পৌৰাণিক কাহিনীৰ পৰা প্ৰেৰণা লাভ কৰা তেওঁৰ নাটকসমূহে দৰ্শকক মনোৰঞ্জন দিয়াই নহয়, অসমৰ সাংস্কৃতিক ঐতিহ্যৰ বিষয়েও জ্ঞান প্ৰদান কৰিছিল।

কবিতা আৰু নাটকৰ উপৰি তৰুণৰাম ফুকনে অসমীয়া গদ্য সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। তৰুণৰাম ফুকনৰ সাহিত্যিক সফলতাও তেওঁৰ সম্পাদকীয় প্ৰচেষ্টাৰ দ্বাৰা

চিহ্নিত কৰা হৈছে। বিভিন্ন সাহিত্য আলোচনী আৰু প্ৰকাশনত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল, নতুন প্ৰতিভাক লালন-পালন কৰাৰ লগতে অসমীয়া ভাষা সাহিত্যৰ প্ৰচাৰ কৰিছিল।

কবিতা আৰু নাটকৰ উপৰিও তৰুণৰাম ফুকনে অসমীয়া গদ্য সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। তৰুণৰাম ফুকনৰ সাহিত্যিক সফলতাও তেওঁৰ সম্পাদকীয় প্ৰচেষ্টাৰ দ্বাৰা চিহ্নিত কৰা হৈছে। বিভিন্ন সাহিত্য-আলোচনী আৰু প্ৰকাশনত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল, নতুন প্ৰতিভাক লালন-পালন কৰাৰ লগতে অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰ কৰিছিল।

সাহিত্যিক সাধনাৰ বাহিৰেও তৰুণৰাম ফুকন আছিল এজন প্ৰগতিশীল চিন্তাবাদী আৰু সমাজ সংস্কাৰক। তেওঁ সামাজিক ন্যায়, শিক্ষা, অসমীয়া সংস্কৃতি ৰক্ষাৰ পোষকতা কৰিছিল। তেওঁৰ লেখাসমূহে বা ৰচনাৱলীসমূহে প্ৰায়ে সামাজিক দায়বদ্ধতা আৰু নৈতিক আচৰণৰ বাৰ্তা কঢ়িয়াই আনিছিল, যিয়ে সমাজৰ কল্যাণৰ প্ৰতি তেওঁৰ গভীৰ চিন্তাক প্ৰতিফলিত কৰিছিল।

তৰুণৰাম ফুকনৰ সাহিত্যিক কৰ্মৰ ভিতৰত নাটক, প্ৰবন্ধ, গল্প আদি বিশেষ উল্লেখযোগ্য। তেওঁৰ 'ৰঙা মাকৰ ৰং' নামৰ নাটকখনে অসমীয়া নাট্য জগতত এক অনন্য স্থান অধিকাৰ কৰিছে। এই নাটকখনৰ মাধ্যমেৰে তেঁৱেই সমাজত বিদ্যমান কু-সংস্কাৰ আৰু অন্যায়ৰ বিৰুদ্ধে অৱস্থান লৈছিল। ইয়াৰ লগতে তেওঁ বিভিন্ন প্ৰবন্ধ আৰু গল্প লিখিছিল যাৰ মাজেৰে সমাজৰ বিভিন্ন দিশৰ ছবি অংকন কৰিছিল।

**অসমীয়া সাহিত্যলৈ তৰুণৰাম ফুকনৰ অৱদানৰ গুৰুত্ব ঃ**

অসমীয়া সাহিত্যলৈ তৰুণৰাম ফুকনৰ অৱদানৰ গুৰুত্ব অপৰিসীম, অসমৰ সাংস্কৃতিক আৰু সাহিত্যিক ঐতিহ্যত তেওঁক এক গুৰুত্বপূৰ্ণ ব্যক্তিত্ব হিচাপে চিহ্নিত কৰা হৈছে। তেওঁৰ তাৎপৰ্যক তলত দিয়া ধৰণে সামৰি ল'ব পাৰি।

তৰুণৰাম ফুকনে তেওঁৰ সাহিত্যিক ৰচনাৰ জৰিয়তে অসমৰ সাংস্কৃতিক আৰু সামাজিক তন্ত্ৰৰ লগত গভীৰভাৱে অনুকৰণ ঘটোৱা বৈচিত্ৰ্যপূৰ্ণ বিষয়বস্তুৰ মাজত ডুব গৈ অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছিল। তেওঁৰ লেখাত সাংস্কৃতিক পৰিচয়, সামাজিক বিষয়, প্ৰকৃতি, আধ্যাত্মিকতা আদি বিষয়বস্তুৰ সন্ধান কৰি অসমীয়া সমাজৰ জটিলতাৰ গভীৰ অন্তদৃষ্টি আগবঢ়াইছিল।

বিষয়ভিত্তিক অন্বেষণৰ বাহিৰেও অসমীয়া সাহিত্যৰ ভাষিক আৰু শৈলীগত বিৱৰ্তন গঢ় দিয়াত তৰুণৰাম ফুকনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ গদ্য আৰু কবিতাই পৰম্পৰাগত অসমীয়া সাহিত্যৰ ৰূপৰ সৈতে আধুনিক সংবেদনশীলতাৰ সংমিশ্ৰণ ঘটাই অসমীয়া ভাষাৰ সমৃদ্ধি আৰু বৈচিত্ৰ্যত যথেষ্ট অৰিহণা যোগাইছিল।

সাহিত্যিক কৃতিত্বৰ বাবে স্বীকৃতিপ্ৰাপ্ত তৰুণৰাম ফুকনে জীৱনকালত অসংখ্য প্ৰশংসা আৰু সন্মান লাভ কৰি তেওঁৰ ৰচনাসমূহৰ সমালোচকৰ প্ৰশংসা আৰু সাংস্কৃতিক প্ৰভাৱৰ ওপৰত আলোকপাত কৰে। তেওঁৰ অৱদানসমূহত যাতে অসমৰ সাংস্কৃতিক পৰিচয় আৰু সাহিত্যিক ঐতিহ্যৰ অবিচ্ছেদ্য অংগ হৈ থাকে তাৰবাবে তেওঁৰ উত্তৰাধিকাৰক উদ্যাপন কৰিয়েই আছে।

**অসমীয়া সাহিত্যৰ ওপৰত তৰুণৰাম ফুকনৰ প্ৰভাৱ ঃ**

তৰুণৰাম ফুকনৰ অৱদানে অসমীয়া সাহিত্যত পৰিৱৰ্তনশীল প্ৰভাৱ পেলাইছিল। সাহিত্যিক কাৰুকাৰ্যক সামাজিক ধাৰা ভাষ্যৰ সৈতে সংযুক্ত কৰাৰ ক্ষমতাই অঞ্চলটোত গল্প কোৱাৰ বাবে নতুন মান স্থাপন কৰিছিল। তেওংৰ ৰচনাসমূহৰ আখ্যানৰ গভীৰতা আৰু বিষয়ভিত্তিক সমৃদ্ধিৰ বাবে শ্ৰদ্ধা অব্যাহত আছে, যিয়ে তেওঁক অনুসৰণ কৰা লেখকৰ প্ৰজন্মক প্ৰভাৱিত কৰিছে। বিশেষকৈ তৰুণৰাম ফুকনৰ উপন্যাসসমূহে অসমীয়া সাহিত্য পৰম্পৰাৰ বিৱৰ্তনত অৰিহণা যোগোৱা অসমীয়া জীৱন আৰু সমাজৰ চিত্ৰণৰ বাবে সমালোচকৰ প্ৰশংসা লাভ কৰিছিল।

**অসমীয়া সংস্কৃতি আৰু সমাজলৈ অৱদান ঃ**

সাহিত্যিক সাফল্যৰ বাহিৰেও তৰুণৰাম ফুকনে অসমীয়া ভাষা, সংস্কৃতি, পৰিচয়ৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ লেখাৰ জৰিয়তে অসমৰ স্বীকৃতি আৰু সন্মানৰ পোষকতা কৰি অসমৰ অনন্য সাংস্কৃতিক ঐতিহ্যক সংৰক্ষণ আৰু উদ্যাপনৰ চেষ্টা কৰিছিল। ফুকনৰ সাহিত্যিক সক্ৰিয়তা সামাজিক কাৰণলৈকে বিস্তৃত হৈছিল, য'তে তেওঁ নিজৰ কলম ব্যৱহাৰ কৰি সামাজিক ন্যায় আৰু জাতীয় সংহতিৰ বিষয়সমূহ উজ্জ্বল কৰি তুলিছিল। ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ সময়ত সংহত অসমীয়া পৰিচয়ৰ পোষকতাই তেওঁৰ জন্মভূমিৰ কল্যাণৰ প্ৰতি থকা দায়বদ্ধতাক পূৰ্ণ কৰিছিল।

তৰুণৰাম ফকনৰ সাহিত্যিক কৰ্মৰ পৰা তেখেতৰ চিন্তা-চেতনা আৰু আদৰ্শ স্পষ্টভাৱে প্ৰকাশ পায়। তেওঁ অসমীয়া ভাষাৰ শুদ্ধতা আৰু সমৃদ্ধিৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। ১৯২৭ চনত অসম সাহিত্য সভাৰ সভাপতিৰূপে তেওঁ ভাষা আৰু সাহিত্যৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰদৰ্শন

কৰিছিল। তেওঁ সাহিত্য সভাৰ মাধ্যমেৰে অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰসাৰ আৰু উন্নতিৰ বহুতো কাম কৰিছিল।

**মৃত্যু ঃ**

তৰুণৰাম ফুকনৰ মৃত্যু আছিল অতি আকস্মিক। ১৯৩৯ চনৰ ২৮ জুলাইৰ আবেলি গা ধোৱা ঘৰত পিছলি তেওঁ হৃদক্ৰিয়া বন্ধ হয়, যাৰ ফলত তেওঁৰ মৃত্যু হয়। তেওঁৰ মৃতদেহ হেজাৰ হেজাৰ মানুহে শোভাযাত্ৰা কৰি কামাখ্যা শ্মশানলৈ কঢ়িয়াই নিছিল। দেশভক্ত তৰুণৰাম ফুকনৰ আকস্মিক মৃত্যুৰ বাতৰিত ড° ৰাজেন্দ্ৰ প্ৰসাদে মৰ্মাহত হৈ লিখিছিল—'ফুকনৰ মৃত্যুৰ বাতৰি পাই মৰ্মাহত হৈছোঁ। সেই তাহানিৰ অসহযোগ আন্দোলনৰ দিনৰ পৰাই তেওঁক জানিবলৈ সুযোগ পাইছিলোঁ। তেওঁ এজন সাহসী আৰু সুনিপুণ যোদ্ধা আছিল। দেশৰ কাৰণে বিস্তৰ ত্যাগ কৰিছিল। যদিও শেষৰ কালছোৱাত সহকৰ্মীসকলৰ লগত মত বিৰোধ হৈ অকলশৰীয়াকৈ জীৱন যাপন কৰিছিল, তথাপিও দেশকৰ্মী আৰু প্ৰসিদ্ধ নেতা হিচাপে তেওঁৰ স্থান আজিও জিলিকি আছে। এই সন্ধিক্ষণত তেওঁৰ মৃত্যু এটা ডাঙৰ ক্ষতি।'

সামৰণিত ক'ব পাৰি যে অসমীয়া সাহিত্যলৈ তৰুণৰাম ফুকনৰ অৱদান বহুমুখী আৰু গভীৰ। তৰুণৰাম ফুকনৰ সাহিত্যিক অৱদানৰ প্ৰতি অসমীয়া সমাজ বিশেষ কৃতজ্ঞ। তেওঁৰ কৰ্মই অসমীয়া সাহিত্যক এক নতুন উচ্চতালৈ লৈ গ'ল। তেখেতৰ আদৰ্শ আৰু কৰ্মই আগন্তুক সাহিত্যিকসকলৰ বাবে অনুপ্ৰেৰণা হিচাপে কাম কৰিছে। কবি, নাট্যকাৰ, গদ্য লেখক, সম্পাদক হিচাপে তেওঁ অসমৰ সাহিত্য ঐতিহ্যত অমলিন ছাপ এৰি থৈ গৈছে। তেখেতৰ ৰচনাসমূহ কালাত্মক যোগ্যতা আৰু অঞ্চলটোৰ সাংস্কৃতিক পৰিচয়লৈ আগবঢ়োৱা ্ৱদানৰ বাবে অব্যাহত আছে, যাৰ ফলত তেওঁ অসমীয়া সাহিত্য বুৰঞ্জীৰ এক শ্ৰদ্ধাৰ ব্যক্তিত্ব হিচাপে পৰিগণিত হৈছে। তৰুণৰাম ফুকন এজন মহান সাহিত্যিক, সমাজ সংস্কাৰক আৰু জাতীয়তাবাদী নেতা হিচাপে অসমীয়া সমাজৰ হৃদয়ত সদায় সজাগ হৈ থাকিব।

তৰুণৰাম ফুকনৰ জীৱন আৰু কৰ্মই অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত এক অনন্য স্থান অধিকাৰ কৰিছে। তৰুণৰাম ফুকনৰ সাহিত্যিক অৱদান সদায় স্মৰণীয় আৰু প্ৰাসংগিক হৈ থাকিব।●

## ২

## প্ৰিপ্ঞিপ্ৰিয়া নাথ

দেশ সেৱাই যাৰ ধৰ্ম, ত্যাগ আছিল যাৰ কৰ্ম, সেই বীৰ পুৰুষজনেই হ'ল অসমখনিকৰ তৰুণৰাম ফুকন। তেওঁ আছিল প্ৰকৃত দেশপ্ৰেমিক যিয়ে নিজৰ দেশ ৰু দেশবাসীৰ বাবে কাম কৰিছিল। তৰুণৰাম ফুকনৰ নিজৰ দেশৰ প্ৰতি থকা শ্ৰদ্ধা আৰু তীব্ৰ দেশপ্ৰেমক সন্মান জনাই তেওঁক 'দেশভক্ত' বা 'দেশপ্ৰেমিক' অৰ্থাৎ নিজৰ দেশক প্ৰাণভৰি ভালপোৱা জেন বুলি আখ্যা দিয়া হয়।

১৮৭৭ চনৰ ২২ জানুৱাৰীত গুৱাহাটীৰ ভৰলুমুখত জন্মগ্ৰহণ কৰা তৰুণৰাম ফুকনৰ পিতৃ আছিল বলোৰাম ফুকন আৰু মাতৃ আছিল ভাগীৰথী দেৱী। তেওঁৰ পূৰ্বপুৰুষসকল আছিল আহোম ৰাজ বিষয়া।

ফুকনদেৱে তেওঁৰ স্কুলীয়া শিক্ষা গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা সমাপ্ত কৰি ১৮৯৬ চনত কলিকতালৈ গৈ প্ৰেচিডেন্সি কলেজত অধ্যয়ন কৰে। ১৯০১ চনত তেওঁ ইংলেণ্ডলৈ গুচি যায় আৰু লণ্ডনৰ পৰা ল ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছত তেওঁ উভতি আহি কলিকতা উচ্চ ন্যায়ালয়ত যোগদান কৰে। পাছলৈ তেওঁ অসমৰ গুৱাহাটীৰ আৰ্ল ল কলেজত প্ৰবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰে। ইয়াৰোপৰি তেওঁ পৌৰসভা ব'ৰ্ড আৰু স্থানীয় ব'ৰ্ডৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ১৯১০ চনত তেওঁ বিবাহ হয় পৰশুৰাম খাউণ্ডৰ কন্যা বিদ্যুৎ প্ৰভাৰ লগত।

তৰুণৰাম ফুকনদেৱে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাৰ

ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯২১ চনত গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছ কমিটী গঠন হৈছিল আৰু ইয়াৰ সভাপতি আছিল কুলধৰ চলিহা। কিন্তু ব্ৰিটিছ চৰকাৰে কংগ্ৰেছক অবৈধ সংস্থা বুলি গোষণা কৰি তৰুণৰাম ফুকনক গ্ৰেপ্তাৰ কৰে আৰু শিলচৰৰ কাৰাগাৰত এবছৰৰ বাবে কাৰাবন্দী কৰি ৰাখে। পাছত ভাৰতীয় জাতীয় কংগ্ৰেছৰ গয়া অধিৱেশনত অংশগ্ৰহণ কৰি চিত্ৰৰঞ্জন দাস আৰু মতিলাল নেহৰুৰ প্ৰস্তাৱ মৰ্মে স্বৰাজ পাৰ্টিক সমৰ্থন কৰে আৰু তৰুণৰাম ফুকনক এৰি দিয়ে।

তৰুণৰাম ফুকন কেৱল সংগ্ৰামী ব্যক্তিয়েই নহয় সাহিত্যৰ ক্ষেত্ৰতো সমান অধিকাৰ থকা ব্যক্তি। সাহিত্য চৰ্চাৰ জৰিয়তে তেওঁ সমগ্ৰ অসমৰ সামাজিক জীৱনলৈও গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। বিভিন্ন কাগজ আলোচনীত প্ৰবন্ধ, কবিতা প্ৰকাশ কৰাৰ উপৰিও স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি শিলচৰৰ কাৰাগাৰত কঠিন কাৰাবাস কটাওতে ভক্তিমূলক গীত আৰু একমাত্ৰ গ্ৰন্থ 'স্মৃতিমালা' ৰচনা কৰে। এই পুথিখন প্ৰথম প্ৰকাশ পাইছিল ১৯২৬ চনত। ইয়াৰোপৰি অতুল চন্দ্ৰ হাজৰিকাৰ সম্পাদনাত 'মৰহা ফুলৰ পাপৰি' সংকলনত তৰুণৰাম ফুকনদেৱৰ আন বহুতো কবিতা প্ৰকাশ পায়। অসমীয়া সাহিত্যলৈ অনবদ্য অৱদান াগবঢ়োৱা তৰুণৰাম ফুকনদেৱ আছিল এজন সংগ্ৰামী বীৰ। অসমৰ প্ৰথম চাইকেল াৰু মটৰ চাইকেল আৰোহী। দুঃসাহসিক কৰ্মৰ প্ৰতি সদায় আগ্ৰহী তৰুণৰাম ফুকনৰ প্ৰিয় আছিল বাঘ চিকাৰ। চিকাৰ কৰি লাভ কৰা ৰোমাঞ্চকৰ অভিজ্ঞতাসমূহ তেওঁৰ 'চিকাৰ কাহিনী' নামৰ কিতাপখনত লিপিবদ্ধ কৰি পাঠকসমাজলৈ আগবঢ়াইছে। তেওঁ বিবাহিত জীৱনৰ উপৰিও 'যৌনতত্ত্ব' নামৰ গ্ৰন্থ ৰচনা কৰাৰ লগতে ভাৱৰীয়াৰ গীত নামৰ খুহুতীয়া কবিতাও ৰচনা কৰিছিল। 'নিংনি ভাৱৰীয়া'ৰ জৰিয়তে শিলচৰ কাৰাগাৰ জীৱনৰ ৰুক্ষ াৰু কষ্টৰ সময়বোৰৰ বিষয়ে বৰ্ণনা দাঙি ধৰিছিল। ইয়াৰোপৰি ১৯২৭ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ গোৱালপাৰা অধিৱেশনত তৰুণৰাম ফুকনদেৱে সভাপতিৰ আসনখন অলংকৃত কৰি তোলে আৰু ভাষণত কয় যে ভাৰতীয়ৰ মাজত আমি অসমীয়া এক সুকীয়া জাতীয়তা। যদিও আমাৰ ভাষা সংস্কৃতিভিত্তিক ই কে সুকীয়া ভাষা।

তৰুণৰাম ফুকনদেৱে অসম ছাত্ৰ সন্মিলনৰ সভাপতি হিচাপেও ১৯২৮ চনত কাৰ্যনিৰ্বাহ কৰিছিল। বক্তৃতা আৰু বুদ্ধিমত্তাৰ ক্ষেত্ৰত প্ৰায় অনন্য তৰুণৰাম ফুকনৰ ইংৰাজী আৰু অসমীয়াৰ লগতে বাংলা, হিন্দী, উৰ্দু আৰু সংস্কৃত ভাষাতো দখলতা আছিল। তেওঁ অসমত প্ৰচলিত আন আন দোৱান ভাষাবোৰতো সহজ-সৰলভাৱে কথা ক'বলৈ সক্ষম আছিল।

তৰুণৰাম ফুকনদেৱে অসমৰ অসুবিধাগ্ৰস্ত শ্ৰেণীৰ শিক্ষাৰ বাবে অৰ্থাৎ শিক্ষাৰ উত্থানৰ বাবে কাম কৰিছিল। তেওঁ অস্পৃশ্যতা দূৰ আৰু লিংগ সমতাৰ বাবেও যুঁজিছিল। তেওঁ ভাৰতৰ নাৰীসকলক তেওঁলোকৰ ঘৰৰ সীমাৰ পৰা ওলাই আহি জাতীয় বিষয়ত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনাই ছিল। দুখীয়াৰ প্ৰতি সদা সহানুভূতিশীল তথা আত্মনিৰ্ভৰশীল এই মহান ব্যক্তিজনৰ মৃত্যু হয় ১৯৩৬ চনৰ ২৮ জুলাই তাৰিখে। তৰুণৰাম পুকনৰ দেশৰ প্ৰতি থকা প্ৰেম আৰু তেওঁ সৃষ্টি কৰা দেশপ্ৰেমৰ ধাৰাটোৱেই হৈছে নতুন প্ৰজন্মৰ আদৰ্শৰ পথ। তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাই তথা তেওঁক অসমীয়াৰ বুকুত সদা সজীৱ কৰি ৰখাৰ উদ্দেশ্যে তেওঁৰ মৃত্যুৰ দিনটো অৰ্থাৎ ২৮ জুলাই তাৰিখে সমগ্ৰ অসমত 'দেশপ্ৰেম' দিৱস হিচাপে পালন কৰে।●



# ৩

## মন্দিতা নাথ

'পৰৰ দুখ পতিয়াবলৈ শিকা, নিজৰ দুখ উৰলি যাব কেৱল মনতে ৰিজনি কৰিবা। তোমাৰ এশ টকা লোকচান হৈছে, হেজাৰ টকা লোকচান হোৱাজনৰ কথা ভাবা। তোমাৰ এশ দুখ পাতলিব। তোমাৰ এজন পুতেৰা মাৰিছে, নিৰ্বংশ হোৱাজনৰ কথা ভাবা, তোমাৰ শোক লঘু হ'ব।'

উক্ত কথাষাৰৰ বক্তাগৰাকী হ'ল, আমাৰ সকলোৰে পৰিচিত স্বদেশ হিতৈষী, ত্যাগী বীৰপুৰুষ দেশভক্ত তৰুণৰাম ফুকন। অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰা ব্যক্তিসকলৰ ভিতৰত তৰুণৰাম ফুকন অন্যতম। অসমত ওপজা, অসম তথা ভাৰতৰ হৈ জীৱন আহুতি দি জনম সাৰ্থক কৰা স্বাধীনতা আন্দোলনৰ অলেখ সেনানীৰ ভিতৰত তৰুণৰাম ফুকনৰ নাম উল্লেখনীয়। এইগৰাকী পুৰোধা অসম সন্তান আজিও 'মুকুট বিহীন সম্ৰাট' ৰূপে পৰিচিত। তেওঁ একেধাৰে ৰাজনীতিবিদ, সাহিত্যিক, আইনজ্ঞ আৰু এজন ভাল চিকাৰি। নিজৰ অসাধাৰণ ব্যক্তিত্বৰ কাৰণে তেওঁ 'দেশভক্ত' উপাধি লাভ কৰিছিল। সঁচাকৈয়ে তেওঁ দেশৰ কাৰণে নিজৰ অৰ্থ, স্বাৰ্থ, পদমৰ্যাদা পৰ্যন্ত ত্যাগ কৰি আপোন মতবাদত স্থিৰ হিচাপে লাগি স্বদেশ স্বজাতিৰ যি মহৎ উপকাৰ কৰি গ'ল, স্বাধীনতা বিপ্লৱীৰ কাঁইটীয়া আঁচোৰ খাই জীৱনত যি গোলাপ ফুল ফুলালে আৰু যাৰ সুবাসে তেওঁক ত্যুৰ পিছতো চিৰ সুবাসিত কৰি ৰাখিলে, সেয়া প্ৰতিগৰাকী অসমবাসীৰ চিৰস্মৰণীয়। এনে এগৰাকী ব্যক্তিৰ পবিত্ৰ াদৰ্শ আগত ৰাখি দেশৰ কামত আগবাঢ়ি যোৱাটো আমাৰ প্ৰত্যেকগৰাকী নাগৰিকৰে কৰ্তব্য। সঁচাকৈয়ে তৰুণৰাম ফুকন যেন ডেকাচামৰ বাবে চিৰ তৰুণ, চিৰ নবীন আৰু পূব আকাশত দেখা দিয়া অনস্তমিত জীৱন্ত তৰুণ। তেওঁৰ আদৰ্শ ডেকাচামৰ বাবে সঁচাই অনুকৰণীয়।

**তৰুণৰাম ফুকনৰ প্ৰাৰম্ভিক জীৱন ঃ**

ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰা অসমৰ অন্যতম নেতা তৰুণৰাম ফুকনৰ জন্ম হৈছিল ১৮৭৭ চনৰ ২২ জানুৱাৰী তাৰিখে গুৱাহাটীৰ ভৰলুমুখত। তেখেতৰ পিতৃৰ নাম আছিল বলৰাম ফুকন আৰু মাতৃৰ নাম আছিল ভাগীৰথী দেৱী। পেছাগতবাৰে তৰুণৰাম ফুকনৰ পিতৃ বলৰাম ফুকন বিজনীৰ বজাৰ দেৱান হোৱাৰ লগতে তেওঁ আছিল এজন নিপুণ চিকাৰী। গুৰুত্বপূৰ্ণ কথা যে আধুনিক যুগৰ অসমীয়া ভাষাৰ অন্যতম লেখক আনন্দৰাম ঢেকীয়াল ফুকন হ'ল তৰুণৰাম ফুকনৰ পূৰ্ব পুৰুষ। উল্লেখ্য যে তৰুণৰাম ফুকনে বিদ্যালয়ৰ পৰিসীমাৰ মাজত আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰাৰ পৰিৱৰ্তে নিজৰ বাসগৃহতেই গুৰুৰ অধীনত সংস্কৃত শিক্ষা গ্ৰহণ কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত গুৱাহাটী কলেজিয়েট স্কুলত নামভৰ্তি কৰে আৰু কলেজিয়েট স্কুলৰ পৰাই ছাত্ৰ বৃত্তি সহঃ ১৮৯২ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত কলিকতাৰ প্ৰেছিডেন্সী কলেজত নামভৰ্তি কৰে আৰু ইয়াৰ পৰাই .......পৰীক্ষাত উত্তীৰ্ণ হয়। বেৰিষ্টাৰ হোৱাৰ বাবে প্ৰবল হেঁপাহ থকা তৰুণৰাম ফুকনে ইয়াৰ পৰৱৰ্তী সময়ত লণ্ডণলৈ বেৰিষ্টাৰ এট ল' অধ্যয়নৰ বাবে যাত্ৰা কৰে। গুৰুত্বপূৰ্ণ কথা যে কঠোৰ প্ৰত্যাহ্বানৰ পিছতো তেওঁ অসমৰ তৃতীয়জন বেৰিষ্টাৰ হিচাপে গৌৰৱ অৰ্জন কৰিছিল।

**সাহিত্যিক জীৱনলৈ তৰুণৰাম ফুকনৰ অৱদান ঃ**

সাহিত্যিক পথাৰত ফুকনৰ অৱদান অপৰিসীম। অসমীয়া সাহিত্যিলৈ আগবঢ়োৱা অৱদানৰ বাবে অসম সাহিত্য

সভাই তেখেতক ১৯২৭ চনৰ অসম সাহিত্য সভাৰ দশম গোৱালপাৰা অধিৱেশনৰ সভাপতি পদৰ বাবে নিৰ্বাচিত কৰিছিল। বাংলা কবিতা আবৃত্তিৰে তেওঁ সাহিত্য জগতত প্ৰৱেশ কৰে। তেওঁ ভালেমান কিতাপ ৰচনা কৰিছিল। তেওঁৰ ৰচনাৱলীক ঘাইকৈ চাৰিটা ভাগত ভাগ কৰিব পাৰি। যেনে— কবিতা, চিকাৰ কাহিনী, যৌন বিষয়ক আৰু বিবিধ প্ৰৱন্ধ। তেওঁৰ ৰচনাৱলীত প্ৰাঞ্জলতা, অধ্যয়নপুষ্টতা, মননশীলতা আৰু উদাৰতাৰ ভাৱ প্ৰস্ফুটিত হোৱা দেখা যায়।

'স্তুতিমালা' তেওঁৰ একমাত্ৰ কবিতা পুথি। তেওঁ জেলত থকা সময়ছোৱাত এই স্তুতি বিষয়ত কাব্য পুথিখন ৰচনা কৰিছিল। সংস্কৃত স্তোত্ৰৰ অনুবাদ কৰি ৰচনা কৰা এই পুথিখনত তেওঁৰ মৌলিক চিন্তাধাৰাৰ পৰিচয় পোৱা যায়। তাৰোপৰি সংস্কৃত ভাষাজ্ঞানৰ পটুতাৰ পৰিচয় পাব পাৰি। এই পুথিখনত বিভিন্ন দেৱ-দেৱীৰ স্তুতিমন্ত্ৰ বৰ্ণনাকৰা হৈছে। তদুপৰি ইয়াত অন্য দুই-চাৰিটা গীতি কবিতাও আছে। সেইবোৰ হ'ল—জাতীয় সংগীত, জীৱনৰ গীত, এপাহি ফুল, দেৱী, তোমালৈ ইত্যাদি। 'জীৱনৰ গীত' কবিতাটিত দাৰ্শনিক মনোভাৱ ফুটি উঠিলেও শিশুসকলকো সৎ উপদেশ দিয়া দেখা যায়—

'নিজক চিন্তাকো বৰ টান কাম
তাতো কৰি টান চিনাকি দিয়া।
সন্তোষে থকাটো আৰু টান কাম,
তাতো কৰি টান আনক সন্তোষ দিয়া।
সজ উপায়েৰে ধন ঘটা টান কাম।
তাতো কৰি টান সি ধন থোৱা।'

তেওঁৰ 'জাতীয় সংগীত' কবিতাটোত নিজৰ দেশৰ প্ৰতি ভালপোৱাৰ ভাৱ আৰু অতীত গৌৰৱৰ কথা এনেদৰে প্ৰকাশ পাইছে—

উপজি যি ঠাইত শংকৰ-মাধৱে
বৈষ্ণৱ ধৰ্মৰ সাজিলে জয়,
আজিও সি ধৰ্ম ভাৰত বৰষে
ভক্তি প্ৰামত চৰণ লয়।
অনন্ত কন্দলি, ৰাম সৰস্বতী
যাৰ কীৰ্তি দিলে বিয়পি দেশ,
সেয়েহে নহ'লে আই তই অসম
সেয়েতো নহ'লৈ আমাৰ দেশ?'

'স্তুতিমালা'ৰ শেষৰ ফালে তেওঁ 'নিংনি ভাৱৰীয়াৰ গীত' শিৰোনামেৰে এটি দীঘলীয়া গীত সংযোজন কৰিছে। নিংনি এজন বৰপেটাৰ ৰসিক ভাৱৰীয়া আছিল। এই গীতসমূহ স্বাধীনতা আন্দোলনত নিংনি ভাৱৰীয়াই মুখে মুখে গাই ফুৰিছিল। এই গীতসমূহ হাস্যমধুৰ আছিল।

তেওঁৰ চিকাৰ কাহিনীখনৰ নাম হ'ল—চিকাৰ কাহিনী। যিখন তেওঁৰ ৰচনাৰ অন্যতম সম্পদ। তেওঁ লিখা যৌন বিষয়ক পুথিখন হ'ল—যৌনতত্ত্ব। বিবিধ প্ৰৱন্ধৰ ভিতৰত তেওঁ সময়ে সময়েলিখা বিভিন্ন বিষয়ৰ প্ৰৱন্ধ আৰু ভিন ভিন ঠাইত দিয়া বিবিধ বিষয়ক ভাষণাৱলীক সামৰিব পাৰি। তেতিয়াৰ প্ৰচলিত 'আৱাহন' কাকতত তেওঁ মাজে সময়ে প্ৰৱন্ধপাতি লিখিছিল। তেখেতৰ হাতী চিকাৰ বিষয়ক প্ৰৱন্ধকেইটিয়ে ভ্ৰমণ কাহিনীৰ সোৱাদ দিব পাৰি, সি সৰু ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধলৈকে সকলোকে আকৰ্ষণ কৰে আৰু দুই-তিনিবাৰ পঢ়িলেও আকৌ এবাৰ পঢ়াৰ মানসিকতা ৰৈ যায়। কথা সাহিত্যৰ ক্ষেত্ৰত এই ভ্ৰমণ কাহিনীসমূহ বিশেষভাৱে উল্লেখযোগ্য।

জীৱন নাটৰ সামৰণি ঃ
'ভাগি গ'ল বীণখনি
চিঙি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ
অমিয়া জোকাৰ।'

জন্মিলে মৰিবই লাগিব। ই ধ্ৰুৱ সত্য। ১৯৩৯ চনৰ ২৪ জুলাইত তৰুণৰাম ফুকনে গুৱাহাটীৰ ভৰলুমুখৰ নিজা ঘৰত শেষ নিশ্বাস ত্যাগ কৰে। কেইদিনমান সামান্য জ্বৰ নৰিয়াত পৰিয়েই তেওঁ ৬৩ বছৰ বয়সত এই সংসাৰৰ পৰা চিৰ বিদায় মাগিলে। এৰি থৈ গ'ল মাথোঁন তেওঁৰ যশ নাম আৰু অসাধাৰণ কৃতিত্বৰ চানেকি। তেওঁৰ ব্যক্তিত্ব, বহুমুখী প্ৰতিভা আৰু দেশমাতৃৰ প্ৰতি থকা অগাধ শ্ৰদ্ধাই তেওঁক সৰ্বকালৰ এগৰাকী অসাধাৰণ নেতাৰ শাৰীলৈ লৈ গৈ আমাক সঁচাকৈয়ে গৰ্বিত কৰিছে। সাহিত্য, ৰাজনীতি, চিকাৰ, ওকালতি এই সকলো দিশতে তেওঁৰ বিশেষত্ব ফুটি উঠিছিল। এনে উদাহৰণ খুউব কমেই পোৱা যায়।

ফুকনৰ সাহিত্যৰ প্ৰকৃত মূল্যায়ন হ'লে, তেওঁৰ বাগ্মীতাক আৰ্হি হিচাপে ল'ব পাৰিলে, তেওঁৰ ত্যাগ আৰু ৰসিকতাক জীৱনৰ মূলমন্ত্ৰ হিচাপে গ্ৰহণ কৰিব পাৰিলে ফুকন আমাৰ মাজতে জীয়াই থাকিব আৰু নৱ প্ৰজন্মই অসমীয়া আৰু আৰু অসমৰ অস্তিত্বক জীয়াই ৰাখিবলৈ সমৰ্থ হ'ব।

তৰুণৰাম ফুকনৰ দৰে যি নমস্য তথা চিৰ বৰেণ্য ব্যক্তি এগৰাকীক আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। তেওঁ আমাৰ মাজত সদায় উজ্জ্বল ভোটা তৰাৰ দৰে জিলিকি থাকিব।●




# উত্তৰণেৰে জীৱনক মহীয়ান কৰা মানুহৰ কাহিনীৰে উপন্যাস 'বকুল ফুলৰ দৰে'

**মন্দিতা নাথ**

যিমান কষ্ট হ'লেও লক্ষ্যপ্ৰাপ্তিৰ আশাৰে নিজক উজ্জীৱিত কৰি জীৱনৰ যুঁজত আগবঢ়াই নিব পৰা মানসিকতাইহে মানুহক উত্তৰণৰ পথেদি অগ্ৰসৰ কৰি লক্ষ্যপ্ৰাপ্তিত সহায় কৰিব পাৰে।

জীৱনৰ উত্তৰণৰ দিশত শিক্ষাৰ ভূমিকা সৰ্বাধিক। হাজাৰ দুৰ্যোগৰ পাছতো আখৰ লিখিবলৈ, পঢ়িবলৈ থকা দুৰ্বাৰ হাবিয়াসৰ ফলতেই নিজৰ জীৱন গঢ়া বহু সফল ব্যক্তিৰ জীৱন সংগ্ৰামৰ বিষয়ে পঢ়িবলৈ পোৱা যায়। দৰাচলতে শূন্যৰ পৰা আৰম্ভ কৰি জীৱনটোক উত্তৰণৰ বৰ্ণিল শিখাৰে জিলিকাই তুলিব পৰাটোৱেই জীৱনক জিকাৰ মূলমন্ত্ৰ হ'ব পাৰে। অৱশ্যে উত্তৰণৰ এই পথ সহজসাধ্য কেতিয়াও নহয়। কিন্তু কণ্টকময় কষ্টৰ পথেদি খোজ নিদিলে আলাসতে সফলতা পোৱাটো স্বাভাৱিকতেই সম্ভৱ নহয়। যিমান কষ্ট হ'লেও লক্ষ্যপ্ৰাপ্তিৰ আশাৰে নিজক উজ্জীৱিত কৰি জীৱনৰ যুঁজত আগবঢ়াই নিব পৰা মানসিকতাইহে মানুহক উত্তৰণৰ পথেদি অগ্ৰসৰ কৰি লক্ষ্যপ্ৰাপ্তিত সহায় কৰিব পাৰে।

মানুহৰ জীৱনৰ এই কঠোৰ সংগ্ৰামক সাৰোগত কৰি ড° মৃণাল কলিতাই তেখেতৰ প্ৰথমখন উপন্যাস ‘বকুল ফুলৰ দৰে’ লিখিছে। দৰিদ্ৰতাই গ্ৰাস কৰা এটি কিশোৰৰ শিক্ষাৰ প্ৰতি থকা অদম্য স্পৃহা তথা তাৰ বাবে কৰা অসাধ্য সাধন আৰু এটি ৰোগীয়া কিশোৰৰ নিষ্কলুষ হৃদয়া আৰু অদমনীয় মনোবলেৰে নিজকে উত্তৰণৰ দিশলৈ লৈ যোৱাৰ আকৰ্ষণীয় কাহিনীৰে উপন্যাসখনে পাঠকৰ হৃদয়ক আলোড়িত কৰিবলৈ সক্ষম হৈছে।

উপন্যাসখনৰ কাহিনীটো অসীম নামৰ এটি কিশোৰৰ সংশয়জনিত মনৰ দ্বিধা তথা দ্বন্দ্বৰে আৰম্ভ হৈছে। মদপী পিতৃৰ পৰিয়ালৰ প্ৰতি থকা দায়িত্বহীনতাই অসীমক বয়সৰ আগতেই প্ৰাপ্তবয়স্কৰ দৰে চিন্তা-চৰ্চাৰে নিজৰ জীৱনৰ সিদ্ধান্ত ল’বলৈ বাধ্য কৰোৱায়। পিতৃৰ অমনোযোগিতাৰ বিপৰীতে দুখুনী মাতৃৰ শিক্ষাৰ প্ৰতি হেঁপাহ আছে, কিন্তু দৰিদ্ৰতাই গ্ৰাস কৰা ঘৰখনত আনৰ ঘৰত কাম কৰি পোৱা দুপইচাৰে পেটৰ ভাতমুঠিৰ যোগাৰ কৰাৰ বাহিৰে অসীম আৰু ভনীয়েকক পঢ়ুওৱাটো কোনোপধ্যেই সম্ভৱ নহয়। হাইস্কুলৰ তলৰ শ্ৰেণীতেই নিজৰ মেধাৰে শিক্ষকৰ প্ৰিয়পাত্ৰ হৈ পৰা অসীমে ঘৰখনৰ অভাৱক হৃদয়ংগম কৰি ওপৰৰ শ্ৰেণীলৈ উঠাৰ লগে লগে পঢ়াৰ ক্ষেত্ৰত অমনোযোগী হৈ পৰে। লঘোণীয়া পেটৰ গায়ে অসীমৰ স্কুললৈ যোৱাৰ আগ্ৰহক মষিমূৰ কৰি পেলায়। খাবলৈ এসাঁজৰ বাবেও চিন্তা কৰি ঘৰখনৰ দায়িত্ব লৈ নিজে নপঢ়ি অন্ততঃ ভনীয়েককে পঢ়ুওৱাৰ আশাৰে অসীমে স্কুল এৰি শিলৰ কুৰেৰীত কাম কৰিবলৈ আৰম্ভ কৰে।

কিন্তু অভাৱত পৰি স্কুল এৰা কথাটো অসীমৰ কোমল হৃদয়ৰ বন্ধু নিৰ্মলে সহ্য কৰিব নোৱাৰে। অসীমৰ পঢ়াৰ প্ৰতি ধাউতি কমি যোৱাৰ ফলত নিৰ্মলেই শ্ৰেণীত প্ৰথম হয় যদিও সেই সফলতাই নিৰ্মলক সন্তুষ্টি দিব নোৱাৰে। কাৰণ নিৰ্মলে জানে যে অসীম অতুলনীয় মেধাৰ অধিকাৰী।

আনহাতে অসীমৰ আৰ্থিক অসুবিধাৰ দৰেই নিৰ্মলৰো শাৰীৰিক অসুস্থতা পঢ়া-শুনাৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হৈ আছে। তথাপি নিৰ্মলে হাৰ নামানে আৰু সেয়ে অসীমকো হাৰ নামানি আগবাঢ়ি যোৱাত সহায় কৰিবলৈ বিচাৰে। এই শাৰীৰিক আৰু আৰ্থিক বাধাক নেওচি উত্তৰণৰ দিশে আগবাঢ়ি যোৱাৰ লগতে দুয়োটি কিশোৰৰ ইটোৰ প্ৰতি সিটোৰ নিঃস্বাৰ্থ বন্ধুত্ব কাহিনীটোৰ এটি উল্লেখনীয় দিশ।

যি নহওক, নিৰ্মলৰ লগতে স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী সকলোৰে অসীমৰ মেধাৰ প্ৰতি বিশ্বাস আছিল। অত্যন্ত কাঢ়া মহেন্দ্ৰ মাষ্টৰেও ভাবিছিল যে ডাক্তৰ হৈ অসীমে স্কুলখনলৈ গৌৰৱ কঢ়িয়াই আনি হীৰাৰ দৰেই জিলিকি উঠিব। অসীমে দৰিদ্ৰতাৰ সন্মুখত হাৰ মানিবলগীয়া হোৱাটো তাৰ প্ৰিয় বন্ধু নিৰ্মলে মানি ল’ব নোৱাৰালৈকে অসীমৰ পৰিস্থিতি, নিৰ্মলৰ অসীমৰ প্ৰতি বন্ধুত্বৰ দায়বদ্ধতাক সুন্দৰভাৱে প্ৰতিফলিত কৰি ঔপন্যাসিকে এক প্ৰকাৰৰ এক বাট প্ৰশস্ত কৰিছে, যি বাটেৰে অসীমক তথা নিৰ্মলকো উত্তৰণৰ বাট দেখুৱাবলৈ অনুভৱ মাষ্টৰৰ ৰূপত এজন দেৱদূতসদৃশ শিক্ষকৰ আগমন ঘটিছে। অনুভৱ মাষ্টৰে অসীমক পুনৰ স্কুললৈ ঘূৰাই আনিবলৈ সক্ষম হয়। দশম মানৰ প্ৰায় তিনিমাহ শ্ৰেণীত অনুপস্থিত থকা অসীমক ঘূৰাই আনি নিৰ্মলৰ স’তে পঢ়া-শুনা চোৱাৰ পৰা অসীমৰ আৰ্থিক জোৰা মাৰিবলৈ অনুভৱ মাষ্টৰে বাট দেখুৱাই দিয়ে। পোহৰৰ বাটৰ এই উজ্জ্বলতাই অসীমক বাৰুকৈয়ে মোহিত কৰে। নিৰ্মলৰ লগতে অসীমেও মেট্ৰিকৰ পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে স্থান লাভ কৰি সকলোকে চমক খুৱাই দিয়ে।

‘বকুল ফুলৰ দৰে’ উপন্যাসখন মূলতঃ কিশোৰ চৰিত্ৰক কেন্দ্ৰ কৰি সেই সমাজখনৰ, তথা নিৰ্মলৰ শাৰীৰিক অসুস্থতা আৰু বিশেষকৈ অসীমে সন্মুখীন হোৱা দৰিদ্ৰতাৰ প্ৰতিকূল পৰিস্থিতিৰ মাজতো কিদৰে উত্তৰণৰ সপোন দেখিব পাৰি, সেই সপোনক সাকাৰ কৰিবলৈ কিদৰে নেৰানেপেৰা চেষ্টা কৰিব পাৰি তাৰ বৰ্ণনাৰে পাঠকক আলোড়িত কৰি গৈছে। এখন বিপৰ্যস্ত সমাজৰ মাজতেই কৈশোৰ মনোজগতৰ যুক্তিসংগত ব্যাখ্যা, সৰল প্ৰকাশভংগী তথা গভীৰ জীৱনবোধ ফুটাই তুলিব পৰা এইখন প্ৰকৃতাৰ্থতেই এখন অনন্য উপন্যাস। অৱশ্যে কৈশোৰ মনোৱস্থাকেই মূলতঃ উপন্যাসখনৰ বিষয়বস্তু বুলি সাধাৰণ দৃষ্টিত ধৰা হয় যদিও অন্যান্য কথনভংগী, বাস্তৱৰ লগত সাদৃশ্য থকা কাহিনী আৰু কাহিনীটোৰ সুগম গতিৰ বাবেই উপন্যাসখনে সকলো বয়সৰ পাঠককেই আপ্লুত কৰিবলৈ সক্ষম হৈছে।

হৃদয় জোকাৰি যোৱা কাহিনীৰ আলমত প্ৰাঞ্জল বৰ্ণনাৰে গল্পকাৰ তথা ঔপন্যাসিক ড° মৃণাল কলিতাৰ ৰচিত এই উপন্যাস ‘বকুল ফুলৰ দৰে’ উপন্যাসখন অসমীয়া সাহিত্যজগতত নিশ্চিতভাৱেই এক সুন্দৰ সংযোজন।●

# তেজপুৰ অভিমুখে

ৰিতুমণি পাৰে

গেটৰ সন্মুখ পোৱাৰ লগে লগে সকলোৰে গাৰ নোম শিঁয়ৰি উঠিল। কিবা যেন সপোন সপোন। বিশ্বাস হোৱা নাই। সঁচাকৈ আহিলোঁ? ইমান দিনৰ হেঁপাহ আজি পূৰ হ'ল। কাঞ্চন নগৰীত আহি ভৰি দিলোঁহি।

তেজপুৰ এনে এখন ঐতিহ্যমণ্ডিত চহৰ যাৰ কথা কাহিনী কৈ শেষ কৰিব নোৱাৰি। চহৰখনৰ তেজপুৰ নামটোৰ বিষয়ে এক কিংবদন্তি বা জনশ্ৰুতি আছে আৰু সেই বিষয়ে সকলো জ্ঞাত। জনশ্ৰুতি মতে, তেজপুৰ নামটোৰ ঐতিহাসিক কাহিনী এনেধৰণৰ—

এসময়ত তেজপুৰত 'বাণাসুৰ' নামৰ এজন শিৱভক্ত ৰজা আছিল। তেওঁৰ এগৰাকী 'ঊষা' নামেৰে পৰম ৰূপৱতী কন্যা আছিল। ঊষাৰ সৌন্দৰ্যই সকলোকে মোহিত কৰিছিল। সেয়েহে কন্যাৰ সুৰক্ষাৰ বাবে পিতৃ বানৰজাই অগ্নিগড় নামে এক অগ্নিৰ দ্বাৰা আবৃত দুৰ্গৰ ভিতৰত কঠোৰ প্ৰহৰাৰ মাজত ৰাখিছিল।

ঊষাই এদিন এজন ৰাজকোঁৱৰক সপোনত দেখা পাইছিল আৰু তেওঁৰ প্ৰেমত পৰিছিল। ঊষাৰ সখী চিত্ৰলেখাই সখীয়েকৰ বিৰহ বেদনা দূৰ কৰিবৰ বাবে তেওঁৰ বৰ্ণনাক্ৰমে ৰাজকোঁৱৰৰ



চিত্ৰ আঁকিবলৈ ল'লে। অৱশেষত জনা গ'ল যে সেই কোঁৱৰজন দ্বাৰকাৰ ৰজা ভগৱান শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ। চিত্ৰলেখাই তেওঁৰ মায়াৰ বলত অনিৰুদ্ধক হৰণ কৰি আনি উষাৰ সৈতে গন্ধৰ্ব বিবাহ পাশত আৱদ্ধ কৰাত সহায় কৰে।

এই কথা বানৰজাৰ কাণত পৰাৰ লগে লগে অনিৰুদ্ধক অন্তেষপুৰত নাগপাশেৰে বান্ধি থয়। অনিৰুদ্ধক উদ্ধাৰ কৰিবলৈ স্বয়ং ভগৱান শ্ৰীকৃষ্ণই ৰণৰ সাজেৰে শোণিতপুৰলৈ যাত্ৰা কৰে। নাতিয়েকক উদ্ধাৰ কৰিবলৈ আহি শ্ৰীকৃষ্ণই বানৰজাৰ লগত যুদ্ধত লিপ্ত হয়। বানৰজাক সহায় কৰিবলৈ তেওঁৰ ইষ্ট দেৱতা শিৱও এই যুদ্ধত লিপ্ত হয়।

'হৰি-হৰ' বুলি জনাজাত দুই প্ৰৱল প্ৰতাপী দেৱতাৰ এই ৰক্তক্ষয়ী যুদ্ধত ইমানেই লোকৰ মৃত্যু হৈছিল যে যুদ্ধক্ষেত্ৰত তেজৰ নৈ বৈ গৈছিল। সেয়ে কালক্ৰমত এই স্থানৰ নাম 'তেজপুৰ' বুলি পৰিচিত হৈ পৰে।

তেজপুৰ চহৰখন বিভিন্ন স্থাপত্য-ভাস্কৰ্য, কলা-সাহিত্য-সংস্কৃতি আৰু প্ৰাকৃতিক সম্পদৰ ফালৰ পৰা অতি মনোমোহা। এই চহৰখনৰ কেইখনমান উল্লেখযোগ্য ঠাই হৈছে অগ্নিগড়, চিত্ৰলেখা উদ্যান, বামুণী পাহাৰ, দ-পৰ্বতীয়া শৈলদ্বাৰ, পদুম পুখুৰী, নাগশংকৰ মন্দিৰ, বাণ ৰংগমঞ্চ, মহাভৈৰৱ মন্দিৰ, নামেৰী ৰাষ্ট্ৰীয় উদ্যান, তেজপুৰ বিশ্ববিদ্যালয় আদি।

আমাৰ এই শিক্ষামূলক ভ্ৰমণত প্ৰথমটো গন্তব্য স্থান আছিল 'নাগশংকৰ মন্দিৰ'। প্ৰধান শৈৱ পীঠস্থানসমূহৰ ভিতৰত



নাগশংকৰ মন্দিৰ অন্যতম। মন্দিৰত প্ৰৱেশ কৰোঁতেই তাত পূজা-অৰ্চনা কৰা ধূপৰ সুগন্ধই সকলোৰে মনবোৰ বিশুদ্ধ কৰি তুলিছিল। মন্দিৰটোৰ পিছফালে অৱস্থিত এটা প্ৰকাণ্ড জলাশয়ত শতায়ু গৰকা কাছ আছে। একৈশ বিধ প্ৰজাতিৰ ভিতৰত যোল্ল বিধ প্ৰজাতিৰ কাছ এই জলাশয়টোতে পোৱা যায়। কাছৰ সৰু পোৱালি এটাৰ পৰা ধৰি প্ৰকাণ্ড শিল এটাৰ সমান চলং থকা কাছবোৰ দেখি আমি বিস্ময় মানিছিলোঁ। অকল কাছই নহয় আৰু বহুত ডাঙৰ ডাঙৰ মাছো আছে। মন্দিৰটোৰ আহল-বহল চৌহদত অকণমান সময় কটাই সকলোৱে একোখনকৈ ফটো তুলি আমাৰ এই যাত্ৰা অব্যাহত ৰাখিলোঁ।

আমি দ্বিতীয়টো লক্ষ্যস্থানৰ অভিমুখে ৰাওনা হ'লোঁ। সকলোৰে মনবোৰ উৎফুল্লিত হৈ আছিল যদিও সোনকালে শুই উঠাৰ অভ্যাস নাই সেয়েহে চাৰি বজাত উঠাৰ কাৰণে (ফুৰিবলৈ যোৱাৰ হেঁপাহত টোপনি নহাৰ বাবে) বাছখনৰ শেষৰ চিটত বহি টোপনিয়াই টোপনিয়াই গৈছিলোঁ।

তেজপুৰ বিশ্ববিদ্যালয়ক লৈ লিখা এখন উপন্যাস নিৰিবিলি এটি নীৰৱ কাহিনী খন পঢ়ি আমাৰ মনবোৰ ইমানেই উৎফুল্লিত হৈ আছিল যে সেয়া ব্যক্ত কৰিব নোৱাৰিম। উপন্যাসখনত উল্লেখ কৰা নিৰিবিলি ঠাইডোখৰ, এমেনিটি, গেটখন আনকি চাইকেলৰ ষ্টেণ্ডবোৰ দেখিও আমাৰ চকুৰ সন্মুখত উপন্যাসৰ প্ৰতিটো দৃশ্য ভাহি আহিছিল। গেটৰ সন্মুখ পোৱাৰ লগে লগে সকলোৰে মুখত এটাই নাম 'সন্ধ্যা অনুৰণ' (মুখ্য চৰিত্ৰ দুটি), 'হোৱাইটনাৰ লাগিব নেকি?' বিশ্বাস হোৱা নাই। এতিয়াও কিবা সপোন দেখা যেন লাগে। বিশ্ববিদ্যালয়ত বাছখন সোমাল, ছাৰ-বাইদেৱে গেটত থকা গাৰ্ডকেইজনৰ লগত কথা পাতিলে আৰু অলপ পিছতে গাৰ্ড এজন আহি আমাৰ লগত বাছত বহিল। বাছখন আগবাঢ়িল, আমিও ডিঙি মেলি মেলি বাহিৰলৈ চাবলৈ ধৰিলোঁ।

কাঞ্চনজংঘা, নীলাচল, চৰাইদেউ আদি হোষ্টেলবোৰ দেখিছিলোঁ। অৱশ্যে মোৰ পাটকাই হোষ্টেলটো চোৱাৰ হেঁপাহ বেছি আছিল কিন্তু সময়ৰ অভাৱত সেই সৌভাগ্য নহ'ল। বিশ্ববিদ্যালয়খন সম্পূৰ্ণ নহ'লেও আধাখিনি ঠাই আমি বাছত বহিয়ে চালোঁ। তাৰ পিছতে বিশ্ববিদ্যালয়খনৰ 'চেণ্ট্ৰেল লাইব্ৰেৰী'লৈ গ'লোঁ। দুমহলীয়া, ধুনীয়া লাইব্ৰেৰীটো চাই বহুত ভাল লাগিছিল। লাইব্ৰেৰীটোত কিতাপৰ প্ৰতিটো আলমাৰি শাৰী শাৰীকৈ ভাগ কৰি কিতাপবোৰ ৰখা হৈছিল। যেনে— 'অসমীয়া নাটক'ৰ বিষয়ে লিখা বিভিন্ন কিতাপবোৰ এটা আলমাৰিত, সেইদৰে 'অসমীয়া সাহিত্য বুৰঞ্জী'ৰ বিষয়ে লিখা বিভিন্ন কিতাপ বা ৰচনাসমূহ এটা আলমাৰিত পৰিপাটীকৈ ৰখা

হৈছিল। তাতে পঢ়িবৰ কাৰণে টেবুল-চকীও আছিল। টেবুলৰ ওপৰত লিখা আছিল যে 'Keep the book where it was after reading.' কিন্তু টেবুলখনত এসোপামান কিতাপ অপৰিপাটিকৈ থোৱা আছিল।

লাইব্ৰেৰীৰপৰা আহি আমি নিৰিবিলি ঠাইডোখৰ চাবলৈ গ'লোঁ। তাত গৈ সকলোৱে প্ৰথমে নিৰিবিলি বুলি লিখা চাইনব'ৰ্ডখনকে ফটো তুলিবলৈ ল'লোঁ। মইনো কিয় পিছপৰি ৰ'ম? ৰাইজৰ লগতে ময়ো সহযোগ কৰিলোঁ। তাৰ পৰা আহি আমি এমেনিটিত দুপৰীয়া ভাতসাঁজ খালোঁ।

ইয়াৰ পাছতে আমাৰ বাছখন আহি মহাভৈৰৱ মন্দিৰৰ সন্মুখত ৰ'ল। সকলোৱে ভাগৰ লাগিছিল কিন্তু আহিছোঁ যেতিয়া চাই যাওঁ বুলি ভাবিয়ে বাছৰ পৰা নামি আহিলোঁ। জনশ্ৰুতিমতে এই মন্দিৰটো বাণাসুৰ ৰজাই নিৰ্মাণ কৰিছিল। তেখেতৰ কন্যাই এই মন্দিৰতে নিতৌ পূজা-অৰ্চনা কৰিছিল। মূল মন্দিৰৰ ভিতৰত এটা বৃহৎ শিৱলিংগ আছে।

আমাৰ এই যাত্ৰাত শেষৰটো স্থান আছিল ঊষা-অনিৰুদ্ধৰ অমৰ প্ৰেম কাহিনীৰ নামত প্ৰসিদ্ধ 'অগ্নিগড়'। এই অগ্নিগড় অসমৰ এক আকৰ্ষণীয় পৰ্যটনস্থলী। ই ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত। বাণৰজাই তেখেতৰ কন্যাক সুৰক্ষিত কৰিবৰ বাবে এই গড়টো নিৰ্মাণ কৰিছিল। ইয়াত হৰি-হৰৰ যুদ্ধ, ঊষা-অনিৰুদ্ধৰ গন্ধৰ্ব বিবাহ, চিত্ৰলেখাৰ অংকন, অনিৰুদ্ধক নাগপাশত বন্দী কৰি ৰখা আদি প্ৰতিমূৰ্তিসমূহ নিৰ্মাণ কৰি সংৰক্ষিত কৰি ৰখা হৈছে।

ইয়াৰ পাছতেই আমাৰ এই যাত্ৰাৰ সামৰণি পৰিল। ঘৰৰ অভিমুখে ৰাওনা হ'ল। নাচি নাচি আহি গাড়ীৰ গ্লাছ ভাঙি দিলোঁ (আগৰ পৰাই গ্লাছখন বেয়া হৈ আছিলে আৰু স্পীড ব্ৰেকাৰত ঠেকেচনি খোৱাত নিজে পৰি ভাগি থাকিলে।) ইয়াৰ পিছত ছাৰে গালি দিব বুলি আমাৰ মাতেই নোলোৱা হ'ল যদিও কিমান সময়? আকৌ আৰম্ভ কৰি দিলোঁ। স্ফূৰ্তি-তামাচা কৰি কৰি কেতিয়ানো ঘৰ পালোঁহি ক'বই নোৱাৰিলোঁ। এই ৰোমাঞ্চকৰ যাত্ৰা সুকলমে পাৰ কৰাত আমাৰ ছাৰ-বাইদেউসকলৰ অৱদান অনন্য। ইয়াৰ জৰিয়তে তেওঁলোকক ধন্যবাদ জনালোঁ।●





গ ল্প



# সংগ্ৰাম

**নিভাৰাণী গগৈ**

মহানগৰীৰ ব্যস্ত পদপথ। কোনোবা আহিছে, কোনোবা গৈছে। সকলো নিজক লৈ ব্যস্ত। এজনে আনজনৰ বাবে ঘূৰি চাবলৈ কাৰো হাতত অলপো সময় নাই। জীয়াই থকাৰ সংগ্ৰাম কৰি কৰি সকলো নিজৰ ৰাস্তাত আগবাঢ়িছে।



সংগ্ৰাম সকলোৱে কৰে। মাত্ৰ কোনোৱে কৰে শাৰীৰিকভাৱে, আৰু কোনোৱে মানসিকভাৱে। কিন্তু সকলোৱে সংগ্ৰামৰ আঁৰত থাকে এক সুখী আৰু সু-শৃংখল জীৱন যাপনৰ হাবিয়াস। ৰাস্তাৰ কাষত, সন্মুখৰ বস্তাত শুকাই যোৱা শাক-পাচলিখিনি লৈ বহি থকা কেইজনেও বিচাৰে সংগ্ৰাম কৰি হ'লেও জীয়াই থাকিবলৈ, নহ'লেনো ৰ'দৰ তীব্ৰ তাপকো নেওচি এনেদৰে বহি থাকেনে, দুপইচা উপাৰ্জনৰ আশাত। তেওঁলোকেও বিচাৰে, মনে ভবাৰ দৰে উপাৰ্জন কৰি হাঁহি মুখেৰে ঘৰলৈ উভতিবলৈ, দিনটোৰ শেষত পৰিয়ালৰ সৈতে এসাঁজ তৃপ্তিৰে খাবলৈ। কিন্তু তেওঁলোকৰ সেই আশাবোৰ পূৰণ হয় জানো? পুৱা লৈ অহা ৰঙীন আশাবোৰ সামৰি এটা ধূলিয়ৰী মন লৈ ঘৰলৈ উভতে তেওঁলোক, পিছদিনা আকৌ একেবোৰ আশাই বুকুত বান্ধি ঘৰৰ পৰা ওলাই আহে।

এনেদৰেই ওলাই আহিছে অম্বালিকা। স্বামীৰ মৃত্যুৰ পাছতহে তাই এই সংগ্ৰামৰ জগতখনৰ মাজত সোমাই পৰিছে। তাৰ আগলৈকে তাই সংগ্ৰামৰ আক্ষৰিক অৰ্থৰ লগতহে পৰিচিত আছিল। মাক-দেউতাকৰ একমাত্ৰ সন্তান বুলি অতি মৰমত ডাঙৰ-দীঘল হৈছিল তাই। কিন্তু হঠাতে অহা ধুমুহাজাকে সলাই পেলালে সকলো। এটা দুৰ্ঘটনাত পৰি মাক-দেউতাক দুয়োজনে একেলগে গুচি গ'ল এখন অচিন পৃথিৱীলৈ। খুড়াক-খুড়ীয়েকে মৰম কৰিছিল তাইক, কিন্তু তাৰ আঁৰতো আছিল অন্য এক স্বাৰ্থ। খুড়ীয়েকে গোটেই ঘৰখন নিজৰ হাতৰ মুঠিত ল'ব বিচাৰিছিল। সেয়ে হয়তো খৰধৰকৈ বিয়া দি উলিয়াই দিছিল তাইক। কিন্তু স্বামীৰ মৃত্যুৰ পাছত সেইখন ঘৰত অৱহেলিত হৈ তাই যেতিয়া নিজ ঘৰলৈ যাবলৈ বিচাৰিলে, তেতিয়াহে তাই বুজিলে যে নিজ ঘৰখনত তাইৰ বাবে খুড়াক-খুড়ীয়েকে অলপো ঠাই ৰখা নাই। তেওঁলোকৰ মতে, তাইৰ দৰে আৱৰ্জনা এটা চপাই ল'ব নিবিচাৰে তেওঁলোকে।

প্ৰতিবাদ কৰাৰ সলনি তাই ওলাই আহিল অকলশৰে আৰু সোমাই পৰিল এই সংগ্ৰামৰ পৃথিৱীখনত।

এতিয়া অৱশ্যে তাইৰ লগত অনুৰাধা আছে। কোনো নিৰ্দয় ব্যক্তিয়ে ৰাস্তাত পেলাই থৈ যোৱা অনুৰাধাক তাই মাতৃত্বৰ উমাল পৰশ দিছে। অনুৰাধা এতিয়া তাইৰ সাহস। নিজৰ সপোনবোৰ অনুৰাধাৰ জৰিয়তে পূৰাব বিচাৰে তাই। সেয়ে এনেদৰে কষ্ট কৰিছে তাই। আগতে ভাগৰি পৰিছিল, কিন্তু এতিয়া নাভাগৰে। কিয়নো অনুৰাধাৰ জৰিয়তে নিজৰ সপোনবোৰ পূৰাবলৈ তাই কষ্ট কৰিবই লাগিব। পাৰিব তাই। পাৰিবই লাগিব।

হঠাতে ৰাস্তাৰ শিলত উজুটি খোৱাতহে তাইৰ সম্বিত ঘূৰি আহিল। ভাৱনাৰ সাগৰখনত উটি-ভাহি আহোঁতে চাৰিওফালৰ পৃথিৱীখনৰ কথা পাহৰি গৈছিল তাই। চাদৰৰ আঁচলেৰে মুখখন মচি ল'লে তাই। পূব আকাশৰ বেলিটোৱে যেন এক নতুন দিনৰ বাৰ্তা লৈ আহিছে। অম্বালিকাৰ মনটো ফৰকাল হৈ পৰিল। এক নতুন উদ্যমেৰে তাই পুনৰ নিজ কৰ্মস্থলীলৈ আগবাঢ়িল।●

গ ল্প

# উপলব্ধি

**প্ৰিয়াংকু ৰায়**



হঠাৎ গাড়ীৰ পৰা নামি অহা ককায়েকক দেখি আত্মবিভোৰ হৈ পৰিল পপী। আজি চাৰি বছৰৰ মূৰত দেখা পোৱা ককায়েকৰ মুখখনিত কোনো উৎসুকতা নাই। নিৰ্বিকাৰ এখন মুখ...

নহ'বই বা কিয় ? সমাজে দিয়া মিছা কলংকৰ বোজা লৈ এবছৰে জেইলত কটাই তাৰ হীনমন্যতাত ভোগৰ দৰে হৈছিল। ঘৰলৈ ঘূৰি নাহি ক'তবা আছিল ইমানদিনে ? কেনেকৈ জীৱন নিৰ্বাহ কৰিছিল ? আজি বহু প্ৰশ্নই অগাদেৰা কৰিছিল তাইৰ মনত। পিছে সকলোবোৰ সামৰি ৰাখি মাথোঁ কৈছিল, 'দাদা, ইমান দিনৰ পিছত তই কেনেকৈ ওলালিহি ?' এক ৰূঢ় উত্তৰ দিছিল, 'এৰা', আহিছোঁ। কিয় আহিব নালাগিছিল নেকি ?'

পপী ঃ নাই তেনে কথা নহয়। কিন্তু ইমান দিনৰ পিছত যে...

দাদাক ঃ সেইবোৰ বহুত কথা আগতে মা-দেউতাক মাত।

পপী ঃ (নিমাত)

দাদাক ঃ কি হ'ল ? ক'ত গ'ল তেওঁলোক ?

পপী ঃ তই জেইলৰপৰা ওলোৱাৰ আগৰপৰা মাৰ বেমাৰ টান হৈছিল। তোক খবৰ দিবলৈ যত্ন কৰিছিলোঁ পিছে তোক বোলে ইয়াৰ আউটপুষ্টৰপৰা লৈ গৈছিল সেয়ে লগ নাপালোঁ। ঘৰৰ অৱস্থাৰ কথা জানই তোক উলিয়াই আনিব পৰাকৈ ধন নাই আমাৰ...। দেউতাই সমাজৰ মানুহক বুজাই ভাগৰিল...পিছে লাভ একোৱেই নহ'ল। যোৱা বছৰ ব'হাগত মা গ'লগৈ। (....)

দাদাক ঃ গাঁৱৰ কোনোবা আহিছিল নে ?

পপী ঃ নাই, কোননো আহিব ? সৌ সিপাৰৰ দেউতাৰ লগৰ দুজন তিনিজন আহি সৎকাৰ কলিহে। আৰু নাই এঘৰীয়া কৰা মানুহৰ ঘৰলৈ কোন আহিব ? তথাপি দেউতাই গৈ খবৰ দিছিল...লাভ নহ'ল, কোনোৱে নাহিল।

দাদাক ঃ নাকান্দিবি মই আহিলোঁ নহয় এতিয়া চব ঠিক হ'ব।

পপী ঃ ঠিক হ'বলৈ একোৱেই নাই। দেউতাও মোক এৰি গুচি গ'ল ক'ৰবালৈ। আজি তিনিমাহেই হ'ল। কোনো ধৰণৰ খবৰ খাতি নাই তেখেতৰ।

দাদাক ঃ কি ?

পপী ঃ সেই একেযোৰ নীলা ৰঙৰ কাপোৰ পিন্ধি যোৱা মানুহজন বজাৰ কৰিবলৈ যাওঁ বুলি কৈ নাইকিয়া হ'ল।

দাদাক ঃ নীলা ৰঙৰ কাপোৰ ?

পপী ঃ দেউতাৰ চোন সেই একেযোৰ কাপোৰ। পাহৰিলি নে ?

দাদাক ঃ নাই নাই পাহৰা

কায়েকৰ মূৰ আচন্দাই কৰিবলৈ ধৰিলে। যেনে-তেনে ওচৰৰ চাঙখনত ধৰি ৰ'ল। মনত পৰিছে তাৰ দুই সপ্তাহৰ আগৰ বিশেষ দিনটোলৈ।

নীলা ৰঙৰ চাৰ্টটো পিন্ধি মানুহজন নিশাৰ এন্ধাৰত শুই আছিল। সেইসময়তে সি মাৰাণাস্ত্ৰ লৈ শত্ৰুৰ বাবে অপেক্ষা কৰিছিল। নীলা চাৰ্ট পিন্ধা মানুহজনৰপৰা কিছু আঁতৰত থকা তাৰ কাণত এটি শব্দ পৰিছিল... 'তাক বিচাৰি তোমাৰ ওচৰলৈ নিম চিন্তা নকৰিবা, তাৰ লগৰ এটাই কোৱা মতে সি...।' বাকীখিনি শুনাৰ ধৈৰ্য নহ'ল। বন্দুকৰ গুলীয়ে থকা সৰকা কৰা দেহটোলৈ এবাৰ চাই খৰ খোজেৰে আঁতৰিছিল...। সেইবোৰ মনলৈ আহি বিভ্ৰান্ত কৰি তুলিলে তাক। পিছে ভনীয়েকক কেনেকৈ কয়...। চকুৰে যেন একো দেখা নোপোৱা হ'ল সি।

পপী ঃ দাদা এইবোৰ যে পুলিচৰ গাড়ী...।

নাই তাৰ কাণত একোৱেই সোমোৱা নাই...সি যে অন্য এখন পৃথিৱীত। গাড়ীৰপৰা কোনোবা এজন দাৰোগা আহি নঙলাডাল খুলি দিলে। চোতালত গাড়ী ৰখায়ে অ' চিসহ তিনিজন দাৰোগা নামি আহিল, এজনৰ হাতত হেণ্ডকাফ। তাৰ ওচৰত ৰৈ অ'চিজনে কৈ উঠিছিল, 'আপুনি পাপু বৰ্মন ?'

পপী ঃ হয়, ইয়ে হয়, কিয় আহিছে আপোনালোক ?

অ' চি ঃ যোৱা দুসপ্তাহ মানৰ আগত মেঘনাপুৰৰ অৰণ্যত তিখেন বৰ্মন ওৰফে কনক হত্যাৰ অপৰাধত এওঁক গ্ৰেপ্তাৰ কৰিবলৈ আহিছোঁ।

পপী ঃ নাই, এই সকলোবোৰ মিছা...। দাদাই এনে কাম নকৰে।

অ' চি ঃ প্ৰমাণ অবিহনে আমি আপোনাৰ ঘৰত ভৰি নিদিওঁ। দাৰোগা হেণ্ডকাফ লগাই ল।

হাতত হেণ্ডকাফ লৈ থকাজন আগবাঢ়ি আহিল। তেতিয়ালৈ সি যেন নিজকে সমৰ্পণ কৰিছে সকলো দোষৰ দোষী হিচাপে। পিছে পপীয়ে মানি ল'ব পৰা নাই...

পপী ঃ দাদা, মিছা কথাত তই আকৌ কিয় যাবলৈ ওলাইছ ? কৈ দেচোন...

পাপু (দাদাক) ঃ ভনী ভালকৈ থাকিবি

তাৰ যেন এতিয়া কথা কোৱাৰ ধৈৰ্য নাই। চকুৰ আগত ভাহিছে মাক-বাপেক, ভনীয়েকৰ লগত কটোৱা বিশেষ সময়বোৰ। পিতৃহন্তাৰ দৰে অপৰাধত সি আজি অপৰাধী। তিল তিলকৈ নিজেই শেষ কৰিলে নিজৰ পৰিয়ালটিক।

পিছে খঙো উঠিল তাৰ। চাৰিবছৰৰ আগত যদি মাকৰ কথা মতে এদিনৰ বাবে সি সমনীয়াৰ লগত ঘূৰিবলৈ নগ'লেহেঁতেন, আজি ইমানবোৰ হ'বলৈ নাপালেহেঁতেন।●

গ ল্প

# অব্যক্ত বেদনা

**অন্বেষা দত্ত**



মইনাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়খনৰ নাম অঞ্চলটোৰ সকলোৰে মুখে মুখে। বিদ্যালয়খনৰ সুন্দৰ পৰিৱেশ, নিয়মীয়া পাঠদান, ভাল ফলাফল, মুঠৰ ওপৰত সকলোতে আগবঢ়া বুলি এটা সু-নাম আছে। ছাত্ৰ-ছাত্ৰীসকলো উৎসাহী।



শিক্ষকসকলে পঢ়া-শুনাৰ লগতে খেলা-ধূলা, সাহিত্য-সংস্কৃতি সকলো ফালেই আগুৱাই নিছে। ছাত্ৰ-ছাত্ৰীসকল স্কুললৈ আহিয়েই ফুলনি বাগিছা চাফা কৰা, ফুলত পানী দিয়া, শ্ৰেণীকোঠা সৰা-মচা কৰিহে পাঠ গ্ৰহণ আৰম্ভ কৰে। বিদ্যালয়খনত চকীদাৰ নাই। শ্ৰেণীৰ বৰ্গমন্ত্ৰীয়েই সকলোতে আগভাগ লয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে আগৰপৰাই শিক্ষক দিৱস আৰু সৰস্বতী পূজা আহিলেই এখন হাতেলিখা আলোচনী আৰু প্ৰাচীৰ পত্ৰিকা উলিয়ায়। এইবাৰো তাৰ ব্যতিক্ৰম নহ'ল। প্ৰধান নিক্ষক শ্ৰীযুত হৰিদেৱ ছাৰে ছাত্ৰ-ছাত্ৰীসকলক সৰস্বতী পূজাৰ আয়োজনৰ কথা ক'লেহি। দশম শ্ৰেণীৰ মাধৱক আলোচনীখনৰ সম্পাদকৰ দায়িত্ব দিলে। কথা মতেই কাম। সেইদিনাৰপৰাই সকলো ছাত্ৰ-ছাত্ৰীয়ে হাতে-কামে লাগি গ'ল। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ হাতৰ আখৰেৰে লিখা গল্প-কবিতাবোৰ সম্পাদকৰ হাতত জমা দিলেহি। মাধৱে লিখনিবিলাক শিক্ষকসকলৰ জিৰণি কোঠালৈ নি ছাৰ-বাইদেউসকলক চাবলৈ দিলে। ছাৰ- বাইদেউসকলেও এইবাৰ দুগুণ উৎসাহেৰে কাম কৰিছে। কাৰণ চৰকাৰে কৈ আছে যে এইবাৰ তেওঁলোকৰ স্কুলখন প্ৰাদেশিকীকৰণ কৰা হ'ব। মানস, ৰবীনহঁতেও বেটুপাট অংকনত ব্যস্ত। কল্পনা, পূৰবী মুতফিকাহঁতেও প্ৰাচীৰ পত্ৰিকাৰ কাৰণে স্কুল ছুটীৰ পাছত বাৰাণ্ডাতে লেপেটা খাই বহি দ্ৰয়িং পেপাৰত লিখি আছে। কাৰণ সিহঁতৰ হাতৰ আখৰ ধুনীয়া। দুজনীমানে আকৌ সৰস্বতী বেদীত ৰংগোলী কেনেকৈ আঁকিব তাকে শিকি আছে। সিহঁতৰ গাত তৎ নাই। পূজালৈ বেছি দিন নাই। দুজনমানে পূজাৰ বজাৰৰ দায়িত্ব লৈছে। লগতে কমল ছাৰকো লৈ লৈছে। বীণা বাইদেউৱে মাজে মাজে ছোৱালীবোৰক উৎসাহ দি আছে। পূজা বুলি ছোৱালীবিলাকে কিন্তু অন্য স্কুল-কলেজৰ নিচিনাকৈ বেলেগ পোছাক নিপিন্ধে। সদায়ে পিন্ধা ইউনিফৰ্মযোৰ পিন্ধি আহে কাৰণ এই সাজযোৰেই মইনাবাৰী স্কুলৰ চিনাকি।

স্কুল প্ৰাদেশিকীকৰণ ঘোষণা কৰিলে, কিন্তু সকলোকে হতবাক কৰি তেওঁলোকৰ স্কুলখনৰপৰা এক কিলোমিটাৰ আঁতৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ লগত একেলগ কৰি দিলে। ছাত্ৰ-ছাত্ৰীসকলে আজিহে গম পালে সিহঁতৰ ছাৰ-বাইদেউসকলে ইমানদিনে দৰমহা নোপোৱাকৈ পঢ়াই আছিল বুলি। ছাৰ-বাইদেউসকলৰ ইমান ত্যাগ। শিক্ষকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলো এতিয়া বিমোৰত পৰিল। সিহঁতে কি কৰিব এতিয়া। নিজ হাতেৰে প্ৰতিপালন কৰি থকা স্কুলখন বাৰু কাৰ হাতত এৰি যাব? বেলেগ স্কুলত গৈ বহিবলৈ চিট পাবনে? ইয়াত একেখন বেঞ্চতে বহা বন্ধুকেইটাই তাত গৈ একেলগে বহিবলৈ পাৰিব নে নাই? এনে অলেখ প্ৰশ্ন আজি সিহঁতৰ সন্মুখত। সন্মুখলৈ অহা এই প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ আজি কোনো নাই। সকলো নিৰুপায়। মাত্ৰ সিহঁতে আজি ঈশ্বৰক চিঞৰি চিঞৰি প্ৰাৰ্থনা কৰিছে— হে ঈশ্বৰ, আমাক আমাৰ নিজৰ স্কুলৰপৰা আঁতৰাই নিনিবা। এইয়া আমি আমাৰ নিজ হাতেৰে গঢ়া সুন্দৰ ফুলনি বাগিচা। আমাৰ সুন্দৰ শ্ৰেণীকোঠা, ছাৰ-বাইদেউসকলৰ অকৃত্ৰিম মৰম আৰু ভালপোৱাৰপৰা বঞ্চিত নকৰিবা। এনে এটা অনাকাংক্ষিত পৰিস্থিতিৰ বাবে মইনাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত সৰস্বতী পূজা অনুষ্ঠিত কৰিব নোৱৰাৰ লগতে আলোচনীখনো উলিয়াব পৰা নহ'ল। কাৰণ স্কুল আজি বন্ধ।●

গ ল্প



# লক্ষ্যভ্ৰষ্ট

**চয়নিকা চেতিয়া**

পূবালি আকাশত বেলিটিয়ে ভুমুকিয়াই চাইছে কি নাইচোৱা। হাতত দা খন লৈ ওলাই গৈছে তেওঁ। অভ্যাসতকৈ আজি অলপ সোনকালেই শোৱাপাটী এৰিছিলোঁ মই। তেওঁ যোৱাৰ ফালে চাই ৰৈ থকা মাক সুধিছিলোঁ- মা, দেউতা ক'লৈ গৈছে?

মাই কিজানি চকুৰ কোণৰ নিয়ৰ দুটোপাল মোহাৰিয়ে কৈছিল-

ঃ কাইলৈ তোক হোষ্টেললৈ পঠাব লাগিব নহয় তাকে কাৰোবাৰ ঘৰত কিবা কাম পায় নেকি বিচাৰি গৈছে।

মাৰ চকুপানী দুটোপালে মোক কষ্ট দিছিল সঁচা কিন্তু আবেগিক হৈ মোহাৰি দিয়া নাছিলো তেওঁৰ চকুলোঁ। কাৰণ মোৰ খং উঠিছিল কাইলৈ মই যাবগৈ লাগিব আৰু এতিয়ালৈকে পইচা যোগাৰেই কৰিব পৰা নাই। কাইলৈ যামগৈ মই ঘৰৰ মৰমবোৰ নেওচি সপোনৰ পম খেদি এখন নতুন পৃথিৱী অভিমুখে।

আজি বহুদিনৰ মূৰত হোষ্টেলৰপৰা ঘৰলৈ আহি সকলোৰে মোৰ প্ৰতি হেঁপাহবোৰ দেখি দেখি আবেগ এটাই হেঁচি ধৰিছে। মায়ে আতৌ-পিতৌ কৰি যতনাই দিছে মাছৰ টেঙা দিয়া আঞ্জাকণ। এই প্ৰথম গৰাহ মাৰিছিলোঁহে, খংটো উঠিলেই নহয়, ইমান ধুনীয়াকৈ শাককণ বনাই নিমখ কমকে দিলে।

ঃ মা, এইসোপা খাব পাৰে নেকি?

ঃ কিয়? কি হ'ল?

ঃ নিজে খাই চোৱা, কি হ'ল গম পাবা নহয়।

মায়ে হেঁপাহেৰে ৰন্ধা মাছৰ আঞ্জাকণত আৰু মই হেঁপাহেৰে খাবলৈ সানি লোৱা ভাত কেইটাত হাতখন ধুই উঠি গুচি আহিলোঁ। মায়ে মুখেৰে একো নামাতিলে, ময়ো এবাৰো নাচালোঁ তেওঁৰ চকুলৈ। হঠাৎ ফোনটো বাজি উঠিল। দেখিলোঁ মৃন্ময়ীয়ে কৰিছে।

ঃ হেই মিছ মহাৰাণী, ঘৰ পাই কল এটাও কৰিব পাহৰিলি।

আৰম্ভ হ'ল বন্ধুত্বৰ লেথাৰি নিচিগা কথা। সঁচাকৈ কথাৰ ভঁৰাল এই মৃন্ময়ীজনী। কলেজলৈ গৈয়ে ভাল লাগিছিল তাইক। এই ২০ বছৰীয়া জীৱনটোতেই তাই যেন সকলো দেখিছে পৃথিবীৰ ভাল-বেয়া সকলো ৰূপ। নেদেখিবনো কিয়, দেউতাকে চাকৰি কৰে তাইৰ বন্ধ পালেই ফুৰিবলৈ যায় সিহঁত। তাইৰ লগত কথা পাতি পাতি থাকোঁতে কিমান সময় যে হ'লগৈ ধৰিবয়ে নোৱাৰিলোঁ।

ঃ বাৰু হ'ব দে এতিয়া

অৱশেষত বাইদেউৰ কথাৰ অন্ত পৰিল। দেখিলোঁ আকাশখনে ৰ'দালিক বিদায় দিবলৈ সাজু হৈছে। সেন্দুৰীয়া বৰণ উলমি ৰৈছে সকলোতে। এবোজা খৰি পিঠিত লৈ সৌৱা পদুলিমুখত দেউতা। আহিবৰে পৰা লগেই পোৱা নাই তেওঁক। খৰিবোজা পিৰালিত থৈ মোৰফালে চাই হাঁহি এটা মাৰি সুধিলে-

ঃ মাজনী কেতিয়া পালিহি তই?

ঃ ৩ টা মান বাজিল। তুমি ক'ত আছিলা আহিবৰে পৰা দেখা দেখি নাই যে?

ঃ মই ৰবীন বৰতাহঁতৰ জেউৰা এখন ভেঁটিবলৈ গৈছিলোঁ আহোঁতে আকৌ যতীনৰ ঘৰত গছ এজোপা ভাগিল তাকে অলপ সহায় কৰি দিলোঁ।

ঃ হ'ব হ'ব, বাপেকে জীয়েকে পিছত কথা পাতিব। আপুনি দিনটো একো এটা খোৱাই নাই নহয় সোনকালে খাই লওঁকহি।

মাৰ কথাষাৰত যেন দেউতাৰ ভোকটো উথলি উঠিল।

ঃ ব'লা ব'লা বৰ ভোক লাগিছে হে।

মা-দেউতা সোমাই গ'ল ভিতৰলৈ। মই বাৰান্দাতে ৰ'লোঁ। গৰম ভাত তেতিয়ালৈ পইতা ভাত হ'লগৈ। মায়ে যতনাই দিয়া পইতাভাতে মাছৰ জোলকণেৰে দেউতাই

মা-দেউতা সোমাই গ'ল ভিতৰলৈ। মই বাৰান্দাতে ৰ'লোঁ। গৰম ভাত তেতিয়ালৈ পইতা ভাত হ'লগৈ। মাই যতনাই দিয়া পইতাভাতে মাছৰ জোলকণেৰে দেউতাই ভাতকেইটা যে বৰ তৃপ্তিৰে খাইছিল সেইকথা মই বাৰান্দাৰ পৰাই গম পাইছিলোঁ।





সঁচাই এয়াই আছিল মোৰ জীৱনৰ ভুল সিদ্ধান্তটো। আজি কঁপালত সেন্দুৰৰ ৰং আঁকি কাৰোবাৰ বন্দিনী হৈ অনুভৱ কৰিব পাৰিছোঁ ভুলটো হৈছিল সেইখিনিতেই।

ভাতকেইটা যে বৰ তৃপ্তিৰে খাইছিল সেইকথা মই বাৰান্দাৰ পৰাই গম পাইছিলোঁ।

ঃ হেৰা, আজি ছোৱালী আহিব বুলিয়েই ইমান ধুনীয়াকে শাককণ বনাইছা নে, আনকালে দেখোন এনেকুৱা নালাগে। চালি দিয়া জুহালখনৰপৰা অহা উচ্চস্বৰৰ হাঁহিটোৱে যেন মাৰ মনত মই সিঁচি দিয়া আন্ধাৰকণ পোহৰাই দিলে কিন্তু মোৰ মনত কিজানি মেঘে গাজি উঠিল। বাৰে বাৰে ভাবি ৰ'লোঁ দেউতাৰ ভোকৰ ভাতকেইটাত সঁচাকৈ নিমখ কম হোৱা নাছিল নে, নে মাৰ মৰহা মুখখন দেখিয়েই কৈছিল এইষাৰ কথা।

পূজাৰ বন্ধ শেষ, আজিৰপৰা আকৌ কলেজ আৰম্ভ। মৃন্ময়ী নাহে আজি কলেজলৈ। গতিকে মই আজি বেলেগৰ লগত বহিব লাগিব। মৃন্ময়ীৰ লগত কলেজৰ প্ৰথম দিনটোৰ পৰাই আমি একেলগে বহিছিলোঁ। বহুতৰ লগত চিনাকিও নাই মোৰ। মনে মনে গৈ অচিনাকি ছোৱালীকেইজনীমানৰ লগতেই বহিলোঁগৈ।

ঃ হাই... মই ঝৰ্ণা

ছোৱালীকেইজনীৰ এজনীয়ে মাতিলে। ময়োতো মোৰ পৰিচয় দিলোঁ মুঠতে সম্পূৰ্ণ ক্লাছটো আমি কথা পাতিলোঁ, নাম্বাৰ ল'লো। ভাল লাগি গ'ল। এবাৰ এজনীয়ে হঠাৎ সুধিলে

ঃ দেউতাই কি কৰে তোমাৰ...?

মোৰ হাঁহি থকা মুখখন শেঁতা পৰি গ'ল। সিহঁতে গুৰুত্ব নিদিলে। বেলেগ কথা আৰম্ভ হ'ল কিন্তু মোৰ মনত বাজি ৰ'ল প্ৰশ্নটো, কি কৰে মোৰ দেউতাই? পাৰিমনে মই পাৰিমনে সিহঁতক ক'বলৈ যে মোৰ দেউতা ৰাতিপুৱাই ওলাই যায় কাম বিচাৰি। কেতিয়াবা দিনটো লঘোণে থাকি কাম কৰে আৰু মায়ে চোকা ৰ'দত ক'লা পৰি যোৱা দেউতাৰ পিঠিখন চাই মাথোঁ হুমুনিয়াহ কাঢ়ে-মানুহজন বুঢ়া হৈছে বুলি। পাৰিমনে সিহঁতক ক'ব দুচলীয়া ঘৰটোৰ এখন সৰু বিচনাত টাপলি দিয়া কম্বলৰ তলত ৰচা মোৰ সপোনবোৰ পূৰণৰ বাবে মোৰ দেউতাই হাজিৰা কৰে। মৃন্ময়ী আজি কলেজলৈ আহিল। আহিয়েই চিধা মোক গালি দিলে।

ঃ কিয় আছিলি সিহঁতৰ লগত। মই এদিন নাহোঁতেই একেবাৰে সিহঁত কেইজনীৰহে লগ হ'লিনে?

ঃ আৰে তই যেনেকৈ ভাবিছ আচলতে সিহঁত তেনেকুৱা নহয়।

ঃ হ'ব মোক শিকাব নালাগে। সিহঁত কেনেকুৱা মুঠতে তই যদি সিহঁতৰ লগত থাকিব বিচাৰ তেন্তে মোক আৰু নামাতিবি কেতিয়াও। তেনেকুৱাতেই ঝৰ্ণাই মাতিলে মোক-

ঃ সন্ধানী, মোৰ অলপ কাম আছিল এফালে যাব লাগে, ক্লাছ শেষ হোৱাৰ পাছত যাম হাঁ...

মই না নক'লোঁ কাৰণ এনেই মোৰ বন্ধু কম তাতে যদি তাই বেয়া পায়, মৃন্ময়ীৰনো কি তাই হাজাৰ হ'লেও বেয়া নাপায় মোক।

কিজানি এয়াই আছিল মোৰ জীৱনৰ আটাইতকৈ ভুল সিদ্ধান্তটো। এই এটা সিদ্ধান্তই শেষ কৰি পেলালে সন্ধানী-মৃন্ময়ীৰ বন্ধুত্ব আৰু কিজানি লক্ষ্যভ্ৰষ্ট কৰি পেলালে সপোনৰ পম খেদি ফুৰা ছোৱালীজনীক। সঁচাই এয়াই আছিল মোৰ জীৱনৰ ভুল সিদ্ধান্তটো। আজি কঁপালত সেন্দুৰৰ ৰং আঁকি কাৰোবাৰ বন্দিনী হৈ অনুভৱ কৰিব পাৰিছোঁ ভুলটো হৈছিল সেইখিনিতেই।●



# কষ্টৰ ফল

**সংগীতা ৰয়**

মালতীয়ে নিজৰ মনৰ ভিতৰতে ভাবে, মই অকলশৰীয়া, ছোৱালীজনীক লৈ মোৰ বৰ চিন্তা। তাইয়ো সৰু হৈ আছে, মই কাম-কাজ নকৰিলে ছোৱালীজনীক কি খুৱাম? কি পিন্ধাম?

মালতী এনেকৈয়ে ভাবি থাকিল। গাঁওখনত তাই কাম বিচাৰিব ক'ত? তথাপিও তাই সিদ্ধান্ত সলনি নকৰিলে।



সোণপাহীয়ে এইবাৰ মেট্ৰিক দিব। মালতীৰ চিন্তা, তাইৰ পৰীক্ষক লৈ। কাৰণ দিনটো কামৰ বাবে মালতী ওলাই যায় আৰু সন্ধিয়া সময়ত ঘৰত সোমায়।

মালতীৰ ছোৱালী জনীৰ নাম আছিল সোণপাহী। বাৰ বছৰীয়া সোণপাহী দেখিবলৈ বৰ ধুনীয়া। সোণপাহী জন্মৰ কিছুদিনৰ পাছতেই দেউতাক ঢুকাইছিল।

ঘৰখনত মালতী আৰু সোণপাহী দুয়ো অকলে থাকিব লগা হৈছিল। মালতীয়ে সোণপাহীক সাৱটি ধৰি মনৰ ভিতৰতে কান্দিবলৈ ধৰিলে। কিছু সময়ৰ পাছতেই মালতীয়ে সোণপাহীৰ মুখলৈ চাই ক'লে — আইজনী, তই এতিয়া ডাঙৰ হৈ আহিছ। তই এতিয়া পঢ়া-শুনাত মন দিবি। মই কষ্ট কৰি হ'লেও তোক পঢ়ুৱাম, তই চিন্তা নকৰিবি। কাইলৈৰপৰা মই কাম বিচাৰি যাম। তই স্কুল যাবি, অলপো মন বেয়া নকৰিবি দেই আইজনী। মাকৰ কথা শুনি সোণপাহীয়েও যেন বুজিব পাৰিছে ঘৰৰ সমস্যাৰ কথা।

মাকৰ কথা পেলাব নোৱাৰি তাই মাকক ক'লে— হ'ব মা, মই স্কুল যাম, তুমি চিন্তা নকৰিবা।

মালতীয়ে সোণপাহীৰ কথা শুনি অলপ মিচিকিয়াই হাঁহিলে।

এনেকৈয়ে মালতীয়ে মানুহে ঘৰে ঘৰে গৈ কাম কৰি সোণপাহীৰ পঢ়াৰ লগতে ঘৰখনো চলাই নিলে।

সোণপাহীয়ে মাকৰ কষ্ট দেখি মন দি পঢ়ি গৈ থাকিল। এনেকৈয়ে কিছুদিন পাৰ হৈ গ'ল। সোণপাহীয়ে এইবাৰ মেট্ৰিক দিব। মালতীৰ চিন্তা, তাইৰ পৰীক্ষাক লৈ। কাৰণ দিনটো কামৰ বাবে মালতী ওলাই যায় আৰু সন্ধিয়া সময়ত ঘৰত সোমায়। মালতীয়ে মনৰ ভিতৰতে ভাবিবলৈ ধৰিলে, সোণপাহীয়ে দিনত স্কুলৰ পৰা আহি কি কৰে, কি নকৰে, পঢ়ে নে নপঢ়ে মই মাকজনী হৈ একো নাজানো। দিনটো তাইক বাৰু থৈ যাওঁ। সন্ধিয়া তাইক চাবলৈয়ো মোৰ যিহে ভাগৰ লাগে আহি ভাত-পানী খাই দুয়োজনী শুই যাওঁ। সেই কাৰণে মোৰ বৰ চিন্তা, তাইৰ পৰীক্ষা কি হ'ব!

এনেকৈয়ে সোণপাহীৰ পৰীক্ষাৰ সময় আহি পালেহি। মালতীয়ে ভগৱানৰ ওপৰতেই সকলোবোৰ এৰি দিলে।

সোণপাহীয়ে পৰীক্ষা দিলে। কিছুদিনৰ পিছত সিহঁতৰ ৰিজাল্ট ওলাল। গাঁৱৰ ভিতৰত সোণপাহীয়ে আটাইতকৈ বেছি ভাল ৰিজাল্ট কৰিছে। তাই 'ষ্টাৰ' পাইছে। মালতীয়ে কামৰ ঠাইতে কথাষাৰ শুনি বুকুত যেন শোকে খুন্দা মাৰি ধৰিছে, তাই হাঁহিব নে কান্দিব, নে চিঞৰি চিঞৰি গোটেই গাঁৱৰ মানুহক ক'ব যে মোৰ সোণপাহীয়ে পৰীক্ষাত ষ্টাৰ পাইছে...ষ্টাৰ পাইছে। মালতী স্তব্ধ হৈ ৰ'ল।

হঠাৎ জ্ঞান আহিল আৰু মালতী খৰধৰকৈ সোণপাহীৰ ওচৰলৈ আহি তাইক বুকুৰ মাজত জোৰেৰে সাবটি ধৰি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। মাক-জীয়েকক দেখি গাঁৱৰ মানুহবোৰৰ চকুয়েদিও চকুপানী ওলাবলৈ ধৰিলে।

এনেকৈয়ে সোণপাহীয়ে পঢ়ি গৈ থাকিল। বহুত কষ্টৰ ফলত সোণপাহীয়েও এটা চৰকাৰী চাকৰি পালে এখন ডাঙৰ চহৰত। তাই মাকক লৈ আহিল গাঁৱৰপৰা চহৰলৈ।

সোণপাহীয়ে এটা ভাড়াঘৰ ল'লে আৰু মাকক ক'লে — মা, তুমি আৰু আনৰ ঘৰে ঘৰে গৈ কাম কৰিব নালাগে। আজিৰ পৰা আমি ইয়াতে থাকিম।

এই বুলি কৈ তাই মাকক জোৰেৰে সাবটি ধৰিলে আৰু মনৰ ভিতৰতে তাই ক'লে, মাৰ কাৰণে আজি মই এই স্থান পালোঁ, তুমি ইমানবোৰ কষ্ট নকৰা হ'লে হয়তো মই আজি এই স্থান নাপালোঁ হয়। ধন্যবাদ মা, তুমি মোৰ দেউতা আৰু মা দুয়োজনেৰেই কৰ্তব্য আগবঢ়াই মোক ইমান দূৰ আনি দিয়াৰ বাবে। •



# माँ की
# ममता

**बनश्री बरुआ**

कौशल्या एक विधवा स्त्री है। आज से कुछ दस साल पहले उसके पति शरत का एक सड़क दुर्घटना में देहांत हो जाता है। पति के मृत्यु के बाद कौशल्या ने अपने तीनो संतानो को बड़े कष्ट से पाला है। अब उनका बड़ा बेटा मृणाल एक सरकारी नौकरी कर रहा है। उसका दुसरा बेटा अनिल अभी पढ़ाइ खत्म करके नौकरी की तलाश कर रहा है। उनकी छोटी बेटी मीना एक कालेज में पढ़ाई कर रही है। वह पढ़ने में बहुत तेज है। वे आगे जाकर एक शिक्षिका बनना चाहती है। कौशल्या अपने तीनो संतानो को लेकर बहुत खुश है। लेकिन कौशल्या की वह खुशी ज्यादा दिन तक टिक नही पाई। क्योंकि उनका जो बड़ा बेटा है वह किसी को बिना बताये ही एक अमीर घर के लड़की के साथ शादी करके वही रहने लगा। कोशल्या को जब इस बात का पता चलता है तब वह बहुत दुखी हो जाती है। इसके कुछ साल बाद उनके दुसरे बेटे ने भी नौकरी पाकर अपने मन पसंद लड़की से शादी करके घर से हमेशा के लिए चले जाते है। घर

में अब कोशल्या और उसकी बेटी मीना ही है। मीना भी पढ़ाई करने के लिए घर से बाहर रहती है। पढ़ाई खत्म करके मीना ने भी अपनी माँ को घर में अकेला छोड़कर किसी लड़के के साथ भाग जाती है। इससे कौशल्या बहुत उदास हो जाती है। उसका पुरा जीवन हताशा से भर जाता है। कई बार वह मरने की कौशिश करती है, लेकिन वह मर नही पाती। अब कौशल्या खुद को खत्म कर देने की बात सोचती है तब उसके मन में उसके पति के कही गयी बातें याद आती है -- कौशल्या, मेनै तुम्हे देखा है कि तुम अपने बच्चो से कितना प्यार करती हो, जब भी तीनो में से किसी का तबीयत खराब हो जाता है, तो तुम पुरी रात जगकर उसका ख्याल रखती हो। खुद भुखी रहकर उन तीनो को पेट भर का खाना खिलाती हो। तुमने खुद कष्ट झेलकर उन तीनों को कभी कष्ट पाने नही दिया। अपने तीनो बच्चो को तुम जैसा प्यार आजतक मैंने भी नही किया। यदि मैं मर भी जाऊ तो तुम उन तीनो का बहुत अच्छी तरह से ख्याल रखोगी यह में जानता हुँ और मैं यह भी जानता हुँ कि अगर वे तीनो तुम्हारे प्यार को नही समझ पाए तो तब भी तुम्हारे मन से उन तीनो के लिये प्यार कम नही होगा। तुम सिर्फ अपने बच्चो को प्यार करना जानती हो। यही तो माँ की ममता हैं।

अपने पति के कहे गये बातो को याद करके कौशल्या रोने लगती है। थोड़ी देर बाद वह खुद को सम्भालकर मन ही मन में कहने लगती है, अब जो कुछ भी हो रहा है वह ईश्वर की मर्जी है, ईश्वर के मर्जी के खिलाफ कौन जा सकता है? ये सोचकर कौशल्या अपने मुँह में एक मुस्कान लेकर अपना काम करने लगती है।



ऐसे ही प्रायः तीस साल बीत जाते है। अब कौशल्या एक सत्तर साल की बुढ़ी औरत है। उसका शरीर अब कमजोर पड़ गया है। पहले जैसा ताकत उसकी शरीर में अब नही रहा, लेकिन उसकी आँखो की रोशनी अभी भी कम नही हूई। लोगो को दुर से देखकर ही वे पहचान लेती है।

एक दिन ऐसा आया कि उसके तीनो बच्चे उसे मिलने के लिए घर आते हैं। अपने तीनो बच्चो को घर लौटकर आते देख कौशल्या बहुत खुश हो जाती है। वह अपने तीनो बच्चो को सीने से लगाकर रोने लगती है और कहने लगती है कि मुझे पता था एकदिन तुम लोग जरुर लौटकर आओगे। लेकिन उसके तीनो बच्चे किस मकसद से घर आये है ये उसे नही मालुम। वे तीनो घर के कागजात लेने के लिए आये थे। उन तीनों को अपनी माँ से कोई हमदर्दी नही है। वे अपनी माँ से घर के सारे कागजात देने के लिए कहते है। इस बात को सुनकर कौशल्या कुछ समय के लिए हतप्रभ रह जाती है। उसकी आखों से आँसु बहने लगती है। जिस घर को उसने इतने साल प्यार से एकसाथ जोड़कर रखा था उसे आज अपने तीनो बच्चो के खुशी के लिए बंटवारा करना पर रहा है।

तीनो बच्चे घर के कागजात लेकर वहा से चले जाते है। किसी ने भी अपनी माँ का हाल तक नही पुछा। कौशल्या इस बात को सह नही पायी। वह सोच सोचकर एक कुर्सी में बेठ जाती है। उसके घर में काम करनेवाली औरत को वे एक गिलास पानी लाने को कहती है। औरत जब उसके हाथो में पानी का गिलास देती है तो उसे पता चलता है कि कौशल्या अब इस दुनिया में नही रही। उसका प्राण जा चुका है। ❑

# ডিজিটেল ইণ্ডিয়াৰ মানুহ

প্ৰিয়ংকা লাগাচু



**মঞ্চ নিৰ্দেশনা ঃ**

ড্ৰইং ৰুমৰ দৃশ্য। ৰুমটোৰ এফালে চ'ফা ছেট থাকিব আৰু আনফালে চকী দুখন। মাজত এখন টেবুল আৰু টেবুলৰ ওপৰত ফুলদানি এটা থাকিব। আঁৰ কাপোৰ উঠাৰ পিছত চ'ফা ছেটৰ এটা চুকত বহি ছুইটীয়ে হাতত স্কীণ টাচ্ছ ফোন লৈ মুখ জোঙা কৰি চেলফি লৈ থাকিব। দেউতাকে বাহিৰৰ পৰা মাত দি সোমাই আহিব।

দেউতা ঃ মাজনি কি কৰি আছ' অ'! ইমানপৰে বিচাৰি আছোঁ, তই আকৌ ইয়াত নক্সা কৰি বহি আছ। আহচোন, মোক অলপ সহায় কৰি দেহি। ফুলনিৰ বন নিৰাব লাগে।

ছুইটী ঃ পাপা! তুমি দেখিছানে, মই বিজি আছোঁ?

দেউতা ঃ তইনো কিহত ইমান বিজি আছ! পঢ়ি আছ নে মাৰৰ কাম কৰি দিছ?

ছুইটী ঃ পাপা। তুমিও যে আৰু নহয়।

দেউতা ঃ তইনো ফোনটো টিপি টিপি কি কৰি আছ?

ছুইটী ঃ পাপা তুমি বুজি নাপাবা। অ' শুনানা পাপা (সুৰ সলায়)

দেউতা ঃ অথনিৰে পৰা শুনিয়ে আছো চোন ক'তা

ছুইটী ঃ অ' পাপা! বস্তু এটা খুজিম দিবানে?

দেউতা ঃ আগতে ক'চোন বাৰু, কি বস্তু!

ছুইটী ঃ কম নহয়, আগতে বহাচোন (হাতত ধৰি টানি বহুৱাব) চাহ খাবানে?

দেউতা ঃ নেখাওঁ দে এতিয়া, বনখিনি নিৰোৱা হ'লে দিবি, ব'লচোন মোক অলপ লাগি দেহি।

ছুইটী ঃ ওহোঁ নখত লেতেৰা লাগিব (নখলৈ চাব)

দেউতা ঃ অ' মানে নখ লেতেৰা হয় বুলি কামো নকৰিবি, তেনেহ'লে ভাতো নেখাবি (ওলাই যাব খোজে)

ছুইটী ঃ পাপা! (মাতি ৰখায়)

দেউতা ঃ আকৌ কি হ'ল? (ঘুৰি চায়)

ছুইটী ঃ মই সহায় কৰি দিম নহয়। কথা এটা ৰাখিবা? (উৎসুকত আগবাঢ়ে)

দেউতা ঃ কি কথা আকৌ?

ছুইটী ঃ মানে পাপা, টকা চাৰিহেজাৰ লাগিছিলে?

দেউতা ঃ কি! টকা চাৰিহেজাৰ (আচৰিত হৈ খেংখেভাৰ)

ছুইটী ঃ কি মানে! মাত্ৰ চাৰিহেজাৰহে, সেইটো ইমান টান পোৱানে?

দেউতা ঃ অ' তোৰ বাপেৰে টকা গছৰ যে, চিঙিবি আৰু যিমান লাগে টকা গছত লাগি আছে?

ছুইটী ঃ অকণমান কথাতে কিয় খং উঠে বাৰু তোমাৰ! মই তেনে ভাবি কৈছোঁ নেকি কিবা।

দেউতা ঃ পৰহিদিনা এ.টি.এম.ৰ পৰা তই পইছা উলিওৱা নাছিলি ইমানসোপা পইচা ক'ত পেলালি।

ছুইটী ঃ অ' সেইটো আঠ হেজাৰ আছিলে হেৰি মাক এনড্ৰয়'ড ফোন এটা লৈ দিলোঁ নহয়, গম নোপোৱা নেকি? (মুখত মাত মিঠা হয়)

দেউতা ঃ (আচৰিত হৈ) মাৰক ফোন লৈ দিছ তোৰ আঁকৰি মাৰে সেইডালৰ কিতো মূল্য বুজিব, নিজৰ নামটোকেই ইংৰাজীত লিখিব নাজানে। (ঠাট্টা কৰি)

ছুইটী ঃ ইছ মাক তেনেকৈ নক'বা দেই। কোনে ক'লে মাই ফোন টিপিব নাজানে বুলি? আমাৰ মা সেই আগৰজনী হৈ থকা নাই। মায়ে ফোনটোৰ ফেচবুক, হোৱাটছ এপ সকলো জানে তুমিহে চৰকাৰী চাকৰিয়ালটো হৈও একো নাজানা।

দেউতা ঃ হ'ব, হ'ব বাপেৰক অঁকৰা বনাবৰ চেষ্টা নকৰিবিহঁক।

ছুইটী ঃ এইবোৰ বাদ দিয়া অ' পাপা Please



দেউতা ঃ টকা চাৰিহেজাৰ কিয় লাগে?

ছুইটী ঃ আকৌ সকলো কৈহে খুজিব লাগিব নেকি!

দেউতা ঃ টকা এনেই পোৱা বস্তু নেকি? যি লাগে বুলিলেই দিব লাগে, বিনা কাৰণত টকা দিব নোৱাৰি নহয়।

ছুইটী ঃ দেউতা বিনা কাৰণত ময়ো খোজা নাই নহয় তেনেহ'লে? কালিলৈ মোৰ ফ্ৰেণ্ডৰ বিয়া মই নগ'লে তাই বহুত বেয়া পাব লগতে তাই মোৰ Best Friend হয়।

দেউতা ঃ যাবি তোকে কোনে মানা কৰিছে সেইবুলি টকা চাৰিহেজাৰৰ কি Present দিবি?

ছুইটী ঃ মোক Present ৰ কাৰণে টকা নেলাগে নহয় চুলি Streight কৰিবলৈহে লাগে।

দেউতা ঃ অ তেনেহ'লে বিয়াঘৰত চুলি Streight নহ'লে সোমাব নিদিয়ে হ'বলা। হ'ব তোৰ এয়া চুলিয়ে ভাল মেটেকা মুঢ়া নহয়টো। চুলি Streight নকৰিলেও তোক মোৰ ছোৱালী বুলি এনেই চিনি পাব। (ছুইটীৰ মাক বিনা ফোন টিপি টিপি সোমাই আহিব)

বিনা ঃ অ' ছুইটী চোৱাচোন এইটো মোৰ ফটোত কমেন্ট কৰিছে, কি বুলি Reply দিলে ভাল হয় চাচোন মোক দেখুৱাবি (ব্যস্ত হৈ)

দেউতা ঃ অ' তই আকৌ ৰচকি ৰঙিলী হৈ ক'ত ওলাইছ হে মোৰ পাটগাভৰু?

বিনা ঃ হেৰি কি কৈছে আপুনি মোক কি পাটগাভৰু যেন লাগিছে। সঁচাইনে? (আনন্দতে নিজৰ কাপোৰ ঠিকঠাক কৰি চায়)

দেউতা ঃ (ভোৰভোৰাই) ৰামায়ণৰ শূপৰ্ণখা যেন লাগিছে।

বিনা ঃ হে কি কৈছে হে আপোনাব কি হৈছে মই বুজা নাই?

দেউতা ঃ নালাগে মোক বুজিব মই নহ'লেও তহঁতি ভালে-কুশলে জীয়াই থাকিবিহঁক।

বিনা ঃ হেৰি আপোনাৰ সঁচাকৈ কি হৈছে বাৰু বুজাই কওঁকচোন (ওচৰতে বহে)

দেউতা ঃ তহঁতি মোৰ মূৰটো খালিয়েই এই তহঁতক যেনি-তেনি পুহিবলৈ ৰখা মোৰ চাকৰিটো খাবি।

বিনা ঃ কি কয় হে চিধা চিধিকৈ কওক

ছুইটী ঃ সিনো আৰু কিতো ক'ব তাৰ পৰা চুলি Strait কৰিবলৈ টকা চাৰিহেজাৰ খুজিছিলোঁ। তাৰ পৰাই খং উঠিব লাগিছে।

বিনা ঃ অ' এইটো কথা। হেৰি আপুনি নিজৰ সন্তানটোলৈকে টকা নঘটি কালৈ ঘটিছে। নে মৰোঁতে লৈ যাব পুৰণি দিনৰ কথা হ'লে বেলেগেই আছিল ধনগুলৈ হৈ ৰখি থাকিবলৈ চাও দিয়ক (দেউতাৰ চোলাৰ জেপৰ পৰা টকা চাৰিহেজাৰ উলিয়াই দিয়ে। দেউতা ভেবা লাগি চাই থাকিব)

ছুইটী ঃ (পইচাটো হাতত লৈ) Thanks you so much! মা You are my best mom! (মাকক সাৱতি চুমা খাই আৰু দৌৰ মাৰি বাৰিহলৈ ওলায় যায়।

বিনা ঃ হেৰি আপুনি কেলেই এনেকুৱা বাৰু, টকা চাৰিহেজাৰৰ বাবে মিছা মিছিকৈয়ে ছোৱালীজনীৰ মন বেয়া কৰালে। জীয়ৰী হৈ থাকোতেহে তাইক পাম এদিন যেতিয়া তাইক আনৰ হাতত গতাম তেতিয়া পিন্ধাম উৰাম বুলিলেও নাপামগৈ (দেউতাক মুখ মেলি চাই থাকিব। বিনা খেংখেঙাই উঠিব) হেৰি কি হ'ল অ' অবাক লাগি চাই আছে যে? আজিকালি গাভৰু ছোৱালীৰ হাতত টকা লাগেই মোৰ ছোৱালী বুলিহে কম টকাত চলে বেলেগ ছোৱালীবোৰক চাবচোন কি ষ্টেণ্ডাৰ্ড (শলাগিব)

দেউতা ঃ (বিনাৰ কথাৰ পতিয়ন দি) নতুনকৈ ফোন কিনিলি হ'বলা?

বিনা ঃ অ' (মিছিকিয়াব) ঘৰত সদায় অকলে বেয়া লাগে কাৰণে ছুইটীয়ে স্কীণ টাছ ফোন লৈ দিছে। চাওকচোন তাই কিমান দয়ালু। ভালেই হ'ল অন্ততঃ ঘৰত অকলে থকাৰ সময়ত মোবাইলটোৰ লগতে লাগি থাকিব পাৰিম হোৱাইট এপ ফেচবুক চ'ব আছে আৰু (শেষ হ'ব নিদি)

দেউতা ঃ সেইকাৰণে আজিকালি অফিচৰ পৰা অহা গিৰীয়েকটোক পানী এগিলাচ দিয়াৰ সময় নাই-গিৰীয়েকটোৱে আজি পুৱাৰপৰা ভোকে-লঘোণে কাম কৰি আছে চাহ একাপ দিয়াৰ কাণ্ডজ্ঞানকণ নাই।

বিনা ঃ হয় পায় ফোনটোত লাগি থাকোঁতে সময় কেনেকৈ পাৰ হৈ যায় গমকে নাপাই নহয়। নতুনকৈ শিকিছে যে সেইকাৰণে সময়টো অলপ বেছিকৈ লাগিছে। ফেটবুকতো কমেণ্ট আহি আছে কেনেকৈ Riply নিদিয়াকে থাকিম কওঁকচোন। আপুনিও যদি এইবোৰত সোমায় নহয় বেলেগ কামত মনেই নবহিবগৈ। অ চাওঁ



চেলফি এটা লওঁ অলপ চাপি আহক (ফোনটো লৈ চেলফি লয়)এ আপোনাক কেনেকুৰা লাগিছে ফটোত উঠিবও নাজানে চাও মুখখন অলপ বেঁকা কৰি দিয়ক (আকৌ চেলফি ল'ব)

দেউতা ঃ (খেংখোই উঠিব) এহ ! ৰচোন ৰ। এইবোৰ তহঁতি মাক-জীয়েকে মিলি কি কৰি আছ অ' চব পাগল হ'লিহঁত নেকি ? নে ম'বাইলৰ ভূতে পালে ? মাক নাই জীয়েক নাই মুখখন সোণালী কাপটোৰ গতে ৰঙা কৰি ল'ব আৰু তাতে বেঁকা কৰি নিদিলেই নহয় কিহৰ নক্সা এইবোৰ হে।

বিনা ঃ অ' এইটো আপুনি নক্সাহে পালে নহয় ইমান দিনে টাউনৰ সমাজত থাকিও গাঁৱলীয়া ভূতটোৱে হৈ থাকিলহঁক (ফোন টিপি থাকিব)

দেউতা ঃ হ'ব হ'ব। অত বছৰে এই গিৰীয়েৰৰ টকাৰে বিহু মাৰি আছ? আকৌ বোলে মই গাঁৱলীয়া ভূতহে হ'লোঁ।

বিনা ঃ হেৰি! আপোনাক আৰু কি বুজাম কওক আজিকালি।

দেউতা ঃ মই জানো তহঁতৰ আগত মই সদায় বেয়াই হওঁ ক'ত ছোৱালী কি কৰিছে, ভালকে পঢ়া-শুনা কৰিছেনে নাই বেয়া সংগ লৈছে নেকি সেইবোৰতো তোৰ কাণ্ডজ্ঞান নাথাকেই মই ক'লেও বেয়াৰ নামত প্ৰথম ময়েই ওলাওঁ। মাক-বাপেকটো হৈ যদি আমিয়ে এনেকৈ এৰি দিলে এদিন তাইৰ জীৱনো ধ্বংস হ'ব আমাৰো সন্মান যাব সেইটো খাতাং। জীয়েক একা মাক একা কিযে কৰিব ওলাইছে ধ্বংস কৰিহে এৰিবি ছাগৈ (খং কৰি)

বিনা ঃ এবা আপোনাক কিহে পালে হে তাই এতিয়া সৰু ছোৱালী নহয়, নিজৰ ভাল বেয়াৰ প্ৰতি চিন্তা কৰিব পাৰে তাতনো আমি কিয়বা সোমাব লাগে অ' আৰু কি ক'লে অ' হেৰি মোবাইলে হেনো মানুহক নষ্ট কৰে কোনে ক'লে হে। নষ্ট কৰা হ'লে কেলেই এইবোৰ সৃষ্টি কৰিব আমাৰ ভালৰ বাবেহে এইবোৰ উলিয়াইছে। আজিকালি মোবাইলৰ ফেচবুক, হোৱাটছ এপ, ইনছটাগ্ৰামৰ যুগ এইবোৰ আজিকালি চলেই আৰু চলোৱাটো দৰকাৰী। মইয়ো চলাও বুজিছে এইবোৰ নজনা মানুহক লোকে অকৰা কয় আপোনাৰ কথা যদি ওচৰ-চুবুৰীয়াই গম পায় আপোনাক কি ক'ব জানে (অলপ হাঁহি) চৰকাৰী চাকৰিয়াল হৈও একো নাজানে বুলি হাঁহিব।

দেউতা ঃ হেৰা হ'ব দিয়া তোৰ কথাবোৰেই সঁচা হওক গোসানী আই পিছে সেই মুখ বেঁকা কৰা মুখত ৰং সনা ক'ত শিকিলিহ'ত অ'

বিনা ঃ আও কি পূজাত যে নিউজত দিয়ে আপুনি দেখা নাইনেকি ? ছোৱালীবোৰে কেনেকৈ মূৰ্তিৰ সন্মুখত চেলফি লৈছিল। ধুনীয়া ধুনীয়া দামী দামী শাৰী লেহেংগা, পিন্ধি ছোৱালীবোৰে ফেশ্বন দিছিল। ৰ'ব আপোনাক দেখাই দিছো (চেলফি লয়) এইটো কয় চেলফি। এইটো মই ইনছটাগ্ৰামত দিম Me and my husband (নিজে নিজে ভূ-ভুৱাই ভিতৰলৈ যাব খোজে)

দেউতা ঃ আচৰিত কালিয়ে নিজৰ নাম লিখিব নজনা মানুহজনী আজি মোক ঠাণ্ডা কৰি গুচি গ'ল ভঙা ভঙা ইংৰাজী কয় (নিজকে নিজে) দেখিছেনে বাৰু ইয়াকে কয় আধুনিক যুগো নহয় কলিৰ যুগ।



বিনা ঃ (ঘূৰি আহিব) হেৰি চাওকচোন এয়া Meesho ত এয়া ধুনীয়া ধনীয়া শাৰী দি আছে Order দিও দেই আপোনাৰ একাউন্টৰ পইচাৰে পে কৰিম দেই বেছি নহয় তিনিখনহে শাৰী।

দেউতা ঃ নেলাগে কিনিব ঘৰতে শাৰী নধৰা হৈ আছে। এবাৰ দুবাৰহে পিন্ধিছ'।

বিনা ঃ মই জানো নহয় (খেংখেঙাই উঠিব) বৰ্বৰ কৃপনটো টকাৰ কথা উলিয়াবহে লাগে তাৰ মাথা গৰম হৈ যায়। (উচাৎ মাৰি গুচি যায় আৰু নেপথ্যৰ পৰা চিঞৰ মাৰে) মই এইবোৰ নাজানো দেই মুঠৰ ওপৰত মই শাৰী Order দিলো কৈ দিছোঁ।

দেউতা ঃ (নেপথ্যৰ মাত শুনি ভালকে পিঠি আউজি বহি লয়) কি গতি কাল আহিলে ঐ ইয়াকে চাগৈ কলি যুগ কয় চব সলনি হ'ল ক'ত আমাৰ সেই গাঁৱলীয়া জীৱন ক'ত এয়া এই পৰিস্থিতি ময়েই ছাগৈ এই পৰিস্থিতিত পিছপৰি আছোঁ

বিনা ঃ (ওলাই আহে) হ'ব হ'ব দিয়ক। নোখোজো আপোনাৰ পৰা পইচা। এইবাৰ পৰা মইয়ো কাম কৰিম নিজে ঘটিম।

দেউতা ঃ (বহাৰ পৰা উঠি) হেৰ' তহঁতৰ কাৰণেতো পইছা ঘটিছোঁ, সেইবুলিয়ে অযথা খৰচ কৰিব নোৱাৰো নহয় ছোৱালী ডাঙৰ হৈছে বিয়া দিব লাগে মোৰো Retire হ'বলে হ'ল এতিয়া যদি টকা নাসাছোঁ আগলৈ পস্তাবি আৰু এই বুঢ়ীকালত তোৰ এইবোৰ কৰাৰ সময় নাই।

বিনা ঃ হ'ব হ'ব, শিষ্টাচাৰ শিকাব নালাগে আজিৰ যুগৰ হৈ হোৱাটচ এপ, ফেচবুক কি সেইটো নাজানে। বৰ কথা চহকী হ'ব ওলাইছে। অতবছৰে টাউনত থাকিলো তথাপিও গাঁৱৰ ভুচুং পহুটোৱে হৈ থাকিল। আপোনাৰ লগত বিয়াত বহি ময়েই ভুল কৰিলো (প্ৰস্থান)

দেউতা ঃ (অলপ ভাবি) অ' মানে এও মোক হোৱাটছ এপ, ফেচবুক নজনাৰ কাৰণে মোক অকৰা পালে। ভুচুং পহুটো হ'লোঁ মই। (দৰ্শককৈ) হেৰি আপোনালোকে শুনিলেনে বাৰু ইয়াকে কয় 'ডিজিটেল ইণ্ডিয়া' বাৰু যি হয় দেখা যাব। মইয়ো এইবাৰৰ পৰা এনে বহি থকা বিধৰ নহওঁ। বহু মইয়ো এনড্ৰইড ফোন লৈ লওঁ ফেচবুক খুলিম, হোৱাটছ এপ খুলিম, তেতিয়া দেখুৱাম নহয় মজাটো (সোমাব খোজে)। অ' হেৰি (ঘূৰি আহে) আপোনালোকো সাৱধান এইবোৰ নজনা বুলি গম পালে আপোনালোকৰো মোৰ দশাই হ'ব। **(প্ৰস্থান) (আঁৰ কাপোৰ পৰে)**●



# বন্ধুত্ব

**প্ৰস্তুতি বৰা**

বন্ধুত্ব, ই এক অনন্য সম্পৰ্ক। তেজ-মঙহৰ সম্পৰ্ক নাথাকিলেও বন্ধুত্বত থাকে মৰম, ভালপোৱা আৰু নিভাঁজ হৃদয়ৰ সম্পৰ্ক। বিশ্বাসৰ এনাজৰী বান্ধ খাব পাৰিলেও বন্ধুত্ব স্থায়ী হয়। এই বিশ্বাসত যদি অকণমানো কেনা লাগে, তেতিয়া বন্ধুত্বৰ সম্পৰ্ক নিঃশেষ হৈ যায়।

সন্দেহ বন্ধুত্বৰ প্ৰধান অন্তৰায়। দুজন ভাল বন্ধুৰ মাজত সন্দেহৰ অৱকাশ ঘটাব পাৰে তৃতীয় এজনে। বন্ধুৱে দিয়ে দুখৰ সময়ত সান্ত্বনা। নিজৰ স্বাৰ্থ আগত ৰাখি কাম কৰিলে বন্ধুত্ব বেছিদিন টিকি নাথাকে। নিঃস্বাৰ্থভাৱে উপকাৰ কৰিব পাৰিলেহে বন্ধুত্ব সফল হয়। মাক-দেউতাকৰ পিছতেই সকলো কথা খুলি ক'ব পৰা দ্বিতীয়জন ব্যক্তি হৈছে বন্ধু বা লগ-সমনীয়া। সঁচাই বন্ধুত্ব এজোপা গছৰ দৰে। ই কেৱল এটা শব্দ নহয়। হৃদয়স্পৰ্শী অনুভৱ। কিছুমান বন্ধুত্ব দেখি মনত প্ৰশ্ন হয়— বন্ধুত্ব হৈ পৰিছে নেকি সস্তীয়া বিলাসিতা? ●

# অনুভৱৰ কিছু কথা

## অনিশা দাস

তিনি বছৰ ছয়টা ছেমিষ্টাৰ কিছু আপোন মানুহ আৰু এক যাত্ৰা। মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়। ২০২১ চনত হাইস্কুলৰ শিক্ষা সামৰি এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণৰ বাবে আহিছিলোঁ, ভাবনা আছিল তিনি বছৰৰ অন্তত ইয়াৰ পৰা স্নাতক ডিগ্ৰী লৈ যাম, কিন্তু এই মহাবিদ্যালয়ে মোক ডিগ্ৰীএ নহয় এক নতুন সপোন দেখাৰ উৎসাহ দিলে। মহাবিদ্যালয়ৰ চৌহদত যোৱা তিনিটা বছৰ এক বাস্তৱায়িত হোৱা দাপোনৰ দৰে।

মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ চাত্ৰী মই। মহাবিদ্যালয়ত নামভৰ্তিৰ পিছত প্ৰথম দিনা যেতিয়া বিভাগৰ কোঠালীত সোমাইছিলোঁ বৰকৈ ভয় হৈছিল, বিভাগৰ ছাৰ, মেম কেনেকুৱা হ'ব বুলি। ইমান ডাঙৰ মহাবিদ্যালয়ৰ শিক্ষক যেতিয়া বহুত জ্ঞানীতো হ'বই লগতে কঠোৰ আৰু খঙাল হ'ব বুলিয়েই ধাৰণা আছিল মোৰ। আমাৰ বিভাগৰ মুৰব্বী শ্ৰদ্ধাৰ দুৰ্লভ ছাৰ, নিপন ছাৰ, জয়ন্ত ছাৰ আৰু আমাৰ মেম জীৱনত কোনোদিনে নেদেখা সপোন পূৰ কৰাৰ উৎসাহ দিছিল তেওঁলোকে, তিনি বছৰীয়া মহাবিদ্যালয়ৰ যাত্ৰাক দিলে এখন মুকলি আকাশ, পাঠ্যপুথিৰ শিক্ষাৰ লগতে জীৱন যুদ্ধত জয়ী হোৱাৰ শিক্ষাও দিছিল তেওঁলোকে। বিভাগৰ ছাৰসকলৰ পিতৃতুল্য স্নেহ আৰু সকলো সময়তে মোক সহায় কৰাৰ বাবে মই তেওঁলোকৰ চিৰকৃতজ্ঞ। বিভাগৰ শিক্ষাগুৰুসকলৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষাগুৰুসকলেও বিভিন্ন সময়ত মোক সহায় কৰিছে। মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ পৰা পোৱা সহায়-সহযোগিতাই এই যাত্ৰা সুগম কৰি তুলিছিল।

মই মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ২০২২-২৩ বৰ্ষৰ উপ সভাপতি নিৰ্বাচিত হৈছিলোঁ। এক তুন দায়িত্ব আৰু পৰিচয় পাইছিলোঁ। নিজৰ কাৰ্যকালৰ সময়ছোৱাত আপ্ৰাণ চেষ্টা কৰিচিলোঁ মহাবিদ্যালয়ৰ



ছাত্ৰীসকলৰ সংৰ্বাগীন বিকাশত অৰিহণা যোগাবলৈ। হাজাৰ ছাত্ৰীৰ বিস্বাসৰ বাবে মোৰ নামৰ আগত জড়িত হৈছিল 'লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ উপ-সভাপতি অনিশা দাস'। মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰতিটো অনুষ্ঠানকে সাফল্যমণ্ডিত কৰাৰ চেষ্টা কৰিছিলোঁ।

মহাবিদ্যালয়খন হয়তো কিছু বিৰক্তিকৰ হ'লহেঁতেন যদিহে কিছুদিনৰে চিনাকি হোৱা মোৰ দৰেই আজলী ছোৱালীকেইজনী মোৰ বান্ধৱী নহ'লহেঁতেন। কিমান যে গল্প আছে সিহঁতৰ সৈতে। মনৰ মুকলি হাঁহি বিৰিঙিছিল সিহঁতবোৰৰ সৈতে, আমাৰ কেইজনীমানৰ এটা দল আছিল যাক প্ৰায় মহাবিদ্যালয়ৰ প্ৰত্যেকজনেই চিনি পায়। কলেজৰ কাম হওক বা বিভাগৰ আমি সকলোতে আগভাগ লওঁ। মহাবিদ্যালয়ৰ প্ৰত্যেকটো কোঠালী, প্ৰতিটো গছ-ফুল আমাৰ চিনাকি। মহাবিদ্যালয়ৰ কৃষ্ণচূড়া কেইজোপা মহাবিদ্যালয় বন্ধ হ'লেহে ফুলে বুলি আমাৰ কত যে অভিমান। মহাবিদ্যালয়ত নতুনকৈ কি ফুল ৰোৱা হৈছে, কেতিয়া ফুলিব উৎসাহ। মহাবিদ্যালয়ৰ কেণ্টিনৰ সেই ডাঙৰ ঘূৰণীয়া টেবুলখন আমাৰ আড্ডাৰ মুখ্য কেন্দ্ৰস্থল। কেতিয়াবাতো কথা পাতি আমাৰ চাহ একাপৰ পৰা দুই তিনি কাপলৈ গুচি যায় কিন্তু কথাহে শেষ নহয়। এতিয়া হয়তো নতুন কোনো উৰণীয়া পক্ষীৰ হৈছে সেই টেবুলখন, তাৰ নতুন বাৰ্তাৰ আদান-প্ৰদান।

ভবাতকৈ বহু সোনকালেই যেন শেষ হৈ যোৱা যেন লাগে এই তিনিবছৰীয়া যাত্ৰা। মোৰ আৰু কিমান যেন শিকিবলৈ থাকি গ'ল, বহু নতুন নতুন গল্প ৰচিবলৈ থাকি গ'ল। এতিয়া এনে লাগে যে



সেইদিনা আমি কেণ্টিনত বহি অহা বছৰ কৃষ্ণচূড়া ফুলিলে মহাবিদ্যালয় বন্ধ হ'লেও আমি আহিম বুলি পৰিকল্পনা কৰি থাকোঁতেই আমাৰ বিদায়ৰ সময় আহি কাষ চাপিলে। এতিয়া সকলো সময়তে সহায় কৰা পৰামৰ্শ দিয়া শিক্ষাগুৰুসকলক, সদায় একেলগে বহি হাঁহিৰ মাজেৰে পাৰ কৰা সময়ৰ লগৰীকেইজনী কাকো আৰু সদায় লগপোৱা নহ'ব। এই ভাবনাবোৰ বৰ কষ্টকৰ। মহাবিদ্যালয়খনৰ বাবে এয়া স্বাভাৱিক পূৰ্বতে বহু সপোনলৈ অহা ছাত্ৰী বিদায় দিছে কিন্তু এই বিদায় প্ৰত্যেকগৰাকী ছাত্ৰীৰ বাবে কষ্টকৰ। এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা প্ৰত্যেকগৰাকী ছাত্ৰীৰ বাবে মহাবিদ্যালয়খন কেৱল এখন শিক্ষানুষ্ঠান নহয়, মহাবিদ্যালয়খন এক আৱেগ। আমাৰ বাবেও মহাবিদ্যালয়খন আমাৰ আপোন, ইয়াত জড়িত আছে আমাৰ বিশ্বাস, ক্ষণতে অহা নৱাগতসকললৈ এটা অনুৰোধ—এই মহাবিদ্যালয়খন আমাৰ বৰকৈ প্ৰিয়, ইয়াক তোমালোকৰ হাতত অৰ্পণ কৰি গ'লোঁ। শিক্ষাকালত

এনে কোনো কার্য নকৰিবা যাৰপৰা মহাবিদ্যালয়ৰ ক্ষতি হয়। এই মহাবিদ্যালয়খনে তোমালোককো আপোন কৰি ল'ব। য'ত তোমালোকে এখন মুকলি আকাশ পাবা।

সেউজীয়া পৃথিৱীখনৰ সাক্ষ্য হ'বলৈ পাই মই নিজকে সুখী অনুভৱ কৰোঁ আৰু চিৰকাললৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰোঁ। ●



# জীৱনৰ মূল্য

## নিভাৰাণী গগৈ

মানুহৰ জীৱনত নিজৰ বাবে নিজেই সকলো। জীৱনত কাৰোবাৰ সংগ পালে বা সহায় পালেও সি ক্ষন্তেকীয়াহে। চিৰস্থায়ী নহয়। সেয়ে নিজক নিজেই সহায় কৰা, নিজেই নিজৰ বাবে সাহস হোৱা ভাল।

আমি নিজৰ জীৱনটোক এনেভাৱে সজাই তুলিব লাগে, যাতে তাৰ সুগন্ধি চৌদিশে বিয়পি পৰে। বিশেষকৈ ছোৱালীবোৰে, ভৱিষ্যতে নিজৰ দায়িত্ব নিজে ল'ব পৰাকৈ নিজক সক্ষম কৰি তোলা উচিত। যাতে উশাহটোৰ বাহিৰে আন সকলো স্বাধীনতা মা-দেউতাৰ পিছতে অন্য এজন ব্যক্তিৰ হাতলৈ নাযায়। কিয়নো মা-দেউতাৰ ছাঁত ডাঙৰ হ'লেও সদায় তেঁলোকে আমাক লগ দিব নোৱাৰে বা সময়েও এনে হ'বলৈ নিদিয়ে। গতিকে মা-দেউতাৰ পাছতে নিজৰ দায়িত্ব নিজে ল'ব পৰাকৈ, নিজক গঢ় দিব লাগে।

এনে হ'বলৈ হ'লে আমি ৰঙীণ পৃথিৱীখনত উটি ভাহি নাথাকি বাস্তৱ জগতৰ লগত চিনাকি হ'ব লাগিব, যিয়ে আমাক নিজৰ লক্ষ্যপথত আগুৱাই যোৱাত বা সফল হোৱাত সহায় কৰিব।

কিন্তু সফল হ'লেই যে জীৱনত সকলো পালোঁ বা পাম, তেনেও নহয়, কিয়নো কেৱল নিজৰ ভাল হ'লে আমাৰ স্বাৰ্থপৰ মনটোহে সুখী হয়, কিন্তু আনৰ ভাল হোৱাতো বিচাৰিলে বা কৰিলে আমাৰ আত্মাটোৱে শান্তি লাভ কৰে, মনটো পবিত্ৰ হয়। গতিকে নিজৰ লগতে আনৰো ভাল হোৱাতো বিচাৰিলে দেখা যায় যে সুখী হোৱাৰ প্ৰকৃত সংজ্ঞাচোন তাতেই লুকাই আছে।

গতিকে, আমি আমাৰ মূল্যৱান জীৱনটোক এনেদৰে সজাই তুলিব লাগে যাতে, সময় বালিত তাৰ খোজ ৰৈ যায় চিৰস্থায়ী হৈ অনন্ত কাললৈ। ●

ভাৰ্গৱী দাস

## ৰাধাচূড়াৰ নগৰী

হে ৰাধাচূড়াৰ নগৰী
নতুন আশাৰে ন-ঘৰ
সাজিবলৈ পুনৰবাৰ দিলোঁহি
খোজ, তোমাৰ এই
সেউজী ধৰণীত
আজি অতদিনে প্ৰায়
উকা যেন হৈ পৰা তোমাৰ
এই কেনভাছখনিত
আকৌ এজাক ন লখিমীৰ
প্ৰাণচঞ্চল হাঁহিৰ খিকিন্দালি
সঁচাকৈয়ে তোমাৰ এই
জ্ঞানৰ পথাৰখনিত
এবাৰলৈয়ো খোজ পেলাওঁ বুলি
ক'ত যে গাভৰুৰ ত্যাগ
ঘাত-প্ৰতিঘাত আৰু ক'ত
যে কিমান সংগ্ৰাম
ছোৱালীক পঢ়াইনো কি
কৰিবি, কোৱাৰ সময়তে তুমি
সাহস হৈ থিয় দি
প্ৰেৰণা হৈ আমাক
উৎসাহ জগাইছিলা,
আৰু সেয়েহে তোমাৰ
জ্ঞানেৰেই বিভূষিত হৈ আজি
হাজাৰ হাজাৰ গাভৰুৰ
প্ৰতিশ্ৰুতি তোমাক
কোনোদিন তোমাৰ স্বাভিমানক
আঘাত হ'বলৈ নিদি
গৌৰৱৰ মালা পিন্ধাই
আজীৱন তোমাক
জিলিকাই ৰাখিম
জয়তু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়



জাহ্নৱী চমুৱা

## অপেক্ষা ময়েই

ময়ে 'অপেক্ষা' তোমাৰ
মৌনতাৰ আঁৰে আঁৰে
পাখি মেলি সময়ৰ কাষে কাষে
অদৃশ্য পথেৰে যাত্ৰা তোমাৰ
মোৰেই কোঁহে কোঁহে।
তোমাৰ মৌন ওঁঠৰ প্ৰকাশবিহীনতাই
প্ৰকাশ 'মোৰ'
ময়েই 'অপেক্ষা'
তোমাৰ কৰ্মৰ প্ৰতি পল
অনুপলৰ পৰিণতিৰ কাৰণে
হৃদয়ত অযুত আশা লৈ
ৰৈ আছা তুমি শুভ প্ৰাপ্তিৰ আশাৰে
তোমাৰ এই স্তব্ধ ক্ষণেই মই
'অপেক্ষা' মই
কাৰোবাৰ হৃদয়ত ম্লান হৈ
কাৰোবাৰ হৃদয়ত জন্মো
ময়েই
অপেক্ষা ময়েই



**অলি চাবুকধৰা**

## সংগ্ৰাম

পংকিল পাথৰত ঠেকা খাই উভতি
আহিব খোজে সৌন্দৰ্যৰ বুকুত গঢ়া
আত্মিক শব্দৰ অৰ্থহীন গভীৰতা
তেজৰ বাণীৰে বিবস্ত্ৰ জীৱনৰ নিৰ্লিপ্ততাবোৰ
অদূৰ ভৱিষ্যতৰ আয়োজন নে
বৰ্তমানৰ অভয় সংগ্ৰাম!
কতকাল সঞ্চিত মোৰ আৱেগ বজ্ৰৰ
আঘাতে নোৱাৰিবনে
হেঙুল হাইতাল
তুলি লৈ তামৰঙী আকাশৰ গভীৰতা মচি
শ্মশানৰ প্ৰশান্তিৰ সতেজ সুগন্ধত
কণ্ঠৰুদ্ধ কবিৰ যকৃতৰ মৰুভূমিখন
সেউজীয়া কৰিবলৈ!

**মিতালী গগৈ**

## শৰত

ধৰালৈ শৰত নামিছে
শেৱালিয়ে শৰতৰ বতৰা
কঢ়িয়াই আনিছে,
শৰত মানেই যেন
শেৱালিৰ সুবাস
সেই সুবাসত আমোলমোল
সন্ধিয়াৰ চৌপাশ
বহুবাৰ শুভ্ৰসাজ পিন্ধি
ধৰালৈ শৰত নামিছে,
নিশা নিয়ৰবোৰে দুবৰিত
মুকুতা হৈ সৰিছে।
নৈৰ পাৰে পাৰে
কঁহুৱাবোৰ ফুলিছে,
বানে ধোৱা লুইতৰ চাপৰিত
কঁহুৱাবোৰে নাচিছে
প্ৰকৃতিৰ এই সাজোন-কাচোনত
মানুহৰ মন-প্ৰাণ
কঁহুৱাৰ দৰে হালিছে-জালিছে

**জোনমণি দাস**

## সেউজীয়া

হ'লে মোৰ কাণখনো কলা হ
দূৰৈৰপৰা ভাহি অহা সেই নিকৃষ্ট শব্দবোৰ
শুনিব নোৱাৰাকৈ
তথাপি মোৰ মনটো ক'লা নহয়
সেই ক'লা কাহিনী এদিন পোহৰ হৈ
সকলোকে ক'ম
পোহৰ হৈ এদিন প্ৰত্যুত্তৰো দিম
এতিয়া এন্ধাৰত মোৰ উশাহবোৰ চুটি চুটি
হয়
থাকক, পোহৰ অহালৈ
এনেকৈয়ে থাকক
ধুমুহা আহিলে, আই-পিতাইক
আৱৰি ৰাখিম
তহঁতি দিয়া জীৱন অথলে যাবলৈ নিদিওঁ
ক'লা নদীখন পাৰ হৈ এদিন
সিপাৰ পামগৈ
য'ত থাকিব কেৱল মাত্ৰ
সেউজীয়া সেউজীয়া



### মধুস্মিতা দত্ত

## নিঃসংগ

শব্দহীন হৃদয় মোৰ ভাষাহীন জীৱন
সকলো থাকিও আজি নিঃসংগ মই
তথাপিও মোৰ চকুত নাই চকুপানী
আছে মাথোঁ এক অন্তহীন আশা
চিনাকি হৈও আজি অচিন মই
সংগীবিহীন মই
সেইদৰে এটি কাহিনী মাথোঁ
জীৱনৰ হাঁহি-অশ্রু
যি আহে আৰু যায়
আৰু থৈ যায় স্মৃতিৰ
শুকান এখিলা পাত

### গীতাশ্ৰী বৰা

## শাওণ

নাই আহৰি, নাই ভাগৰ
উখল-মাখল শাওণৰ পথাৰ
নীলিমাৰ নীলা বুকুত কৃষকে
সজাইছে শাওণক শ্যামলীয়া সাজেৰে
পিতাইৰ নাঙলৰ সীৰলুত
সীমাহীন আশা!
আয়ে আঙুলিৰ চাপেৰে কঠীয়া গুঁজে
ন-উদ্যমেৰে লখিমীক আদৰাৰ হেঁপাহেৰে

### নিভাৰাণী গগৈ

## উঁৰলি যোৱা নদীখন

চহৰৰ মাজেৰে বৈ গৈছে নদীখনি
বুকুত এবুকু কষ্টৰ বোজা লৈ
নদীৰ বুকুৰ শেঁতা ৰংটোৱে আজি
কাৰোৰে চকুত আকৰ্ষণ সৃষ্টি নকৰে
মাত্ৰ নদীখনৰ কাষেৰে গ'লে
নাকত সোপা দি সকলোৰে
নোচোৱাকৈ পাৰ হৈ যায়
আগতে অৱশ্যে এনে নাছিল নদীখন
নিৰ্মল জলধাৰাটোৱে সকলোৰে
দৃষ্টি কাঢ়িছিল
চহৰখনো এনে নাছিল
সকলোতে আছিল এক শান্ত পৰিৱেশ।
কিয় জানো মানুহবোৰ হঠাতে সলনি হৈ পৰিল
আগতে পূজা কৰা নদীখন
এতিয়া পৰিণত হ'ল এটি মুক্ত ডাষ্টবিনত
জাবৰৰ দ'মটো নদীখনৰ বুকুলৈ দলিয়াই
স্বস্তিৰ নিশ্বাসেৰে সকলোৰে
যেন সকলো পৰিষ্কাৰ হৈ পৰিল।

**ৰাখী চুতীয়া**

## প্ৰভাতী পুৰা

নিৰ্জনতাৰে আলোকৰে পুৰাত
বেলিটিয়ে ভুমুকি মাৰিলে,
ৰঙীণ আভাৰে সেউজীয়া পথাৰ
উদ্ভাসিত কৰি তুলিলে।
প্ৰভাতী পক্ষী নাচি নাচি উৰি উৰি
গছৰ ডালত পৰিল,
মনৰ হেঁপাহেৰে সুমধুৰ সুৰেৰে
হৃদয় উপচা গীত জুৰিলে।
দীপ্ত উচ্ছাসেৰে ফুলো ফুলিল
বিৰিখৰ ডালে ডালে,
মনৰ উলাহেৰে পখিলাজাক উৰিল
ফুলৰ পাহে পাহে
এক নতুন দিনৰ নতুন আশাৰে
মৃদু বতাহজাক বলিল,
নৱ-কিশলয়দলৰ কুঁহিপাতে প্ৰকৃতিক
জীপাল কৰি তুলিলে।
মৌনতাৰে প্ৰভাতী পুৰা
দীপ্ত স্বৰ্গপুৰী
প্ৰকৃতি ৰাণীয়ে অকৃপণ হাতেৰে
দিছে ৰহন সানি।



**ডলী পেগু**

## সময়

প্ৰতি ক্ষণতেই সময় গৈ আছে উৰি
বুজিব পাৰিছোঁ যে ইয়াৰ মূল্য কি?
তথাপিও যেন অৱহেলা কৰোঁ,
জীৱনটোৰ উন্নতিৰ পথত আগুৱাবলৈ
নদীৰ দৰে .....বৈ যোৱা
সেই মূল্যৱান সময়বোৰতে যেন লুকাই আছে মোৰ সফলতা
যিদৰে পানীৰ সোঁতবোৰ গৈ সাগৰ চুৱে
ঠিক তেনেদৰেই যেন ময়ো মোৰ লক্ষ্যত উপনীত হ'ব পাৰোঁ
ময়ো যেন সকলোৰে দৰে চেষ্টা কৰিম
সময়ৰ লগত খোজে খোজ মিলাই
সফলতা লভিবৰ বাবে

**চিন্ময়ী লাহন**

## হে বিপ্লৱী

হে বিপ্লৱী! হে বিপ্লৱী!
ওলাই আহা সমতাৰ বাবে
নিজৰ স্বাধীনতাৰ বাবে
নিজৰ বাবে তুমি নিজেই
হ'ব লাগিব স্বাধীন
কিয় ভাবা তুমি নিজক দুৰ্বল?
হয় তুমি পৰাশ্ৰান্ত

হে বিপ্লৱী! হে বিপ্লৱী!
বিপ্লৱৰ জুই তুমি সকলোতে জ্বলোৱা
কৰি দিয়া অন্যায়ক ছাৰখাৰ
হৈ যোৱা তুমি বিপ্লৱী!
হৈ যোৱা তুমি বিপ্লৱী
নাথাকিবা তুমি অন্যায়ক সহি

দীতিমণি পেগু

## তোমাৰ অপেক্ষা

তুমি কৈছিলা মোক
ভাল লাগে বুলি
হাঁহিলে ব'হাগত তোমাক
বিহুৰ মৰম যাঁচিম বুলি
সন্ধিয়া বেলিতে আহিব বুলি
ৰৈ আছিলোঁ তোমালে বাট চাই

কিয় জানো নাহিলা?
আন্ধাৰ আহিল,
জোনাকী পৰুৱাও জ্বলি জিলমিল হৈ উৰিল
তুমি অহাৰ বাট চাই চাই
পাৰ হ'ল সময় ওৰে
তুমি কৈছিলা মোক
আহিম বুলি
তোমাকে আদৰি বিহুৱান দিবলৈ
বিহুতলীতে আছিলোঁ ৰৈ,
যৌৱন হিয়াৰ নিবিড় মৰম
তোমাকে আন্তৰিক যাঁচিম কৈ
তুমি কৈছিলা মোক
ভাল লাগে বুলি



জাহ্নৱী চমুৱা

## পাৰিবানে

পাখিলগা সময়ৰ প্ৰতিটো পলত
অন্তহীন বৰ্ণনাৰ এই যে সলনি!
কৰিছানে মন...এবাৰ?
শুনিছানে শত সহস্ৰজনৰ
তোমাৰ প্ৰতি আহ্বান?

চৌদিশে বিননি ভগ্ন হৃদয়ৰ
মুক্ত বিলাস বহুলতা আভিজাত্যৰ!
আৰু 'তেওঁ'ৰ?
নীলিম আকাশৰ তলত যে
কি আৰু নঘটে এই জগতৰ!

পাৰিবানে?
সময়ৰ সোঁতত সলনি নহৈ
'তেওঁ'ক আগুৱাই নিব?
অৱহেলিত 'তেওঁ' তোমাৰ সমাজৰ

উজাগৰী নিশা পাৰ কৰে তেওঁ
জীয়া সপোন ৰচে স্বদেশৰ প্ৰতি
দৰিদ্ৰ খ্যাতিৰে পুৰস্কৃত আজি
লাঞ্ছিত, বঞ্চিত 'তেওঁ' বহুতৰে

পাৰিবানে?
বিলাসী আভিজাত্যত লুকাই নাথাকি
'তেওঁ'ক এটি পোহৰৰ দিশে
আগুৱাই আনিবলৈ?



দৰ্শনা নেওগ

## মানৱতা

প্ৰাপ্তি আৰু অপ্ৰাপ্তিৰ মাজত
সংগ্ৰামৰ পিছত অনেক
সংগ্ৰাম কৰা জীৱিত মানৱ...
হেঁপাহৰ দলিচাত
বাৰিষাৰ ব্ৰহ্মপুত্ৰৰ ভৰ বানে
উটুৱাই নিয়া আশা,
এজন এজনকৈ আপোনবোৰক
বিধাতাই ব্যংগ হাঁহি মাৰি কাঢ়ি লৈ যায়
তথাপি থাকি যায় সপোন।
সপোন দেখে, সপোন ৰচে
নাচি উঠে সিঁহতৰ সন্তানবোৰে।
নীলা আকাশত উৰা চৰাইজাকৰ
লগতো মানুহৰ প্ৰত্যাহ্বান
চৰাইজাক দেখি বাওনা মানৱৰ
আকাশত উৰাৰ আকাংক্ষা জাগে।
কিন্তু সীমা জানো আছে এই আকাশৰ?
ভাগৰুৱা মানৱ
আশাবাদী মানৱ...।

কবিতা গগৈ

## তুমি আহিবা এদিন

পলাশ ৰঙীণ ফাগুনবোৰ ইমান কিয় মৰম লগা?
তুমি কাষৰত নাই আজি তথাপিতো
তোমাৰ স্মৃতিবোৰ মৰমেৰে আৱৰা।
এই অকলশৰীয়া পৃথিৱীখনত মানুহবোৰ ইমান স্বাৰ্থপৰ।
নিজ উদ্দেশ্যৰ অবিহনে কোনেও কাৰো
খবৰে নাৰাখে।
আজি বহুদিনৰ পিছত
মুকলি আকাশৰ তলত
বহু সময় পাৰ কৰিলোঁ।
কিমান যে কথা পাতিলোঁ,
শুকুলা ডাৱৰে আৱৰা নিৰ্জন আকাশখনৰ লগত।
শৰতৰ সেমেকা শীতল বতাহছাতি
মোৰ হৃদয়ত পৰাণ জগাই তোলে
তুমি আহিবা বুলি।
সাগৰৰ ঢৌৰে ঢৌৰে,
বিশাল আকাশৰ মাজেৰে।
একাজলি মৰম বুকুত বান্ধি।
তুমি আহিবা এদিন ফাগুনৰ পছোৱাৰ ৰং সানি।
তুমি আহিবা এদিন।

বেবী গগৈ

## আশা

পোৱা নোপোৱা আশাবোৰ
হেৰুৱাৰ বেদনাবোৰ সোঁৱৰণী হৈ ৰ'ব।
নতুন আশাৰে.
নতুন মানুহে আহি আকৌ সাজিব আশাৰ ঘৰ।
কলিজাৰ এটি কোণত অতীতৰ স্মৃতিবোৰ
অজান নদীহৈ ব'ব।
কাৰোবাৰ আশাবোৰ াকাশৰ তৰাহৈ জিলিকিব
কোনোবাই আকৌ
জীৱনৰ বাটত উজুতি খাই কান্দিব।
তথাপিতো,
এক নতুন আশাৰে
হেঁপাহ ভৰা জীৱনৰ প্ৰতিটো আশা
অমাৱস্যাৰ ৰাতিৰ এন্ধাৰতো জিলিকি থাকিব।



প্ৰেৰণা বৰা

# ৰাস

পঞ্চতত্ত্বৰ সমাহাৰ পবিত্ৰ ৰাস।
শৰতৰ শেৱালিৰ গভীৰ পৰিহাস
অনন্ত শৰ্যাৰ চমু আভাস
কংসৰ অহংকাৰৰ উদ্ভাসিত প্ৰতাপ
যশোদাৰ পুত্ৰ মোহে কৰিছে আৰ্তনাদ,
দৈৱকীয়ে চোন কাৰাগাৰতে ভুগিছে বিচ্ছেদ।
ৰাধা-কৃষ্ণৰ প্ৰেমৰ কৰুণ ইতিহাস,
মাতৃ যশোদাৰ পৰম প্ৰাপ্তিৰ উল্লাস।
আহা সমস্ত গণে যাওঁ বৃন্দাবনে,
কানাইয়ে বজাই বেণু আনন্দ মনে।
সৰগৰো দেৱতাই চকু ফুৰাই মাজে মাজে,
ৰাসত ভাগ ল'বলৈ নকৰিবা লাজে।
গোপ-গোপীৰ মধুৰ আনন্দৰ প্ৰভাত,
ৰাধা-কৃষ্ণৰ পবিত্ৰ বান্ধোনৰ মহাৰাস।

গৰিমা গগৈ

# অপেক্ষা

সোণোৱালী সন্ধিয়াৰ
সেই নিস্তব্ধতাৰ মাজত
মাথোঁ ৰৈ আছোঁ মই
তুমি আহিবা বুলি।
পশ্চিম আকাশত অস্ত যোৱা
সেই বেলিটিলৈ চাই ভাবিছোঁ
বেলিটোৰ যে কিমান দুখ
পুৱা পূব আকাশতুদয় হৈ
পৃথিৱীখন উজ্জ্বলাই আকৌ
সেই পশ্চিম আকাশত ডুব
যাব লাগে বেদনাৰে...
কি যে দুখ যি যে যন্ত্ৰণা
হেঙুলিয়া আকাশৰ সেই
মনোমোহা দৃশ্য দেখি
পদূলিৰ মূৰত ৰৈ
মাত্ৰ চাই ৰওঁ সেই
সীমাহীন অন্তহীন পথটোলৈ
আৰু ভাবি ৰৈ যাওঁ
মাত্ৰ এটা কথাই
তুমি কেতিয়া আহিবা,
অপেক্ষা মাথোঁ তোমাৰ।

**ৰিতুমণি পাৰে**

## অতীতৰ দিনবোৰ

অতীতৰ দিনবোৰলৈ ঘূৰি যাব বিচাৰোঁ
অ' যাব বিচাৰো মই সেই সোণালী দিনবোৰলৈ
য'ত নাই কোনো টেনচন, নাই কোনো দুখ
না কান্দোনেৰে ভৰা দুচকুক
হাঁহিৰে ঢাকি ৰাখিব লাগিছিল।
মাথোঁ হাঁহি-ধেমালিৰে ভৰা
এখন সোণোৱালী জগত।
সেউজীয়া ধৰণীত যেন এপাহ
ৰঙা গোলাপ ফুল,
আজি সেই ফুল মৰহিব ধৰিছে
পখিলা খেদি ফুৰা দিনবোৰ
ক'ত বা থমকি ৰ'ল?



**তৃষ্ণা বৰা**

## সপোনৰ শেৱালি

মনৰ প্ৰশান্ত জলধিত
এয়া জানো কিহৰ লহৰ?
বিভ্ৰান্ত মানস পটত
নাই যে প্ৰতিবিম্ব কোনো
উৎসাহী কিশোৰৰ
জীৱন্ত ভেকুলী শিলৰ।
দেখো জলছবি সপোনৰ
দেৱদূত যেন সৰগৰ
হাত ভৰি নচোৱাই কয়
চৌদিশে হাঁহিৰ পোহৰাই
কিঞ্চিত সুস্থিৰ হোৱা
বুটলিম শেৱালি নিঁয়ৰ।

**বেবী দত্ত**

## সময়

সময় সঁচাকৈ বৰ নিষ্ঠুৰ,
কেতিয়াবা হঁহুৱায়, কেতিয়াবা কন্দুৱায়।
হাঁহি-কান্দোনৰ মাজেৰে পাৰ কৰিছো মোৰ জীৱনটো।
কেতিয়াবা ভয় হয় সময়ৰ গতিত ময়ো
মোৰ আপোন মানুহবোৰক হেৰুৱাই পেলাম নেকি?
জীৱনটোত বহুত পালোঁ, বহুত হেৰুৱালোঁ
পোৱা বস্তুক লৈ আনন্দ কৰিলোঁ,
হেৰুৱাবোৰক লৈ
হিয়া উজাৰি কান্দিলো।
এতিয়া মোৰ আনন্দত,
দুখত মোৰ মা-দেউতা আৰু
মোৰ আপোন মানুহবোৰ কাষত আছে,
ভৱিষ্যতে থাকিবনে বাৰু এনেকৈ?
নে সময়ৰ গতিত মই হেৰুৱাই পেলাম
মোৰ আপোন মানুহবোৰ?



কথাকবিতা

# ধুমুহা

**প্ৰিয়ংকা লাগাচু**

ঘোৰ অন্ধকাৰ ঠিক ৰাতিও নহয়, নিমাও মাও। চৌপাশে ধোঁৱাবৰণীয়া মাথো ওখ ওখ গছৰ আগবোৰ চানেকিৰ দৰে হালিছে, হালি থকা গছৰ আগবোৰ জোখতকৈ বেছি লৰিছে যেন ডাঙৰ ডাঙৰ বৃহৎ গছবোৰ ভাগি আমাৰ গাত পৰিব। শব্দ...

লাহে লাহে বতাহৰ শব্দ...শুকান ধূলিয়ৰী বতাহ মই মোৰ বন্ধুৰ হাতখন খামুচি ধৰিলোঁ, কিন্তু তালৈ নাচালোঁ। অলপ পিছতেই শুকান মেঘৰ গাজনি পশ্চিম আকাশত জুই জ্বলিছে এবাৰৰ গাজনিত যেন গগণ ফাটি জুই জ্বলিব...য'ত আমি পুৰি ছাঁই হৈ যাম। আমাৰ ভয় হৈছে...বৰ ভয়... পৃথিৱীৰ মোহ এৰিব নোখোজা ভয়। মোৰ বন্ধুৰ হাত কঁপিছে...দুয়োৰে স্থিৰে থকাৰ সাহস নহ'ল, দুয়ো দৌৰিলোঁ...যিমান পাৰোঁ সিমান জোৰত... পিছে বন্ধুৰ হাত নেৰিলোঁ। বতাহৰ ভটিয়নি কোবত আমি যেন পিছলৈহে দৌৰিছোঁ...হ'লেও কিন্তু এৰা নাই। কাণ ফাটি যোৱা গগণ ফলা গাজনি,



হাতেৰে কাণত চেপা মাৰি চকু মুদিলোঁ...তেওঁ দৌৰিয়ে থাকিলোঁ। বহুদূৰ দৌৰি এখন সৰু ছালিঘৰ পালোঁ। হয়তো এই নিজনত সৰিয়হ খেতি কৰিছিল। জীৱন ভিক্ষাত কাতৰ হৈ চালিঘৰতে উশাহ যেন ঘূৰাই পালোঁ...ভগা ছালিঘৰৰ এটি চুকত কুচি মুচি বহি পৰিলোঁ। জীৱন বচাবলৈ বহুদূৰ দৌৰিলোঁ।

কিন্তু...মোৰ বন্ধুজনৰ হাত কেতিয়া এৰিলোঁ মই গমকে নাপালোঁ। ক'ত গ'ল সি! মই এন্ধাৰতে তাক খেপিয়াই ফুৰিলোঁ কিজানি সি পিছে পিছে আহিছিলেইবা। তাক মাতিবলৈ চেষ্টা কৰিলোঁ...কিন্তু পৰা নাই মোৰ মাতটো যেন ডিঙিতেই শুকাই গৈছে। অলপ পিছতেই দবাপিতা শিল বৰষুণ মোৰ আৰু ভয় হ'ল...এই মহাবিপদত মই মোৰ বন্ধুক পাহৰিলোঁ, যাৰ লগত মই এমুঠি ভাত ভাগ কৰি খাইছিলোঁ, যাক হাত এৰি নিদিয়াৰ শপত খাইছিলোঁ। কিবা হ'ল তাৰ...ক'তবা থাকি গ'ল...মোৰ চকুলো শুকাই গ'ল...সাহস নাই, মোৰ জীৱটোৰ দৰেই চকুলো পলাই ফুৰিছে...আজি মোৰ চকুলোও অসহায়। বতাহ-বৰষুণজাক আৰু জোৰকৈ আহিছে, গাজনিৰটো প্ৰশ্নই নাই...কাণ তাল মৰা শব্দ...মই কঁপিছোঁ...ভয়ত আৰু ঠাণ্ডাত, কাৰণ ঠাণ্ডাৰ পৰা বাচিবলৈতো মোৰ গাত সাধাৰণ কাপোৰ এখনো নাই। উলংগ দেহ। মই বহা ঠাইডোখৰ তিতিব লাগিছে। অলপ পিছতেই ক'ৰবাৰ পৰা বৈ অহা পানী অনুভৱ কৰিলোঁ। মই বুজিলোঁ এতিয়া যে মই শুকাই যোৱা নদীৰ মাজত, য'ত এতিয়া পানী বৈ আহিছে, কি নদী ক'ৰ নদী...সেয়াও নাজানোঁ। ভগা ছালিঘৰটো কেৰেক কেৰেককৈ বাজিছে...খুঁটাকেইটা ডাঙৰ ডাঙৰকৈ লৰিছে. মই বহাৰ পৰা থিয় হ'লোঁ, সেই শুকান নদীখনত লাহে লাহে ভৰি তলোৱাৰ পৰা পানী আঁঠুমূৰীয়া হৈছে...এতিয়া মই নিঃসহায়। এই আন্ধাৰ কালনিশা মই ক'লৈ যাওঁ কেনেকৈ? মৰাশৰ দৰে মোৰ শৰীৰ স্থিৰে ৰ'ল। শৰীৰৰ এটি এটি উপশিৰাও মোৰ সংগ এৰিছে...।

ঠিক তেনেতে সকলো নিস্তব্ধ হ'ল। যেন একোৱে হোৱা নাই, বৰষুণ, গাজনি, বতাহ প্ৰকৃতিৰ একোতে একো বিঘিনি ঘটা নাই। অলপ দেৰি তেনেকৈয়ে পৰিবেশ শান্ত হৈ গ'ল মোৰ াৰু বেছি ভয় লাগিল...এয়া যে মহাবিপদৰ াগজাননি। অলপ দূৰত ডাঙৰ এজোপা গছ যেন শিপা উভালি পৰি গৈছে াৰু কোনোবা মানুহ এজন বিকত চিৎৰ মাৰিছে...মই বুজিলোঁ...ইমানপৰে এৰি অহা মোৰ বন্ধুজন...সেই বৃহৎ গছজোপাৰ চেপাত সি...। মোৰ কণ্ঠ শুকাই গ'ল। সাধাৰণ লালতিকণ গিলিব পৰা ক্ষমতাও হেৰাই গ'ল। ক'ত গ'ল মোৰ সেই সাহস...য'ত হাতীৰ সমান বলীক দুহাতে উঠাই হাড় মূৰ ভঙা মোৰ শক্তি...মোৰ কণ্ঠ মৰুভূমি হৈ গৈছে...এই এককাল পানীতো মই পিয়াহত আতুৰ...বিধিৰো যে কি বিধান...

আকৌ মহাশব্দে মোৰ আগফালৰ পৰা বগা বগা ঢৌ নাচি নাচি আহিছে। মই একো ভাবিবলৈ নাপাওঁতেই সেই বৃহৎ মৃত্যুস্বৰূপ নাম নজনা নদীৰ ঢৌৰ মাজত মই মোৰ অস্তিত্ব হেৰুৱাই পেলালোঁ...চিৰ দিনৰ বাবে...।●

বি শে ষ লে খা



## অসমৰ নাৰী শিক্ষাৰ অগ্ৰণী অনুষ্ঠান

# লক্ষীমপুৰ বালিকা মহাবিদ্যালয়

**বিকাশ দাস**

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে নাৰী শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ১৯৭২ চনত লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ চহৰত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনে অঞ্চলটোৰ শৈক্ষিক তথা বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

এক গৌৰৱোজ্জ্বল ইতিহাস গৰকি ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষত উপনীত হোৱা মহাবিদ্যালয়খনে শৈক্ষিক ইতিহাসৰ এক স্বৰ্ণীল যাত্ৰা অতিক্ৰম কৰিছে। কলা আৰু বিজ্ঞান উভয় শাখাৰে ব্যৱস্থা থকা লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ত সৰ্বমুঠ ১৬ টা বিভাগ আছে। কলা শাখাৰ বিভাগসমূহ হ'ল ক্ৰমে - অসমীয়া, ইংৰাজী, অৰ্থনীতি বিজ্ঞান, শিক্ষাতত্ব, ৰাজনীতি বিজ্ঞান, সামূহিক বিজ্ঞান, দৰ্শন, বুৰঞ্জী, হিন্দী, নৃতত্ত্ব আৰু ভূগোল। আনহাতে, বিজ্ঞান শাখাৰ বিভাসমূহ হ'ল - ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, গণিত, উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী

বিজ্ঞান। এই বিভাগসমূহৰ ভিতৰত নৃতত্ত্ব, ভূগোল, অৰ্থনীতি বিজ্ঞান আৰু গণিত বিভাগত কলা আৰু বিজ্ঞান উভয় শাখাতে অধ্যয়নৰ সুবিধা আছে। ইয়াৰোপৰি উক্ত বিষয়সমূহক সামৰি মহাবিদ্যালয়খনত কলা আৰু বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিকৰ শিক্ষা গ্ৰহণৰ সুবিধাও আছে। উল্লেখযোগ্য যে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সামূহিক বিজ্ঞান বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সুবিধাও আছে। ছাত্ৰীসকলৰ শৈক্ষিক ক্ষেত্ৰত সহায়ক হ'ব পৰাকৈ মহাবিদ্যালয়খনত প্ৰয়োজনীয় সা-সুবিধা যেনে - লেব'ৰেটৰী, ডিজিটেল ক্লাছৰূম, ডিজিটেল লাইব্ৰেৰী, ভাষা লেব'ৰেটৰী, স্মাৰ্ট বৰ্ড আদিৰ সু-ব্যৱস্থা আছে। উল্লেখযোগ্য যে মহাবিদ্যালয়খনত দূৰশিক্ষা গ্ৰহণৰ বাবে কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয় কেন্দ্ৰও উপলব্ধ আছে।

উত্তৰ লখিমপুৰ চহৰৰ মাজমজিয়াত অৱস্থিত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ত দূৰণীবটীয়া ছাত্ৰীসকলৰ বাবে ছাত্ৰীনিবাসৰ সু-ব্যৱস্থা আছে। মহাবিদ্যালয়খনৰ ছাত্ৰী নিবাসত প্ৰায় ১৮০ গৰাকী ছাত্ৰী থাকিব পৰাকৈ মুঠ ৬০ টা কোঠা আছে। ছাত্ৰী নিবাসৰ তত্ত্বাৱধায়কৰ দায়িত্ব মহাবিদ্যালয়ৰ এগৰাকী অধ্যাপক অথবা অধ্যাপিকাক অৰ্পণ কৰা হয়।

বিদ্যায়তনিক দিশৰ লগতে সহঃ বিদ্যায়তনিক দিশসমূহতো ছাত্ৰীসকলক আগবাঢ়ি যোৱাৰ এক উপযুক্ত থল হিচাপে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে এক স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। ক্ৰীড়াক্ষেত্ৰত আগ্ৰহী ছাত্ৰসকলৰ প্ৰতিভা বিকাশৰ বাবে মহাবিদ্যালয়খনত উপযুক্ত সা-সুবিধা আছে। এইক্ষেত্ৰত ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ মহাবিদ্যালয়খনত আন্তঃ ক্ৰীড়া ষ্টেডিয়াম, ভলীবল কৰ্ট, শৰীৰ চৰ্চা হল আদিৰ সু-ব্যৱস্থা আছে। ক্ৰীড়াক্ষেত্ৰত মহাবিদ্যালয়খনে শেহতীয়াকৈ আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাসমূহত অভুতপূৰ্ব সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ক্ৰীড়াক্ষেত্ৰত সফলতা লাভ কৰা বহু ছাত্ৰীয়ে পৰৱৰ্তী সময়ত আৰক্ষী আৰু সুৰক্ষা বিভাগৰ বিভিন্ন পদত নিয়োগৰ সুবিধাও লাভ কৰা দেখা গৈছে। ইয়াৰ উপৰিও মহাবিদ্যালয়খনত ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS), National Cadet Cops (NCC), Eco-Club আদি কোষসমূহে ছাত্ৰীসকলক সক্ৰিয় অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰি তেওঁলোকক উপকৃত কৰি আহিছে।

সামগ্ৰিকভাৱে আমি ক'ব পাৰো যে উত্তৰ অসমৰ একমাত্ৰ ছোৱালী মহাবিদ্যালয় লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে অঞ্চলটোৰ শৈক্ষিক তথা বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। মহাবিদ্যালয়খনৰ উত্তৰণৰ এই যাত্ৰা অদূৰ ভৱিষ্যতেও অব্যাহত থাকক বুলি আমি আশাবাদী।●



বি | শে | ষ | লে | খা




# লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
## ক্ৰীড়া আৰু কৃষ্টিৰ আঁত ধৰি

**ড° কৰিশ্মা হাজৰিকা**

এখন শিক্ষানুষ্ঠানৰ মূল সম্পদবিধ হৈছে ইয়াৰ ছাত্ৰসমাজ। প্ৰায় পঞ্চাশ বছৰ পূৰ্বে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ে নিজৰ সম্পদস্বৰূপ ছাত্ৰীহঁতক লৈ যি প্ৰত্যাশাৰ বীজ ৰোপণ কৰিছিল; আজি তাৰ বাস্তৱৰত ৰূপায়ণ ঘটিছে বুলি বিবৃতি দিব পাৰি। এখন ব্যস্ত চহৰ-লখিমপুৰৰ মাজমজিয়াত থিয় হৈ মহাবিদ্যালয়খনে যেন সমগ্ৰ উত্তৰপৰীয়া ছোৱালীহঁতক জীৱন অন্বেষণৰ প্ৰস্তুতিৰে এক সোণালী ভৱিষ্যতৰ দিশে হাতবাউল দি মাতিছে আৰু ছাত্ৰীসমাজেও তাৰ প্ৰতি পূৰ্ণ সঁহাৰি জনাইছে। স্বৰ্ণ জয়ন্তীৰ পৰিক্ৰমা পাৰ কৰা নাৰী শিক্ষাৰ এই অগ্ৰণী শিক্ষানুষ্ঠানখনৰ বিগত মাত্ৰ কেইটামান বছৰ ফঁহিয়াই চালেই বুজা যায় যে, ই কেৱল বিদ্যায়তনিক দিশত মনোনিৱেশ কৰিয়েই ক্ষান্ত হৈ ৰোৱা নাই। ইয়াৰ বিস্তাৰ বহুমাত্ৰিক। কাৰণ সহঃ পাঠ্যক্ৰম! সহঃ শিক্ষা বা ‘এক্সট্ৰা কাৰিকুলাৰ এক্টিভিটিছ’ অবিহনে শিক্ষানুষ্ঠান এখনৰ জ্ঞান চৰ্চা আত্মাক শিক্ষিত নকৰাকৈ মনক শিক্ষিত কৰাৰ দৰেই নিষ্প্ৰভ। বিদ্যায়তনিক ক্ষেত্ৰখনৰ উপৰিও ক্ৰীড়া, কৃষ্টি আদি প্ৰশাখাবোৰৰ জৰিয়তে ছাত্ৰসমাজে নিজৰ সামৰ্থসমূহ অন্বেষণ কৰে, দুৰ্বলতাক অতিক্ৰম কৰে আৰু জীৱনৰ প্ৰতি এক সদৰ্থক দৃষ্টিভংগী

গঢ়ি তোলে। ই সামাজিক আৰু নৈতিক মূল্যবোধৰ বিকাশ আৰু লালনতো যথেষ্ট সহায়কাৰী। ছাত্ৰসমাজক তেওঁলোকৰ জ্ঞান আৰু দক্ষতা প্ৰয়োগ কৰাৰ সুযোগ প্ৰদান কৰি; নতুন সক্ষমতা তথা আগ্ৰহ গঢ়ি তুলি আৰু তেওঁলোকৰ সামাজিক আৰু সাংগঠনিক দক্ষতা শক্তিশালী কৰি উপকৃত কৰাৰ ক্ষেত্ৰত ক্ৰীড়াই হওক বা কৃষ্টিয়েই হওক, এই সহঃ শিক্ষাক্ৰমবোৰৰ গুৰুত্ব অনস্বীকাৰ্য।

ক্ৰীড়াৰ প্ৰসংগত অসমত এটা সময়ত 'খেল-ধেমালি' বাকধাৰাটিৰ প্ৰচলন আছিল। অৰ্থাৎ ক্ৰীড়াৰ দৰে গুৰুত্বৰ বিষয় এটা বহু সময়ত সমাজে 'ধেমালি' বুলিহে ধৰি লৈছিল আৰু যাৰ বাবে খেল-ধেমালিয়ে শৈক্ষিক ভৱিষ্যৎ নষ্ট কৰে বুলিও সমাজখন এক বিভ্ৰমৰ চিকাৰ আছিল। পাছে বৰ্তমান সময় সলনি হ'ল। অৱশ্যে বহু সময়ত ঘড়ীৰ কাঁটা তিনিডাল কন্যা আদি সন্তানৰ বাবে সলনি নোহোৱাকৈয়ে থাকি যায়।




পিতৃতান্ত্ৰিক প্ৰণালীত লালিত সামাজিক পৰিমণ্ডলৰ প্ৰভাৱত বহু শিক্ষানুষ্ঠানত ক্ৰীড়াৰ ক্ষেত্ৰখনত ছাত্ৰীৰ অংশগ্ৰহণৰ সংখ্যা আজিও দুৰ্ভাগ্যজনকভাৱে তাকৰ। বালিকা বিদ্যালয়-মহাবিদ্যালয়বোৰো এই সমস্যাৰ ব্যতিক্ৰম নহয়। কিন্তু শিক্ষক সদস্য হিচাপে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ অংশ হ'বলৈ পাই সন্তুষ্টিৰে এই কথা স্বীকাৰ কৰিব পাৰি যে, অধ্যক্ষ ড° সুৰজিত ভূঞা মহোদয়কে ধৰি মহাবিদ্যালয় কৰ্তৃপক্ষৰ চিন্তা এইক্ষেত্ৰত প্ৰগতিশীল। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ক্ৰীড়াৰ ক্ষেত্ৰখনলৈ ভুমুকি মাৰিলে দেখা যায়, ই এটা নিৰ্মাণ-বিনিৰ্মাণৰ পথেৰে আগবাঢ়ি আহি আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰীড়া জগতত এটা বিশেষ নাম হিচাপে পৰিচিত হ'বলৈ লৈছে। বিশেষকৈ সমন্বয়ক তথা তত্ত্বাৱধায়কদ্বয় শিক্ষক ড° কালিদাস ব্ৰহ্ম আৰু মেকডাফ সোণোৱালৰ কৃচ্ছ্ৰ সাধনাত ছাত্ৰীসকল ক্ৰীড়া জগতৰ লগত নতুন উৎসাহেৰে সংপৃক্ত হৈ পৰিছে। সাম্প্ৰতিকভাৱে মহাবিদ্যালয়খনৰ ক্ৰীড়া ক্ষেত্ৰত অংশগ্ৰহণকাৰী ছাত্ৰীৰ সংখ্যাও ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। আগ্ৰহী কিশোৰীসকলক লৈঙ্গিক বৈষম্য, হীনমন্যতা,অবিশ্বাস আদি সংশয়ৰ পৰা উলিয়াই আনি সমমৰ্যাদাৰ লগতে সমসুযোগত আস্থা ৰাখিবলৈ ক্ৰীড়াই অণুপ্ৰেৰণা যোগাইছে। অৱশ্যে এইক্ষেত্ৰত মহাবিদ্যালয়ৰ প্ৰায় প্ৰতিজন শিক্ষকেই খেলুৱৈ ছাত্ৰীহঁতৰ প্ৰয়োজনত বিনাচৰ্তে কাষত থিয় দিছে। মহাবিদ্যালয়খনে আজি এই খেলুৱৈসকলক লৈ এইবাবেই নতুন দিনৰ ৰেঙণি দেখিছে যে, 'ভাৰতীয় বিশ্ববিদ্যালয় সংঘ' (AIU) ই আয়োজন কৰা আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতালৈ বৰষা বৰাইক, মৃদুস্মিতা হাজং, লতা দেৱী ছেত্ৰী, ডলি গগৈ, জেচমিনা খাতুনকে ধৰি কেইবাগৰাকীও প্ৰতিভাশালী ছাত্ৰী নিৰ্বাচিত হৈছে। তেনেদৰে কাবাদীত ধৰিত্ৰী বৰুৱা, হিমা মিলি আদিয়ে লখিমপুৰ জিলাক প্ৰতিনিধিত্ব কৰি 'ফিট ইণ্ডিয়া নেচনেল' খেলিবলৈ মধ্যপ্ৰদেশ পৰ্যন্ত পাইছেগৈ। তদুপৰি হেণ্ডবলৰ খেলুৱৈ ছাত্ৰী মৃদুস্মিতা লাগাছুৰ কথাও এইখিনিতে অতি প্ৰত্যয়েৰে ক'ব লাগিব যে, মৃদুস্মিতাই ভাৰতীয় মহিলা হেণ্ডবল দলৰ সন্মানীয় জাৰ্চি আৰ্জিবলৈ সক্ষম হোৱা খবৰটি কেৱল লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ বাবেই নহয়, বৰঞ্চ সমগ্ৰ অসমৰ বাবেই আছিল এটা অত্যন্ত আশাব্যঞ্জক বাতৰি। যোৱাবছৰ ছাত্ৰী বিপাশা পেগুৱে মিচিং অলিম্পিকৰ 'শ্ৰেষ্ঠ এথলিট' ৰ সন্মান অৰ্জন কৰা বাতৰিটিও আছিল যথেষ্ট আনন্দদায়ক। ইয়াৰ লগতে 'খেলো ইণ্ডিয়া'ৰ প্ৰতিযোগিতাসমূহতো লখিমপুৰ জিলাক মহাবিদ্যালয়ৰ ছাত্ৰীসকলে সক্ৰিয়ভাৱে প্ৰতিনিধিত্ব কৰিছেগৈ। মহাবিদ্যালয়খনৰ ইনড'ৰ শাখাত শিক্ষক মঙ্গল সিং ক্ৰ'ৰ তত্ত্বাৱধানত ছাত্ৰীসকলে বেডমিণ্টন, বক্সিং, কিক্- বক্সিং, টেবুল টেনিছ, কেৰম আদিৰ চৰ্চা কৰি আছে। উল্লেখযোগ্য যে, ২০২৩ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় কিক্-বক্সিং প্ৰতিযোগিতাত ছাত্ৰী বৰষা বৰাইকে সোণৰ পদক কঢ়িয়াবলৈ আনিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত তত্ত্বাৱধায়কসকলে প্ৰতিটো ক্ৰীড়াৰ বাবে উপযুক্ত প্ৰশিক্ষক আৰু ট্ৰেইনিং কেম্পৰ সু-ব্যৱস্থা

নিয়মিতভাৱে কৰি আহিছে। সমাজে কাইলৈ যি ভাবিব তাক এখন শিক্ষানুষ্ঠানে আজিয়েই কৰি চোৱাৰ দৰে এই মহাবিদ্যালয়খনে শৰীৰ চৰ্চাকো জন্মলগ্নৰে পৰাই প্ৰাধান্য দি আহিছে। ৰাষ্ট্ৰই 'যোগাসন দিৱস' উদ্‌যাপন কৰিবলৈ লোৱা বা নতুন শিক্ষানীতিত যোগাসনক অন্তৰ্ভুক্ত কৰাৰ বহু পূৰ্বৰে পৰা লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ত 'আৰ্ট অৱ লিভিং' ৰ সহযোগত যোগ, প্ৰাণায়াম আৰু আসনৰ ক'ৰ্চ আৰু অভ্যাস নিয়মিতভাৱে কৰাই অহা হৈছে। বৰ্তমান শৰীৰ চৰ্চাৰ




অৰ্থে মহাবিদ্যালয়খনৰ এডোখৰ বৃহৎ ঠাই ছাত্ৰীৰ বাবে অত্যাধুনিক সা-সৰঞ্জামেৰে তৈয়াৰী 'জিম'টোৱে শুৱনি কৰি আছে।এইক্ষেত্ৰত, যোগাভ্যাসৰ দ্বাৰা ছাত্ৰীৰ শাৰীৰিক-মানসিক স্বাস্থ্য আৰু ব্যক্তিত্ব বিকাশৰ বাবে উপযুক্ত পৰিকল্পনা হাতত লোৱা সমন্বয়ক তথা সচেতন শিক্ষক দুৰ্লভৰাজ টাইড আৰু শিক্ষক ৰাজেন দত্তৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী ৰীমামণি ফুকনেও ছাত্ৰীসকলক যোগাভ্যাসৰ প্ৰশিক্ষণেৰে উদ্বুদ্ধ কৰিছে।

ক্ৰীড়াৰ দৰেই সহঃ শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ অংগ — কলা-কৃষ্টিৰ কথা ক'বলৈ গ'লে মহাবিদ্যালয়খনৰ এক স্বৰ্ণিল ইতিহাসৰ পাত লুটিয়াই চাব লাগিব। নাট্যসাহিত্য আৰু মঞ্চৰ লগত ওতঃপ্ৰোতভাৱে জড়িত শিক্ষক শিল্পীদ্বয় হিৰণ্য সভাপণ্ডিত আৰু তেখেতৰ সৈতে সহযোগ আগবঢ়োৱা অনিল হাজৰিকাৰ তত্বাৱধানত যুৱ মহোৎসৱত বালিকা মহাবিদ্যালয়ে নাটক প্ৰতিযোগিতাত একেলেঠাৰিয়ে চাৰিবাৰলৈকে সোণৰ পদক আনিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে,'আলি হাইদৰ থিয়েটাৰ ফেষ্টিভেল' ৰ দৰে সমাৰোহ লখিমপুৰ জিলা পুথিভঁৰালত মহাবিদ্যালয়খনৰ উদ্যোগতে অনুষ্ঠিত হৈছিল। এইক্ষেত্ৰত সহযোগ আগবঞ্চাইছিল এল টি কে মহাবিদ্যালয়ে। লোকসংগীত, জিকিৰ-জাৰি, নাটক, মাইম, বোলছবি অভিমূল্যন, গল্পকথা আদিৰ বিষয়েও সময়ে সময়ে খ্যাত-বিখ্যাত প্ৰশিক্ষক-কথক আমন্ত্ৰণ কৰি আনি কৰ্মশালাৰ ব্যৱস্থাৰে মহাবিদ্যালয়খনে কলা-কৃষ্টিৰ জগতখনলৈ লক্ষণীয় অৱদান আগবঢ়াইছে। বৰ্তমানৰ সমন্বয়কদ্বয় শিক্ষক দুলেন কুমাৰ গগৈ আৰু জয়ন্তজিৎ বৰদলৈৰ ঐকান্তিক প্ৰচেষ্টাত নেচেনেল স্কুল অৱ ড্ৰামাৰ কেইবাখনো কৰ্মশালা ইতিমধ্যে অনুষ্ঠিত হয়। সেয়েহে কৃষ্টিৰ পথাৰত মহাবিদ্যালয়খনৰ লেখচিত্ৰৰ ঊৰ্ধগতিৰ ধাৰা সাম্প্ৰতিক সময়তো অব্যাহত আছে। শিক্ষকসকলৰ দ্বাৰা অনুষ্ঠিত ভাওনাও এইক্ষেত্ৰত প্ৰশংসাৰ পাত্ৰ। তদুপৰি যোৱা ফেব্ৰুৱাৰীত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী অনুষ্ঠানত সকলো বিভাগৰ ছাত্ৰীৰ বাৰেৰহনীয়া শোভাযাত্ৰাকে আদি কৰি সমন্বয়কদ্বয়ৰ উৎসাহতে শিক্ষকসকলে মঞ্চস্থ কৰা নাটক আৰু নৃত্যানুষ্ঠানে ছাত্ৰীসকলক কলা-কৃষ্টিৰ প্ৰতি ন উদ্যম জগাই তুলিছে। 'ভূপেন হাজৰিকা পৰিৱেশ্য কলা কেন্দ্ৰ' এটিও উপৰোক্ত আটাইকেইজন কৃষ্টিৰ সমন্বয়কৰ অনুপ্ৰেৰণাতে গঢ় লৈ উঠিছে য'ত ভৱিষ্যতে পৰিৱেশনতত্ত্বৰ দৰ্শনযোগ্যতা, শ্ৰৱনযোগ্যতা, আঙ্গিক আদিৰ বিষয়ে ছাত্ৰীসকলে শিক্ষণৰ উপৰিও গৱেষণাৰ সুযোগ লাভ কৰিবলৈ সক্ষম হ'ব ।

ক্ৰীড়া আৰু কৃষ্টিৰ দৰে মহাবিদ্যালয়খনৰ শিক্ষাখণ্ডৰ পৰা আৰম্ভ কৰি বিভিন্ন দিশত কৌশলগত দক্ষতা আহৰণ কৰিবলৈ ছাত্ৰীসকলৰ লগতে বৃহত্তৰ সমাজখনক বাট দেখুৱাবলৈ যি বিদ্যায়তন বা কেম্পাছৰ প্ৰয়োজন বা বিশেষতঃ যিমানখিনি সাহস-উদ্দীপনাৰ প্ৰয়োজন, সেই আটাইখিনি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূঞা ডাঙৰীয়া, উপাধ্যক্ষ দিলীপ বৰা ডাঙৰীয়াকে ধৰি মহাবিদ্যালয়ৰ অগ্ৰজ-অনুজ সকলো শিক্ষকেই যোগাই আছে। সাম্প্ৰতিক কালত ক্ৰীড়া আৰু কৃষ্টি এই দুয়োটা ক্ষেত্ৰতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে নিয়োগৰ সম্ভাৱনাও অতি দ্ৰুতভাৱে বৃদ্ধি পাইছে। আজিৰ তাৰিখত ক্ৰীড়া চৰ্চাত ব্ৰতী হোৱা লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ কেইবাগৰাকীও ছাত্ৰীয়ে সামৰিক সেৱাত যোগদান কৰি দেশৰ একোগৰাকী যোগ্য নাগৰিক হিচাপে মূৰ তুলি ৰ'বলৈ সক্ষম হৈছে। ঠিক তেনেদৰে, কৃষ্টিৰ কঠিয়াতলিতো বহুসংখ্যক ছাত্ৰী নিয়োজিত হৈ কৰ্মসংস্থাপনৰ বাট মোকালাই সপোন আৰু সম্ভাৱনাৰে ভৱিষ্যত প্ৰজন্মৰ বাবে নতুন দিগন্তৰ ৰচনা কৰিছে।●




বি|শে|ষ|লে|খা

## লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ত

# ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন এছ এছ)

**ড° মাহমুদা বেগম**

ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন এছ এছ) হৈছে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে তেওঁলোকৰ ব্যক্তিত্ব বিকাশ কৰাৰ এক উৰ্বৰ ভূমি য'ত তেওঁলোকে সামাজিক দায়বদ্ধতাৰে জীৱনৰ বাটত আগুৱাই যাবলৈ সক্ষম হয়। ১৯৭৭ চনৰ শৈক্ষিক অধিৱেশনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত ৰাষ্ট্ৰীয় সেৱা আঁচনিত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ক অন্তৰ্ভুক্ত কৰা হৈছিল। আঁচনিখনে শিক্ষাৰ্থীসকলক তেওঁলোকৰ যুৱ শক্তি বিকাশ আৰু গঠনমূলক কাৰ্যকলাপত প্ৰয়োগ কৰাৰ সুযোগ প্ৰদান কৰে। এন এছ এছৰ একমাত্ৰ লক্ষ্য হৈছে যুৱ শিক্ষাৰ্থীসকলক সমাজ সেৱা আগবঢ়োৱাৰ অভিজ্ঞতা প্ৰদান কৰা। আঁচনিখনে শিক্ষাৰ্থীসকলক অঞ্চলটোৰ আটাইতকৈ পিছপৰা ঠাইবোৰত তেওঁলোকৰ বিনামূলীয়া আৰু সদিচ্ছা সেৱা আগবঢ়াবলৈ অনুপ্ৰাণিত কৰে। পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° মাহমুদা বেগম মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ বৰ্তমানৰ কাৰ্যসূচী বিষয়া।

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ এন এছ এছ গোটে নিৰন্তৰভাৱে স্বচ্ছ ভাৰত অভিযান, গছপুলি ৰোপণ, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় দিৱস উদ্‌যাপন, পথ সুৰক্ষা সজাগতা কাৰ্যসূচী তথা ৰেলী, ঋতুস্ৰাৱৰ পৰিচ্ছন্নতা আৰু মহিলাৰ সম্পৰ্কীয় স্বাস্থ্যৰ ওপৰত সজাগতা কাৰ্যসূচী, মেগা ফিট ইণ্ডিয়া, ফ্ৰীডম ৰান-আজাদী কা অমৃত মহোৎসৱ, প্লাষ্টিক আৰু আৱৰ্জনা সংগ্ৰহ অভিযান, কৰ্কট ৰোগৰ সজাগতা আৰু ধঁপাত প্ৰতিৰোধী কাৰ্যসূচীৰ দৰে নিয়মীয়া কাৰ্যকলাপ কৰি আহিছে। আন্তৰ্জাতিক স্বেচ্ছাসেৱক দিৱস, ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপন, ৰাষ্ট্ৰীয় ঐক্য দিৱস, আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস, বিশ্ব পৰিৱেশ দিৱস, মুখ্যমন্ত্ৰীৰ ইনষ্টিটিউচনেল গছপুলি ৰোপণ কাৰ্যসূচী, উন্নত ভাৰত অভিযানৰ অধীনত ভিলেজ জৰীপ কাৰ্যসূচী, হৰ ঘৰ তিৰঙ্গা কাৰ্যসূচী আৰু প্ৰভাত ফেৰী, এন এছ এছ স্বেচ্ছাসেৱকসকলৰ দ্বাৰা অৰুণোদয় জৰীপ, এন এছ এছ দিৱস উদ্‌যাপন, বিশ্ব ধঁপাত দিৱস




উদ্‌যাপন, ভাৰতৰ জি-২০ প্ৰেচিডেন্সি-লিভাৰেজিং নেইগ উদ্‌যাপন, "বসুধৈৱ কুটুম্বকম-এক পৃথিৱী, এক পৰিয়াল, এক ভৱিষ্যত" বিষয়বস্তুৰ অধীনত জিলা পৰ্যায়ত চুবুৰীয়া যুৱ সংসদক লাভৱান্বিত কৰা এন এছ এছ, আনুষ্ঠানিক শিক্ষা বা নিয়মীয়া নিযুক্তিত নথকা যুৱসকলৰ জৰীপ, কন্যা সন্তান ৰক্ষা আৰু বাল্যবিবাহ ৰোধৰ ওপৰত সজাগতা কাৰ্যসূচী, 'শক্তি সঞ্চয়' সম্পৰ্কে সজাগতা কাৰ্যসূচী, মেৰা দেশ মেৰি মাটি কাৰ্যসূচী, ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদ্‌যাপন। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ এন এছ এছ গোটে ১৯৭৭ চনৰ পৰা প্ৰতিবছৰে মহাবিদ্যালয়ে দত্তক লোৱা গাঁওবোৰত নিৰন্তৰভাৱে ৭ দিনীয়া বিশেষ গাঁও শিবিৰ অনুষ্ঠিত কৰি আহিছে।

আমাৰ মহাবিদ্যালয়ৰ এন এছ এছ কাৰ্যসূচী বিষয়া আৰু স্বেচ্ছাসেৱকসকলে বহুতো ৰাষ্ট্ৰীয়, ৰাজ্যিক, বিশ্ববিদ্যালয় আৰু জিলা পৰ্যায়ৰ শিবিৰত অংশগ্ৰহণ কৰি আহিছে। তেওঁলোকে শিবিৰত অংশগ্ৰহণ কৰাৰ লগতে বহুতো পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিছে। মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ কাৰ্যসূচী বিষয়া ড° মাহমুদা বেগমে ২৬ ফেব্ৰুৱাৰীৰ পৰা ৪ মাৰ্চ, ২০২৩ লৈ হাৰিয়ানাৰ হিছাৰৰ চৌধুৰী চৰণ সিং হাৰিয়ানা কৃষি বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় একত্ৰীকৰণ শিবিৰ (এনআইচি)ত অসমৰ দলটিৰ নেতৃত্ব গ্ৰহণ কৰি শিবিৰত অংশগ্ৰহণ কৰিছিল। এই শিবিৰৰ পৃষ্ঠপোষকতা কৰিছিল ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয় আৰু দিল্লীৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আঞ্চলিক সঞ্চালকালয়ে। অসম দলটোত ডিব্ৰুগড় বিশ্ববিদ্যালয় এন এছ এছ গোটৰ অধীনৰ বিভিন্ন মহাবিদ্যালয়ৰ ১০ জন এন এছ এছ স্বেচ্ছাসেৱক আছিল। উল্লেখ্যোগ্য যে এই শিবিৰতে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ দুজন শিক্ষাৰ্থীয়ে দুটা বৃহৎ ৰাষ্ট্ৰীয় অনুষ্ঠানত দুটা বঁটা লাভ কৰিবলৈ সক্ষম হৈ মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনে।

উল্লেখযোগ্য যে, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ কাৰ্যসূচী বিষয়া ড° মাহমুদা বেগমক ২০২২-২০২৩ বৰ্ষৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে শ্ৰেষ্ঠ এন এছ এছ কাৰ্যসূচী বিষয়া বঁটা প্ৰদান কৰে আৰু এই বঁটা মহাবিদ্যালয়খনৰ বাবে প্ৰথম শ্ৰেষ্ঠ কাৰ্যসূচী বিষয়া বঁটা।

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ দহগৰাকী এন এছ এছ স্বেচ্ছাসেৱিকাই ২৯-৩১ মাৰ্চ, ২০২৩ লৈ লখিমপুৰৰ সোৱণশিৰি মহাবিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এন এছ এছ কোষে আয়োজন কৰা জ'নৈল কেম্পত অংশগ্ৰহণ কৰিছিল। মহাবিদ্যালয়ৰ এন এছ এছ ইউনিট দলে উক্ত শিবিৰত শ্ৰেষ্ঠ এন এছ এছ দলৰ বঁটা লাভ কৰে। মহাবিদ্যালয়ৰ এন এছ এছ দলৰ অন্যতম সদস্য অঞ্জুমণি বৰিয়ে এই শিবিৰত শ্ৰেষ্ঠ স্বেচ্ছাসেৱক বঁটা লাভ কৰে। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছগৰাকী এন এছ এছ স্বেচ্ছাসেৱিকাই মাধৱদেৱ বিশ্ববিদ্যালয়ত ২২-২৫ জানুৱাৰী, ২০২৩ লৈ অনুষ্ঠিত জ'নৈল কেম্পত অংশগ্ৰহণ কৰে।

শেহতীয়াকৈ, ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে মহাৰাষ্ট্ৰৰ নাছিকত আয়োজন কৰা ২৭ তম ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ, ২০২৪ ৰ বাবে অসম দলক নেতৃত্ব দিবলৈ মহাবিদ্যালয়খনৰ এন এছ এছ গোটৰ কাৰ্যসূচী বিষয়া ড° মাহমুদা বেগমক নিৰ্বাচিত কৰে। ১২ ৰ পৰা ১৬ জানুৱাৰী, ২০২৪ লৈ অনুষ্ঠিত এই যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ এগৰাকী স্বেচ্ছাসেৱিকা কস্তুৰী কাশ্যপে অংশগ্ৰহণ কৰে। ●

# हिंदी दिवस

**मन्दिरा गोगोई**

हिंदुस्तान की मान है हिंदी
हर हिंदुस्तानी की पहचान है हिंदी
एकता की अनुपम परम्परा है हिंदी
हर दिल का अरमान है हिंदी।

हम हर साल १४ सितंबर को हिंदी दिवस मनाते है। हिंदी दिवस के इतिहास के बारे में बात करे तो १४ सितंबर १९४९ को हिंदी भाषा को राजभाषा का दर्जा मिला। इस ऐतिहासिक दिन की महत्व को देखते हुए हमारे पहले प्रधानमंत्री पंडित जवाहरलाल नेहरु ने यह निर्णय लिया की अब से १४ सितंबर को हिंदी दिवस मनाया करेंगे। हमने हमारा पहला अधिकारिक हिंदी दिवस १४ सितंबर,१९५३ में मनाया। २६ जनवरी,१९५० को हिंदी भारत की संविधान का हिस्सा बन गया।

हिंदी मात्र एक भाषा नहीं बल्कि हम भारतीयों को एकता के सुत्र में पिरोती है। हिंदी को अन्य देशों के लोग भी सम्मान करते है। इसका पता हमें हमारी ज्ञान परंपरा के शिखर पुरुष स्वामी विवेकानंद और एक अमेरिकन के बीच हुई बातो से चलता है। साल १८९९, तब हमारा देश स्वाधीन नहीं था। एक अमेरिकन ने स्वामी जी से पूछा — How are you Swami? स्वामी जी ने उत्तर दिया में अच्छा हुं। अमेरिकन ने सोचा स्वामी जी को अंग्रेजी नहीं आती इसलिए हिंदी में जवाब दे रहे है, पर उस अमेरिकन को टूटी-फूटी हिंदी आती थी तो अगला सवाल उसने हिंदी में पूछ लिया की भारत से यहां आकर कैसा लग रहा है? इस बार स्वामी जी ने उसे अंग्रेजी में उत्तर दिया - I am feeling good . Your country is beautiful.

अमेरिकन ने कहा मैंने आपसे अंग्रेजी में सवाल किया तो आप हिंदी में जबाब दे रहे है और जब हिंदी ने पूछा तब अंग्रेजी में बोल रहे है? यह कैसा पहेली है? स्वामी जी मुस्कुराए और बोले जब तुमने अपनी मातृभाषा में प्रश्न पूछा तो मैंने अपनी मातृभाषा में उत्तर दिया। लेकिन जब तुमने मेरी मातृभाषा का सम्मान करते हुए हिंदी में प्रश्न पूछा तो मैंने तुहारी मातृभाषा का सम्मान करते हुए अंग्रेजी में उत्तर दिया।

इस बात से हम यह कह सकते है की उस समय में भी सभी लोग हिंदी भाषा को सम्मान करते थे। पर भारतवर्ष के कुछ नागरिक आज राष्ट्रभाषा हिंदी का विरोध कर रहे है। हिंदीवाले लोगो को सारी सुख-सुविधाएं मिलेगी, यह डर उनमें घुस गया है। दक्षिण भारत के लोग विरोध कर रहे है पर ज्यादा से ज्यादा लोग हिंदी सीख भी रहे है। जो कुछ भी हो हिंदी हमारी राष्ट्रभाषा है। दूसरे प्रदेशों के लोगो की तरह असम के लोगो को भी हिंदी सीखने में मन लगाना चाहिए।

असम एक अहिंदी भाषी प्रदेश है। यहा बोल चाल में हिंदी भाषा का प्रयोग बहुत कम होता है। शिक्षा में भी हिंदी भाषा के प्रयोग यहाँ के सरकारी विद्यालयों में कुछ पाँचवी कक्षा या कुछ छठी कक्षा से शुरू होती है। उच्चतर माध्यमिक शिक्षा स्कूलों में अनिवार्य विषय के रूप में रखी गई है। असम में हिंदी भाषा की शिक्षा द्वितीय भाषा के रूप में दी जाती है। असम में हिंदी भाषा के प्रसार में जो संस्था सबसे महत्वपूर्ण रूप में काम कर रही है वह है असम राष्ट्रभाषा प्रचार समिति। ऐसे ही हमें अपनी राष्ट्रभाषा हिंदी को आगे बढ़ा ले जाना है।

हिंदी दिवस पर्व है
इस पर हमे गर्व है
सम्मानित हो हमारी राष्ट्रभाषा
हम सबकी है यही अभिलाषा। •

# कॉलेज के दोस्त

**प्रेरणा बरा**



कॉलेज के दोस्त अक्सर किसी व्यक्ति के जीवन में सबसे महत्वपूर्ण और स्थायी सबंधों में से एक बन जाते हैं। ये दोस्ती एक परिवर्तनशील अवधि के दौरान बनती है, जिसे व्यक्तिगत विकास, शैक्षणिक चुनौतियों, और नई स्वतंत्रता की खोज द्वारा चिह्नित किया जाता है। कॉलेज का अनुभव, जिसमें बौद्धिक गतिविधियों और सामाजिक गतिविधियों का मिश्रण होता है, गहरी और स्थायी मित्रता के लिए एक उपजाऊ जमीन तैयार करता है। कॉलेज की दोस्ती के इतने प्रभावी होने का एक मुख्य कारण है कि यह किशोरावस्था से वयस्कता की ओर संक्रमण की यात्रा को साझा करता है। यह अवधि अक्सर पहचान और उद्देश्य की खोज से चिह्नित होती है, और ऐसे दोस्तों का होना जो समान अनुभवों से गुजर रहे हैं, अमूल्य समर्थन और संगति प्रदान कर सकता है। कॉलेज के दोस्त देर रात की पढ़ाई सत्रों के दौरान न केवल शैक्षणिक सहायता बल्कि तनावपूर्ण समय में भावनात्मक समर्थन भी प्रदान करते हैं। ये साझा अनुभव, चाहे वह परीक्षा के लिए पढ़ाई हो या फाइनल के अंत का जश्न, मजबूत बंधनों को बनाने में मदद करते हैं। इसके अलावा, कॉलेज नई

रुचियों की खोज और जुनूनों की पहचान का समय होता है। कॉलेज में मिले दोस्त अक्सर एक-दूसरे को नए विचारों, संस्कृतियों और गतिविधियों से परिचित कराते हैं, जिससे उनके सामाजिक और सांस्कृतिक दृष्टिकोण व्यापक होते हैं। चाहे वह किसी क्लब में शामिल होना हो, संगीत कार्यक्रम में भाग लेना हो, या ब्रेक के दौरान एक साथ यात्रा करना हो, ये अनुभव साझा यादें बनाते हैं जो जीवन भर बनी रहती हैं। कॉलेज परिसरों की विविधता का मतलब है कि छात्र अक्सर



विभिन्न पृष्ठभूमियों के लोगों के साथ दोस्ती करते हैं, जिससे उनके सामाजिक और सांस्कृतिक दृष्टिकोण और समृद्ध होते हैं। कॉलेज जीवन का सामाजिक पहलू भी इन दोस्तियों के गठन में महत्वपूर्ण भूमिका निभाता है। छात्रावास जीवन से लेकर ग्रीक जीवन, खेल टीमों और अन्य पाठ्येतर गतिविधियों में भागीदारी तक, कॉलेज सामाजिक संपर्क के लिए अनेक अवसर प्रदान करता है। साथियों के करीब रहने से सामुदायिक और संबद्धता की भावना पैदा होती है। कॉलेज के दोस्त अक्सर एक दूसरे परिवार की तरह बन जाते हैं, एक समर्थन प्रणाली प्रदान करते हैं जो विशेष रूप से उन लोगों के लिए महत्वपूर्ण होती है जो पहली बार घर से दूर होते हैं। इसके अलावा, कॉलेज दोस्तों के बीच का बंधन केवल मज़े और सामाजिक पहलुओं तक ही सीमित नहीं होता। वे अक्सर जीवन के कुछ सबसे चुनौतीपूर्ण समयों में एक-दूसरे के लिए होते हैं। चाहे वह शैक्षणिक दबावों से निपटना हो, व्यक्तिगत समस्याएं हों, या स्वास्थ्य समस्याएं हों, ऐसे दोस्तों का होना जो सहानुभूति और समझ प्रदान कर सकते हैं, महत्वपूर्ण अंतर पैदा करता है। यह पारस्परिक समर्थन छात्रों को जटिल कॉलेज जीवन को नेविगेट करते समय लचीलापन और आत्मविश्वास बनाने में मदद करता है। जैसे-जैसे छात्र स्नातक की ओर बढ़ते हैं, कॉलेज में बनी दोस्तियाँ एक नए आयाम में बदल जाती हैं। वे अक्सर केवल सामाजिक संबंधों से पेशेवर नेटवर्क में परिवर्तित हो जाती हैं। कॉलेज के दोस्त किसी के करियर में मूल्यवान संपर्क बन सकते हैं, नौकरी के रेफरल, सहयोग, और सलाह के अवसर प्रदान कर सकते हैं। एक ही संस्था में अध्ययन करने का साझा अनुभव भी व्यावसायिक सेटिंग्स में दृढ़ निष्ठा और सौहार्द की भावना पैदा कर सकता है। स्नातक के बाद भी, कॉलेज के दोस्त अक्सर किसी के जीवन का एक महत्वपूर्ण हिस्सा बने रहते हैं। पुनर्मिलन, विवाह, और अन्य महत्वपूर्ण जीवन की घटनाएं अक्सर कॉलेज के दोस्तों को फिर से एक साथ लाती हैं, उन बंधनों को सुदृढ़ करती हैं जो उन प्रारंभिक वर्षों के दौरान स्थापित किए गए थे। साझा इतिहास और अनुभव विश्वास और पारस्परिक समझ की नींव बनाते हैं जो समय की कसौटी पर खरी उतर सकती है। मूल रूप से, कॉलेज के दोस्त किसी व्यक्ति के कॉलेज अनुभव को आकार देने में महत्वपूर्ण भूमिका निभाते हैं और कॉलेज के वर्षों के समाप्त होने के बाद भी अक्सर प्रिय साथी बने रहते हैं। शैक्षणिक, सामाजिक, और व्यक्तिगत अनुभवों का अनूठा मिश्रण जो कॉलेज यात्रा को परिभाषित करता है, गहरी और स्थायी मित्रता के गठन के लिए उपजाऊ जमीन बनाता है। ये रिश्ते न केवल कॉलेज अनुभव को बढ़ाते हैं बल्कि किसी के व्यक्तिगत और पेशेवर जीवन में एक महत्वपूर्ण समर्थन नेटवर्क भी प्रदान करते हैं। ❑

# कर्ण का आत्मकथा

**प्रियंका लगाछू**

मैं हुं कर्ण। महाभारत का सबसे बड़ा धनुर्धारी, सूर्यपुत्र कर्ण। लोग तो मुझे सूतपुत्र कहते हैं, जिसके कारण उस समाज ने मुझे नीच वंश का दरजा दिया। मैं भी कुन्तीपुत्र हुं, पर पांच पांडवों में अपना स्थान नही बना पाया। मेरे भी माता-पिता हैं, पर मैं अपने जन्म के रहस्य से अनजान रहा। मैं खुद से ही अनजान था। अगर कुन्ती माता ने मुझे त्यागा न होता तो अब हस्तिनापुर के राजा के नाम से मैं इतिहास के पन्ने पर छपता। पर यह मेरा दुर्भाग्य हैं कि मैं क्षत्रिय पुत्र होने पर भी मुझे सूतपुत्र नाम से पहचान मिला। मैं योद्धा हुँ, दुर्भाग्य पुत्र हुँ, दुर्भाग्य भ्राता हुँ, दुर्भाग्य शिष्य हुँ। मैं धनुर्धारी योद्धाओ मे सर्वश्रेष्ठ हुं, पर मैं युद्ध मे पराजित हुआ। जब मेरी माँ कुन्ती को ही मेरे जन्म से असंतुष्टि है तो उसमें दुर्भाग्यशाली होना मेरे भाग्य मे लिखा ही हैं। जब मुझे मेरे अपने ही भ्राताऔं के विरुद्ध युद्ध में जाना पड़ा, तो इसमें मैं चाहकर भी मुकर नही पाया। मेरा भाग्य इतना फुटा है कि एक दायित्ववान शिष्य में होनेवाले सब गुण होने के बाबजूद भी मैं अपने गुरु का प्रिय नहीं बन पाया।

मेरा इसमें क्या गलती हैं की मैं एक सूतपुत्र हुं। मेरा भी गुरुगृह में रहकर शिक्षा लेने का इच्छा था। गुरु द्रोणाचार्य से मैंने शिक्षा लेने का आग्रह किया, पर उन्होंने इनकार किया, क्योंकि मैं क्षत्रीय पुत्र नहीं हुं। पर उन्होंने मेरे भाईयो को अपना प्रिय शिष्य बनाया, क्योंकि उनका पहचान कुन्ती के नाम से था। फिर मैंने परशुराम को अपना गुरु बनाना चाहा, पर मुझे पता था कि वह सिर्फ ब्रह्मणो को ही शिक्षा देते हैं, लेकिन मैं खुद अनजान हुं कि मैं क्षत्रीय पुत्र हुं या ब्राह्मण। फिर अपने शिक्षा लेने की आकांक्षा ने मुझे झूठ बोलने पर मजबूर किया, जिसके कारण अपने ही गुरू से श्राप मिला कि मैं ब्रह्मास्त्र चलाना भूल जाऊगां। फिर एक गाय को अनजाने में उनके असहाय अवस्था में मारा और गाय के मालिक ने भी श्राप दिया कि जिस तरह गाय की असहाय अवस्था में मृत्यु हुआ, उसी तरह मेरा भी मृत्यु होगा।

यह क्या मेरा अपराध है कि मैं कुन्ती माता का अवैध पुत्र के रूप में जन्मा, जिसका फल पूरा जीवन मुझे भुगतना पड़ा? क्या गुरु से शिक्षा लेना राजा और ब्राह्मण के वंश का ही अधिकार हैं? जीवन में दुर्भाग्यशाली होने पर भी किसी का दिल दुखाना नहीं चाहा, सबके प्रति वफादार रहा, दानी बना, किसी नारी को भी गलत नजरिए से नही देखा, अपने दायित्व के लिए जीवन का कुरवान तक देना चाहा, फिर मुझे क्या मिला? न माँ का ममता, न समाज में इज्ज़त, न युद्ध में जीत। मैं न तो पांडवो में शामिल हो पाया, न कौरवो का वफादार होने का प्रमाण जूता पाया। मैं दुर्भाग्यशाली हुं, वीर होने के बाबजूत भी गुरू परशुराम के श्राप अनुसार अपने जरूरत के समय बाण चलाने का मंत्र भूल गया, गाय को मारने के श्राप में युद्ध के समय अपने रथ के पहिए में उलझ गया, जिसका फायदा मुझे मारने में उठाया गया। स्वयं श्री कृष्ण के होते हुए इस समाज से मुझे इंसाफ़ नहीं मिला। यह कौन सा न्याय हैं? मेरा दोष यही है कि मैंने गलत का साथ दिया। लेकिन मैं क्या करता? ऋणी था मैं कौरव का, दुर्योधन का। जिस समाज ने मुझे सम्मान नहीं दिया, जिस पांडव पुत्रो ने मुझे सूतपुत्र कहकर मजाक बनाया, उससे मुझे दुर्योधन ने बचाया, मुझे अंगदेश का राजा बनाया। उनके लिए वफादार होना क्या मेरा अपराध है? फिर भी मुझे कुछ प्राप्त नहीं हुआ।

इस पृथ्वी पर मेरा जैसा किसी का जन्म न हो, जो किसी का कलंक बने, और खुद कलंक बनके जीए, और कलंक बनके ही अपना मृत्यु प्राप्त करे। ■



# Importance of Women in Our Society

**Sumi Bori**

Women play an integral role in the society. They are the backbone of families and crucial to the growth and development of communities. Yet, for centuries, women have been relegated to sidelines, subjected to discrimination and marginalization. In recent years, however, there has been a growing awareness of the importance of women in society. This article will explore the role of women in society and highlight the importance of empowering women to create a better future for all.

**Contribution to the economy:** Women are essential contributors to the economy. They play a significant role in the labor force and contribute to the growth and development of businesses.

**Education:** Education is a crucial factor in the development of societies. Women's education is particularly important because it is linked to improved health outcomes, increased economic growth, and poverty reduction.

**Empowerment:** Empowering women is crucial to creating a more just and equitable society. When women are empowered , they are more likely to take leadership roles and contribute to decision making processes that impact their lives and the lives of those around them.

**Family and community:** Women are the backbone of families and communities. They provide care, support, and nurturing to their families and are essential to the development of children.

**Violence against women:** Violence against women is a significant barrier to women's empowerment and development. Women experience various forms of Violence, including domestic violence, sexual harassment and rap, which have long-term physical and psychological effects.

**Conclusion:** Women's empowerment and the promotion of gender equality are essential for the development of a just and equitable society. Empowering women leads to improvement health outcomes, increase economic growth, and poverty reduction. ●

# সম্পাদকীয়
# প্ৰতিবেদন
### ছাত্ৰী একতা সভা ।।২০২২-২৩ বৰ্ষ

## সভাপতিৰ প্ৰতিবেদন

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ এক অগ্ৰণী বিশিষ্ট শিক্ষানুষ্ঠান হ'ল লক্ষীমপুৰ বালিকা মহাবিদ্যালয়। মই এই প্ৰতিবেদনৰ জৰিয়তে সেইসকল ব্যক্তিক কৃতজ্ঞতা আৰু সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ যাৰ পৃষ্ঠপোষকতাত নাৰী শিক্ষাই জ্ঞানৰ মন্দিৰ হিচাপে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ গৌৰৱোজ্জ্বল বৰ্তমানৰ উচ্চ শিক্ষাৰ সমন্বয়থলী এই সেউজ নগৰীখন প্ৰেক্ষাপটখনি গঢ়ি উঠিছে। লগতে সেইসকল বীৰ শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ, যিসকলৰ বীৰ শ্বহীদে মাতৃভূমিৰ অসিতত্ব াৰু গৌৰৱ ৰক্ষাৰ কাৰণে প্ৰাণ আহুতি দিছিল।

প্ৰতিবেদনৰ জৰিয়তে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ছাত্ৰী বান্ধৱী আৰু মোক উৎসাহ প্ৰদান কৰা সমূহ শুভাকাংক্ষীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। দুচকুত অলেখ সপোন বুকুত অদম্য হেঁপাহ বান্ধি নাৰী শিক্ষাৰ এই বিশিষ্ট প্ৰেক্ষাপট লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত শুভাকাংক্ষীসকল আৰু ছাত্ৰী বান্ধৱীসকলৰ বিপুল দাবীত তৃতীয় যান্মাসিকত মই সভাপতি পদত নিৰ্বাচিত হওঁ।

ড° এ পি জে আব্দুল কালামে যিদৰে কৈছিল স্বপ্ন, চিন্তা আৰু কৰ্ম, এই তিনিটা বিষয়ক অনুধাৱন কৰি যদি আমাৰ নৱ প্ৰজন্মই আগবাঢ়ি যায়, তেন্তে সমাজৰ উৎকৰ্ষ সাধন হ'বই। গতিকে ময়ো ঠিক এনে কে উদ্দেশ্যক বুকুত বান্ধি সেউজীয়াৰ বুকুত জীপাল হৈ উঠা লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খনিৰ উন্নয়নৰ বাবে কাম কৰি যোৱাৰ পৰিকল্পনা হাতত তুলি লব বিচাৰিছিলোঁ।

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খনিত যেতিয়া প্ৰথম খোজ পেলাইছিলোঁ তেতিয়াই হয়তো মোৰ হৃদয়ৰ নিভাঁজ কোমত স্থান পাইছিল এই মহাবিদ্যালয়খনিৰ সেউজী মাদকতাই। আগবাঢ়িব খুজিছিল এক সপোন দেখা দিশে, যিটো সপোনেই আছিল এই মহাবিদ্যালয়খনিৰ উন্নয়ন আৰু বিকাশৰ বাবে কাম কৰি যোৱা।

মোৰ এই এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়খনত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানসমূহ সাফল্যমণ্ডিত কৰি তুলিবৰ বাবে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছিলোঁ। বিগত বৰ্ষটিত কাৰ্য নিৰ্বাহ কৰোঁতে আপোনালোকৰ দিহা পৰামৰ্শ আমাক বিশ্বাসক কিমান দূৰ ৰক্ষা কৰিব পাৰিলোঁ সেইয়া আপোনালোকৰ বিচাৰ্য। বিগত বৰ্ষসমূহৰ পৰম্পৰা ৰক্ষা কৰি চলি ্হা অনুষ্ঠান যেনে- সৰস্বতী পূজা, নৱাগত আদৰণী সভা, গণতন্ত্ৰ দিৱ উদ্‌যাপন, প্ৰতিষ্ঠা দিৱস ইত্যাদি অনুষ্ঠানসমূহত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ তথা অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ হিা পৰামৰ্শ আৰু উপস্থিতিয়ে আমাক প্ৰতিটো খোজতে উৎসাহিত কৰিছিল। এই বৰ্ষতে মহাবিদ্যালয় পৰিদৰ্শনৰ বাবে নাকৰ আগমন হৈছিল। এইটো আছিল মোৰ আটাইতকৈ ডাঙৰ এক আজীৱন পাহৰিব নোৱৰা সফল পৰিসমাপ্তি। মোৰ কাৰ্যকালত নাকৰ পৰিদৰ্শনে মহাবিদ্যালয়খনিত মোৰ কাৰ্যকালৰ এ বিৰ্ষটো আজীৱন জিলিকি থাকিব সেইয়া হয়তো ২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ উৎকৃষ্ট পুৰস্কাৰ।

**মোৰ কাৰ্যকালৰ চমু খতিয়ান ঃ**

১। ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী পালন ঃ ৫ নৱেম্বৰ তাৰিখে মোক কাৰ্যকালৰ প্ৰথমটি অনুষ্ঠান সশ্ৰদ্ধ ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকীত তেখেতৰ স্মৃতিত সন্ধিয়া প্ৰায় ৫ বজাৰ পৰা গানৰ আৰাধনাৰ সহযোগত এটি অনুষ্ঠান আয়োজন কৰা হয়।

২। গণৰাজ্য দিৱস ঃ দ্বিতীয়তে ২৬ জানুৱাৰীত মহাবিদ্যালয়ক এক ব্যতিক্ৰমী ৰূপত গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়।

৩। সৰস্বতী পূজা ঃ ছাত্ৰী একতা সভা তথা তত্ত্বাৱধায়কসকলৰ তত্ত্বাৱধানত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজাভাগ সুকলমে অনুষ্ঠিত কৰা হয়। এই দিনটোৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ত ২৬ জানুৱাৰী, ২০২৩ তাৰিখৰ পৰা ২৮ জানুৱাৰী, ২০২৩ তাৰিখলৈকে গ্ৰন্থমেলাও অনুষ্ঠিত কৰা হয়।

৪। নাক ঃ ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদৰ এটি দলে আমাৰ মহাবিদ্যালয় পৰিদৰ্শনৰ বাবে অহা দুদিনীয়া কাৰ্যসূচীৰ লগতে এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা খুউব সুন্দৰ নৃত্য পৰিবেশনৰ দ্বাৰা এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানটি দুজন বিশিষ্ট্য নৃত্যশিল্পী দ্বীপজ্যোতি আৰু দিপাংকৰ ছাৰৰ পৰিচালনা আৰু জয়ন্তজিৎ বৰদলৈ ছাৰ আৰু দুলেন বৰা ছাৰৰ তত্ত্বাৱধানত সাফল্যমণ্ডিত হৈ পৰে।

৫। শংকৰদেৱৰ তিথি ঃ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ তিথিভাগ আমি যথেষ্ট ভক্তি ভাৱেৰে আৰু উলহ-মালহেৰে অনুষ্ঠিত কৰোঁ।

৬। প্ৰতিষ্ঠা দিৱস ঃ মহাবিদ্যালয়ত প্ৰতিষ্ঠা দিৱসটি ১৬ আগষ্ট ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুৰ লগতে ছাত্ৰীসকলৰ সহযোগিতাত পালন কৰা হৈছিল।

৭। নৱাগত আদৰণী সভা ঃ মহাবিদ্যালয়খনলৈ অহা নৱাগতসকলক আনুষ্ঠানিকভাৱে সম্ভাষণ জনোৱাৰ মানসেৰে অনুষ্ঠিত কৰিছিলোঁ নৱাগত আদৰণী সভা। ২০২৩ চনৰ ২৬ আগষ্ট তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হৈছিল নৱাগত আগৰণী সভা। এই সভাৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ ভূএগ্রা ছাৰে, শ্বহীদ বেদিত বন্তি প্ৰজ্বলন কৰে উপাধ্যক্ষ ৰবীন কাকতি ছাৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যুষ' উন্মোচন কৰে উত্তৰ লক্ষীমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ শ্ৰীযুত প্ৰফুল্ল শৰ্মা ছাৰে। মুকলি সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট কণ্ঠশিল্পী ড° সংগীতা কাকতি বাইদেউ। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ হিচাপে জনপ্ৰিয় কণ্ঠশিল্পী জনম কাশ্যপ উপস্থিত থাকে।

৮। শিক্ষক দিৱস ঃ ৫ ছেপ্টেম্বৰ তাৰিখে শিক্ষাগুৰুসকলক অন্তৰৰ পৰা সেৱা জনোৱা তথা ড° সৰ্বপল্লী ৰাধাকৃষ্ণদেৱক স্মৰণ কৰাৰ উদ্দেশ্যে পালন কৰা হয় এই অনুষ্ঠান।

৯। সদৌ অসম কুইজ প্ৰতিযোগিতা ঃ ২০২৩ চনৰ ১১ নৱেম্বৰত ছাত্ৰীসকলৰ বিকাশ সাধনৰ ক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰী একতা সভাৰ উদ্যোগত এখনি অসম ভিত্তিক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াক পৰিচালনা কৰে যোৰহাট কুইজ ফ'ৰামে।

১০। স্বাধীনতা দিৱস ঃ ২০২৩ চনৰ ১৫ আগষ্ট তাৰিখে ৭৭ তম্ স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়।

১১। অভিনন্দন অনুষ্ঠান ঃ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ পৰা ২০২৩ বৰ্ষত শতাধিক ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। সেয়েহে ষ্টাসহ উত্তীৰ্ণ হোৱা বত্ৰিশগৰাকী ছাত্ৰীক অভিনন্দন অনুষ্ঠানটিৰ জৰিয়তে সম্বৰ্ধনা জনোৱা হয়।

মোৰ এই এবছৰীয়া কাৰ্যকালত ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সদস্যাৰ সহযোগত আমি কৰিবলৈ সক্ষম হোৱা

কেইটামান গুৰুত্বপূৰ্ণ কাম হৈছে—

১। মহাবিদ্যালয়ৰ সন্মুখৰ ঠাইডোখৰ মাটি পেলাই অলপ পৰিমাণে হ'লেও ছাত্ৰীসকলৰ খেলৰ উপযোগী কৰি তুলিবলৈ সক্ষম হোৱা।

২। জিৰণীৰ সময়ত ছাত্ৰীসকল বহা বেঞ্চৰ পৰিমাণ তেনেই কম হোৱাৰ বাবে অধ্যক্ষ মহোদয়ক এই কথা অৱগত কৰাৰ লগতে লগে অধ্যক্ষ মহোদয়ৰ তত্ত্বাৱধানত সাতখন বেঞ্চৰ যোগান ধৰিবলৈ সক্ষম হোৱা।

৩। প্ৰত্যেকটো শ্ৰেণীকোঠাৰ বাহিৰত নহ'লেও প্ৰায় শ্ৰেণীকোঠাৰ বাহিৰত ডাষ্টবিনৰ যোগান ধৰিবলৈ সক্ষম হোৱা।

৪। বহু দিন ধৰি খোৱাৰ অনুপযোগী হৈ থকা দ্বাদশ শ্ৰেণীৰ ওচৰত থকা পানীৰ ফিল্টাৰটোৰ পৰা পানী খোৱাৰ উপযোগী কৰি তুলিবলৈ সক্ষম হোৱা।

যিহেতু মনৰ পৰিকল্পনাৰ কোনো শেষ নাই, পৰিকল্পনা বহু আছিল যদিও ইমান কম সময়ত এই গুৰু দায়িত্বভাগ পালন কৰোঁতে বহুতো আশা পূৰণ নহ'ল। আশা কৰোঁ আমাৰ পৰৱৰ্তী ছাত্ৰী একতা সভাই বাদ পৰি যোৱা সমূহ কাম আগবঢ়াই নিব।

প্ৰতিবেদনৰ শেষত মহাবিদ্যালয়খনৰ হকে কাম কৰাৰ কিছু সুবিধা প্ৰদান কৰাৰ বাবে মই সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ এই কাৰ্যকালত মোক প্ৰতিটো খোজতে সাহস দিয়া শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি প্ৰত্যেকজন শিক্ষাগুৰু তথা ছাত্ৰী একতা সভাৰ সমূহ সদস্যাক আন্তৰিক ধন্যবাদ জনাইছোঁ।

মোৰ কাৰ্যকালত আধৰুৱা হৈ ৰোৱা কামসমূহ নৱনিৰ্বাচিত সভাপতিৰ হাতত অৰ্পণ কৰিলোঁ।

সদৌ শেষত আপোন মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি বিচাৰিছোঁ। আগুৱাই যাওক, বিশ্ব দৰবাৰত যেন আপোন মহাবিদ্যালয়খন জিলিকি ৰওক। ইয়াৰ প্ৰতিগৰাকী ছাত্ৰী জিলিকি ৰওক তাৰে কামনাৰে...

**— কৰিস্মা গগৈ**

# উপ-সভাপতিৰ প্ৰতিবেদন

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়। মই এই প্ৰতিবেদনৰ বুলনিতে সেইসকল মহান মনিষীক কৃতজ্ঞতা আৰু সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ যিসকলৰ অপৰিসীম প্ৰচেষ্টাত তথা ত্যাগৰ প্ৰতীকৰূপে এই লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খনি গঢ় লৈ উঠিছিল। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ছাত্ৰী বান্ধৱী আৰু মোক উৎসাহ প্ৰদান কৰা সমূহ শুভাকাংক্ষীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ আশ্ৰম সদৃশ সেউজীয়া পৰিবেশত প্ৰতমবাৰ খোজ দিয়াৰ পিছতে মহাবিদ্যালয় আৰু মহবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ সৈতে এটি এৰাব নোৱৰা সম্পৰ্ক গঢ় লৈ উঠিছিল। এই মহাবিদ্যালয় আৰু ইয়াৰ সেউজীয়া আচলত বান্ধ খাই থকা হাজাৰ হাজাৰ সপোনৰ হকে কাম কৰিবলৈ হেঁপাহ মনত বান্ধিছিলোঁ। এই সপোনবোৰক বাস্তৱায়িত কৰিবলৈ ২০২২ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মই উপ-সভাপতি পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ।

শিক্ষাগুৰুসকলৰ আশীৰ্বাদ, অগ্ৰজসকলৰ দিহা-পৰামৰ্শ আৰু মোৰ শুভাকাংক্ষীসকলৰ সমৰ্থনত মোৰ এই সপোন পূৰ্ণ হ'ল আৰু মহাবিদ্যালয়ৰ বাবে কাম কৰাৰ সুযোগ পালোঁ। এই সেউজীয়া নগৰীখনৰ প্ৰতিগৰাকী ছাত্ৰীয়ে মোৰ পেৰত ৰখা বিশ্বাসৰ বাবে মই তেওঁলোকৰ ওচৰতো কৃতজ্ঞ। হাজাৰ ছাত্ৰীৰ বিশ্বাসৰ বাবে মোৰ নামৰ আগত জড়িত হৈছিল লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ উপ-সভাপতি অনিশা দাস। এই শব্দকেইটাই দিছিল মোক শক্তি আৰু আত্মবিশ্বাস যাৰদ্বাৰা মহাবিদ্যালয় চল্লাচ্চ-চ্ বৰ্ষৰ এই এবছৰীয়া সময়ত মই নিজৰ কৰণীয়খিনি নিষ্ঠাৰে কৰিব পাৰোঁ। সেউজীয়া দুপাট্টাখনৰ ওপৰত জিলিকি উঠা ক'লা কাপোৰ দুটুকুৰাই প্ৰতিবাৰে মোক সোঁৱৰাই দিছিল মোৰ কৰ্মৰ মাজত যাতে বাধা নাহে।

মোৰ এই এবছৰীয়া কাৰ্যকালত মোক সকলো সময়তে সহায় কৰা, দিহা-পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ লগতে মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গক শ্ৰদ্ধা নিবেদিছোঁ, প্ৰতিক্ষণতে মোক সহায় কৰা মোৰ বিভাগৰ ছাত্ৰী বান্ধৱীসকল,

প্ৰাক্তন ছাত্ৰী একতা সভাৰ সদস্যা বাসকললৈ মোৰ কৃতজ্ঞতা অৰ্পন কৰিলোঁ। আপোনালোক অবিহনে মোৰ বাবে এই প্ৰতিবেদন লিখাটো স্বপ্নৰো অগোচৰ। মহাবিদ্যালয়ৰ উপ-সভাপতি হিচাপে মোৰ এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰতিটো অনুষ্ঠানকে সাফল্যমণ্ডিত কৰাৰ চেষ্টা কৰিছিলোঁ। মোৰ কাৰ্যকালৰ সময়ছোৱাত মই মহাবিদ্যালয়ৰ বাবে কিমান কাম কৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য।

মহাবিদ্যালয়ত পৰম্পৰাগতভাৱে উদ্‌যাপন কৰি অহা সৰস্বতী পূজা, বাৰ্ষিক ক্ৰীড়া সপ্তাহ, নৱাগতা আদৰণী সভা, শিক্ষক দিৱস ইত্যাদি অনুষ্ঠান মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় তথা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সন্মানীয় তত্ত্বাৱধায়ক শিক্ষাগুৰুসকলৰ তত্ত্বাৱধানত আৰু ছাত্ৰী একতা সভাৰ সদস্যাৰ সহযোগিতাত সাফল্যমণ্ডিত কৰি তুলিবলৈ সক্ষম হৈছিলোঁ। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ উপ-সভাপতি হিচাপে মোৰ এবছৰীয়া কাৰ্যকালৰ চমু খতিয়ান দাঙি ধৰাৰ প্ৰয়াস কৰিলোঁ।

১। সৰস্বতী পূজা ঃ ছাত্ৰী একতা সভাৰ যৌথ প্ৰচেষ্টাত আৰু তত্ত্বাৱধায়কসকলৰ সহযোগিতাত আমি সৰস্বতী পূজাখনি অতি আকৰ্ষণীয়ভাৱে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলোঁ। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি গ্ৰন্থমেলাও আয়োজন কৰা হৈছিল।

২। নাকৰ আগমন ঃ মোৰ কাৰ্যকালৰ সময়ছোৱাত নাকে মহাবিদ্যালয় পৰিদৰ্শনৰ বাবে আহিছিল। নাকৰ পৰিদৰ্শনৰ সময়ছোৱাত এটি সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হৈছিল যাৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰীসকলে সাংস্কৃতিক দিশত থকা নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিছিল।

৩। মহাবিদ্যালয় সপ্তাহ ঃ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীৰ মাজত থকা ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক প্ৰতিভা বিকাশৰ বাবে মহাবিদ্যালয়ত এটি সপ্তাহজোৰা কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল।

৪। নৱাগতা আদৰণী সভা ঃ মহাবিদ্যালয়লৈ অহা নৱাগতসকলক আদৰিবৰ বাবে আমি অনুষ্ঠিত কৰিছিলোঁ নৱাগতা আদৰণী সভা। এই সভাৰ শুভ আৰম্ভণি কৰিছিল পতাকা উত্তোলন আৰু শ্বহীদক পুষ্পাঞ্জলি অৰ্পনেৰে আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ ছাৰে এই দিনত প্ৰাচীৰ পত্ৰিকা ‘প্ৰত্যুষ' আৰু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ আলোচনী উন্মোচন কৰা হয়। এই সভাত মুখ্য অতিথি হিচাপে আমি আমন্ত্ৰণ কৰিছিলোঁ বিখ্যাত কণ্ঠশিল্পী ড° সংগীতা কাকতি বাইদেউক।

৫। শিক্ষক দিৱস ঃ আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক সন্মান কৰাবৰ বাবে আমি শিক্ষক দিৱসৰ আয়োজন কৰিছিলোঁ। আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক মই পুনৰবাৰ শ্ৰদ্ধা নিবেদিছোঁ।

এনেদৰেই ছাত্ৰী একতা সভাৰ উপ-সভাপতিৰূপে মহাবিদ্যালয়ৰ সকলো অনুষ্ঠানতে নিজকে সক্ৰিয়ভাৱে জড়িত ৰাখিছিলোঁ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আয়োজন কৰা এটি সভাত মই আৰু ছাত্ৰী একতা সভাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে অংশগ্ৰহণ কৰিছিল, এই সভা আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহত হোৱা সাধাৰণ নিৰ্বাচনৰ ওপৰত। এই সভাত অংশগ্ৰহণ কৰি মোৰ অনুভৱ হৈছিল যে আমাৰ মহাবিদ্যালয়খন কিমান যে অন্যতম, নিজকে বহুত সৌভাগ্যবান বুলি অনুভৱ হৈছিল যে মই লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী। মহাবিদ্যালয়ত মোৰ কাৰ্যকালৰ সময়ত মহাবিদ্যালয়ৰ যেন পথাৰখনিত মাটি পেলাই খেলিবৰ বাবে অধিক উপযোগী কৰি তোলা হৈছিল, মহাবিদ্যালয়ত দৃষ্টিগোচৰ হোৱা সমস্যাবোৰৰ বিষয়ে অধ্যক্ষ মহোদয়ক অৱগত কৰাৰ পিছতেই প্ৰায় সকলোবোৰ সমস্যাই সমাধা হৈছিল।

কাৰ্যকালৰ নিজৰ কৰ্মখিনি কৰাৰ সময়ত সকলোৰে সহায় লাভ কৰিছিলোঁ যদিও কিছু লোকৰ পৰা সমালোচনাও পাইছিলোঁ। কিন্তু সেই সমালোচনাক উন্নতিৰ জখলা বুলি চিন্তা কৰি নিজৰ কামকে প্ৰাধান্য দিবলৈ যত্ন কৰিছিলোঁ। মোৰ এবছৰীয়া কাৰ্যকালত মোৰ কৰণীয়খিনিৰ লগতে মনত মহাবিদ্যালয়খনিৰ বাবে অন্য বহু কাৰ্য কৰাৰ সপোন আছিল কিন্তু বহু ব্যস্ততাৰ মাজত সকলোকিনি কৰাতো সম্ভৱ নহ'ল। মই মোৰ কাৰ্যকালৰ আধৰুৱাখিনি মোৰ পৰৱৰ্তী উপ-সভাপতিৰ হাতত তুলি দিলোঁ আৰু পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ বাবে আৰু উন্নত চিন্তা কৰাৰ লগতে সৰ্বাংগীন উন্নতিৰ দিশত অগ্ৰসৰ হ'বৰ বাবে এই প্ৰতিবেদনখনি অৰ্পন কৰিলোঁ।

সেউজীয়া পৃথিৱীখনৰ সদস্য হ'বলৈ পাই মই নিজকে সুখী বুলি অনুভৱ কৰোঁ আৰু চিৰকাললৈ এই মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কামনা কৰোঁ। এই মহাবিদ্যালয়খনিয়ে মোৰ মনৰ নিৰ্ভীক কোনৰ সপোন পূৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিলে যাৰবাবে মই লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ চিৰ কৃতজ্ঞ। সৰ্বশেষত মহাবিদ্যালয়ত জীৱিত হাজাৰৰ সপোন পূৰণৰ আশাৰে...

— অনিশা দাস

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

লক্ষীমপুৰ বালিকা মহাবিদ্যালয় ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশৰ এখনি নাৰীৰ অগ্ৰণী উচ্চ শিক্ষা কেন্দ্ৰ। জয় জয়তে সেই পূণ্যাত্মা তথা দূৰদৰ্শী বলিষ্ঠ ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। যিসকলৰ অপৰিসীম প্ৰচেষ্টাত তথা ত্যাগৰ প্ৰতীক ৰূপে 'সেুজ নগৰী' হিচাপে খ্যাত এই লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খনি গঢ় লৈ উঠিছিল।

প্ৰকিবেদনৰ জৰিয়তে লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ছাত্ৰী বান্ধৱী আৰু শুভাকাংক্ষীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। দুচকুত অলেখ সপোন বুকুত অদম্য হেঁপাহ বান্ধি নাৰী শিক্ষাৰ এই বিশিষ্ট প্ৰেক্ষাপট লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত শুভাকাংক্ষীসকল আৰু ছাত্ৰী বান্ধৱীসকলৰ বিপুল দাবীত তৃতীয় ষাম্মাসিকত সাধাৰণ সম্পাদিকা পদৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়লাভ কৰিছিলোঁ।

শিক্ষাগুৰুসকলৰ আশীৰ্বাদ, অগ্ৰজসকলৰ দিহা-পৰামৰ্শ তথা অনুজসকলৰ মৰম চেনেহেৰে মহাবিদ্যালয়খনৰ সাধাৰণ সম্পাদিকা হিচাপে মোৰ এবছৰীয়া কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয়খনৰ বাবে কিমান কৰিবলৈ সক্ষম হ'লোঁ সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। অতিবাহিত এই এবছৰত মই নানা জ্ঞান, অভিজ্ঞতা, ঘাত-প্ৰতিঘাত বুটিলিবলৈ সক্ষম হ'লোঁ। লগ পালোঁ অভিজ্ঞতাপুষ্ট বহু বিশেষ বৰেণ্য ব্যক্তিক।

মোৰ কাৰ্যকালত সন্মানীয় অধ্যক্ষ ড° সুৰজিৎ ভূঞা, উপাধ্যক্ষ ৰবীন কাকতি ছাৰ তথা ছাত্ৰী একতা সভাৰ সন্মানীয় তত্বাৱধায়ক শিক্ষাগুৰুসকলৰ তত্বাৱধানত আৰু ছাত্ৰী একতা সভাৰ সভাপতি, উপ-সভাপতিৰ লগতে আন সদস্যাসকলৰ সহযোগত মহাবিদ্যালয়ত পৰম্পৰাগতভাৱে উদ্‌যাপিত সৰস্বতী পূজা, গণতন্ত্ৰ দিৱস, নৱাগত আদৰণী সভা, স্বাধীনতা দিৱস, শিক্ষক দিৱস, সংকৰদেৱৰ তিথি, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস আৰু মহাবিদ্যালয় সপ্তাহ আদি অনুষ্ঠানসমূহ আটাইতকৈ আকৰ্ষণীয়ভাৱে অনুষ্ঠিত কৰা হৈছিল। তদুপৰি ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদৰ এটি দলে আমাৰ মহাবিদ্যালয় পৰিদৰ্শনৰ বাবে অহা দুদিনীয়া কাৰ্যসূচী আৰু সদৌ অসম ভিত্তিত মহাবিদ্যালয়ে অনুষ্ঠিতকৰা কুইজ প্ৰতিযোগিতাখনি সফলতাৰে অনুষ্ঠিত হয়।

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকা হিচাপে মোৰ এবছৰীয়া কাৰ্যকালৰ চমু খতিয়ান তলত দাঙি ধৰিবলৈ চেষ্টা কৰিলোঁ—

১। গণৰাজ্য দিৱস ঃ আমাৰ কাৰ্যকালৰ শুভাৰম্ভণি অনুষ্ঠান হৈছে গণৰাজ্য দিৱস। এই অনুষ্ঠানত পোন প্ৰথমে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকাউত্তোলন কৰা হয় আৰু সমূহ শিক্ষাগুৰু আৰু ছাত্ৰীসকলৰ লগতে বিভিন্ন কৰ্মীসকলে একেলগে ৰাষ্ট্ৰীয় সংগীতটি গোৱা হয়। তাৰ পাছতে উপাধ্যক্ষ মহোদয়ে শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে।

২। সৰস্বতী পূজা ঃ ছাত্ৰী একতা সভা তথা তত্বাৱধায়কসকলৰ তত্বাৱধানত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজাভাগ সুকলমে অনুষ্ঠিত কৰা হয়। এই দিনটোৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ত ২৬ জানুৱাৰী, ২০২৩ তাৰিখৰ পৰা ২৮ জানুৱাৰী, ২০২৩ তাৰিখলৈকে গ্ৰন্থমেলাও অনুষ্ঠিত কৰা হয়।

৩। নাক ঃ ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদৰ এটি দলে আমাৰ মহাবিদ্যালয় পৰিদৰ্শনৰ বাবে অহা দুদিনীয়া কাৰ্যসূচীৰ লগতে এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা খুউব সুন্দৰ নৃত্য পৰিৱেশনৰ দ্বাৰা এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানটি দুজন বিশিষ্ট্য নৃত্যশিল্পী দ্বীপজ্যোতি আৰু দিপাংকৰ ছাৰৰ পৰিচালনা আৰু জয়ন্তজিৎ বৰদলৈ ছাৰ আৰু দুলেন গগৈ ছাৰৰ তত্বাৱধানত সাফল্যমণ্ডিত হৈ পৰে।

৪। মহাবিদ্যালয় সপ্তাহ ঃ ১৪ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ

পৰা ১৮ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখলৈ মহাবিদ্যালয়ত পাঁচদিনীয়া কাৰ্যসূচীৰে ছাত্ৰীসকলৰ সৰ্বাংগীন দিশৰ বিকাশ সাধনৰ লক্ষ্যৰে ছাত্ৰীসকলৰ মাজত সাহিত্যৰ নানান প্ৰতিযোগিতা, সাংস্কৃতিক প্ৰতিযোগিতা, আন্তঃক্ৰীড়া আৰু বহিঃক্ৰীড়া বিভাগৰ বিভিন্ন খেল অনুষ্ঠিত কৰা হয়। লগতে যোগবিদ্যাৰো প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

৫। শংকৰদেৱৰ তিথি ঃ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ তিথিভাগ আমি যথেষ্ট ভক্তি ভাৱেৰে আৰু উলহ-মালহেৰে অনুষ্ঠিত কৰোঁ।

৬। প্ৰতিষ্ঠা দিৱস ঃ মহাবিদ্যালয়ত প্ৰতিষ্ঠা দিৱসটি ১৬ আগষ্ট ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুৰ লগতে ছাত্ৰীসকলৰ সহযোগিতাত পালন কৰা হৈছিল।

৭। নৱাগত আদৰণী সভা ঃ মহাবিদ্যালয়খনলৈ অহা নৱাগতসকলক আনুষ্ঠানিকভাৱে সম্ভাষণ জনোৱাৰ মানসেৰে অনুষ্ঠিত কৰিছিলোঁ নৱাগত আদৰণী সভা। ২০২৩ চনৰ ২৬ আগষ্ট তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হৈছিল নৱাগত আগৰণী সভা। এই সভাৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ ভূঞা ছাৰে, শ্বহীদ বেদিত বন্তি প্ৰজ্বলন কৰে উপাধ্যক্ষ ৰবীন কাকতি ছাৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা ‘প্ৰত্যুষ’ উন্মোচন কৰে উত্তৰ লক্ষীমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ শ্ৰীযুত প্ৰফুল্ল শৰ্মা ছাৰে। মুকলি সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট কণ্ঠশিল্পী ড° সংগীতা কাকতি বাইদেউ। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ হিচাপে জনপ্ৰিয় কণ্ঠশিল্পী জনম কাশ্যপ উপস্থিত থাকে।

৮। শিক্ষক দিৱস ঃ ৫ ছেপ্টেম্বৰ তাৰিখে শিক্ষাগুৰুসকলক অন্তৰৰ পৰা সেৱা জনোৱা তথা ড° সৰ্বপল্লী ৰাধাকৃষ্ণদেৱক স্মৰণ কৰাৰ উদ্দেশ্যে পালন কৰা হয় এই অনুষ্ঠান। ইয়াৰ জৰিয়তে আমাক শিক্ষক দিৱসৰ কাৰ্যসূচী সুচাৰুৰূপে সমাপ্ত কৰাত সহযোগিতা আগবঢ়োৱা প্ৰতিগৰাকী ছাত্ৰীক ধন্যবাদ জনাইছোঁ আৰু চিৰনমস্য শিক্ষাগুৰুসকলক মোৰ সেৱা জনাইছোঁ।

৯। সদৌ অসম কুইজ প্ৰতিযোগিতা ঃ ২০২৩ চনৰ ১১ নৱেম্বৰত ছাত্ৰীসকলৰ বিকাশ সাধনৰ ক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰী একতা সভাৰ উদ্যোগত এখনি অসম ভিত্তিক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াক পৰিচালনা কৰে যোৰহাট কুইজ ফ'ৰামে।

১০। স্বাধীনতা দিৱস ঃ ২০২৩ চনৰ ১৫ আগষ্ট তাৰিখে ৭৭ তম্ স্বাধীনতা দিৱস উদ্যাপন কৰা হয়।

১১। অভিনন্দন অনুষ্ঠান ঃ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ পৰা ২০২৩ বৰ্ষত শতাধিক ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। সেয়েহে ষ্টাসহ উত্তীৰ্ণ হোৱা বত্ৰিশগৰাকী ছাত্ৰীক অভিনন্দন অনুষ্ঠানটিৰ জৰিয়তে সম্বৰ্ধনা জনোৱা হয়।

এনেদৰেই মোৰ এবছৰীয়া কাৰ্যকালৰ পৰিসমাপ্তি ঘটিল।

মোৰ কাৰ্যকালত ছাত্ৰী একতা সভাৰ প্ৰতিগৰাকী সদস্যাৰ সহযোগত কৰিবলৈ সক্ষম হোৱা কেইটামান গুৰুত্বপূৰ্ণ কাম—

১। মহাবিদ্যালয়ৰ সন্মুখৰ ঠাইডোখৰ মাটি পেলাই অলপ পৰিমাণে হ'লেও ছাত্ৰীসকলৰ খেলৰ উপযোগী কৰি তুলিবলৈ সক্ষম হোৱা।

২। জিৰণীৰ সময়ত ছাত্ৰীসকল বহা বেঞ্চৰ পৰিমাণ তেনেই কম হোৱাৰ বাবে অধ্যক্ষ মহোদয়ক এই কথা অৱগত কৰাৰ লগে লগে অধ্যক্ষ মহোদয়ৰ তত্ত্বাৱধানত সাতখন বেঞ্চৰ যোগান ধৰিবলৈ সক্ষম হোৱা।

৩। প্ৰত্যেকটো শ্ৰেণীকোঠাৰ বাহিৰত নহ'লেও প্ৰায় শ্ৰেণীকোঠাৰ বাহিৰত ডাষ্টবিনৰ যোগান ধৰিবলৈ সক্ষম হোৱা।

৪। বহু দিন ধৰি খোৱাৰ অনুপযোগী হৈ থকা দ্বাদশ শ্ৰেণীৰ ওচৰত থকা পানীৰ ফিল্টাৰটোৰ পৰা পানী খোৱাৰ উপযোগী কৰি তুলিবলৈ সক্ষম হোৱা।

যিহেতু মনৰ পৰিকল্পনাৰ কোনো শেষ নাই, পৰিকল্পনা বহু আছিল যদিও ইমান কম সময়ত এই গুৰু দায়িত্বভাগ পালন কৰোঁতে বহুতো আশা পূৰণ নহ'ল। আশা কৰোঁ আমাৰ পৰৱৰ্তী ছাত্ৰী একতা সভাই বাদ পৰি ৰোৱা সমূহ কাম আগবঢ়াই নিব।

প্ৰতিবেদনৰ শেষত মহাবিদ্যালয়খনৰ হকে কাম কৰাৰ কিছু সুবিধা প্ৰদান কৰাৰ বাবে মই সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ এই কাৰ্যকালত মোক প্ৰতিটো খোজতে সাহস দিয়া শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, নিপন পাংগিং ছাৰ, নিবেদিতা শৰ্মা বাইদেউ, জয়ন্তজিৎ বৰদলৈ ছাৰ, কালিদাস ব্ৰহ্ম ছাৰ, দুলেন ছাৰ, মেকডাফ সোণোৱাল ছাৰ তথা ছাত্ৰী কেতা সভাৰ সকলো সদস্যাক ধন্যবাদ জনাইছোঁ। মোৰ কাৰ্যকালত আধৰুৱা হৈ ৰোৱা কামসমূহ নৱনিৰ্বাচিত সাধাৰণ সম্পাদিকাৰ হাতত অৰ্পন কৰিলোঁ।

সদৌ শেষত আপোন মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি বিচাৰিছোঁ যাতে আৰু আগুৱাই যাওক বিশ্ব দৰবাৰত যেন আপোন মহাবিদ্যালয়খন জিলিকি ৰওক তাৰে কামনাৰে...

**— বিষ্ণুপ্ৰিয়া গোহাঁই**

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল বৰেণ্য ব্যক্তিক মই অশেষ শ্ৰদ্ধা আৰু প্ৰণিপাত জনাইছোঁ, যিসকলৰ প্ৰচেষ্টাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয় গঢ় লৈ উঠি ্সমৰ এখন ।গশাৰীৰ মহাবিদ্যালয় হিচাপে পৰিগণিত হয়। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, প্ৰমুখ্যে চিৰপূজ্য শিক্ষাগুৰুসকল, বিভাগীয় উপদেষ্টা, কৰ্মচাৰীবৃন্দৰ লগতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰীলৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়খনৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা, মহাবিদ্যালয়খনিৰ বাবে কাম কৰাৰ প্ৰবল ইচ্ছাশক্তি বুকুত বান্ধি ২০২২-২৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক বিভাগৰ সম্পাদিকা ৰূপে নিজৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ যদিও বিপৰীত পক্ষক কোনো প্ৰতিদ্বন্দ্বী নোহোৱা হেতুকে মহাবিদ্যালয়ৰ নিৰ্বাচনী আয়োগে মোক সেই বছৰৰ অৰ্থাৎ ২০২২-২৩ বৰ্ষৰ সাংস্কৃতিক সম্পাদিকা হিচাপে ঘোষণা কৰিছিল। সেই মৰ্মে ছ্য় নৱেম্বৰ ২০২২ তাৰিখে ছাত্ৰী একতা সভাৰ নৱ নিৰ্বাচিত সদস্যাসকলে কে নতুন উ্যম লৈ কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ। সেই সময়ত মনৰ অজস্ৰ ভয় আছিল, জানোচা মই মোৰ এই দায়িত্ব সঠিকৰূপে ৰূপায়ন কৰাত ক'ৰবাত ব্যৰ্থ হওঁ। তথাপিও গভীৰ আত্মবিশ্বাস আৰু মনত সাহস লৈ শিক্ষাগুৰুসকলৰ আশীৰ্বাদ শিৰত লৈ মই মোৰ দায়িত্বত অগ্ৰসৰ হওঁ।

**মোৰ কাৰ্যকালৰ চমু খতিয়ান তলত দাঙি ধৰা হ'ল—**

১। গণতন্ত্ৰ দিৱস ঃ ২৬ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ত গণতন্ত্ৰ দিৱস পালন কৰা হয়। সেইদিনা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় সহিতে সমূহ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে জাতীয় পতাকা উত্তোলন কৰিছিল।

২। সৰস্বতী পূজা ঃ যিহেতু ২০২৩ চনৰ সৰস্বতী পূজা আৰু গণতন্ত্ৰ দিৱস একেদিনাই অৰ্থাৎ ২৬ জানুৱাৰী তাৰিখে একেলগে পৰিছিল, সেই হেতু গণতন্ত্ৰ দিৱস উদ্‌যাপন কৰাৰ পিছত সৰস্বতী পূজা উদ্‌যাপন কৰা হৈছিল। যিহেতু সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী গতিকে সেই দিনটো অধিক তাৎপৰ্যপূৰ্ণ কৰি তুলিবলৈ সকলো ছাত্ৰীক গ্ৰন্থৰ প্ৰতি আকৰ্ষিত কৰি তুলিবৰ বাবে মহাবিদ্যালয়ৰ লগত জড়িত সতীৰ্থ গ্ৰন্থমেলা ২৬ জানুৱাৰী, ২০২৩ তাৰিখৰ পৰা ২৭ জানুৱাৰী, ২০২৩ তাৰিখলৈ দুদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। এনেদৰে সৰস্বতী পূজা অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়।

৩। নাক ঃ আমাৰ বাবে এক পৰম সৌভাগ্যৰ কথা যে আমি দায়িত্বত থাকোঁতেই নাকৰ পৰিদৰ্শন হৈছিল। এই সময়ত বিভিন্ন ধৰণৰ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল। এই অনুষ্ঠানসমূহৰ ভিতৰত মুখ্যতঃ সাংস্কৃতিক অনুষ্ঠানে প্ৰাধান্য লাভ কৰিছিল। পোন প্ৰতমে মহাবিদ্যালয়ৰ সমবেত সংগীত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে অতি সুন্দৰভাৱে পৰিবেশন কৰিছিল। ইয়াৰ পাছত এক বাৰেবৰণীয়া নৃত্য পৰিবেশন কৰা হৈছিল। য'ত অসমৰ সত্ৰীয়া নৃত্য আৰু বিহুকে আদি কৰি সকলো সামৰি লোৱা হৈছিল। এই অনুষ্ঠানৰ যোগেদি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বিভিন্ন প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সুযোগ লাভ কৰিছিল।

৪। মহাবিদ্যালয় সপ্তাহ ঃ বিগত বছৰবোৰৰ দৰে এইবছৰো মহাবিদ্যালয় সপ্তাহ নিয়াৰিকৈ অনুষ্ঠিত কৰা হয়। ইয়াৰ যোগেদি অনেক প্ৰতিভা বিকশিত কৰিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে সুযোগ লাভ কৰিলে। ১৭ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখ আৰু ১৮ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহ আয়োজিত কৰা হৈছিল। ১৭ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে বিভিন্ন ধৰণৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ বাবে বিচাৰক হিচাপে শ্ৰীযুত তুলসী গগৈ আৰু শ্ৰীযুত যুগল ভূঞা, দুয়োজনকে আমন্ত্ৰণ কৰা হৈছিল। তেওঁলোকে নিয়াৰিকৈ প্ৰতিযোগিতাসমূহ চলাই নিলে। মহাবিদ্যালয়ৰ বহুতো ছাত্ৰীয়ে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিছিল যদিও বিচাৰক মণ্ডলীয়ে ফলাফল নিম্নধৰণে ঘোষণা কৰিছিল।

**বৰগীত ঃ**

প্ৰথম স্থান ঃ পাহী ভূঞা (ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান ঃ পৰিস্মিতা বৰা (উদ্ভিদ বিজ্ঞান বিভাগ)
তৃতীয় স্থান ঃ লিমা দত্ত (ইংৰাজী বিভাগ)

**লোকগীত ঃ**

প্ৰথম স্থান ঃ অনন্যা ভৰালী (ইংৰাজী বিভাগ)
দ্বিতীয় স্থান ঃ মধুস্মৃতা গোহাঁই (শিক্ষাতত্ত্ব বিভাগ)
তৃতীয় স্থান ঃ পৰিস্মিতা বৰা (উদ্ভিদ বিজ্ঞান বিভাগ)

**ভূপেন্দ্র সংগীত ঃ**

প্ৰথম স্থান ঃ লখিমী শৰ্মা (বুৰঞ্জী বিভাগ)

দ্বিতীয় স্থান ঃ ত্ৰিশিতা বৰা (অসমীয়া বিভাগ)

তৃতীয় স্থান ঃ শিল্পিশিখা হাজৰিকা (ৰাজনীতি বিজ্ঞান বিভাগ)

**জ্যোতি সংগীত ঃ**

প্ৰথম স্থান ঃ অনন্যা ভৰালী (ইংৰাজী বিভাগ)

দ্বিতীয় স্থান ঃ মিনালিনী শইকীয়া (ইংৰাজী বিভাগ)

তৃতীয় স্থান ঃ নমিশা হাজৰিকা (শিক্ষাতত্ত্ব বিভাগ)

**বিষ্ণুৰাভা সংগীত ঃ**

প্ৰথম স্থান ঃ লখিমী শৰ্মা (বুৰঞ্জী বিভাগ)

দ্বিতীয় স্থান ঃ মেদিনী সোণোৱাল (ৰাজনীতি বিজ্ঞান বিভাগ)

তৃতীয় স্থান ঃ পাহী বৰা (ৰাজনীতি বিজ্ঞান বিভাগ)

**জয়ন্ত হাজৰিকা গীত ঃ**

প্ৰথম স্থান ঃ মিনালিনী শইকীয়া (ইংৰাজী বিভাগ)

দ্বিতীয় স্থান ঃ সুনীতা টাইড (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

তৃতীয় স্থান ঃ ত্ৰিশিতা বৰা (অসমীয়া বিভাগ)

বিচাৰকমণ্ডলীয়ে বিচাৰ কৰি ক'লে যে 'শ্ৰেষ্ঠ গায়িকা' নিৰ্বাচন কৰিব পৰা নহ'ল কাৰণ প্ৰতিযোগীসকলৰ ভিতৰত দুটাতকৈ বেছি পুৰস্কাৰ পাবলৈ সক্ষম নহ'ল। এনেদৰে ১৮ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে বিভিন্ন ধৰণৰ নৃত্য প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। বিচাৰকৰ বাবে অনুপম কিংকৰ বৰা আৰু বৈদ্যশ্ৰী গগৈক আমন্ত্ৰণ জনোৱা হৈছিল। তেওঁলোকে বিভিন্ন নৃত্যৰ ফলাফল এনেদৰে দিলে—

**শাস্ত্ৰীয় নৃত্য ঃ**

প্ৰথম স্থান ঃ লিজা দত্ত (ইংৰাজী বিভাগ)

দ্বিতীয় স্থান ঃ ৰিধিৰাণী দলে (ইংৰাজী বিভাগ)

**আধুনিক নৃত্য (একক) ঃ**

প্ৰথম স্থান ঃ ৰিধিৰাণী দলে (ইংৰাজী বিভাগ)

দ্বিতীয় স্থান ঃ লিজা দত্ত (ইংৰাজী বিভাগ)

তৃতীয় স্থান (যুটীয়াভাৱে) ঃ স্পৃহা দেৱী (উদ্ভিদ বিজ্ঞান বিভাগ বৰষা বুঢ়াগোহাঁই (হিন্দী বিভাগ)

**আধুনিক দলীয় নৃত্য ঃ**

প্ৰথম স্থান ঃ বুৰঞ্জী বিভাগ

দ্বিতীয় স্থান ঃ হিন্দী বিভাগ
প্ৰাণীবিজ্ঞান বিভাগ

তৃতীয় স্থান ঃ ভূগোল বিভাগ

ইয়াৰ লগতে ১৮ ফেব্ৰুৱাৰী, ২০১৩ তাৰিখে মিমিক্ৰী আৰু ভেকচন প্ৰতিযোগিতা আয়োজিত কৰা হৈছিল। বিচাৰকৰ বাবে মহাবিদ্যালয়ৰে শিক্ষক দুলেন গগৈ াৰু পৰিণীতা বুঢ়াগোহাঁই দুয়োজনকে দায়িত্ব দিয়া হৈছিল। তেওঁলোকে ফলাফলসমূহ এনেদৰে ঘোষণা কৰে—

**মিমিক্ৰী ঃ**

প্ৰথম স্থান ঃ চয়নিকা ৰায় (হিন্দী বিভাগ)

দ্বিতীয় স্থান ঃ ধৰিত্ৰী বৰুৱা (অসমীয়া বিভাগ)

তৃতীয় স্থান ঃ ৰিতুপৰ্ণা দত্ত (ইংৰাজী বিভাগ)

**মোকাভিনয় ঃ**

প্ৰথম স্থান ঃ চয়নিকা ৰায় (হিন্দী বিভাগ)

দ্বিতীয় স্থান ঃ পাহি ভূঞা (ৰাজনীতি বিজ্ঞান বিভাগ)

তৃতীয় স্থান ঃ বৰষা বৰগোহাঁই (হিন্দী বিভাগ)
বিষ্ণুপ্ৰিয়া গোহাঁই (হিন্দী বিভাগ)

৫। খেল মহাৰণ নাৰীসবলীকৰণকঃ ১২ আগষ্ট, ২০২৩ তাৰিখে নাৰী সবলীকৰণক কেন্দ্ৰ কৰি মহাবিদ্যালয়ত হেণ্ড বল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াত বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। ইয়াত সাংস্কৃতিক বিভাগৰ হৈ খেলপথাৰ উদ্বোধন কৰিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰী (নিৰ্দিষ্ট কেইগৰাকীয়ে) মিলি দুটা নৃত্য প্ৰদৰ্শন কৰে।

৬। প্ৰতিষ্ঠা দিৱস পালন ঃ ১৬ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ সকলো মিলি মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হৈছিল আৰু সন্ধিয়া গোটেই মহাবিদ্যালয়খনিত বন্তি প্ৰজ্জ্বলন কৰি পোহৰাই তোলা হৈছিল।

৭। নৱাগত আদৰণী সভা ঃ নৱাগতসকলক আদৰাৰ উদ্দেশ্যে ২৬ আগষ্ট তাৰিখে নৱাগত আদৰণী সভা অনুষ্ঠিত হৈছিল। এই দিনটোতে প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যুষ' উদ্বোধন কৰা হৈছিল। এইদিনা বিভিন্ন কৃষ্টিৰ লগত জড়িত গীত-নৃত্য প্ৰদৰ্শন কৰা হৈছিল আৰু সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ আছিল গায়ক জনম কাশ্যপ।

৮। শিক্ষক দিৱস ঃ ৫ ছেপ্টেম্বৰ তাৰিখে আমি মিলি শিক্ষক দিৱস উদ্‌যাপন কৰিছিলোঁ। সেইদিনা আমাৰ মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুকে ছাত্ৰীসকলৰ হৈ ছাত্ৰী একতা সভাই সম্বৰ্ধনা জনাইছিল।

৯। সুধাকণ্ঠ দিৱস ঃ ৫ নৱেম্বৰ তাৰিখে সুধাকণ্ঠ ভূপেন হাজৰিকাদেৱক সুঁৱৰি সুধাকণ্ঠ দিৱস উদ্‌যাপন কৰা হৈছিল।

এইদিনা আমাৰ মহাবিদ্যালয়ৰ নিৰ্দিষ্ট কেইবাগৰাকী ছাত্ৰীয়ে ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰাৰ লগতে নৃত্য প্ৰদৰ্শন কৰিছিল।

সদৌ শেষত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতি কামনাৰে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু সমূহ ছাত্ৰীলৈ পুনৰবাৰ কৃতজ্ঞতা জনাই মোৰ সাংস্কৃতিক সম্পাদিকাৰ চমু প্ৰতিবেদন ইমানতে সামৰিলোঁ। আমাৰ চিৰ সেউজীয়া মহাবিদ্যালয়খন দীৰ্ঘজীৱী হওক, সুখ্যাতিৰে জিলিকি থাকক আৰু উন্নতিৰ শিখৰলৈ যাত্ৰা কৰক।

**—প্ৰেৰণা বৰা**

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়। সমগ্ৰ অসম তথা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ এখনি অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান। জ্ঞাত-অজ্ঞাত অজস্ৰজনলৈ এই প্ৰতিবেদনৰ বুলনিতে জনাওঁ যে বহুতো মহান ব্যক্তিৰ অশেষ কষ্ট আৰু সাধনাৰ ফলত গঢ় লৈ উঠিছিল এই শিক্ষানুষ্ঠানখন।

১৯৭২ চনৰ ২৬ আগষ্ট তাৰিখে প্ৰতিষ্ঠা হোৱা দিনৰে পৰা ক্ৰমোন্নতিৰ পথে গৈ থকা মহাবিদ্যালয়খন বৰ্তমান পঞ্চাশ বছৰ পাৰ কৰিছে। এনে এখন অনুষ্ঠানত পঢ়িবলৈ পাই মই নথৈ আনন্দিত তথা গৌৰৱ অনুভৱ কৰিছোঁ। তাতোকৈ অধিক আনন্দিত এইবাবে যে মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত সাহিত্য আৰু আলোচনী বিভাগত মই সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। যিহেতু এইটো বিভাগৰ লগত অন্য আৰু নটা বিভাগতে প্ৰতিদ্বন্দ্বী নোহোৱাত মোৰা আৰু বাকী আটাইকেইজনীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয় আৰু দুটা পদ বহিঃক্ৰীড়া আৰু উপ-সভাপতিক দুজনীকৈ সম্পাদিকাৰ পদ প্ৰদান কৰা হয়।

এনেদৰেই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ সাহিত্য আৰু আলোচনী বিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁ। এনে এখন প্ৰতিষ্ঠানত ছাত্ৰীসমাজৰ হকে কাম কৰিবলৈ সুযোগ পাই মি অতিকৈ আনন্দিত অনুভৱ কৰিছোঁ। লগতে এনে সুযোগ প্ৰদান কৰাৰ বাবে তথা সহায়-সহযোগিতা আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, অগ্ৰজ-অনুজ আৰু সহপাঠী সকলো মোৰ বাবে চিৰকৃতজ্ঞ হৈ ৰ'ব।

প্ৰথমবাৰৰ বাবে কোনো এখন অনুষ্ঠানত দায়িত্বভাৰ লোৱা এয়া আছিল মোৰ প্ৰথম অভিজ্ঞতা। বহুতো জ্ঞাত-অজ্ঞাত অভিজ্ঞতাৰে মহাবিদ্যালয়ৰ এটা বছৰত হোৱা প্ৰত্যেকটো কাৰ্যসূচীতে ভাগ ল'বলৈ সুযোগ লাভ কৰিলোঁ। ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ লগতে তত্ত্বাৱধায়ক মহোদয়সকলৰ সহায় সহযোগিতা আৰু কেতাৰ বলত মহাবিদ্যালয়ৰ এবছৰীয়া কাৰ্যসূচীসমূহ সুচাৰুৰূপে চলাবলৈ সক্ষম হ'লোঁ। মহাবিদ্যালয়ত অনুষ্ঠিত আৰু উদ্‌যাপিত সৰস্বতী পূজা, গণতন্ত্ৰ দিৱস, শিক্ষক দিৱস, শংকৰদেৱৰ তিথি, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আৰু মহাবিদ্যালয় সপ্তাহ আদি আকৰ্ষণীয় অনুষ্ঠানবোৰত কাৰ্যৰত হ'বলৈ সুযোগ পাই আনন্দিত হ'লোঁ। তাৰোপৰি ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদ (নাক)ৰ পৰিদৰ্শন আমাৰ কাৰ্যকালতে হোৱাত আৰু এক নতুন অভিজ্ঞতাই আমাক শিক্ষা প্ৰদান কৰি গৈছিল। দুদিনীয়া নাকৰ পৰিদৰ্শন অনুষ্ঠানে মহাবিদ্যালয়খনক সংস্কৃতিপূৰ্ণ কৰি তুলিছিল।

মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যা হিচাপে নৱাগত আদৰণী সভাৰ পৰা আৰম্ভ কৰি বছৰটোত হোৱা সকলো অনুষ্ঠানত মোৰ ফালৰ পৰা যিমানদূৰ পাৰিলোঁ সহায়-সহযোগিতা আগবঢ়ালোঁ। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনীৰ সম্পাদিকা হিচাপে এবছৰীয়া কাৰ্যকালৰ এটি চমু খতিয়ান দাঙি ধৰিলোঁ—

১। মহাবিদ্যালয়ৰ উদ্যোগত ৪ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে বিভাগীয় প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। য'ত মহাবিদ্যালয়ৰ প্ৰত্যেকটো বিভাগেই অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ ফলাফল স্বৰূপে—

প্ৰথম স্থান : ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় স্থান : গাৰ্হস্থ্য বিজ্ঞান বিভাগ
তৃতীয় স্থান : উদ্ভিদ বিজ্ঞান বিভাগ

প্ৰতিযোগিতাত বিচাৰকৰূপে আমন্ত্রিত কৰা হৈছিল উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ ড° নন্দিতা দত্ত আৰু নাওবৈছা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা শকুন্তলা বৰপাত্ৰ মহোদয়াক।

২। ১৪ জানুৱাৰী, ২০২৩ তাৰিখৰ পৰা ১৮ জানুৱাৰী, ২০২৩ তাৰিখলৈ অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ পৰাও কিছু প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তাৰে প্ৰতিযোগিতা আৰু ফলাফলসমূহ নিম্নলিখিত ধৰণৰ—

**কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

**অসমীয়া ঃ**

প্ৰথম স্থান ঃ লিনা বৰুৱা
দ্বিতীয় স্থান ঃ শিল্পীশিখা হাজৰিকা
তৃতীয় স্থান ঃ চয়নিকা ৰয়, প্ৰিয়াশ্ৰী গগৈ

**হিন্দী ঃ**

শিল্পীশিখা হাজৰিকা (উদ্‌গনিমূলক পুৰস্কাৰ)

**ইংৰাজী ঃ**

ৰুবী কামান (নিচুকণি পুৰস্কাৰ)

**চিত্ৰাংকন প্ৰতিযোগিতা ঃ**

**পানী ৰং ঃ**

প্ৰথম স্থান ঃ শ্বাশ্বতী পাংগিং
দ্বিতীয় স্থান ঃ ইষা দাস
তৃতীয় স্থান ঃ অলকানন্দা বৰি

**পূৰ্বে প্ৰস্তুত চিত্ৰাংকন ঃ**

প্ৰথম স্থান ঃ তুৰিনা নেওগ
দ্বিতীয় স্থান ঃ ববিতা বৰ্মন
তৃতীয় স্থান ঃ নিমিশা কাকতি

**পেঞ্চিল আৰ্ট ঃ**

প্ৰথম স্থান ঃ ডলী বৰা
দ্বিতীয় স্থান ঃ তুৰিনা নেওগ
তৃতীয় স্থান ঃ ববিতা নেওগ
ইষা দাস

**পূৰ্বে প্ৰস্তুত প্ৰতিযোগিতা ঃ**

**গল্প ঃ**

বৰ্ষিতা হাজৰিকা, টিনা বৰুৱা (উদ্‌গনিমূলক বঁটা)

**গ্ৰন্থ সমালোচনা ঃ**

প্ৰথম স্থান ঃ পৰী বৰা
দ্বিতীয় স্থান ঃ নিতাঞ্জলি দাস
তৃতীয় স্থান ঃ জোনমণি পৰাশৰ গোস্বামী

**অনুগল্প ঃ**

প্ৰথম স্থান ঃ খ্যাতি বসুমতাৰী
দ্বিতীয় স্থান ঃ চুম্পী দত্ত
তৃতীয় স্থান ঃ ৰেডিত্ৰণ্ট গগৈ

**প্ৰবন্ধ ঃ**

প্ৰথম স্থান ঃ ডিম্পীৰেখা শইকীয়া
দ্বিতীয় স্থান ঃ স্বস্কিকা বৰবৰা
তৃতীয় স্থান ঃ পৰী বৰা

**কবিতা ঃ**

প্ৰথম স্থান ঃ ৰেডিত্ৰণ্ট গগৈ
দ্বিতীয় স্থান ঃ চুমি গোস্বামী
তৃতীয় স্থান ঃ খ্যাতি বসুমতাৰী

**ৰচনা প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ অংকিতা ফুকন
দ্বিতীয় স্থান ঃ চামিমা আখতাৰ
তৃতীয় স্থান ঃ ৰাখী শইকীয়া, চুম্পী দত্ত

বিগত বৰ্ষত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা হিচাপে কিমান নিৰ্ভুল তথা নিৰ্দোষেৰে কাৰ্য পৰিচালনা কৰিলোঁ নাজানোঁ, তথাপিও অজানিতে কৰা ভুলৰ বাবে প্ৰতিবেদনৰ দ্বাৰা ক্ষমা মাগিছোঁ।

লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ দৰে এখন শৈক্ষিক অনুষ্ঠানৰ হকে কাম কৰিবলৈ পালোঁ সেইখিনিতেই মই সন্তুষ্ট। আগন্তুক দিনলৈও মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু উত্তৰোত্তৰ মই একান্তভাৱে কামনা কৰিছোঁ। নাৰী শিক্ষাৰ অগ্ৰণী প্ৰাণকেন্দ্ৰস্বৰূপ লক্ষীমপুৰ বালিকা মহাবিদ্যালয় জাকত জিলিকি থাকক তাৰে কামনাৰে...

**— প্ৰিয়ংকা লাগাচু**

# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান তথা সেউজ নগৰী ৰূপে খ্যাত আমাৰ আৱেগ, স্বাভিমান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খনি যিসকল বৰেণ্য ব্যক্তিৰ প্ৰচেষ্টাত গঢ় লৈ উঠিছিল আৰু আজি আমাৰ সকলোৰে মাজত জিলিকি থাকিবলৈ সক্ষম হৈছে, মই মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে তেখেতলোকক শ্ৰদ্ধাৰে সোঁৰৰণী জনাইছোঁ।

মই বিগত তিনিটা বৰ্ষ অধ্যয়ন কৰিছোঁ। প্ৰথম খোজ পেলাওঁতেই হেঁপাহ জাগি উঠিছিল মহাবিদ্যালয়খনিৰ কল্যাণৰ হকে কাম কৰাৰ। সেই হেতুকে ২০২২-২৩ বৰ্ষত অনুষ্ঠিত হোৱা ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই সহঃ সাধাৰণ সম্পাদিকা হিচাপে জয় লাভ কৰোঁ।

এবছৰীয়া যি গধুৰ দায়িত্ব গ্ৰহণ কৰিছিলোঁ। তাক পালন কৰি মহাবিদ্যালয়খনিৰ উন্নয়নৰ হকে কাম কৰি গৈছিলোঁ। তাৰে মাজত মই মহাবিদ্যালয়খনিক কি দিব পাৰিলোঁ সেয়া নাজানোঁ কিন্তু মই বিভিন্ন অভিজ্ঞতাৰে অভিজ্ঞ হ'লোঁ। ুক্ত বছৰচোত বিভিন্ন বৰেণ্য ব্যক্তিৰ সান্নিধ্য লাভ কৰিলোঁ, বহুতো শিকিলোঁ।

মোৰ কাৰ্যকালত আমাৰ অতি শ্ৰদ্ধাৰ অধ্যক্ষ ড° সুৰজিৎ ভূঞা ছাৰ, উপাধ্যক্ষ ৰবীন কাকতি ছাৰ তথা ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা তথা সভাপতিৰ লগতে বিষয়ববীয়াসকলোৰে সম্পূৰ্ণ সহযোগিতাত মহাবিদ্যালয়খনিত প্ৰতি বছৰে পালিত হৈ অহা বিভিন্ন ধৰণৰ অনুষ্ঠানসমূহৰ লগতে বিভিন্ন ধৰণৰ নতুন অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হ'লোঁ। মোৰ কাৰ্যকালত উদ্যাপিত হোৱা বিভিন্ন অনুষ্ঠানসমূহ হ'ল—

সৰস্বতী পূজা পালন
গণতন্ত্ৰ দিৱস উদ্যাপন
নৱাগত আদৰণী সভা উদ্যাপন
শিক্ষক দিৱস উদ্যাপন
শংকৰদেৱৰ তিথি উদ্যাপন
মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস
মহাবিদ্যালয় সপ্তাহ
নাক পিয়েৰ টিমৰ দ্বাৰা মহাবিদ্যালয় পৰিদৰ্শন
অসম ভিত্তিক কুইজ প্ৰতিযোগিতা

ওপৰত উল্লিখিত প্ৰত্যেকটো অনুষ্ঠান সকলোৰে সহায়-সহযোগিতাত সুন্দৰকৈ অনুষ্ঠিত হৈছিল। লগতে মোৰ কাৰ্যকালত ছাত্ৰী কেতা সভাৰ প্ৰতিগৰাকী সদস্যাক সহযোগ কৰিবলৈ সক্ষম হোৱা কেইটামান উল্লেখযোগ্য কাম হ'ল—

১। মহাবিদ্যালয়ৰ খেলপথাৰত মাটি পেলাই ছাত্ৰীসকলৰ খেলিবলৈ সুবিধা কৰি দিয়া।

২। জিৰণী সময়ত বহিবৰ বাবে ছাত্ৰীসকললৈ কম পৰিমাণৰ বেঞ্চ থকাৰ বাবে আৰু সাতখন বেঞ্চৰ যোগান ধৰা।

৩। ছাত্ৰীসকলৰ শ্ৰেণীকোঠাৰ বাহিৰৰ ডাষ্টবিনৰ যোগান ধৰা।

৪। বহুদিন বিকল হৈ পৰি থকা সামাজিক ফিল্টাৰটো খোৱা পানীৰ বাবে উপযোগী কৰি তোলা আদি।

মই মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ লগতে মহাবিদ্যালয়ৰ মুখ্য আকৰ্ষণ স্বৰূপ আমাৰ অতিকে আপোন 'ছাত্ৰী নিবাস'টোৰ এগৰাকী সদস্যা আছিলোঁ। গতিকে ছাত্ৰী কেতা সভাৰ হৈয়ে নহয় মহাবিদ্যালয়ৰ সৰু-বৰ সকলো কামতে মই নিঃস্বাৰ্থ সহযোগিতা আগবঢ়াইছিলোঁ। সকলো সময়তে এইখনি মহাবিদ্যালয়ৰ হৈ কাম কৰাৰ যি সুযোগ লাভ কৰিলোঁ তাক লৈ আজি মই গৌৰৱ অনুভৱ কৰোঁ।

মোৰ এবছৰীয়া কাৰ্যকালত সকলো সময়তে সাহস প্ৰদান কৰা দিহা-পৰামৰ্শ প্ৰদান কৰি আগবাঢ়ি যোৱাত সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ প্ৰত্যেকজন শিক্ষাগুৰুক মোৰ শ্ৰদ্ধা জনাইছোঁ। লগতে মোৰ অগ্ৰজ বা সকল, অনুজসকল আৰু মোৰ সহযোগীসকললৈ বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালৰ সময়ছোৱাত ২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ পৰিকল্পনাৰ কিছু কিছু অংশ বাদ পৰি ৰৈছে। মই আশা ৰাখিছোঁ মোৰ পৰৱৰ্তী ছাত্ৰী একতা সভাৰ সকলো সদস্যাই মহাবিদ্যালয়ৰ উন্নয়নৰ হকে সদায় কাম কৰি যাব।

মোৰ প্ৰতিবেদনৰ সামৰণিত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়খনিৰ দীৰ্ঘায়ু কামনা কৰিছোঁ। সকলোৰে বুকুত জিলিকি ৰওক সদায়। শতিকাজুৰি বৈ যাওক লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ানৰ কেৱল জয়গান।

**— অনিতা মাল্লাহ**

# ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল বৰেণ্য ব্যক্তিক সুঁৱৰিব খুজিছোঁ, যিসকলৰ মহান ত্যাগৰ বিনিময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নাৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান এই লক্ষীমপুৰ বালিকা মহাবিদ্যালয় গঢ় লৈ উঠিছে। লগতে মানৰীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰুসকললৈ যাঁচিছোঁ সশ্ৰদ্ধ প্ৰণাম। এগৰাকী ছাত্ৰী হিচাপে এনে এক শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰিবলৈ পাই মই গৌৰৱবোধ কৰিছোঁ।

স্ত্ৰী শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান সোণালী জয়ন্তীবৰ্ষ গৰকা ঐতিহ্যমণ্ডিত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ ছাত্ৰী কেতা সভাৰ ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাসত এটি স্বাক্ষৰ বহন কৰা এখিলা পাতৰ অংশীদাৰ হ'বলৈ পাই নিজকে সৌভাগ্যৱান বুলি ভাবিছোঁ। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই মই ছাত্ৰী জিৰণী কোঠাৰ কামসমূহ কৰাৰ চেষ্টা কৰিছিলোঁ। ছাত্ৰীসকলৰ অভাৱ-অভিযোগবোৰ পূৰাবৰ বাবে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অৱগত কৰিছিলোঁ। মোৰ সকলো কামতে সহায়-সহযোগিতা কৰা মোৰ সন্মানীয় শিক্ষাগুৰু ধৰিত্ৰী কামান বাইদেউক মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী একতা সভাৰ এগৰাকী সক্ৰিয় সদস্য হিচাপে মই মহাবিদ্যালয়ৰ অন্যান্য অনুষ্ঠানবিলাকত জড়িত হৈ মহাবিদ্যালয়ৰ উন্নতিৰ বাবে সেৰা আগবঢ়াবলৈ চেষ্টা কৰিছিলোঁ।

মোৰ কাৰ্যকালৰ সময়ছোৱাতে নাকৰ দলটো মহাবিদ্যালয় পৰিদৰ্শনৰ বাবে আহিছিল। পৰিদৰ্শনৰ সময়ছোৱাত এটি সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হৈছিল, যাৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰীসকলে সাংস্কৃতিক দিশত থকা নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰি।

মহাবিদ্যালয়ৰ সপ্তাহ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ বাবে আছিল অতি গুৰুত্বপূৰ্ণ অনুষ্ঠান। তলত মই মহাবিদ্যালয়ৰ সপ্তাহত অনুষ্ঠিত কৰা ছাত্ৰী জিৰণী কোঠাৰ প্ৰতিযোগিতাৰ খতিয়ান দাঙি ধৰিলোঁ।

**ৰংগোলী প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় স্থান ঃ গাৰ্হস্থ্য বিজ্ঞান বিভাগ
তৃতীয় স্থান ঃ দৰ্শন বিভাগ

**থলুৱা খাদ্য প্ৰস্তুতকৰণ ঃ**

প্ৰথম স্থান ঃ প্ৰাণীবিজ্ঞান বিভাগ
দ্বিতীয় স্থান ঃ ইংৰাজী বিভাগ
তৃতীয় স্থান ঃ অৰ্থনীতি বিভাগ

**ভেশচন প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ গীতাশ্ৰী বৰা
দ্বিতীয় স্থান ঃ ৰূপজ্যোতি নাথ
তৃতীয় স্থান ঃ চোকলজীতা চাহা আৰু ছাইনিকা ৰয়

**ফটোগ্ৰাফী প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ সুৰভি গগৈ
দ্বিতীয় স্থান ঃ ছৰিনা পাগাক
তৃতীয় স্থান ঃ আছফিকা হুছেইন

**ক্লে মডেলিং ঃ**

প্ৰথম স্থান ঃ অসমীয়া বিভাগ
দ্বিতীয় স্থান ঃ গাৰ্হস্থ্য বিজ্ঞান বিভাগ
তৃতীয় স্থান ঃ শিক্ষাতত্ত্ব বিভাগ আৰু বুৰঞ্জী বিভাগ

**সাজপাৰ প্ৰতিযোগিতা ঃ**

Winner ঃ কংকনা শৰ্মা
1st Runner up ঃ ইলৰী বৰগোহাঁই
2nd Runner up ঃ তনু চেট্ৰী

এই বছৰীয়া কাৰ্যকালত মোক সহায়-সহযোগিতা আগবঢ়োৱা প্ৰত্যেকজন ব্যক্তিৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম আৰু এই এবছৰীয়া কাৰ্যকালত মোৰ অজানিতে হৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। শেষত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ।

**— ৰশ্মিকা বেগম**

# আন্তঃ ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে লক্ষীমপুৰ বালিকা মহাবিদ্যালয় স্থাপন কৰাত যিসকল ব্যক্তিয়ে অৰদান আগবঢ়াই গ'ল সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম যাঁচিলোঁ।

যিসকল ছাত্ৰীয়ে মোক ২০২২-২৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত আন্তঃক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচন কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মই আন্তঃক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয় সপ্তাহৰ মুখামুখি হওঁ। প্ৰথমতে মই কিছুমান অসুবিধাৰ সন্মুখীন হৈছিলোঁ যদিও পিছত মোৰ দায়িত্বসমূহ নিষ্ঠাৰে পালন কৰি গৈছিলোঁ। মোৰ পৰিচালনাত সততে দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰুসকল বিশেষকৈ তত্ত্বাৱধায়ক শ্ৰদ্ধেয় শ্ৰীযুত মংগল সিং ক্ৰ' ছাৰ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী আৰু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সমূহ সদস্যাসকলৰ ওচৰত মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা আন্তঃক্ৰীড়া বিভাগৰ খেলসমূহ আছিল ক্ৰমে বেডমিণ্টন প্ৰতিযোগিতা, কেৰম খেল, ডবা খেল। খেলসমূহৰ ফলাফলসমূহ এনেধৰণৰ—

**বেডমিণ্টন (একক) ঃ**

Winner ঃ প্ৰণামিকা কোঁৱৰ

1st Runner up ঃ জুলুমাই মিলি

**বেডমিণ্টন (যুটীয়া) ঃ**

Winner ঃ প্ৰণামিকা কোঁৱৰ, মৌচুমী পেগু

1st Runner up ঃ জুলুমাই মিলি, গায়ত্ৰী গগৈ

**কেৰম খেল (একক) ঃ**

**বেডমিণ্টন (একক) ঃ**

Winner ঃ মোহমিনা ৰিণা আখতাৰ

1st Runner up ঃ ৰিদ্ধিৰাণী দলে

**বেডমিণ্টন (যুটীয়া) ঃ**

Winner ঃ সুৰংগনা গগৈ, আচফিকা চুলতানা

1st Runner up ঃ নাজমা খাতুন, স্মৃতি বৰুৱা

**ডবা খেল ঃ**

1st Position ঃ ফুলমতী বিশ্বাস

2nd Position ঃ ৰিদ্ধিৰাণী দলে

3rd Position ঃ ভাৰতী দাস

মোৰ অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আৰু লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ তথা উন্নতি কামনা কৰি এই চমু প্ৰতিবেদন সামৰিছোঁ।

**— ৰাণী বৰা**

# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল বৰেণ্য ব্যক্তিক মই প্ৰণিপাত জনাই শ্ৰদ্ধাৰে সোঁৱৰিব বিচাৰিছোঁ যিসকলৰ কষ্ট আৰু অশেষ প্ৰচেষ্টাৰ ফলত উজনি অসমৰ নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষা অনুষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয় গঢ় লৈ উঠি অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে পৰিগণিত হয়। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, চিৰপূজ্য শিক্ষাগুৰুসকল বিভাগীয় উপদেষ্টা, কৰ্মচাৰীবৃন্দৰ লগতে বান্দৱী সকলোলৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তৰ্ক বিভাগটোৰ প্ৰতি ভালপোৱা আৰু মহাবিদ্যালয়খনৰ প্ৰতি থকা অকৃত্ৰিম আনুগত্যৰ ফলস্বৰূপে ২০২২-২৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা ৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ তৰ্ক আৰু আলোচনা বিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁ ২২ নৱেম্বৰ, ২০২২ তাৰিখে ছাত্ৰী একতা সভাৰ নৱনিৰ্বাচিত সদস্যা হিচাপে এক নতুন উদ্যমেৰে। মনত শংকাৰ ভাৱ আছিল যদিও গভীৰ আত্মবিশ্বা আৰু সাহস লৈ মই মোৰ কৰ্তব্যত মনোনিবেশ কৰিলোঁ।

**মোৰ কাৰ্যকালৰ চমু খতিয়ান তলত দাঙি ধৰিলোঁ—**

১। গণতন্ত্ৰ দিৱস আৰু সৰস্বতী পূজা ঃ ২৬ জানুৱাৰী তাৰিখে গণতন্ত্ৰ দিৱস আৰু আমাৰ সৰস্বতী পূজা একেদিনাই হোৱা হেতুকে আমি দুয়ো দিৱস একেলগে উদ্‌যাপন কৰিলোঁ। যিহেতু সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী তাৰ প্ৰতি লক্ষ্য ৰাখি সকলো ছাত্ৰীকে গ্ৰন্থৰ প্ৰতি আকৰ্ষিত কৰি তুলিবৰ বাবে মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ লগত জড়িত ৰাখি এখনি সতীৰ্থ গ্ৰন্থমেলা আয়োজন কৰা হৈছিল। এই গ্ৰন্থমেলা তিনিদিনীয়া কাৰ্যসূচীৰে চলিছিল। ২৬ জানুৱাৰীৰ পৰা ২৮ জানুৱাৰী তাৰিখলৈ। এনেদৰেই আমাৰ সৰস্বতী পূজাভাগ উলহ-মালহেৰে উদ্‌যাপন কৰা হয়।

২। নাক পৰিদৰ্শন ঃ ৭ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ পৰা ৮ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখলৈ আমাৰ মহাবিদ্যালয়লৈ তিনিজনীয়া নাকৰ পৰিদৰ্শন দল আহিছিল। তিনিজন ব্যক্তিয়ে মহাবিদ্যালয়ৰ সকলো ফালৰ পৰা ভালদৰে নিৰীক্ষণ কৰিলে। সন্ধিয়া মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা নৃত্য-গীত পৰিবেশন কৰা হ'ল। নাকৰ দলটিয়ে আমাৰ মহাবিদ্যালয়খনক B++ গ্ৰেডেৰে স্বীকৃতিপ্ৰাপ্ত কৰে।

৩। সাপ্তাহিক ক্ৰীড়া ঃ আমাৰ মহাবিদ্যালয়ত সাপ্তাহিক ক্ৰীড়া সমাৰোহ আয়োজন কৰা হৈছিল ১৪ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ পৰা ১৮ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখলৈকে। খেলকে ধৰি নৃত্য-গীত, সাহিত্য, কলা, সাজপাৰ, ৰংগোলী আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতাসমূহ আনুষ্ঠানিকভাৱে অনুষ্ঠিত কৰা হৈছিল। সকলো বিভাগৰ ছাত্ৰীসকলে প্ৰতিযোগিতাসমূহত পাৰদৰ্শিতা আগবঢ়াইছিল। ইয়াৰ উপৰি মোৰ তৰ্ক আৰু আলোচনা বিভাগটোৰ পৰা তৰ্ক, কুইজ, আকস্মিক বক্তৃতা আৰু বক্তৃতা প্ৰতিযোগিতাসমূহ আয়োজন কৰা হৈছিল। সেই প্ৰতিযোগিতাৰ অংশগ্ৰহণকাৰীসকলৰ নাম তলত উল্লেখ কৰা হ'ল—

**আকস্মিক বক্তৃতা ঃ**
প্ৰথম স্থান ঃ লাবিবা আখতাৰ (ইংৰাজী বিভাগ)
দ্বিতীয় স্থান ঃ বনশ্ৰী পেগু (ৰাজনীতি বিজ্ঞান বিভাগ)
তৃতীয় স্থান ঃ চন্দ্ৰমা গগৈ (প্ৰাণীবিজ্ঞান বিভাগ)

**তৰ্ক প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ পাহি ভূএগ্ৰা (ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান ঃ ৰেডিয়েণ্ট গগৈ (হিন্দী বিভাগ)
তৃতীয় স্থান ঃ লিনা বৰুৱা (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

**বক্তৃতা প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ শিল্পীশিখা হাজৰিকা (ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান ঃ পাহি ভূএগ্ৰা (ৰাজনীতি বিজ্ঞান বিভাগ)
তৃতীয় স্থান ঃ লিনা বৰুৱা (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

**বাতৰি পঠন আৰু ঘোষক প্ৰতিযোগিতা ঃ**
প্ৰথম স্থান ঃ প্ৰিয়াশ্ৰী গগৈ (এনথ্ৰ'প'ল'জী বিভাগ)
দ্বিতীয় স্থান ঃ গীতিমণি বৰা (শিক্ষাতত্ত্ব বিভাগ)

**— ৰিংকুমণি দাস**

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল বৰেণ্য ব্যক্তিক মই অশেষ শ্ৰদ্ধা আৰু প্ৰণাম জ্ঞাপন কৰিছোঁ, যিসকলৰ প্ৰচেষ্টাত উজনি অসমৰ নাৰী শিক্ষাৰ অন্যতম অনুষ্ঠান লক্ষীমপুৰ বালিকা মহাবিদ্যালয় গঢ় লৈ উঠি অসমৰ এখন আগশাৰী মহাবিদ্যালয় হিচাপে পৰিগণিত হয়। লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় প্ৰমুখ্যে চিৰপূজ্য শিক্ষাগুৰুসকল, বিভাগীয় উপদেষ্টা, কৰ্মচাৰীবৃন্দৰ লগতে বান্ধৱীসকললৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শাৰীৰিক কামৰ প্ৰতি থকা দুৰ্বলতা আৰু মহাবিদ্যালয়খনৰ প্ৰতি থকা অকৃত্ৰিম আনুগত্যৰ ফলস্বৰূপে ২০২২-২৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত শৰীৰ চৰ্চা বিভাগৰ সম্পাদিকাৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ শৰীৰ চৰ্চা বিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰোঁ। ২২ নৱেম্বৰ ২০২২ তাৰিখে ছাত্ৰী একতা সভাৰ নৱনিৰ্বাচিত সদস্যাসকলে এক নতুন উদ্যম লৈ কাৰ্যভাৰ গ্ৰহণ কৰোঁ। মনত শংকাৰ ভাৰ। তথাপিও গভীৰ আত্মবিশ্বাস আৰু মনত সাহস লৈ মই মোৰ কৰ্তব্যত মনোনিবেশ কৰিলোঁ।

**মোৰ কাৰ্যকালৰ চমু খতিয়ান তলত দাঙি ধৰিলোঁ —**

১। গণতন্ত্ৰ দিৱস আৰু সৰস্বতী পূজা ঃ ২৬ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ গণতন্ত্ৰ দিৱস উদ্‌যাপন কৰা হয়। সেইদিনাই আমাৰ মহাবিদ্যালয়ত গণতন্ত্ৰ দিৱস উদ্‌যাপন কৰি যোৱাৰ পাছত সৰস্বতী পূজাও আয়োজন কৰা হয়। গিেতু সৰস্বতী বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী, গতিকে সেই দিশৰ ওপৰত লক্ষ্য ৰাখি সকলো ছাত্ৰীক গ্ৰন্থৰ প্ৰতি আকৰ্ষিত কৰি তুলিবৰ বাবে মহাবিদ্যালয়ৰ লগত জড়িত সতীৰ্থ গ্ৰন্থমেলা ২৬ জানুৱাৰীৰ পৰা ১৮ জানুৱাৰী, ২০২৩ তাৰিখলৈ তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। সৰস্বতী পূজাভাগ অতি উলহ-মালহেৰে পালন কৰা হয়।

২। নাক পৰিদৰ্শন ঃ ৭ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ পৰা ৮ ফেব্ৰুৱাৰী, ২০২৩ তাৰিলৈ আমাৰ মহাবিদ্যালয়লৈ তিনিজনীয়া নাক পৰিদৰ্শনৰ দল আহিছিল। সকলো ফালৰ পৰা আমাৰ মহাবিদ্যালয়খনক পৰিদৰ্শন কৰিলে। তাৰ পিছত নাকৰ লগত সংগতি ৰাখি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে নৃত্য আৰু গীত পৰিবেশন কৰে। নাক পৰিদৰ্শকসকলে আমাৰ মহাবিদ্যালয়খনক পুনৰ স্বীকৃতিপ্ৰাপ্ত কৰে $B^{++}$ গ্ৰেডেৰে।

৩। সাপ্তাহিক ক্ৰীড়া ঃ আমাৰ মহাবিদ্যালয়ত সাপ্তাহিক ক্ৰীড়া ১৪ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ পৰা ১৮ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখলৈকে অনুষ্ঠিত কৰা হয়। খেলৰ পৰা ধৰি সাংস্কৃতিক সকলো প্ৰদৰ্শন কৰা হয়। সকলো বিভাগৰ ছাত্ৰীসকলে সকলো দিশতে আগভাগ লোৱা দেখা গৈছিল। ইয়াৰু পৰি মই মোৰ শৰীৰ চৰ্চা বিভাগৰ পৰা যোগাসনৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। সেই প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলৰ নামবোৰ হ'ল—

**যোগাসন প্ৰতিযোগিতা ঃ**

| | |
|---|---|
| প্ৰথম স্থান ঃ | প্ৰণামিকা কোঁৱৰ (অসমীয়া বিভাগ) |
| দ্বিতীয় স্থান ঃ | পৰিস্মিতা শইকীয়া (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ) |
| তৃতীয় স্থান ঃ | জেচমিন বৰগোহাঁই (প্ৰাণীবিজ্ঞান বিভাগ) |

৪। যোগ দিৱস ঃ লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা আৰু মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু এন চি চিৰ ছাত্ৰীসকলৰ সহযোগত ২১ জুন তাৰিখে 9th International Yoga Day উদ্‌যাপন কৰা হয়। ছাত্ৰীসকলে যোগাৰ প্ৰতি আকৰ্ষিত হ'বৰ বাবে যোগৰ ব্যৱস্থা কৰা হয়।

৫। নৱাগতা আদৰণী সভা ঃ আমাৰ মহাবিদ্যালয়লৈ নৱাগতসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে ২৭ আগষ্ট, ২০২৩ তাৰিখে মহাবিদ্যালয়ৰ নৱাগতা আদৰণী সভাখন অনুষ্ঠিত কৰা হয়। এই সভাত মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যুষ' উন্মোচন কৰা হয় আৰু এই সভাত মুখ্য অতিথি হিচাপে আমাৰ মাজত এজন ব্যক্তিক নিমন্ত্ৰণ জনোৱা হৈছিল আৰু সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ হিচাপে থাকে অসমৰে এজন কণ্ঠশিল্পী জনম কাশ্যপদেৱ।

৬। শংকৰদেৱৰ তিথি ঃ শংকৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে ১৬ অক্টোবৰ, ২০২৩ তাৰিখে মহাবিদ্যালয়ত দিহানাম পৰিবেশন কৰি শংকৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন কৰা হয়।

সদৌ শেষত লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হিচাপে মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি আৰু বিকাশৰ কামনাৰে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু সমূহ ছাত্ৰীলৈ পুনৰবাৰ কৃতজ্ঞতা জনাই মোৰ শৰীৰ চৰ্চা সম্পাদিকাৰ চমু প্ৰতিবেদন ইমানতে সামৰিলোঁ আৰু বৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছোঁ। আমাৰ চিৰসেউজীয়া মহাবিদ্যালয়খন দীৰ্ঘজীৱী হওক আৰু সুখ্যাতিৰে জিলিক থাকক।

**— নাজিয়া দেউৰী**

# লেখক পৰিচিতি

**বিকাশ দাস**, সহকাৰী অধ্যাপক, অৰ্থনীত বিভাগ
**ড° কৰিশ্মা হাজৰিকা**, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
**ড° মাহমুদা বেগম**, সহকাৰী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
**প্ৰিঞ্চিপ্ৰিয়া নাথ**, স্নাতক তৃতীয় যান্মাসিক
**পৰিণীতা বড়া**, স্নাতক চতুৰ্থ যান্মাসিক
**বৰিতা বৰ্মন**, স্নাতক পঞ্চম যান্মাসিক
**বৰষা দত্ত**, স্নাতক দ্বিতীয় যান্মাসিক
**সুৰঞ্জনা তামুলী, জাহ্নৱী দেৱী**, স্নাতক প্ৰথম যান্মাসিক
**সুফলা পায়েং**, স্নাতক তৃতীয় যান্মাসিক
**ৰিতুমণি পাৰে**, স্নাতক চতুৰ্থ যান্মাসিক
**মৰমী দেউৰী**, স্নাতক দ্বিতীয় যান্মাসিক
**বৰষা দত্ত**, স্নাতক চতুৰ্থ যান্মাসিক
**কাবেৰী শইকীয়া**, স্নাতক দ্বিতীয় যান্মাসিক
**নিভাৰাণী গগৈ**, উঃ মাঃ দ্বিতীয় বৰ্ষ
**জোনমণি পৰাশ গোস্বামী**, স্নাতক পঞ্চম যান্মাসিক
**কাব্যশ্ৰী দেৱী**, স্নাতক তৃতীয় যান্মাসিক
**স্মৃতি বৰুৱা**, স্নাতক পঞ্চম যান্মাসিক
**ময়ূৰী শইকীয়া**, স্নাতক দ্বিতীয় যান্মাসিক
**চন্দ্ৰাণী গোস্বামী**, স্নাতক পঞ্চম যান্মাসিক
**তেজাশ্ৰী দলে**, স্নাতক দ্বিতীয় যান্মাসিক
**জানমণি পেগু**, স্নাতক পঞ্চম যান্মাসিক
**জাহ্নৱী চমুৱা**, স্নাতক দ্বিতীয় যান্মাসিক
**গায়ত্ৰী গোহাঁই**, স্নাতক তৃতীয় যান্মাসিক
**স্পৃহা শইকীয়া**, স্নাতক তৃতীয় যান্মাসিক
**কাবেৰী চমুৱা**, স্নাতক তৃতীয় যান্মাসিক
**হেমাশ্ৰী ফুকন**, স্নাতক তৃতীয় যান্মাসিক
**ৰাজশ্ৰী গগৈ**, স্নাতক চতুৰ্থ যান্মাসিক
**জ্ঞানশ্ৰী দত্ত**, স্নাতক পঞ্চম যান্মাসিক
**পাহী কোঁৱৰ**, স্নাতক পঞ্চম যান্মাসিক
**প্ৰিয়ংকা পলি মিলি**, স্নাতক তৃতীয় যান্মাসিক
**নমী গগৈ**, স্নাতক তৃতীয় যান্মাসিক
**নিপা শইকীয়া**, স্নাতক তৃতীয় যান্মাসিক
**মধুস্মিতা দত্ত**, স্নাতক তৃতীয় যান্মাসিক
**চেলিমা বেগম**, স্নাতক তৃতীয় যান্মাসিক
**আকাংক্ষা লাইমাৰী**, স্নাতক পঞ্চম যান্মাসিক
**প্ৰেৰণা বৰা**, স্নাতক পঞ্চম যান্মাসিক
**নিভা বৰা**, স্নাতক তৃতীয় যান্মাসিক
**জ্যোতিস্মিতা পেগু**, স্নাতক তৃতীয় যান্মাসিক
**মন্দিতা নাথ**, স্নাতক তৃতীয় যান্মাসিক
**সন্ধ্যা প্ৰসাদ**, স্নাতক দ্বিতীয় যান্মাসিক
**প্ৰিয়াংকু ৰায়**, স্নাতক দ্বিতীয় যান্মাসিক
**অন্বেষা দত্ত**, স্নাতক তৃতীয় যান্মাসিক
**চয়নিকা চেতিয়া**, স্নাতক তৃতীয় যান্মাসিক
**সংগীতা ৰয়**, স্নাতক পঞ্চম যান্মাসিক
**বনশ্ৰী বৰুৱা**, স্নাতক ষষ্ঠ যান্মাসিক
**বেবী দত্ত**, স্নাতক তৃতীয় যান্মাসিক
**প্ৰিয়ংকা লাগাচু**, স্নাতক ষষ্ঠ যান্মাসিক
**প্ৰস্তুতি বৰা**, স্নাতক পঞ্চম যান্মাসিক
**ৰজিৰাণী দাস**, স্নাতক তৃতীয় যান্মাসিক
**অনিশা দাস**, স্নাতক ষষ্ঠ যান্মাসিক
**ভাৰ্গৱী দাস**, স্নাতক তৃতীয় যান্মাসিক
**অলি চাবুকধৰা**, স্নাতক তৃতীয় যান্মাসিক
**জোনমণি দাস**, স্নাতক তৃতীয় যান্মাসিক
**মিতালী গগৈ**, স্নাতক তৃতীয় যান্মাসিক
**গীতাশ্ৰী বৰা**, স্নাতক তৃতীয় যান্মাসিক
**ৰাখী চুতীয়া**, স্নাতক দ্বিতীয় যান্মাসিক
**চিন্ময়ী লাহন**, স্নাতক চতুৰ্থ যান্মাসিক
**ডলী পেগু**, স্নাতক তৃতীয় যান্মাসিক
**দীতিমণি পেগু**, স্নাতক তৃতীয় যান্মাসিক
**কবিতা গগৈ**, স্নাতক তৃতীয় যান্মাসিক
**দৰ্শনা নেওগ**, স্নাতক তৃতীয় যান্মাসিক
**তৃষ্ণা বৰা**, স্নাতক তৃতীয় যান্মাসিক
**গৰিমা গগৈ**, স্নাতক তৃতীয় যান্মাসিক
**কান্টিকা নাথ**, স্নাতক দ্বিতীয় যান্মাসিক
**মন্দিৰা গগৈ**, স্নাতক দ্বিতীয় যান্মাসিক
**চুমী বড়ি**, স্নাতক পঞ্চম যান্মাসিক
**ৰিতুমণি পাৰে**, স্নাতক ষষ্ঠ যান্মাসিক
**বেবী দত্ত**, স্নাতক ষষ্ঠ যান্মাসিক

## List of Ex-Editors
## Lakhimpur Girls' College Magazine
## North Lakhimpur (1982 - 2023)

| | | |
|---|---|---|
| 1982 - 1983 | : | Ms. Ranjana Konwar |
| 1983 - 1984 | : | Ms. Bharati Hazarika |
| 1984 - 1985 | : | Ms. Swapna Saikia |
| 1985 - 1986 | : | Ms. Mayashri Goswami |
| 1986 - 1987 | : | Ms. Nandita Saikia |
| 1987 - 1988 | : | Ms. Seemarani Phukan |
| 1988 - 1989 | : | Ms. Surabhi Borah |
| 1989 - 1990 | : | Ms. Miju Hazarika |
| 1990 - 1991 | : | Ms. Purabi Saikia |
| 1991 - 1992 | : | Ms. Babyjyoti Baruah |
| 1992 - 1993 | : | Ms. Shakuntala Borpatra |
| 1993 - 1994 | : | Ms. Nanu Bharali |
| 1994 - 1995 | : | Ms. Dulumoni Gogoi |
| 1995 - 1996 | : | Ms. Sanjiva Boruah |
| 1996 - 1997 | : | Ms. Smita Hazarika |
| 1997 - 1998 | : | Ms. Sikharani Gogoi |
| 1998 - 1999 | : | Ms. Pallavi Phukan |
| 1999 - 2000 | : | Ms. Banti Mahanta |
| 2000 - 2001 | : | Ms. Jamini Boruah |
| 2001 - 2002 | : | Ms. Jipulina Gogoi |
| 2002 - 2003 | : | Ms. Hemalakhi Gogoi |
| 2003 - 2004 | : | Ms. Sunpahi Morang |
| 2004 - 2005 | : | Ms. Rijum Phukan |
| 2005 - 2006 | : | Ms. Dipsikha Duari |
| 2006 - 2007 | : | Ms. Rajashree Bora |
| 2007 - 2008 | : | Ms. Sangeeta Pawe |
| 2008 - 2009 | : | Ms. Deepasri Borpatra Gohain |
| 2009 - 2010 | : | (Not published) |
| 2010 - 2011 | : | Ms. Priyanka Borgohain |
| 2012 - 2013 | : | Ms. Junmoni Neog |
| 2013 - 2014 | : | Ms. Pankhi Bharali |
| 2014 - 2015 | : | Ms. Susmita Bora |
| 2015 - 2016 | : | Ms. Papori Gogoi |
| 2016 - 2017 | : | Ms. Nabanita Konch |
| 2017 - 2018 | : | Ms. Puja Bhuyan, Joyshree Pawe |
| 2018 - 2019 | : | Ms. Joyshree Phukan |
| 2019 - 2020 | : | Ms. Astha Handique |
| 2021 - 2022 | : | Ms. Chimpi Dutta |
| 2022 - 2023 | : | Ms. Linamoni Das |





**অংকন ঃ** স্মৃঘা বৰবৰা, গাৰ্হস্থ্য বিজ্ঞান বিভাগ





**অংকন ঃ** গাৰ্গীমণি গগৈ, গাৰ্হস্থ্য বিজ্ঞান বিভাগ

# কলা
# বীথিকা










অংকন ঃ দিব্য শৰ্মা, গাৰ্হস্থ্য বিজ্ঞান বিভাগ

## মহাবিদ্যালয়ৰ গীত

নতুন আশাৰে
ন ঘৰ সাজিছো
নকৈ বান্ধিছো ভেটি
ন ন যুগৰে বতাহ বলিছে
ন সুৰুযৰে জ্যোতি।

জিলিকি উঠিব জ্ঞানৰ পথাৰখন
ন লখিমীৰে হাঁহি
মনৰে ভঁৰালত
চপাম হেঁপাহেৰে
ফুলাম ৰ'দালিৰে পাহি।

নতুন বাটেৰে...
ন খোজ মেলিছো
পোহৰৰ গাঁৱলৈ বুলি
ন জীৱনৰে
নতুন প্ৰেৰণাৰে
সপোনে মেলিব কলি।

ৰচনা ঃ
হৰেন্দ্ৰ কুমাৰ ভূঞা
অৱসৰপ্ৰাপ্ত অধ্যাপক, ইংৰাজী বিভাগ
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
সুৰঃ
লক্ষীধৰ গগৈ
নকাড়ী, উত্তৰ লক্ষীমপুৰ